# সাম্প্ৰতিক সাময়িকী

জ্যোতিপ্ৰসাদ সংখ্যা জানুৱাৰী ১৯৭৮



OKDISCD


# DO YOU KNOW :

That by scientific culture of fishes the production of fish can be increased manifold.

That 'Composit Fish Culture' is the technique we recommend, which is simple yet scientific.

That Catla, Rohu, Mrigal, Grass carp, Silver carp and Common carp are the six heroes of "Composite Fish Culture."

**ISSUED BY THE INFORMATION OFFICE**
**DEPT. OF FISHERIES, ASSAM, GAUHATI-1**




## ॥ আমাৰ নৱ বৰ্ষৰ নিবেদন ॥

| | |
|---|---|
| বিষ্ণু ৰাভা, এতিয়া কিমান ৰাতি (জীৱনী) তিলক দাস--- | ১২'০০ |
| অশান্ত প্ৰহৰ (উপন্যাস) কাঞ্চন বৰুৱা-- | ১০'০০ |
| ...ড়িয়ো কৰ্ম বন্ধন (প্ৰবন্ধ) যোগেন্দ্ৰনাথ ভূঞা-- | ৫'০০ |
| ৰোমন্থন (উপন্যাস) নন্দ শইকীয়া-- | ৫'০০ |
| অংকুৰ (গল্প সংকলন) সম্পাদনাঃ অজিত কুমাৰ ভূঞা-- | ৬'০০ |
| ...ন্টু সংবাদ (চেমনীয়াৰ গল্প) কালীনাথ শৰ্মা-- | ৪'০০ |
| ...লৰীয়া প্ৰতিধ্বনি (চেমনীয়াৰ উপন্যাস) হৰেন্দ্ৰ নাথ বৰঠাকুৰ-- | ৪'০০ |
| শিল জুৰিৰ সাঁকো (ন-শিকাৰুৰ উপন্যাস) কুমাৰ কিশোৰ-- | ৪'০০ |
| বৰদোৱা-গুৰুচৰিত (প্ৰবন্ধ) সম্পাদনা ঃ ডঃ মহেশ্বৰ নেওগ-- | ১২'০০ |
| প্ৰিয়ঙ্গু (কবিতা সংকলন) গৌতম প্ৰসাদ বৰুৱা-- | ৪'০০ |
| বিবাহ আৰু জীৱন (শাস্ত্ৰসন্মত প্ৰবন্ধ) গুৰুদত্ত ভাগৱতী-- | ৫'০০ |
| সম্পূৰ্ণ ডাকৰ বচন--সম্পাদনাঃ হেমৰথ বৰ্মণ-- | ৫'০০ |
| মঞ্চকলা (থিয়েটাৰ আৰু যাত্ৰা সম্পৰ্কে আলোচনা) কুমাৰ কিশোৰ-- | ৬'০০ |
| শেষ ক'ত ? (উপন্যাস) ডঃ প্ৰফুল্লদত্ত গোস্বামী-- | ৩'৫০ |

লগতে

...ৰেখা আৰু জ্যোতিষ-বিজ্ঞান--২০'০০ ॥ সাহিত্য আৰু চেতনা--১৫'০০ ॥ বগুকাবেহাৰ--...'০০ ॥ অসীমত যাৰ হেৰাল সীমা--১৫'০০ ॥ জতুগৃহ--৮'০০ ॥ হিমানী-হিল্লোল--৮'০০ ॥ ... আৰু মন--৮'০০ ॥ মেডিকেল কলেজ--৮'০০ ॥ গধূলি লগ্ন--৮'০০ ॥ উপমা কালিদাসস্য ...'০০ ॥ সাহিত্য-সংস্কৃতিৰ প্ৰবাহ--৭'০০ ॥ অঘৰী আত্মাৰ কাহিনী--৬'৫০ ॥ মণি-কাঞ্চণ-...'০০ ॥ মাটিৰ মাহুহ--৬'০০ ॥ বহাগতে পাতি যাওঁ বিয়া--৬'০০ ॥ সৃজণ আৰু মনন--৬'০০ ॥ ৰাজপথৰ নায়ক--৬'০০ ॥ শিশুৰ প্ৰতিপালন--৬'০০ ॥ আঠজনী মিছেছ--৫'৫০ ॥ ...নম--৫'০০ ॥ অস্তিত্বৰ শিকলি--৫'০০ ॥ অভিনেত্ৰী--৫'০০ ॥ হৃদয়--৫'০০ ॥ উখুন্...ংডা--৫'০০ ॥ নিষিদ্ধ চেতনা--৫'০০ ॥ মুছাফিৰখানা--৫'০০ ॥ অচিন নায়ক--৪'০০ ॥ মহানগৰ--৪'০০ ॥ গ্ৰহণান্ত--৪'০০ ॥ উত্তাপ--৪'০০ ॥ জৰাসন্ধৰ নৃত্য--৪'০০ ॥ দেৱী ইন্দ্ৰাণী--৪'০০ ॥ সোণালী চুলি--৩'০০ ॥ কুঁৱলী--৩'০০ ॥ ফুলিথকা সূৰ্য্যমুখী ফুলটোৰ ফালে--...'৫০ ॥ ॥ ইত্যাদি-------

(আমি অন্যান্য প্ৰকাশকৰ কিতাপো যোগান ধৰোঁ।)

আগধন নপঠালে অৰ্ডাৰ পঠোৱা নহয়।

**গুৱাহাটী বুক ষ্টল**

শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩ ॥ দিছপুৰ, গুৱাহাটী-৭৮১০০৬

## নতুন বছৰত আমাৰ অৰ্ঘ্য

| | |
|---|---|
| অভিশপ্ত চম্বল ॥ খগেন্দ্ৰ নাৰাৰণ দত্ত বৰুৱা | ১০·০০ |
| বিলকিচ বেগম ॥ খগেন্দ্ৰ নাৰাৰয়ণ দত্ত বৰুৱা | ১০·০০ |
| অনন্য প্ৰান্তৰ ॥ মেদিনী চৌধুৰী | ১৫·০০ |
| জন্ম (নাটক) ॥ মহেন্দ্ৰ নাথ বৰঠাকুৰ | ৬·০০ |
| আনন্দৰাম ঢেকীয়াল ফুকন ॥ নন্দ তালুকদাৰ | ১৫·০০ |
| ৰত্নকান্ত বৰকাকতিৰ গদ্য সম্ভাৰ ॥ যোগেন্দ্ৰ নাৰায়ণ ভূঞা | ৩০·০০ |
| জীৱনৰ বাটত (উপন্যাস) ॥ বীণা বৰুৱা | ১২·৫০ |
| ৰাসনাৰ অতীত (অনুবাদ) ॥ প্ৰণীতা দেৱী | ৩০·০০ |
| জ্ঞানানন্দ শৰ্মা পাঠকৰ সাহিত্য আলোচনা ॥ | ১৫·০০ |
| পুৰণি অসম বুৰঞ্জী ॥ পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ১৫·০০ |
| অসমীয়া কথা সাহিত্য (পুৰণি ভাগ) ॥ বিৰিঞ্চি কুমাৰ বৰুৱা | ৪·০০ |
| বিচিত্ৰ নাৰায়ণ দত্ত বৰুৱাৰ স্মৃতি গ্ৰন্থ ॥ | ১০·০০ |
| কবিতাৰ ৰ'দ ॥ হীৰেণ ভট্টাচাৰ্য | ৩·০০ |
| প্ৰেমৰ গান ॥ হীৰেণ ভট্টাচাৰ্য | ৩·০০ |
| এৰি অহা দিনবোৰ ॥ নলীনী বালা দেৱী | ১৮·০০ |
| Threads Woven: Ideals, Principles and Administration ॥ B. P. Singh | 30·00 |
| Anglo-Assamese Relations, (Ph. D. Thesis, University of London) S. K. Bhuyan | 50·00 |
| The Pronouncing Anglo-Assamese Dictionery B. N. Bhattacharjee | 26·00 |
| Milton : Tradition and Paradise Lost : A Heretical View : (Ph. D. Thesis, Cambridge University) Dr. Hiren Gohain | 65·00 |
| Human Sacrifice and Head Hunting in North Eastern India, B. Gohain | 30·00 |
| Assamese : its Formation : and Development B. K. Kakati | 30·00 |

**লয়াৰ্ছ বুক ষ্টল**

পাণবজাৰ ॥ গুৱাহাটী-৭৮১০০১

ফোনঃ-২৩৭৯৯



সাম্প্ৰতিক অসমীয়া


# সূচীপত্ৰ


সম্পাদকীয় ॥ জ্যোতিপ্ৰসাদ আৰু আমি

সাংস্কৃতিকী ॥ চালি চেপলিন ॥ প্ৰসংগক্ৰমে ॥ জ্যোতিপ্ৰসাদৰ 'শিল্পীৰ পৃথিবীত' আৰু সম্পাদকীয় অপ্ৰোপচাৰ ॥ চৈতালী হাজৰিকা ॥ এখন ঐতিহাসিক দলিল ঃ "নালীয়াপুলৰ বিপদসংকেত" ॥ জ্যোতিপ্ৰসাদ আগৰৱালা ॥ ধাৰাবাহিক উপন্যাস ॥ গণদেবতা ॥ মূল ঃ কৃষণ চন্দৰ ॥ অনুবাদ ঃ সুৰেন্দ্ৰ কুমাৰ শৰ্মা ॥ বিতৰ্ক ॥ চিন্তা বিপ্লব ? ॥ পূৰ্ণানন্দ চুতীয়া ॥ প্ৰবন্ধ ॥ জ্যোতিপ্ৰপাত ॥ তিলক হাজৰিকা ॥বিপ্লবী জ্যোতিপ্ৰসাদ আৰু বিয়াল্লিশৰ আন্দোলন ॥ উমেশ বৰুৱা ॥ "মই নিজিৰাওঁ ॥" হেমাংগ বিশ্বাস ॥ কাৰেঙৰ লিগিৰী, মধ্যবিত্ত, প্ৰেম, বিবাহ ইত্যাদি ॥ প্ৰসেনজিৎ চৌধুৰী ॥ উদাৰতাবাদৰ বিৰুদ্ধে মতাদৰ্শগত সংগ্ৰাম ॥ মাও ছে-তুং ॥ শিল্প প্ৰসংগ ॥ ভিন্ ছেন্ট্ ভেন্ গগ্, সাধাৰণ মানুহৰ ছবি আঁকা এজন অসাধাৰণ শিল্পী ॥ নীলপবন বৰুৱা ॥ নাটক আৰু অভিনয় প্ৰসংগ ॥ বিজয় সংঘৰ 'সভ্যতাৰ সংকট' ॥ শুদ্ধ সত্ত্ব চৌধুৰী ॥ চলচ্চিত্ৰ ॥ সত্যজিৎ ৰায়ৰ 'জন অৰণ্য' ॥ তপন কুমাৰ বৰুৱা ॥ অক্টোবৰ বিপ্লব আৰু ছোভিয়েট চলচ্চিত্ৰ সপ্তাহ ॥ হেমন্ত কুমাৰ দাস ॥ 'সন্ধ্যাৰাগ' প্ৰসংগত ॥ ৰাঘবেন্দ্ৰ ৰায় ॥ ৰসেশ্বৰ হাজৰিকাৰ কলম ॥ ৰসেশ্বৰ হাজৰিকা ॥ সাময়িক প্ৰসংগ ॥ অসম হাৰ্ডবোৰ্ড শ্ৰমিকৰ সংগ্ৰাম ॥ ক'লা আইন আৰু জনতা চৰকাৰ ॥ অসম ৰাজ্যিক শ্ৰমিক কৰ্মচাৰী আৰু শিক্ষকৰ সংগ্ৰাম ॥ বিশেষ প্ৰতিনিধি ॥ সাক্ষাৎকাৰ ॥ লক্ষ্যধৰ কলিতা, দ্বীপেন কাকতি, প্ৰভাত বৰুৱা ॥ ন-পুথিৰ চিনাকি ॥ অবনী চক্ৰবৰ্তী ॥ অনু ৰবা ॥



প্ৰচ্ছদপট ॥ ৰেণু মিশ্ৰ ॥ উপদেষ্টা ॥ নলিনীধৰ ভট্টাচাৰ্য

সম্পাদক ॥ নিত্য ৰবা

কাৰ্যালয় ঃ হেদায়েৎপুৰ ॥ গুৱাহাটী-৭৮১০০৩ ॥ ফোন ঃ ২৭০২৩



OKDISCD

# সাম্প্ৰতিক সাময়িকী
## সাহিত্য সংস্কৃতি বিষয়ক মাহেকীয়া আলোচনী

সাম্প্ৰতিক সাময়িকী প্ৰতি ইংৰাজী মাহৰ প্ৰথম সপ্তাহত প্ৰকাশ হয়। জনগণ বিৰোধী কোনো লেখা এই আলোচনীত ছপা নহয়। লেখাৰ ভাষা সাধাৰণ পাঠকৰ বোধগম্য হ'ব লাগিব। ইংৰাজী উদ্ধৃতি যথা-সম্ভৱ বাদ দিব। (এনে উদ্ধৃতি অপৰিহাৰ্য হলে লগত অসমীয়া তৰ্জমা দিব লাগিব)। প্ৰকাশৰ অযোগ্য প্ৰবন্ধ-পাতি লগে লগে নষ্ট কৰি পেলোৱা হয়। লগত ডাক টিকট দিলেও প্ৰবন্ধ-পাতি ঘূৰাই পঠোৱা সম্ভৱ নহয়। লেখকৰ লগত ব্যক্তিগত যোগাযোগ সকলো সময়তে সম্ভৱ নহয়। ☐ ডাক-মাছুল সহ বছেৰেকীয়া বৰঙণি ২৪'০০ টকা। সাধাৰণ ডাকত আলোচনী পঠোৱা হয়। সাধাৰণ ডাকত পঠালে আলোচনী হেৰোৱাৰ ভয় থাকে। ৰেজিষ্ট্ৰী ডাকত আলোচনী পঠাবলৈ হলে প্ৰতি সংখ্যাৰ বাবদ গ্ৰাহকে ওপৰঞ্চি ২ টকা পঠাব লাগিব। এবছৰৰ বৰঙণি পঠালে বছৰৰ যিকোনো সময়তে গ্ৰাহকভুক্ত হ'ব পাৰিব। ☐ ২০ কপিৰ কমে এজেন্সি দিয়া নহয়। প্ৰতি কপি আলোচনীৰ বাবদ ২ টকাকৈ আমানত ধন জমা দিব লাগিব। আলোচনী ভি, পি ডাকত পঠোৱা হয়। ভি, পি খৰছ আমাৰ। এজেন্সি বন্ধ কৰিবলৈ এমাহৰ আগতে আমাক জনাব লাগিব। কোনো স্পষ্ট কাৰণ নেদেখুৱাকৈ ভি, পি পেকেট ঘূৰাই পঠালে এজেন্সি লগে লগে বাতিল কৰা হয়। এজেন্টসকলক ২৫% কমিছন দিয়া হয়।


ঠিকনা

সাম্প্ৰতিক সাময়িকী ॥ হেদায়ৎপুৰ ॥ গুৱাহাটী ৭৮১০০৩

ফোন ঃ ২৭০২৩



উৎকৃষ্ট মানৰ

ব্লক, ডিজাইন আৰু ৰঙীন বেটুপাত মুদ্ৰনৰ বাবে

শৰাইঘাট গ্ৰাফিক আৰ্টচ্

এম, চি, ৰোড, গুৱাহাটী-৭৮১০০৩

ফোন ২৮৩৮৭

সকলো ধৰণৰ

উন্নত মানৰ ছপা কামৰ বাবে

সীমান্তিকা

প্ৰিন্টাৰ্চ্ছ

এম, চি, ৰোড, গুৱাহাটী-৭৮১০০৩


# সম্পাদকীয়

## জ্যোতিপ্ৰসাদ আৰু আমি

জ্যোতিপ্ৰসাদৰ বিচাৰ কৰোঁতে আমি পিছৰ পুৰুষে তেওঁৰ উপলব্ধিসমূহ সহিষ্ণুতাৰে চালি-জাৰি চোৱা উচিত। তাকে নকৰিলে আমি এনে এক ঐতিহ্য হেৰুৱাম, যি ঐতিহ্যই আমাৰ অগ্ৰগতিত প্ৰেৰণাৰ সঞ্চাৰ কৰিব পাৰে। এই কথা ঠিক যে, তেওঁ আছিল চাহ বাগানৰ মালিক, ঐশ্বৰ্য আৰু বিলাসৰ মাজত তেওঁৰ জন্ম। এটা সময়ত তেওঁ সংকীৰ্ণ ব্যক্তিগত চিন্তাৰ মাজত দিন অতিবাহিত কৰিছিল। গান্ধী নাইবা শংকৰদেৱৰ ওপৰত অপৰিসীম আস্থা ৰাখি তেওঁলোকলৈ শ্ৰদ্ধা-তৰ্পণ কৰিছিল। কিন্তু অভিজ্ঞতা আৰু কল্পনাশক্তি বঢ়াৰ লগে লগে তেওঁৰো উপলব্ধিৰ পৰিবৰ্তন ঘটিছিল। তেওঁ নামি আহিছিল 'কাৰ্পেট'ৰ পৰা 'ঘাঁহনি'লৈ; টকা আৰু মানুহ—এই দুটাৰ ভিতৰত মানুহক—শোষিত মানুহক তেওঁ অন্তৰেৰে ভাল পাইছিল আৰু টকাক তেওঁ ঘৃণা কৰিছিল। গজদন্তমিনাৰৰ পৰা নামি আহি মাটিৰ গোন্ধ লোৱা জ্যোতিপ্ৰসাদে সেই সময়ৰ দেশ আৰু মানুহৰ জ্বলন্ত সমস্যাবোৰৰ মাজত সোমাই পৰিছিল আৰু সেয়েই তেওঁ কলা-কৃতিসমূহকো বহু পৰিমাণে প্ৰভাৱান্বিত কৰিছিল। সেইবাবে চিন্তা আৰু দৰ্শনৰ খেলি মেলি সত্বেও বিপ্লবী গণ-চেতনাৰ পথ তেওঁ ঠাঁৱে-চিয়াঁৰে দেখুৱাই থৈ গৈছে। এই জন জ্যোতিপ্ৰসাদক বুৰ্জোৱা বুলি নাকচ কৰাটো ইতিহাস-বোধসম্পন্ন আৰু বস্তুনিষ্ঠ মানুহৰ কাম নহয়। তাৰপৰা ক্ষতি হ'ব আমাৰ সংগ্ৰামী ভৱিষ্যতৰ।

হতাশাৰ দৰ্শন অথবা অবক্ষয়-চেতনা থাকিলেই মানুহ আধুনিক হৈ নাযায়। আধুনিক মানুহে ইতিহাসৰ গতি-প্ৰকৃতিৰ উমান পায়, আৰু সংকট দেখিলে তেওঁ তাক দূৰ কৰাতো হাতে কামে লাগে। এনে আধুনিক চিন্তাৰ অধিকাৰী জ্যোতিপ্ৰসাদে ধন আৰু ক্ষমতাৰ খঁকত অস্থিৰ এই সমাজৰ ৰূপান্তৰৰ সপোন দেখিছিল; কেৱল সপোন দেখাই নহয়, তাক দিঠকত পৰিণত কৰাৰ চেষ্টাও তেওঁ কৰিছিল। নহলে 'দুস্কৃতি'ৰ ৰাজত্ব চলি থাকিব। তাৰ অৰ্থ হ'ব বৰ্বৰতা। ৰোজা লুক্সেমবাৰ্গে তাকেই 'Common doom' বুলি কৈছিল। জ্যোতিপ্ৰসাদৰ দেশপ্ৰেম আছিল সন্দেহাতীত; কিন্তু সি সংকীৰ্ণ জাতীয়তাবাদ নহয়। স্পেনীয় কবি ল'ৰ্কাই কৈছিল ঃ 'মই সম্পূৰ্ণভাৱে স্পেনীয়, স্পেন দেশৰ বাহিৰলৈ গৈ জীয়াই থকাৰ কথা ভাবিব নোৱাৰোঁ; কিন্তু তাৰ অৰ্থ এইটো নহয় যে মই চকু-কাণ মুদি সংকীৰ্ণ জাতীয়তাৰ মাজত বুৰ দিব খোজো।' জ্যোতিপ্ৰসাদেও এনে আকাংক্ষাকে কৰিছিল। আধুনিক মানুহৰ ই স্বাভাৱিক আকাংক্ষা। তেওঁ পৰিবেশৰ লগত নিজক লিপ্ত কৰিবলৈ যত্ন কৰিছিল আৰু লগে লগে তেওঁ বিশ্বৰ জনতাকো আঁকোৱালি ল'ব খুজিছিল। তেওঁৰ মতে ধনতন্ত্ৰৰ ভিতৰ-চ'ৰা দুস্কৃতিৰে পৰিপূৰ্ণ। এনে অন্যায়ৰ বিৰুদ্ধে অকল অসম বা ভাৰতেই নহয়, সমগ্ৰ বিশ্বৰ জনতাই থিয় দিয়াৰ উমান তেওঁ পাইছিল। তেওঁ কৈছে ঃ 'জন সংহতিতেই যে

জন-মুক্তি তাক উপলব্ধি কৰি আজি ভাৰতত, এছিয়াত, য়ুৰোপত, আমেৰিকাত জনতাৰ প্ৰাণত মহাজীৱনৰ সঞ্চাৰ আহিছে। মহাপোহৰৰ বাটে আগবাঢ়ি এই জনতাই বিশ্বৰূপ ধৰি থিয় হৈছে।' (শিল্পীৰ পৃথিৱী)

জ্যোতিপ্ৰসাদে 'অসমীয়া স্থাপত্যৰ নৱৰূপ' নামৰ প্ৰবন্ধত এইবুলি কৈছে যে যিখিনি সাংস্কৃতিক বস্তুক আমি নতুন দিনৰ জীৱন্ত আহিলা হিচাপে নাপাওঁ, সি যিমানেই আমাৰ মৰমৰ হওক লাগিলে তাক এৰিব লাগিব। এই কথা তাৎপৰ্য-পূৰ্ণ। জ্যোতিপ্ৰসাদে আমাক যিখিনি দিলে তাৰ পৰা আজি আমাক লগাখিনি উলিয়াই লৈ বাকীখিনি পৰিহাৰ কৰিব লাগিব। কিয়নো জ্যোতিপ্ৰসাদৰ দৰ্শনৰ সামগ্ৰিক ৰূপটো এনেকুৱা যে প্ৰগতিবাদী কৰ্মীয়ে তাক আওকাণ কৰাটো টান, আনহাতে তেওঁৰ চিন্তাত এনে কিছুমান বিভ্ৰান্তি আছে যাক গ্ৰহণ কৰাও মস্কিল। সেই বাবে তেওঁৰ প্ৰগতিশীল উপলব্ধিখিনিক আঁকোৱালি লোৱাটো আমাৰ কৰ্তব্য। জ্যোতি-প্ৰসাদৰ বিশ্ববিক্ষাত থকা দ্বন্দ্বসমূহৰ কাৰণ বিচাৰি আমি সমকালীন পৰিস্থিতিৰ ওচৰ চাপিব লাগিব। তেওঁ আছিল যাইকৈ শিল্পী--সংস্কৃতিৰ পূজাৰী, কিন্তু এই সংস্কৃতি চৰ্চা তেওঁ কেনে পৰিবেশত কৰিব লগা হৈছিল? সুখত উঠা উচ্চ মধ্য-বিত্ত পৰিয়ালৰ ল'ৰা জ্যোতিপ্ৰসাদে স্বাধীনতা সংগ্ৰামত, বিশেষকৈ বিয়াল্লিছৰ গণ-আন্দোলনত জনসাধাৰণৰ কাষ পাইছিলগৈ আৰু জনসাধাৰণৰ সংগ্ৰামী ৰূপ দেখি তবধ মানিছিল। পৰিয়ালৰ প্ৰতিবাদ সত্ত্বেও তেওঁ চাহ-বাগানৰ বনুৱাৰ মাজত ইউনিয়ন গঠনৰ কথা কৈছিল। আজাদ হিন্দ ফৌজৰ অগ্ৰগতি, কমিউনিষ্ট আন্দোলন, কৃষক-বিদ্ৰোহ এইবোৰেও তেওঁৰ সচেতন মনত ৰেখাপাত কৰিছিল। আনহাতে, এনে সংগ্ৰামী বাতাবৰণেও সমাজত চলি থকা সামন্তযুগীয় প্ৰমূল্যসমূহৰ ভেটি উছন কৰিব নোৱাৰিলে। জ্যোতিপ্ৰসাদ এনে প্ৰমূল্যসমূহৰ পৰা মুক্ত নাছিল। ইয়াৰ কাৰণ সম্ভ-বতঃ গান্ধীৰ দৰ্শনত থকা ধৰ্মীয় প্ৰভাৱ। গান্ধীৰ আন্দোলনত থকা প্ৰতিক্ৰিয়াক বুৰ্জোৱাসকলে নিজ উদ্দেশ্য সিদ্ধিৰ বাবে সাৰ-জাবৰ দি লহপহীয়া কৰি তুলিছিল। এই প্ৰসংগত অহিংসাৰ কথা উনুকিয়াব পাৰি। ডঃ কৌশম্বীৰ মতে ভাৰতৰ অবগাত প্ৰচুৰ খাদ্যশস্য (অন্ততঃ ৪০ বিধ) পোৱা হেতুকেই মানুহে জীৱহিংসা নকৰিছিল। মানুহৰ জীৱ-বধৰ প্ৰতি থকা এই বিৰাগকে ভেটি কৰি বুদ্ধই অহিংসাক দৰ্শনৰ পৰ্যায়লৈ তুলিলে। অহিংসাৰ কথা কোৱা হ'লেও আন্দোলন কাৰ্যতঃ অহিংস হৈ থকা নাছিল। তাহানিৰ চৌৰিচৌৰাৰ ঘটনাই তাৰ প্ৰমাণ। বিয়াল্লিছৰ আন্দোলনো প্ৰকৃত পক্ষে অহিংস নহয়। গান্ধীয়ে নিজেই এইবোৰ দেখি গৈছে। অহিংসাৰ এই দৰ্শনে ভাৰতত ৰক্তপাত কমাব পৰা নাই। তদুপৰি চৰকাৰী হিংসাৰ সন্মুখত অহিংস হৈ থকাৰ ধৈৰ্যও নাথাকে। কিন্তু সেই সময়ত গান্ধীৰ অপূৰ্ব সাফল্য আৰু ব্যক্তি-ত্বই বহুতকে মোহাচ্ছন্ন কৰি ৰাখিছিল। কমিউনিষ্টসকলেও গান্ধীক 'জাতিৰ পিতা' বুলিছিল। এনেবোৰ কাৰণতে জ্যোতিপ্ৰসাদৰ মনত হিংসা-অহিংসাৰ দ্বন্দ্ব থাকিল। এহাতে পাৰিবাৰিক আভিজাত্য, সামন্তযুগীয় ঐতিহ্য, গান্ধীৰ আন্দোলনত ধৰ্মীয় প্ৰভাৱ আৰু আনহাতে মাৰ্ক্স-অধ্যয়ন, জনতাৰ সংগ্ৰামী অংশৰ লগত সহযোগ---পৰস্পৰ বিৰোধী এনেবোৰ অভিজ্ঞতাই তেওঁৰ বিশ্ববিক্ষাত থকা দ্বন্দ্বৰ কাৰণ। অৱশ্যে শেহৰ ফালে তেওঁ অন্তৰ্দ্বন্দ্বৰ পৰা বহু পৰিমাণে মুক্ত হৈছিল। শ্ৰেণী-সমন্বয়ৰ আদৰ্শ লৈ (হে শত্ৰু নমস্কাৰ) উচ্চ সংস্কৃতিৰ মাধ্যমেৰে সমাজৰ ৰূপান্তৰ ঘটোৱাৰ যি



ধাৰণা তেওঁৰ আছিল শেহলৈ সি নাইকিয়া হৈছিল আৰু বিপ্লবী গণচেতনাৰ পৃষ্ঠ-পোষকতা কৰিছিল।

এই পটভূমিত বিচাৰ কৰিলেহে জ্যোতিপ্ৰসাদক চিনিব পৰা যায়। 'অন্তৰ-সংস্কৃতি'ৰ ওপৰত গুৰুত্ব, সংস্কৃতি আৰু দুষ্কৃতিৰ মাজত সংঘাত স্বীকাৰ কৰিও হিংসা সম্বন্ধে দ্বিধাগ্ৰস্ততা, শিল্পীক পক্ষ গ্ৰহণৰ পৰামৰ্শ দিও সৌন্দৰ্যক প্ৰয়োজনৰ পৰা বিচ্ছিন্নকৰণ-----এনেবোৰ খেলিমেলি বা বিভ্ৰান্তিৰ পৰা তেওঁ মুক্ত নহল সঁচা, কিন্তু তেওঁৰ বাস্তৱ সত্যৰ নিৰ্ভুল উপলব্ধিৰ চেষ্টা, জনতাৰ ওপৰত অপৰিসীম আস্থা, স্বপ্ন-বিলাস ত্যাগ কৰি 'পুৱাৰ ৰঙা বেলিৰ ছবি' আঁকাৰ আগ্ৰহ, বিপ্লৱী দৃষ্টিকোণ—এইবোৰ তেওঁৰ চৰিত্ৰৰ উজ্বল দিশ। তেওঁৰ মতে সংস্কৃতিৰ অৰ্থ ব্যাপক; ই সমাজনীতি, ৰাজনীতি, ধৰ্মনীতি, দৰ্শন, বিজ্ঞান, সুকুমাৰ কলা একেলগে সামৰিছে। তেওঁ জীৱনটোক 'অবিভাজ্য গোট' বুলি ধৰিছে। এনে উপলব্ধিও নিশ্চয় হিতকৰ, কিয়নো তেনে নহলে জীৱনৰ পূৰ্ণ বিকাশৰ প্ৰশ্ন তল পৰিব। তেওঁৰ 'কৃষ্ণ'ও পূৰ্ণবিকশিত শিল্পী, ব্যৱসায়ী কলাসেবী নহয়। এই শিল্পীক তদাৰক কৰোঁতা হ'ল 'গুৱাল-জনতা'। জনতাৰ ওপৰত তেওঁৰ এনে অবিচল আস্থাই তেওঁকো জনতাৰ শিল্পী কৰি তুলিছিল। অৱশ্যে মানুহক শিল্পী কৰাৰ কথা কওঁতে তেওঁ ঋষিসকলৰ পৰা আৰম্ভ কৰি শংকৰদেৱলৈকে সকলোৰে ভূমিকা উল্লেখ কৰিছে। এইবোৰ কথাত কিছু পৰিমাণে ভাবালুতা নোহোৱা নহয়। সম্ভৱতঃ আমাৰ জনসাধাৰণ ধৰ্মীয় সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত বুলিয়েই ৰাম আৰু কৃষ্ণক প্ৰতীক হিচাপে ধৰি লৈ তাৰ এটা নতুন ব্যাখ্যা দিবলৈ তেওঁ যত্ন কৰিছিল তাক হয়তো উপলব্ধি কৰিছিল যে ৰাম (সীতাৰূপী সংস্কৃতিৰ ৰক্ষক) আৰু কৃষ্ণৰ এনে ব্যাখ্যাৰ সহা-য়েৰে জন-মানসত নতুন পোহৰ সিচিব পৰা যাব। দুষ্কৃতিৰ স্বৰূপটো কৌৰৱৰ দৰে বুলি কৈ তেওঁ কৌৰৱৰ ব্যাখ্যা যেনেদৰে দিছে তাৰো উদ্দেশ্য বোধহয় জনতাৰ সন্মুখত আজিৰ সমাজ-বাস্তৱ ডাঙি ধৰা: 'আজি পৃথিৱীজোৰা দুষ্কৃতিৰ স্বৰূপটো কৌৰৱৰ দৰেই। সিহঁত সম্পদৰ গৰাকী হোৱাত কণা ধৃতৰাষ্ট্ৰৰ দৰেই কণা। শকুনিৰ মন্ত্ৰণাই সিহঁতৰ সকলো। কৃষ্ণক—সংস্কৃতিক সিহঁতক লাগে, কিন্তু মন্ত্ৰণা নুশুনে। মাত্ৰ সংস্কৃতিক লাগে সিহঁতৰ ফলীয়া হৈ যুদ্ধ জয় কৰি দিবলৈ। কিন্তু সংস্কৃতি-কৃষ্ণ থাকে সিহঁতৰ বিৰুদ্ধেহে ধ্বংস কৰিবলৈ। আজি ধনতন্ত্ৰবাদ, সাম্ৰাজ্য-বাদৰ স্বৰূপটো কৌৰৱৰ দৰেই। ০০০আমি আজি শিখা ৰূপেৰেই দুষ্কৃতি নাশ আৰু সংস্কৃতি গঢ়িবলৈ কৃষ্ণ-সত্যৰ ওপৰতেই আমাৰ অভিযান প্ৰতিস্থা কৰিব পাৰোঁ। এহাতেৰে যুদ্ধ আৰু আনহাতেৰে সৃষ্টি।'

পাগলাগাৰদৰ খেতিয়কজনেও কৈছে "সুদৰ্শন ধাৰী, ওহে মুৰাৰি।' সংস্কৃতিৰ এই অস্ত্ৰধাৰণৰ কথা কৈও তেওঁ অহিংসাৰ বিষয়ে এইদৰে মন্তব্য কৰিছে--'যদি বাস্তৱৰ মীমাংসাৰ বাবে তেওঁলোকে অৰ্জুনৰ দৰে হাতত গাণ্ডীবো তুলি লবলগীয়া হয়, তথাপিও তেওঁলোকে মানবাদৰ্শৰূপে ভাৰতীয় তেজৰ সন্তান হৈ অহিংসাই যে মানৱ জীৱনৰ চৰম আদৰ্শ তাক মানি লবই লাগিব।'

ইয়াৰ বিপৰীতে তেওঁ জীৱনৰ শেহৰ ফালে কোৱা এষাৰ কথা উল্লেখযোগ্য। হেমাংগ বিশ্বাসৰ আগত তেওঁ কৈছিল, 'বিপ্লৱৰ প্ৰস্তাৱ যেতিয়া আপোনালোকে লৈছে --বিপ্লৱতো সশস্ত্ৰই হয়--নিৰস্ত্ৰনো কেনেকৈ হ'ব?' ইয়াৰ পৰা বুজা যায় তেওঁ

শেহলৈ অহিংসা সম্পৰ্কে থকা তেওঁৰ পূৰ্বৰ ধাৰণা ত্যাগ কৰিছিল। চৰকাৰটোকো তেওঁ সাংস্কৃতিক অনুষ্ঠান বুলি ধৰিছিল। প্ৰথম অৱস্থাত স্বাধীন ভাৰত চৰকাৰৰ ওপৰত যি অলপ অচৰপ আস্থা আছিল শেহলৈ সি নাইকিয়া হ'ল। তেওঁৰ মোহ দূৰ হ'ল। তেওঁ মন্তব্য কৰিলে: There is something wrong in the state of Denmark. (এইখন ৰাষ্ট্ৰত ক'ৰবাত কিবা আসোঁৱাহ আছে।)

পৰিণত বয়সৰ এই উপলব্ধিৰ মাজত তেওঁৰ মোহমুক্তিৰ লক্ষণ আছে। জনতাৰ কল্যাণকামী সমাজ-সচেতন শিল্পীৰ ভূমিকা এনেকুৱাই। তেওঁ ভুল-ত্ৰুটি সম্বন্ধে সচেতন আছিল আৰু তেওঁৰ আত্মবিশ্লেষণৰো আগ্ৰহ আছিল। ১৯৪৮ চনত 'নতুন অসম'ৰ সম্পাদকলৈ 'শিল্পীৰ পৃথিৱী'ৰ সমালোচনা বিচাৰি লিখা এখন চিঠিত তেওঁ এইবুলি উল্লেখ কৰিছিল: "মোৰ চিন্তাত প্ৰগতিশীলতাৰ অকণমান কুঁহিপাতো যদি বিচাৰি পায় তেন্তে আলফুলকৈ যতন কৰি তাক ঠন ধৰি উঠিবলৈ সাহায্য কৰিব। যদি কিবা প্ৰতিক্ৰিয়াশীল বুলি ভাবে তেন্তে তাক যেন নিৰ্মমভাবে মষিমূৰ কৰিবলৈ দ্বিধা নকৰে।" ইয়াৰ তিনিবছৰৰ মূৰত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ আগে আগে তেওঁৰ পৰিবৰ্তন ঘটিছিল আৰু মাৰ্ক্সীয় আদৰ্শৰ প্ৰতি ঢাল খাইছিল।

জ্যোতিপ্ৰসাদে বিয়াল্লিছৰ আন্দোলনত গাঁৱে গাঁৱে কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰিছিল। কেতিয়াবা আত্মগোপন কৰি হিংসাত্মক কাৰ্যতো লিপ্ত হৈ পৰিছিল। জনতাৰ ৰুদ্ৰৰূপে যেতিয়া হিংসাত্মক ৰূপ লয় তাত সহযোগ কৰাটো অনুচিত নহয়। হিংসা সম্পূৰ্ণ ব্যক্তিগত হ'লেহে তাক বাধা দিয়া উচিত। অন্যায়ৰ প্ৰতিকূলে থিয় দিয়াটো যে উচিত কাৰ্য এই কথা জ্যোতিপ্ৰসাদে তেওঁৰ জীৱন আৰু কলা উভয়তে দেখুৱাই গৈছে। আমাৰ দেশৰ জনতাই দুখ-দৈন্য সহি জীয়াই থকাৰ আন এখন ছবিও আছে। ৰুদ্ৰৰূপী জনতা আৰু নিৰীহ জনতা--উভয়ৰে প্ৰতীক হ'ল তেওঁৰে সৃষ্টি দুটি নাৰী চৰিত্ৰ--লভিতা আৰু শেৱালী। লভিতাৰ বিদ্ৰোহ আৰু শেৱালীৰ আত্মত্যাগ---আমাৰ জনতাৰে চাৰিত্ৰিক বৈশিষ্ট্যৰ দুটা দিশ। প্ৰয়োজন হ'লে প্ৰাণ বিসৰ্জন দিও ৰূপান্তৰৰ চেষ্টা কৰাৰ শক্তি আমাৰ জনতাৰ আছে। জ্যোতিপ্ৰসাদে তাকেই আমাৰ আগত ডাঙি ধৰিছে---এই দুই চৰিত্ৰৰ মাজেৰে।

'ৰাইজৰ আশীৰ্বাদ ভিক্ষাৰী' জ্যোতিপ্ৰসাদে মোহমুক্ত অৰ্জুনৰ দৰেই জনতাৰ কামত থিয় দিব খোজে। যি জনতাই যাউতিযুগীয়া কষ্ট গুচাই জীৱনৰ হাঁহি ফুলাব বুলি বাট চাই আছে সেই জনতাক পোহৰলৈ অনাৰ এটা বাস্তৱ-পথ তেওঁৰ অন্বিষ্ট আছিল। পৰিবেশৰ কুঁৱলীত তেওঁ সেই পথ ভালকৈ দেখা নাছিল। তথাপি তেওঁৰ অন্বিষ্ট আমি আমাৰ প্ৰয়োজনৰ বাবেই গ্ৰহণ কৰা উচিত। পৰিণত বয়সৰ জ্যোতিপ্ৰসাদৰ উপলব্ধিয়ে আমাক তাকে কৰিবলৈ উদগনি দিয়ে। তেওঁৰ প্ৰতি আমি নিৰ্মম হ'লে আমিয়েই হয়তো উজ্জ্বল ঐতিহ্য হেৰুৱাম।

যি এটা সময়ত গণ-নাট্য সংঘৰ সভাপতি হৈছিল, নালীয়াপুলৰ ঘটনাৰ অকলশৰীয়াভাবে প্ৰতিবাদ কৰিছিল, (দ্ৰষ্টব্য: স্থানান্তৰত নালীয়াপুলৰ বিপদ সংকেত) কলাৰ বৈপ্লৱিক ভূমিকাৰ কথা চিন্তা কৰিছিল, সেইজন জ্যোতিপ্ৰসাদক জনতাই পাহৰিব নোৱাৰে। জ্যোতিপ্ৰসাদৰ মৃত্যু দিৱসত তিথিৰ মূৰত পানী এচলু দি ভোজ ভাত খোৱা আৰু তেওঁৰ নামত ইটো সিটো কৰিম বুলি বক্তৃতা দি কামৰ বেলিকা মূৰ পোলোকা মৰাৰ যি চৰকাৰী প্ৰচেষ্টা চলি আছে সি প্ৰশংসনীয় নহয়। জ্যোতিপ্ৰসাদৰ ব্যক্তিত্ব আৰু চৰিত্ৰৰ উজ্জ্বল দিশবোৰলৈ আঙুলিয়াই দি জনতাৰ ওচৰত তেওঁক দাঙি ধৰাটোহে আমাৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য বুলি আমি ভাবোঁ। এইটো নকৰিলে পলমকৈ হলেও জ্যোতিপ্ৰসাদৰ নিৰীহ জনতাই জীৱনক সুন্দৰ কৰাৰ প্ৰয়োজনতে তেওঁক এদিন বিচাৰিব আৰু আজিৰ অবহেলাৰ বাবে আমাক অভিশাপ দিব। +++

এই আলোচনীত প্ৰকাশিত সকলো প্ৰবন্ধ-পাতিৰ বক্তব্যৰ লগত আমি একমত নহ'বও পাৰোঁ। দৃষ্টিভংগী লেখকসকলৰ নিজৰ। সম্পাদকীয় বক্তব্য একান্তভাবে 'সাম্প্ৰতিক সাময়িকী'ৰ।





# চাৰ্লি চেপলিন



Charlie Chaplin was much a part of the movies as the camera or the screen itself—(Reuter)

অসমৰ প্ৰায় সাধাৰণ চলচ্চিত্ৰামোদীৰেই অপৰিচিত অথচ বিশ্ব চলচ্চিত্ৰৰ এটি অবিস্মৰণীয় নাম চাৰ্লি চেপলিন। শিল্পকলাক সামাজিক দায়বদ্ধপূৰ্ণ কৰ্ম হিচাপে গণ্য কৰা সকলৰ বাবে এটি আন্তৰিক প্ৰীতি আৰু শ্ৰদ্ধাৰ সতে উচ্চাৰিত নাম চাৰ্লি চেপলিন--যিয়ে নিজৰ যুগৰ ভয়ংকৰ দিনবোৰৰ মাজতো উপলব্ধি কৰিছিল মানুহৰ গভীৰ মমত্বময়তা, মানুহৰ 'বঞ্চনাৰ অশ্ৰুমঙ্গল বাস্তৱতা', যিয়ে বুজি পাইছিল আৰু উন্মোচিত কৰিছিল ধনতান্ত্ৰিক সমাজৰ শঠতা আৰু পংকিলতা; যিয়ে তেওঁৰ 'দি গ্ৰেট ডিক্‌টেটৰ' ছবিৰ জৰিয়তে ফেছিবাদৰ বিৰুদ্ধে জনাইছিল অসামান্য প্ৰতিবাদ, মানহৰ মনত স্বাধীনতা ৰক্ষাৰ বাবে জনাইছিল অদম্য প্ৰেৰণা। সেয়ে গ্ৰিফিথ বা আইজেনষ্টাইনৰ দৰে চলচ্চিত্ৰত নতুন একো উদ্ভাৱন নকৰাকৈ তেওঁ অমৰ, তেওঁৰ সৃষ্ট---দি গোল্ড ৰাছ, মছিয়ু ভেৰ্দ, লাইম লাইট, ছিটি লাইটছ, মডাৰ্ণ টাইমছ, দি গ্ৰেট ডিক্‌টেটৰ আদি ক্লাছিকসমূহৰ জৰিয়তে।

চলচ্চিত্ৰ জগতৰ মহৎ স্ৰষ্টাৰূপে স্বীকৃত এই চলচ্চিত্ৰ কৰ্মীজনৰ যোৱা ২৫ ডিছেম্বৰত জেনেভাত, ৮৬ বছৰ বয়সত মৃত্যু হয়। নিজৰ সময়ক গভীৰভাবে উপলব্ধি কৰা আৰু উন্মোচিত কৰা এই প্ৰতিভাক আমি সন্মান জনাওঁ। ২য় মহাসমৰত ফেছিষ্ট জাৰ্মানীৰ বিৰুদ্ধে ৰাছিয়াৰ মহান ঐতিহ্যপূৰ্ণ সংগ্ৰামক স্বাগতম জনোৱা আৰু তাৰ সপক্ষে প্ৰচাৰ চলোৱা ফেছিবাদৰ বিৰুদ্ধে সোচ্চাৰ এই শিল্পীক আমি সন্মান জনাওঁ----যিদৰে 'লাইম লাইট' ছবিত এই চলচ্চিত্ৰ কৰ্মীজনে জীৱনক বুজি পাই, জীৱনক ভাল পাই জীৱনক গভীৰভাবে আঁকোৱালি ধৰা প্ৰৌঢ় কমেডিয়ানজনক সন্মান জনায়----তেওঁৰ মুখেদি কোৱায় ---I must go on. That is progress. +++

# জ্যোতিপ্ৰসাদৰ 'শিল্পীৰ পৃথিবীত' আৰু সম্পাদকীয় অস্ত্ৰোপচাৰ

—চৈতালী হাজৰিকা

ৰিজ্ঞানৰ অভূতপূৰ্ব অগ্ৰগতিৰ ফলত আজিকালি বহুসময়ত কুৎচিত চেহেৰাৰ মানুহক প্লাষ্টিক ছাৰ্জাৰীৰ দ্বাৰা স্বাভাৱিক সৌন্দৰ্য প্ৰদান কৰাৰ কথা শুনা যায়। এই মানৱ কল্যাণকামী ৰিজ্ঞানৰ দ্বাৰা শিক্ষিত কেইজন দক্ষ ছাৰ্জন অসমত আছে নাজানোঁ, কিন্তু সাহিত্যৰ ক্ষেত্ৰত 'কুৎচিত' চিন্তা ধাৰাক চতুৰ সম্পাদনাৰ অস্ত্ৰৰে যে 'সুন্দৰ' কৰিব পৰা ছাৰ্জনৰূপী সম্পাদক অসমত আছে সেই কথা আমাৰ অবগত হৈছে। এই ছাৰ্জনগৰাকী হ'ল লব্ধপ্ৰতিষ্ঠ প্ৰবীণ সাহিত্যিক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা। শিবসাগৰত সদৌ অসম শিল্পী সংঘৰ প্ৰথম অধিবেশনত (১৮৭০ শক) জ্যোতিপ্ৰসাদে সভাপতি হিচাপে এটি মূল্যবান ভাষণ দিয়ে। এই ভাষণখনেই অধুনা দুষ্প্ৰাপ্য পুস্তিকা 'শিল্পীৰ পৃথিবী' (প্ৰকাশ কৰোঁতা ঃ ভৰত বৰপূজাৰী, ডিব্ৰুগড়)। এই 'শিল্পীৰ পৃথিবী'ক ১৯৬১ চনত জ্যোতি সোঁৱৰণি সন্থাৰ দ্বাৰা প্ৰকাশিত আৰু শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাৰ দ্বাৰা সম্পাদিত 'জ্যোতিৰ্ধাৰা'ত সংকলিত কৰা হয়। আচৰিত কথা যে 'শিল্পীৰ পৃথিবী'ৰ মূল পুস্তিকাত থকা কিছু অতি দৰকাৰী কথা 'জ্যোতিৰ্ধাৰা'ৰ 'শিল্পীৰ পৃথিবী'ত নাই ঃ শ্ৰীহাজৰিকাই কিছু ঠাইত নতুন শব্দ সংযোগ কৰিছে আৰু ঠায়ে ঠায়ে তেওঁ সম্পূৰ্ণ একোখণ্ড বাদ দিছে। এতিয়া প্ৰশ্ন হ'ল, জ্যোতিপ্ৰসাদৰ 'শিল্পীৰ পৃথিৱী'ৰ ওপৰত চতুৰ আৰু সুপৰিকল্পিতভাৱে চূণকাম কৰাৰ এই ঠিকাটো শ্ৰীহাজৰিকাক কোনে দিলে? জ্যোতি-ৰচনাৰ অংগক্ষত কৰাৰ অধিকাৰেই বা তেখেতে ক'ত পালে? তেখেতৰ এই চূণকাম জানো শ্বেত-ৰাজনীতিৰ দ্বাৰা উদ্বুদ্ধ নহয়?

পাঠক-পাঠিকাৰ উদ্দেশ্যে এইবাৰ শ্ৰীহাজৰিকাৰ অস্ত্ৰোপচাৰৰ কেইটামান দৃষ্টান্ত আগবঢ়াইছোঁ। 'শিল্পীৰ পৃথিবী' পুস্তিকাখনৰ এঠাইত আছে ঃ "বুদ্ধইও যিশুৰ দৰেই প্ৰভাৱ কৰি দুষ্কৃতি নাশ কৰিছিলে। সেইদৰে মাৰ্কছ যদিও নিজেই সংঘাতলৈ অহা নাছিলে তথাপি লেনিনে সেই আদৰ্শক সহিংস সংঘাতেৰে প্ৰতিষ্ঠা কৰিলে।" (পৃঃ ১৯) 'জ্যোতিৰ্ধাৰা'ৰ ১২ পৃষ্ঠাত কিন্তু 'সহিংস'ৰ সলনি 'অহিংস' শব্দটো আছে। অৰ্থাৎ, সম্পাদক শ্ৰীহাজৰিকাই বিনাৰক্তপাতে, কেৱল এটা শব্দ ইফাল-সিফাল কৰি, ৰক্তাক্ত বিপ্লৱ এটাক শান্তিপূৰ্ণ উত্তৰণলৈ ৰূপান্তৰিত কৰাৰ 'দুঃসাহস' দেখুৱাব পাৰিলে। কিন্তু তেখেতৰ এই চতুৰ, অহিংস কাৰ্যৰ ফলত যে জ্যোতিপ্ৰসাদৰ ঐতিহাসিক জ্ঞান সম্পৰ্কে কিছু মানুহৰ মনত সন্দেহৰ সৃষ্টি হ'ব পাৰে সেই কথা জানো তেওঁৰ মনলৈ নাহিল? আচল কথা হ'ল, জ্যোতিপ্ৰসাদৰ যিবোৰ ধ্যান-ধাৰণাৰ লগত গান্ধীবাদ তথা অহিংসাৰ আদৰ্শৰ বিৰোধ আছে সেইবোৰক যিমানদূৰ সম্ভৱ অস্ত্ৰোপচাৰ কৰি বাদ দিয়া কিম্বা চূণকাম কৰি অস্পষ্ট কৰি দিয়াৰ 'মহান' দায়িত্ব পালন কৰিবলৈ সম্পাদক শ্ৰীহাজৰিকাই প্ৰাণপনে চেষ্টা কৰিছে। 'শিল্পীৰ পৃথিবী' পুস্তিকাখনত জ্যোতিপ্ৰসাদে লিখিছে ঃ "সত্যাগ্ৰহ প্ৰতিৰোধ হিচাবে বহুত ক্ষেত্ৰত কৃতকাৰ্য্য হলেও—বিশেষকৈ একেবাৰে পূৰ্ণ দুষ্কৃতিৰ বিৰুদ্ধে কৃতকাৰ্য্যতাৰে খটাব নোৱাৰি। সেইবাবেই—জৱহাৰলালে পৃথিবীত গান্ধীৰ অহিংস আদৰ্শৰ প্ৰচাৰ কৰি থাকিও, কাশ্মীৰ আৰু হায়দাৰাবাদলৈ সহিংস বাহিনী পঠিয়াব লগীয়া হৈছে। আৰু এইকাৰণেই মোৰ এটা ধাৰণা হৈছে যে জৱহাৰলাল মহাত্মা গান্ধীৰ আচল উত্তৰাধীকাৰী নহয়।" (পৃঃ ২০) প্ৰথম বাক্যটোত দুষ্কৃতিৰ বিৰুদ্ধে সৰ্বক্ষেত্ৰতে অহিংস প্ৰতিৰোধৰ সাফল্য সম্পৰ্কে জ্যোতিপ্ৰসাদে স্পষ্ট সন্দেহ প্ৰকাশ কৰিছে। 'জ্যোতিৰ্ধাৰা'ৰ 'শিল্পীৰ পৃথিবী'ত কিন্তু জ্যোতিপ্ৰসাদৰ এই স্পষ্ট কথাখিনি বাদ দিয়া হৈছে। সন্দেহ নাই যে জ্যোতিপ্ৰসাদে শেষত উপলব্ধি কৰিছিল যে গান্ধীবাদৰ নেগুৰত ধৰি বিপ্লৱৰ বৈতৰণী পাৰ হোৱাৰ আশা স্বপ্নবিলাসহে মাথোন।

সঠিক অৰ্থত জ্যোতিপ্ৰসাদ কমিউনিষ্ট নাছিল। কিন্তু কমিউনিজমৰ আদৰ্শৰ প্ৰতি, প্ৰগতিৰ আদৰ্শৰ প্ৰতি তেওঁৰ আকৰ্ষণ যে শেষ জীৱনলৈ বাঢ়ি আহিছিল সেই কথা আজি আৰু নুই কৰিব নোৱাৰি। তথাপি যিসকলে গান্ধীবাদৰ নামাৱলী পিন্ধাই 'সুন্দৰ'ৰ বিশুদ্ধ পূজাৰী হিচাপে তেওঁৰ পৰিচয় দিব বিচাৰে তেওঁলোকে এতিয়াও জ্যোতিপ্ৰসাদৰ চিন্তাক 'ৰঙা দৈত্য'ৰ কবলৰ পৰা মুক্ত কৰাৰ চেষ্টা এৰা নাই। সেইবাবে 'জ্যোতিৰ্ধাৰা'ত সম্পাদক মহাশয়ে জ্যোতিপ্ৰসাদে শ্ৰদ্ধাৰে ব্যৱহাৰ কৰা 'কমিউনিষ্ট' শব্দটো অস্ত্ৰোপচাৰ কৰি বাদ দি তেখেতৰ প্ৰভু-শ্ৰেণীৰ শ্বেত-ৰাজনীতিৰ শোধনাগাৰত জ্যোতি-চিন্তাক শোধিত কৰি অসমৰ ৰাইজলৈ আগবঢ়াইছে। মূল 'শিল্পীৰ পৃথিবী'ত আছে ঃ "জাতীয় কংগ্ৰেছ গৱৰ্ণমেণ্টক প্ৰথমেই সমৰ্থন কৰা, এক জনসংস্কৃতিৰ সপোন দেখোতা কমিউনিষ্ট সকলে কিহৰ বাবে নিৰ্য্যাতন ঘূৰপাতি লব ওলাইছে দেশলৈ স্বাধীনতা অহাৰ পাছতো—কিয় তেওঁলোকে স্বাধীনতাক সন্দেহ কৰিব লগীয়া হৈছে—কিয়, জনতাক ভাল পোৱা, দেশক ভাল পোৱা —সংস্কৃতিৰ সেৱক এই ছচিয়েলিষ্ট, কমিউনিষ্ট, কৃষক-বনুৱা উন্নতিকামী আন দেশসেৱকবোৰ আমাৰ নিজৰ স্বাধীন গৱৰ্ণমেণ্টৰ দ্বাৰাই ধৰ্ষিত হব লগীয়া হৈছে?" (পৃঃ ৫৪) এই বক্তব্যৰ প্ৰথম অংশ 'জ্যোতিৰ্ধাৰা'ত নাই, আৰু শেষ অংশৰ 'এই ছচিয়েলিষ্ট, কমিউনিষ্ট, কৃষক বনুৱা উন্নতিকামী আন দেশসেৱকবোৰ'—এই অংশক কাটি বাদ দিয়া হৈছে। (দ্ৰষ্টব্য 'জ্যোতিৰ্ধাৰা' পৃঃ৩৩) 'বিশুদ্ধ' সৌন্দৰ্যৰ পূজাৰী গান্ধীবাদৰ 'একান্ত ভক্ত' জ্যোতিপ্ৰসাদে খাব-নোপোৱা, বিদেশী মতবাদৰ সমৰ্থনকাৰী, সহিংস বিপ্লৱবাদী, ধনীৰ শত্ৰু কমিউনিষ্টবোৰক 'সংস্কৃতিৰ সেৱক' বুলি কোৱাটো প্ৰতিক্ৰিয়াৰ অতন্দ্ৰ প্ৰহৰী সাহিত্য-ছাৰ্জন হাজৰিকাদেৱে সহ্য কৰে কেনেকৈ? উল্লেখযোগ্য

যে মূল 'শিল্পীৰ পৃথিৱী'ত থকা এই অংশটোও 'জ্যোতিৰ্ধাৰা'ৰ পৰা বাদ দিয়া হৈছেঃ "আজি মহাত্মাৰ সংস্কৃতিৰ অৰ্থ বুজোতা আচাৰ্য্য কৃপালনীয়ে কিয় বিদ্ৰোহ কৰি উঠিছে ? আজি একে লগৰে, সকলো ত্যাগ দুখ কষ্ট বৰণ কৰি, স্বাধীনতাৰ শেষ যুদ্ধত পূৰ্ণাহুতি দিয়া জয়প্ৰকাশ আৰু কংগ্ৰেছৰ ত্যাগী কৰ্মী সমাজতন্ত্ৰবাদীসকলে কিয় মাকক হেমলেটে কৰাৰ দৰে সন্দেহ কৰি---আতৰি আছিল ?" --(পৃঃ ৫৪)।

জ্যোতিপ্ৰসাদে ভাৰতৰ তথাকথিত স্বাধীনতাৰ মৌলিক চৰিত্ৰ সম্পৰ্কে প্ৰথমৰ পৰাই কিছু ক্ষেত্ৰত সন্দেহ প্ৰকাশ কৰিছিল। ই জ্যোতিপ্ৰসাদৰ মোহমুক্ত বিশ্লেষণাত্মক ক্ষমতাৰ অভূতপূৰ্ব প্ৰমাণ। কিন্তু নতুন শাসকসকলৰ বিশ্বস্ত ঢোল-বাদক হিচাপে নিযুক্ত বুদ্ধিজীৱীসকলে জ্যোতিপ্ৰসাদৰ এই 'দেশদ্ৰোহী' চিন্তাক সহ্য কৰে কেনেকৈ ? সেয়ে মূল 'শিল্পীৰ পৃথিৱী'ত থকা এই কথাখিনি 'জ্যোতিৰ্ধাৰা'ত নাই ঃ "আজিৰ আমাৰ স্বাধীন শাসনতন্ত্ৰখন হ'ল ১৯৩৫ চনৰ পালিমেন্টৰ এক্‌টখনৰ আৰু এটা আহল বহল সংস্কৰণ। ইয়াতে স্বাধীন ভাৰতীয় মৌলিকতা প্ৰকাশ পালে নেকি ? Art & Science of People's Government তেন্তে Art & Science of Capitalistic Imperialist Government ৰ সৈতে বিশেষ বেলেগ নহয় নেকি ? কবলৈ গলে কথা বাঢ়ি যাব, কিন্তু সকলো কথা বহলাই কবলৈ এই অভিভাষণৰ ঠায়ে নোজোৰে। আজি মোৰ মনৰ এখন খিলিকি খুলিহে ৰাইজক দেখুৱাব পাৰিলো। আৰু এইফালে চায়েই ৰাইজে মোৰ অভ্যন্তৰৰ কিছু আভাস পাই যদি---ভাবিবলৈ ধৰে--তাতেই মোৰ অভিভাষণৰ সাৰ্থকতা বুলি নিশ্চয় ভাবিম। সময়ত ৰাইজৰ আগলৈ মোৰ চিন্তাৰ শৰাই পূৰ্ণ কৰি ওলাব পাৰিম বুলি আশা কৰিলোঁ আৰু ৰাইজৰ তাৰ বাবে আশীৰ্ব্বাদ মাগিলো। এতিয়া অভিভাষণৰ মূল কথালৈ যাওঁ।" (পৃঃ ৫৯-৬০) জ্যোতিপ্ৰসাদৰ এই উক্তি বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। তেওঁৰ চিন্তাৰ বিবৰ্তন, তৎকালীন 'স্বাধীন' চৰকাৰৰ 'গণ-বিৰোধী' চৰিত্ৰ সম্পৰ্কে তেওঁৰ ধাৰণা, তেওঁৰ চিৰচলমান মানসত প্ৰবাহিত হোৱা চিন্তাৰ নতুন সোঁত--এই সকলোবোৰ এই উক্তিত স্পষ্টভাৱে ওলাই পৰিছে। অকল এয়েই নহয়, জ্যোতিপ্ৰসাদৰ মনত আৰু বহুতো কথা গুজৰি-গুমৰি আছিল, তেওঁ মাত্ৰ 'মনৰ এখন খিলিকি খুলিহে ৰাইজক' দেখুৱাইছিল। কিন্তু এই খিৰিকীৰে জুমি চালে যে ৰাইজৰ স্বাস্থ্য হানি হব ! তেওঁলোকে চিন্তা কৰিব, প্ৰশ্ন কৰিব শিকিব, দেশৰ 'ত্ৰাণকৰ্তা' সকলৰ বিপক্ষে থিয় দিব, পৃথিৱীখনক পুনৰ গঢ়াৰ সংকল্প লব ! এইবাবে ৰাইজৰ স্বাস্থ্যৰ একচেটিয়া ৰক্ষক, মস্তিষ্ক-বিক্ৰেতা বুদ্ধিজীৱীসকলৰ এজন প্ৰবীণ প্ৰতিনিধিয়ে জ্যোতিপ্ৰসাদে ৰাইজৰ সন্মুখত খুলি ধৰা তেওঁৰ মনৰ খিৰিকীখন চতুৰভাৱে বন্ধ কৰি দিয়াৰ চেষ্টা কৰিলে। ভাগ্য ভাল জ্যোতিপ্ৰসাদে খিৰিকীহে খুলিছিল, দুৱাৰ খোলাহেঁতেনতো বিপদেই আছিল ! +++



# এখন ঐতিহাসিক দলিল ঃ "নালীয়াপুলৰ বিপদসংকেত"

(জ্যোতিপ্ৰসাদৰ "নালীয়াপুলৰ বিপদসংকেত" এখনি ঐতিহাসিক দলিল। আজিৰ প্ৰগতিশীল প্ৰতিজন ব্যক্তিৰ বাবেও ই এক অনুপ্ৰেৰণাময় স্মৃতিচিহ্ন। বহুদিনৰ বিস্মৃতিৰ পিছত শ্ৰদ্ধেয় হেমাংগ বিশ্বাসৰ পৰামৰ্শক্ৰমে আমি জ্যোতিপ্ৰসাদৰ শেষ জীৱনৰ এই ৰচনা পোহৰলৈ আনিলোঁ।

১৯৪৭ চনৰে পৰা ভাৰতত সুদীৰ্ঘ কংগ্ৰেছী শাসনৰ কালছোৱাত কেইবাবাৰো চৰকাৰৰ বিৰুদ্ধে জনতাৰ বিক্ষুব্ধ প্ৰতিৰোধৰ উদগীৰণ হৈছিল। প্ৰতিবাৰেই অমানুষিক নৃশংসতা আৰু ব্যাপক সন্ত্ৰাসেৰে কংগ্ৰেছী চৰকাৰে তাক দমন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। সেইবোৰ মুহূৰ্তত সাম্যবাদী দলৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা শিল্পী বা বুদ্ধিজীৱীৰ বাহিৰে তথাকথিত উদাৰনৈতিক আৰু গণতান্ত্ৰিক মহলৰ বেছিভাগ শিল্পী বা বুদ্ধিজীৱীয়েই এই বৰ্বৰতাৰ বিৰুদ্ধে এষাৰ মাত মাতিবলৈকো সাহ কৰা নাছিল। অসমত প্ৰতিষ্ঠিত লেখক আৰু কলাকাৰ সকলৰ ভিতৰত কেৱল জ্যোতিপ্ৰসাদেই নিৰ্ভীকভাৱে আৰু স্পষ্ট ভাষাত তাৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছিল।

বিবৃতিটো তেওঁ নালীয়াপুলৰ ঘটনাৰ ঠিক পিছতেই "সাদিনীয়া অসমীয়া", "Assam Tribune" আৰু "নতুন অসমীয়া"লৈ পঠাইছিল। স্বাভাৱিক কাৰণতে সেই বিবৃতিটো প্ৰকাশ নহ'ল। (এই অৱস্থাৰ আজিও পৰিবৰ্তন হৈছে জানো ?)

বিবৃতিটোত জ্যোতিপ্ৰসাদৰ বিশ্বাসৰ দৃঢ়তা, সৎসাহস আৰু আদৰ্শবাদৰ লগতে চিন্তা আৰু মেধাৰ যি তীব্ৰ স্ফুৰণ ঘটিছে সি আজিও বিস্ময় আৰু শ্ৰদ্ধাৰ উদ্ৰেক কৰে। প্ৰতিক্ৰিয়াশীল মহলে এই কথা লক্ষ্য কৰি দুখ পাব যে বিবৃতিটোত যদিও জ্যোতিপ্ৰসাদে কংগ্ৰেছৰ ঐতিহ্যৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছে, তথাপি কমিউনিষ্ট পাৰ্টিৰ প্ৰতি কোনো অৱজ্ঞা বা বিৰাগ প্ৰকাশ কৰা নাই। বৰং কমিউনিষ্ট পাৰ্টিক মহান আদৰ্শৰ বাহক আৰু জনগণৰ লগৰীয়া বুলি অকুণ্ঠ স্বীকৃতি দিছে।

তাৰ উপৰিও কংগ্ৰেছী চৰকাৰৰ কথা আৰু কামৰ মাজত প্ৰবল বিৰোধ, অপৰিসীম ভণ্ডামি আৰু অহিংসাৰ নামত ভয়ানক জনবিৰোধী হিংসানীতি সমসাময়িক আন কোনো গণতান্ত্ৰিক বুদ্ধিজীৱীয়ে বোধহয় ইমান কঠোৰ আৰু সুস্পষ্ট ভাষাত উদঙাই দিয়া নাছিল। কংগ্ৰেছী ৰাষ্ট্ৰৰ শ্ৰেণী চৰিত্ৰ সম্পৰ্কেও যে জ্যোতিপ্ৰসাদ সজাগ হৈ আহিছিল তাৰ জ্বলন্ত প্ৰমাণ এই বিবৃতিতে আছে।

অহিংসাৰ প্ৰতি, বুৰ্জোৱা গণতন্ত্ৰৰ প্ৰতি গভীৰ আস্থা প্ৰকাশ কৰা সত্ত্বেও সেইবোৰ নীতিৰ আৰু আদৰ্শৰ বাস্তৱ ৰূপ কেনে জঘণ্য তাক স্বীকাৰ কৰি তেওঁৰ মনৰ তীব্ৰ অন্তৰ্দ্বন্দ্ব জ্যোতিপ্ৰসাদে উদঘাটন কৰিছে। কিন্তু এই অন্তৰ্দ্বন্দ্বই তেওঁক কোন ফালে লৈ যাব ধৰিছিল তাকো অনুমান কৰিবলৈ টান নহয়।

প্ৰসংগতঃ উল্লেখযোগ্য যে জ্যোতিপ্ৰসাদে তেওঁৰ সহযোদ্ধা আৰু সহকৰ্মী ডিব্ৰুগড়ৰ নগেন কাকতীদেৱলৈ এই বিবৃতি পঠাই দিছিল আৰু অনুৰোধ কৰিছিল যে বাতৰি কাকতে নছপালেও হাজাৰ হাজাৰ লিফ্‌লেট্ ছপাই জ্যোতিপ্ৰসাদৰ প্ৰতিবাদ যাতে ৰাইজৰ ওচৰত পৌচাই দিয়ে। কিন্তু পুলিছী সন্ত্ৰাসৰ বাবে কাকতী সেই সময়ত পলাতক অৱস্থাত থকাত সেই কাম আৰু হৈ নুঠিল। আমি জনাত অসম আৰু অসমৰ বাহি-

ৰত দুজন ব্যক্তিৰ হাতত এই ঐতিহাসিক দলিল অক্ষত অৱস্থাত আছে। অসম
প্ৰকাশন পৰিষদৰ হাতত থকা কপিটো সম্পূৰ্ণ অক্ষত নহয়। যিসকলৰ হাতত এই
বিবৃতিৰ সম্পূৰ্ণ কপি আছে তেখেতসকললৈ আমাৰ অনুৰোধ যেন বিবৃতিৰ
পূৰ্ণ প্ৰতিলিপি অসম প্ৰকাশন পৰিষদক দিয়ে। জ্যোতিপ্ৰসাদৰ সম্পূৰ্ণ ৰচনাৱলী প্ৰকা-
শৰ মহান দায়িত্ব লোৱা অসম প্ৰকাশন পৰিষদলৈও আমাৰ অনুৰোধ যেন "সম্পা-
দকীয় অস্ত্ৰোপচাৰ" নকৰি এই বিবৃতিসহ জ্যোতিপ্ৰসাদৰ সম্পূৰ্ণ ৰচনাৱলীক প্ৰকৃত ৰূপত
ৰাইজৰ হাতত দিয়ে। "শিল্পীৰ পৃথিৱী"ৰ পুনৰাবৃত্তি যাতে আৰু নঘটে, সেই কথাৰ
প্ৰতি অসমৰ প্ৰতিজন সজাগ ব্যক্তিয়েই চকু ৰাখিব। --সম্পাদক, সাঃ সাঃ]

ডিব্ৰুগড়ৰ নালীয়াপুলত হোৱা পুলিছ আৰু জনতাৰ শোচনীয় সংঘৰ্ষই দেশৰ,
ৰাইজৰ আৰু ৰাষ্ট্ৰৰ সকলো মঙ্গল চিন্তোতা মানুহক নিশ্চয় উদ্বিগ্ন কৰি তুলিছে।
......ঘটনাৰ আঁতিগুৰি যিয়েই নহওক--ইয়াৰ ফলাফল হ'ল--এফালে এজন
পুলিছ কৰ্মচাৰীৰ নৃশংসভাবে হত্যা আৰু কেবাজনো পুলিছ বেয়াকৈ আহত, আৰু
আনফালে তিনিজনী ছোৱালী আৰু তিনিজন মুনিহ মানুহ গুলীৰ আঘাত লাগি নিহত।
গুলীবৰ্ষণৰ ফলত বহুতো মানুহ তিৰোতা জখম। আৰু এই সূত্ৰে চাৰিশৰ ওপৰ
মানুহৰ গ্ৰেপ্তাৰ, কাৰাবাস, ধৰ্ষণ ইত্যাদি।

এই ঘটনাক এটা এঠাইত ভমক্‌কৈ হোৱা ঘটনা বুলি লব নোৱাৰি। আজি
দুবছৰমানৰ পৰা কংগ্ৰেছ গৱৰ্ণমেন্টৰ সৈতে বাওঁপন্থী দলবোৰৰ যি ঘোৰ মতবিৰো-
ধিতা হৈ আহিছে--আৰু পাছত দমননীতিৰ প্ৰয়োগৰ ফলত--মাজে মাজে ভাৰতৰ
ঠাইয়ে ঠাইয়ে যি পুলিছ আৰু জনতাৰ সংঘৰ্ষই দেখা দিবলৈ ধৰিছে--নালীয়াপুলৰ
এই ঘটনা আজি সেই পটভূমিতহে চাব লাগিব। এই ঘটনাটোৱে এফালে এজন
পুলিছ কৰ্মচাৰী হত্যা আৰু তাৰ প্ৰতিবিধান কল্পে লোৱা ব্যৱস্থাৰ ফলত আৰু সাত-
জনৰ মৰণে আৰু শ শৰ ধৰ্ষণে কেনেকৈ প্ৰতিক্ৰিয়া কৰিছে তাক ৰাইজক জানোৱাটো
মোৰ অলংঘণীয় কৰ্ত্তব্য বুলি ভাবিছোঁ।

বঙ্গদেশত প্ৰথমেই "কমিউনিষ্ট পাৰ্টি‌ক" বে-আইনী বুলি ঘোষণা কৰি "কমিউ-
নিষ্ট" দমনৰ পৰ্য্যায় আৰম্ভ কৰা আৰু আন আন বিক্ষোভ প্ৰদৰ্শনকাৰী জনতা, সমদল
ইত্যাদিৰ ওপৰত নিৰ্বিশেষে গুলী চলোৱা সূত্ৰে কলিকতাৰ "Statesman" কাকতে
সম্পাদকীয় প্ৰবন্ধত এই দমননীতিৰ প্ৰয়োগৰ পৰিণতিৰ বিষয়ে সাৱধান কৰি এই
মৰ্ম্মে মন্তব্য কৰিছিল যে--এই দমননীতিৰ বিষয়ে এটা কথা সঁচা যে ইয়াক এবাৰ
প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰিলে, তাক ক্ৰমাগত মাত্ৰা বঢ়াই নি ইমান দূৰলৈ অনু-
সৰণ কৰিব লগীয়া হয়গৈ যে শেষত ই মানুহৰ বাবে উৎকটভাবে অসহনীয় (re-
pulsive) হৈ পৰেগৈ। আৰু এনে হলে দমনকাৰীৰ উদ্দেশ্য সিদ্ধি নহৈ আনহাতে
নিৰপেক্ষ ৰাইজো মানবিকতাত আঘাত পাই বিচলিত হৈ পৰে।

আজি কিছুদিনৰ পৰা দেখা গৈছে Statesmanঅৰ এই উক্তি ফলিয়াবলৈ ধৰিছে।
ভাৰতৰ এমূৰৰ পৰা আনমূৰলৈ এই দমননীতিৰ নিৰ্বিচাৰ আৰু উন্মত্ত প্ৰয়োগৰ
ফলত--দেশত অশান্তি কমক চাৰি দিনক দিনে বাঢ়িছে যাবৰ উপক্ৰম হৈছে আৰু নিৰ-
পেক্ষ দৰ্শকৰ মনলৈকো এটা তিক্ততা আনি দিছে।

ডিব্ৰুগড়ৰ নালীয়াপুলত এজন পুলিছ কৰ্ম্মচাৰী হত্যা কৰাটো এটা জঘন্য কাম
নিশ্চয়। হত্যাক ৰাজনৈতিক অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰিবলৈ যোৱাটো এবিধ গোকাট



দুৰ্নীতি। ই এটা ভয়াবহ বিকৃতি। সেইদৰে আনফালে তাৰ প্ৰতিকাৰ কৰিবলৈ গৈ,
লৰা-তিৰোতা থকা এটা জনতাৰ ওপৰত দোষী নিৰ্দোষী নিৰ্বিচাৰে এটা প্ৰতিহত্যাৰ
অভিযান কৰাটোও তাতোকৈ এটা বীভৎস অভ্যাস। .........

......এটা মহাদৰ্শবাদী------জনতাৰ দুখকষ্ট আৰু ঐতিহাসিক অন্যায়ৰ সত্যৰ
ভেটিত খোপনি লোৱা দলক যে বন্দুকৰ গুলিৰে, ফাঁচীৰে, ফাটেকেৰে, এৰিয়েল
বম্বিং অৰে---হিংসাত্মক দমননীতিৰ চূড়ান্ত কঠোৰতম প্ৰয়োগৰেও যে নিৰ্ম্মূল কৰিব
নোৱাৰি-----আৰু সি দুগুণেহে যে জ্বলি উঠে, তাৰ এক জ্বলন্ত প্ৰমাণ আমাৰ বিয়া-
ল্লিছৰ বিপ্লৱ। পৃথিৱীৰ বুৰঞ্জীত হিংসামূলক দমননীতিৰ অকৃতকাৰ্য্যতাৰ, ভাৰতৰ বিয়া-
ল্লিছৰ বিপ্লৱ এটা পতিয়ন নিয়াব পৰা উদাহৰণ।

ইয়াৰ উপৰিও হিংসাত্মক দমননীতিয়ে তাৰ প্ৰয়োগত বাঢ়ি যোৱা প্ৰতিপক্ষৰ প্ৰতি-
ৰোধক দমাবলৈ মাত্ৰা বঢ়াই গৈ বীভৎস আৰু উৎকট ৰূপ লবলগীয়া হ'লগৈ—সেই
উৎকটতাই জনতাৰ মনস্তত্বত কেনেদৰে প্ৰতিক্ৰিয়া কৰে তাকো আমি বিয়াল্লিছৰ
বিপ্লৱত ভালকৈয়ে চকুৰ আগতেই দেখিলোঁ । দমনৰ উৎকটতাত নিশাহ বন্ধ হৈ
সকলো ধৈৰ্য্য হেৰুৱাই, জনতা খণ্ডত মৰো-জীওঁ হৈ পুলিছ কৰ্মচাৰী হত্যা—থানা ঘেৰাও
কৰি পুলিছক তাত সুমুৱাই জুই জ্বলাই দিয়া, ঘৰ-বাৰী পুৰি উৎখাৎ কৰা, ৰেল
পেলাই শ শ নিৰপৰাধী মানুহৰ প্ৰাণনাশ কৰি---- এটা ভয়ঙ্কৰ প্ৰতিহিংসামূলক বিকৃতিলৈ
যোৱাও আমি সকলোৱেই দেখিছোঁ।

হিংসামূলক দমননীতিৰ পৰিণতি কি হ'ব পাৰে তাক বিয়াল্লিছৰ বুৰঞ্জীয়ে চিঞৰি
চিঞৰি কৈ যোৱা সত্বেও --- আজি আমি হিংসামূলক দমননীতিৰে এটা ঐতিহাসিক অন্যা-
য়ৰ বিৰুদ্ধে পৃথিৱীজোৰা প্ৰতিৰোধ জগাই তোলা আদৰ্শবাদী দলক দমন বা নিৰ্ম্মূল
কৰিব পাৰিম বুলি ভাবি লোৱাটো—আজিৰ ভাৰতবুৰঞ্জীৰ আটাইতকৈ ডাঙৰ বিভ্ৰান্তি
বুলিয়েই মোৰ দৃঢ় ধাৰণা হৈছে।

......অহিংস নীতিত দীক্ষিত কংগ্ৰেছে চলোৱা জাতীয় গৱৰ্ণমেন্টৰ---বিৰুদ্ধ-
বাদীৰ সৈতে সংঘৰ্ষ কৰোতে—আগৰ উৎপীড়ক আৰু সাম্ৰাজ্যবাদী বৃটিছ গৱৰ্ণ-
মেন্টৰ প্ৰণালীৰে অৱশ্যেই মৌলিক পাৰ্থক্য থাকিব লাগিব। কিন্তু সেই পাৰ্থক্য ক'তা ?
বা কোনখিনিত কৰা হৈছে ? অহিংসাকেই যদি কংগ্ৰেছে এটা অভিনৱ কাৰ্য্যকৰী প্ৰতি-
ৰোধ বিজ্ঞান বুলি ভাবে, তেন্তে সেই প্ৰতিৰোধ বিজ্ঞানৰ আজি বিৰুদ্ধবাদীৰ সৈতে
সংঘৰ্ষত আহোঁতে পৰীক্ষামূলককৈ হলেও, ক'ৰবাত এদিনো প্ৰমাণ কৰি চোৱা হৈছেনে?
যদি কৰা হৈছে---ক'ত---কাৰ সতে --কেতিয়া--আৰু তাৰ ফলাফল কি হ'ল বা নহ'ল
তাক দেশক আৰু পৃথিৱীক জনোৱা হৈছেনে ?

১৫ আগষ্টৰ পৰা কংগ্ৰেছ গৱৰ্ণমেন্টে বৃটিছৰ পৰা উত্তৰাধিকাৰী সূত্ৰে পোৱা,
বৃটিছৰ হিংসাত্মক দমন কৌশলকেই প্ৰয়োগ কৰি বিৰুদ্ধবাদী দলবোৰৰ সৈতে সংঘৰ্ষ
কৰিছে। ইয়াৰ দ্বাৰা অহিংস প্ৰতিবোধ বিজ্ঞানৰ অকাৰ্য্যকৰিতা ---ইয়াৰ কাৰ্য্যকৰী মূল্য
যে শূণ্য---ই মাথোন এটা ভাৱপ্ৰৱণ কল্পনাপ্ৰসূত ছাঁয়াবাদী (mystic) পৰিকল্পনা
—ইয়াৰ বৈজ্ঞানিক বা মনোবৈজ্ঞানিক অস্তিত্ব বা ভিত্তি একো নাই--বাস্তৱিক প্ৰয়োগৰ
ফালৰ পৰা ই অনুপযোগী, আৰু শাসনাস্ত্ৰ হিচাবে ই অকামিলা বুলিহে প্ৰমাণ কৰি
দেখুৱা হৈছে। ...কাৰ্য্যকৰী ৰাজনীতিত যে অহিংস বিজ্ঞানৰ ঠাই নাই---হিংসাবিজ্ঞা-
নেই হে ফলপ্ৰসু, একমাত্ৰ কাৰ্য্যকৰী আইন শৃংখলা ৰখাৰ উপায় আৰু শাসনৰ ভেটি
আজিও যে সন্ত্ৰাসদৰ্শনৰ ওপৰতেইহে প্ৰতিষ্ঠিত কৰিব লাগিব তাৰ বাহিৰে আন একো
উপায় নাই, তাকো পৰোক্ষভাবে স্বীকাৰ কৰি লোৱা হৈছে। ......

...আৰু যদি কোৱা হয় যে দেশক অৰাজকতাৰ পৰা ৰক্ষা কৰি, আন্তৰ্জাতিক স্থিতি অটুত ৰাখিবলৈ এনেকুৱা পন্থাৰে নগলে উপায় একো নাই, তেন্তে ৰুছীয়াৰ একনায়কত্ববাদ আৰু ৰাষ্ট্ৰৰ সংহতিৰ কাৰণে ৰাষ্ট্ৰবিৰোধী দল বুলি যাক ভবা হয় তাক সমূলে মাৰি কাটি উচ্ছেদ কৰা নীতিৰ কংগ্ৰেছ প্ৰধান পৰিপোষক হ'ল।

...ই এটা ভাৰতীয় ৰাজনীতিৰ প্ৰকাণ্ড সাঁথৰ।......আন আন কংগ্ৰেছ বিৰোধী দল আৰু কংগ্ৰেছৰ যোৱা কেবছৰৰ গতিবিধি চাই দেখিছোঁ যে কংগ্ৰেছ আৰু আন আন দলৰ মতদ্বৈধতা আদৰ্শ লৈ তিমান নহয়। প্ৰধানতে কংগ্ৰেছৰ কথা আৰু কামৰ পাৰ্থক্য বৰ বেচি হৈ পৰাটোতহে। ইয়াৰ ভিতৰত কিছুমান ইচ্ছাকৃত—কিছুমান অনিচ্ছাকৃত। প্ৰথমেই কংগ্ৰেছে সেৱকৰ মনোবৃত্তি এৰি হঠাতে শাসকশ্ৰেণীৰ মনোবৃত্তি লোৱাটো। দ্বিতীয়তে ত্যাগৰ আদৰ্শ কাতি কৰি থৈ ভোগৰ ফালে যোৱাটো। বিশেষকৈ দেশৰ কোটি কোটিৰ ভাত কাপোৰৰ উৎকট অনাটন আগৰ দৰেই থকা অৱস্থাতেই। তৃতীয়তে গান্ধীৰ আদৰ্শৰ চাকিৰ গছাৰ ছাঁৰ তলত বহি দুনীতিৰ সৈতে হাটবাট কৰাটো---আৰু নৈতিক সাহৰ অভাবত এই দুনীতিক প্ৰশ্ৰয় দি থাকিব লগীয়া হোৱাটো।

(এইখিনিতে ফালি ছিৰি জীণ হৈছে প্ৰায় আধা পৃষ্ঠা) এইদৰে নানা ভ্ৰান্তিৰ মাজেদি মোট সলাই গৈ আৰু তাৰ ফলত মূল চৰিত্ৰ হেৰুৱাই কংগ্ৰেছে নিজকে আগৰ কংগ্ৰেছৰ এখন ব্যংগচিত্ৰলৈ পৰিণত কৰি এটা কংগ্ৰেছী অভিজাত শ্ৰেণী সৃষ্টি কৰাৰ দৰেই কৰি---লাহে লাহে জনসাধাৰণৰপৰা নিজকে আঁতৰাই নিবলৈ ধৰিলে। জনসাধাৰণৰ সেৱকৰ নম্ৰতাৰ ঠাইত মুখত অভিভাবকৰ দৰ্প জিলিকি উঠিল। সমাধান নোহোৱা সমস্যাৰ বিষয়ে অভিযোগ কৰিলে, সমালোচনা কৰিলে খং খাবলৈ ধৰিলে। লাহে লাহে আগৰ বৃটিছ শাসকৰ নীতিৰেই বৃটিছে তৈয়াৰী কৰি থৈ যোৱা শাসন যন্ত্ৰৰেই শাসন দমনত প্ৰবৃত্ত হৈ আগৰ শাসকৰ শাসনৰ সৈতে কংগ্ৰেছী শাসনৰ প্ৰায় পাৰ্থক্য নথকাৰ দৰেই কৰিলেগৈ। শ্ৰেণীহীন সমাজ স্থাপনৰ আদৰ্শৰ কথা অনুযায়ী কংগ্ৰেছৰ বহুতো কাম একেবাৰে অমিল হবলৈ ধৰিলত-- আশাপালি সমৰ্থন কৰি থকা দলবোৰেও মূৰ্তি সলাবলৈ লাগিল।--- জনসাধাৰণৰো বহুতো কংগ্ৰেছৰ ...পৰা ওলাই আন আন বাহিৰত পতা দলৰ সভাবোৰত যোগ দিবলৈ ধৰিলে।...

...এই জাতীয় জীৱনৰ মহা সংকটপূৰ্ণ সন্ধিক্ষণত ---কংগ্ৰেছে যদি আকৌ এবাৰ নিজৰ পবিত্ৰ স্বত্বাটোক মলমলিয়নৰ পৰা উলিয়াই আনি---এটা পৃথিবী কঁপোৱা ত্যাগ আৰু অসীম সাহৰে দলগত ৰাজনীতিৰ ওপৰলৈ উঠি সংঘৰ্ষমান দলৰ মাজত থিয় হৈ জনসাধাৰণৰ সকলো দুখদৈন্য অচিৰেই আঁতৰ কৰিবলৈ আত্মোৎসৰ্গ কৰি ওলাব পাৰে---তেতিয়াহে জাতীয় জীৱনলৈ এটা নবজীৱনৰ সঞ্চাৰ আহিব ---নহলে---এফালে উত্তৰোত্তৰ দমননীতিৰ প্ৰয়োগ আৰু তাৰ আন পক্ষৰ পৰা সেই মাত্ৰাৰেই যদি মৰোঁজীওঁ প্ৰতিৰোধ চলি যাবলৈ হয়--তেন্তে দেশৰ ভবিষ্যত ধুঁৱলি কুঁৱলি ---ইয়াৰ ফলত সকলো ৰাজনৈতিক দল(ৰ) সেৱাৰ থলী ৰাইজৰেই, দেশৰ জনসাধাৰণৰেই কষ্টই হব আটাইতকৈ সৰহ।

ইতি---

তামোলবাৰী চাহবাগিছা — শ্ৰীজ্যোতিপ্ৰসাদ আগৰৱাল্লা

১।৮।৪৯ — +++

Copy to
Weekly Asamiya = Gauhati
Assam Tribune = ,,
Natun Asamiya = ,,





# গণদেৱতা

মহান তেলেংগানা কৃষক বিদ্ৰোহৰ পটভূমিত ৰচিত কৃষণ চন্দৰৰ উৰ্দু উপন্যাস 'যব খেত জাগে'ৰ অসমীয়া অনুবাদ।

অনুবাদ— সুৰেন্দ্ৰ কুমাৰ শৰ্মা

(এক)

ৰঘু ৰাওৰ বয়স বাইছ বছৰ। আজিয়েই তাৰ জেলত শেষ নিশা আৰু কাইলৈ নিচেই পুৱাই তাৰ ফাঁচি হ'ব।

ফাঁচিৰ ছে'লত শুই শুই ৰঘুৱাৱে তাৰ এৰি অহা জীৱনটোলৈ চালে। শুই শুয়েই সি তাৰ ক্ষুদ্ৰ পৰিসৰৰ জীৱনটোৰ প্ৰতিটো লহমাকে পৰখ কৰিব ধৰিলে। খেতিয়ক এজনে যিদৰে তাৰ নিজস্ব টকাটো কঁকালৰ খোচনাত থোৱাৰ আগেয়ে অতি সাবধানেৰে লুটিয়াই বগৰাই চায়, ঠিক তেনেদৰে, তেনে যত্ন তেনে সতৰ্কতা তথা তেনে সংশয়মনা হৈ ৰঘুৱাৱে তাৰ জীৱনৰ প্ৰতিটো পল, প্ৰতিটো অনুপল খুটিয়াই খুটিয়াই চাব ধৰিলে। কিয়নো তাৰ সমগ্ৰ জীৱনৰ সাঁচটো সি নিজেই গঢ়ি তোলা। তাৰ জন্ম, পিতৃ-মাতৃৰ কোলা, দেউতাকৰ কান্ধ, এনে ধৰণৰ কিছুমান লহমা নিশ্চয় তাৰ পিতৃ-মাতৃৰ আৰু কিছুমান তাৰ সমাজ তথা বংশৰ সাঁচত গঢ়ি উঠিছে। কিন্তু জীৱনৰ বহুবোৰ মুহূৰ্ত সকলোতকৈ ভাল, সকলোতকৈ কাৰ্যকৰী, যিবোৰ মুহূৰ্ত সবাতকৈও মূল্যবান তথা সবাতকৈয়ো সুন্দৰ, সেই সকলোবোৰেই তাৰ নিজস্ব। আৰু এই লহমাবোৰ গঢ়োঁতে তাৰ ইচ্ছা আৰু শ্ৰমৰ ভূমিকাই আছিল প্ৰধান। অৰ্থাৎ আজি সি যি হৈছে, সি যি চিন্তা-চৰ্চা কৰিছে, সি যি কাম কৰিছে, তাৰ নিজৰ যিকণ বিচাৰ বিবেচনা হৈছে, সেই সকলোবোৰৰ ওপৰতে তাৰ ব্যক্তিত্বৰ গভীৰ ছাপ লাগি আছে। ইয়াৰ ভিতৰত কোনো দেৱতাৰ লেশমানো অনুগ্ৰহ নাই।

প্ৰতিজন লোকৰেই জীৱনত কিছুমান ভাল কথা থাকে, আৰু থাকে কিছুমান বেয়া। সেইবোৰৰ বিশ্লেষণ প্ৰয়োজন। নিজৰ বাবে নহলেও অন্ততঃ আনৰ বাবে প্ৰয়োজন। শেষ-সাময়িকী



OKDISCD

লৈকে হিচাপ কৰিলে যে আন লোকো আত্মীয় হৈ যায়। ৰঘুৰাওৰ জীৱনটোতো সেয়ে হৈয়েই আহিছে। কিন্তু তথাপি সি শেষবাৰৰ বাবে তাৰ জীৱনটোক বিশ্লেষণ কৰিবলৈ লওঁতেই এৰি অহা জীৱনটোৰ সিটো দিশ উলটি আহিল তাৰ সমুখলৈ। তাৰ বহল কপালত চিন্তাৰ গভীৰ ছাপ স্পষ্ট হৈ উঠিল।

ৰঘুৰাওৰ ভৰিত ডাঙৰ বেৰী। হাত দুখন তাৰ জেলৰ পকীবেৰত গজাল মাৰি থোৱা লোৰ শিকলিৰে বন্ধা। কিন্তু তথাপি তাৰ বুদ্ধি আৰু মনে এই সকলোবোৰ দুখ কষ্টক উপেক্ষা কৰি অতীব আগ্ৰহেৰে তথা সযত্নেৰে জীৱনৰ বিগত দিনবোৰৰ ভাল বেয়াবোৰ পৰখ কৰাত লাগি গ'ল।

আন কোনোবা লোক হোৱা হ'লে জীৱনৰ অন্তিম দিনবোৰকে লৈ ব্যস্ত হৈ পৰিলহেঁতেন। কিন্তু যিসকলে সময়ক পৃথিবীৰ আলিবাট বুলি জানে আৰু ফল স্বৰূপে সময়ৰ অধীন হৈ পৰে, ৰঘুৰাও সেই শ্ৰেণীৰ লোক নহয়। এক সুদীৰ্ঘ প্ৰচেষ্টাৰ পাছত ৰঘুৰাওৰ এনে উপলব্ধি হৈছিল, মানুহৰ বাবে সময় হ'ল এক সহজ সৰল গাভৰুৰ নিচিনা, যাক প্ৰয়োজন অনুসৰি নিজৰ অভিৰুচিমতে গঢ়ি লব পাৰি, যাৰ সতে নিজৰ পৰিশ্ৰম মিহলাই মানুহে পৃথিৱীখনকে সলনি কৰি দিবলৈকো সক্ষম হয়। ৰঘুৱাৰে তাৰ ক্ষুদ্ৰজীৱনত তাকেই কৰি আহিছে ইমানদিনে। সেই কামত সি কিমানদূৰ সফল হ'ল অথবা কেনেদৰে বিফল হ'ল, আজি জীৱনৰ এই অন্তিম মুহূৰ্তবোৰত ৰঘুৱাৰে তাকেই চালি জাৰি চাব বিচাৰে। এইবাবেই সি তাৰ সমগ্ৰ জীৱনৰ সৰু সৰু ছবিবোৰ এটি এটিকৈ মনৰ চকুৰ আগত মেলি ধৰিলে।

এইগৰাকী তাৰ মাক। তিনিবছৰীয়া ৰঘুক এৰি তেওঁ ঢুকাইছিল। মাকৰ কথা তাৰ চকামকাকৈ মনত পৰে। সেই ডাঙৰ ক'লা ক'লা চকু, স্তনভৰা কেঁচা গাখীৰ। মাতৃৰ স্তন্যধাৰা এতিয়াও ওঁঠত বৈ যোৱা যেন লাগে তাৰ। অতি আদৰেৰে চুমা এটা দি সি এই দৃশ্যটো একাষৰীয়া কৰি থলে।

সেইজন তাৰ দেউতাক ভেৰাইয়া। ভেৰাইয়া আচলতে তাৰ মাক-দেউতাক দুয়োজনেই। তেওঁ তাৰ বন্ধুও আছিল। যুদ্ধত আছিল তেওঁ তাৰ কমৰেড। গুৰুও আছিল। বিভিন্ন পৰ্য্যায়ৰ লোকৰ সমাহাৰ তাৰ দেউতাক। ৰঘুৰাওৰ দেউতাকৰ নিচিনা যদি প্ৰতিজন লোক হ'লহেঁতেন, তেনেহলে ভালেই হ'লহেঁতেন। জীৱনটো মধুৰ, গভীৰ আৰু সুন্দৰ হৈ উঠিলহেঁতেন। কিন্তু সমাজ তথা আত্মীয় স্বজনৰ ছাপো জীৱনৰ ওপৰত থাকে যাৰ ফলত সম্বলহীন জীৱন মাটিত মিহলি হৈ যায়। এই সমাজ আৰু মিতিৰ কুটুম্বৰ সহায়তেই মানুহে নিজৰ ভাগ্য পৰিবৰ্তন কৰিব লগা হয়। মানে কথাটো এনে ধৰণৰ। ভেৰাইয়া আছিল এজন কৃষি-বনুৱা। নিঃস্ব সৰ্বহাৰা তথা মাটিগিৰীৰ হুকুমৰ দাস। তেওঁ ইমানেই দৰিদ্ৰ আছিল যে দ্বিতীয়বাৰ বিয়া কৰোৱাৰ নিচিনা সামৰ্থও তেওঁৰ নাছিল। একমাত্ৰ পুতেকক স্কুললৈ পঠিওৱাৰ ক্ষমতাও নাছিল। সেয়ে তেওঁ যদি ৰঘুৰাওৰ স্কুল, মাক তথা সঙ্গী হ'ব লগা হয়, তেনেহলে তেওঁৰ দোষ ক'ত?

ৰাৱে দেউতাকৰ এই ছবিখন লুটিয়াই ৰগৰাই চাব ধৰিলে। ভেৰাইয়া চুটি চাপৰ, আটিল দেহৰ। মূৰটো খুৰুওৱা, চকুহাল সৰু সৰু। নগ্ন ভৰি দুখন ক'লা আৰু আটিল। তেওঁৰ ভৰিৰ বাবে জোতাৰ প্ৰয়োজন হোৱা নাছিল। ডাঙৰ হোৱাৰ পাছত ৰঘুৰাওৰো ভৰি তেনেই হৈছে। সি এবাৰ তাৰ ভৰি দুখন চাব খুজিলে। কিন্তু উপায় নাই, ভৰি দুখন ডাঙৰ বেড়ীৰে বন্ধা আছে। সি এবাৰ মিচিকিয়াই হাঁহিলে।



ভেৰাইয়াই ৰঘুৰাওৰ জীৱনটোক বহু কঠিন ৰূপত গঢ়ি তুলিছে। কাৰণ তেওঁ তাক ঠিক মাকৰ নিচিনাকৈ লালন-পালন কৰিবও নোৱাৰিলে। ভেৰাইয়াৰতো কথাই নাই, উপজি পুৱাৰে পৰা সন্ধিয়ালৈকে তেওঁ হাড়ভঙা পৰিশ্ৰমতে ব্যস্ত থাকে। কাৰণ ৰামলু, ৰংডু, সোমাপ্পাৰ নিচিনাকৈ তেওঁৰো মাটি নাই। তেওঁলোকৰ গাওঁ শ্ৰীপুৰমৰ বহুতৰেই নিজাকৈ বুলিবলৈ এচিকটাও মাটি নাই। মাটি আছে জমিদাৰৰ আৰু এওঁলোক সকলোৱে সেই জমিদাৰৰ মাটিতেই কৃষি-বনুৱাৰ কাম কৰে। এওঁলোক জমিদাৰৰ গোলাম, গোৱাল, ঘোঁৰা আৰু প্ৰয়োজন অনুসৰি কুকুৰা চৰাইও। অকল ইমানেই নহয়, এওঁলোকে প্ৰয়োজনৰ খাটিবত নিজৰ স্ত্ৰী-কন্যাৰ দালালো হ'ব লগা হয়। এজন লোকেই যিহেতু জীয়াই থকাৰ তাড়নাত ইমানবোৰ ভূমিকা লব লগা হয়, তেনে অৱস্থাত তেওঁ যদি তেওঁৰ পুতেকক শক্তিশালী কৰি গঢ়ি নোতোলে, তেনেহলে তেওঁ পুতেকৰ প্ৰতি বিশ্বাসঘাতকতাই কৰিছে বুলি ধৰি লব লাগিব।

ভেৰাইয়া আন হলেও অন্ততঃ বিশ্বাসঘাতক পিতৃ নহয়। এইবাবেই ৰঘুৱাৰে ল'ৰালি দিনৰে পৰা বুভুক্ষু আৰু সুদাভৰিৰে ঘূৰি ঘূৰি জীৱনৰ নিৰস ফুলৰ পৰা যিকোনো প্ৰকাৰে অন্ততঃ অলপ হলেও ৰস শুহিবলৈ শিকিছে। ইয়াৰ বেছি ধাৰণা তাৰ নাই। এদিন নিশ্চয় আছিল, কিন্তু সিহঁতৰ সমাজখন এনে ভয়াবহ যে তাৰ আকাংক্ষা আৰু ইয়াৰ বেছি অগ্ৰসৰ হ'ব নোৱাৰিলে। সকলোবোৰ কথা তাৰ মনত নাই। পিচে এটা দৃশ্যৰ কথা তাৰ অস্পষ্টভাৱে মনত পৰে—সি তেতিয়া নিচেই সৰু আছিল। জানুৱাৰী মাহৰ আমেজ লগা পুৱাবোৰত সি বিছনাত কিছু গলমলৈকে শুবলৈ বিচাৰিছিল কিন্তু তাৰ দেউতাকে তাক বোকোচাত বান্ধি জমিদাৰৰ পথাৰলৈ কাম কৰিবলৈ গুচি গৈছিল। ৰঘুৱাৰে ঘন্টাৰ পাছত ঘন্টা জুৰি কান্দিছিল। ঘামত দেউতাকৰ পিঠি তিতি গৈছিল। কিন্তু তেওঁৰ চাবৰ সময় নাছিল। ক্ৰন্দনৰত শিশুটোক পিঠিত বান্ধি লৈ তেওঁ জমিদাৰৰ কপাহৰ পথাৰত কপাহ ছিঙি গৈছিল। ফলত এটা সময়ত ৰঘুৱাৰে কান্দি কান্দি শান্ত হৈ যাবলৈ শিকি পেলাইছিল। সি গাখীৰৰ সলনি তেতেলি পাতৰ চাট্‌নি খাবলৈকো শিকিছিল। ৰঘুৱাৰে নিজেই ৰুটি বনাবলৈকো শিকিছিল। সি নিজেই পথাৰত কাম কৰিবলৈ শিকাৰ আগলৈকে দীৰ্ঘদিন দেউতাকৰ বাবে ৰুটি বনাই পথাৰলৈ লৈ গৈছিল। এয়া অৱশ্যে বিশেষ টান কাম নাছিল। প্ৰথমে সি আগেয়ে বজৰা চাউলৰ নিচিনাকৈ পানীত সিজাইছিল। তাৰ পাছত তেতেলিপাত পিহি চাট্‌নি কৰিছিল। শেষত দুখিলা কলপাতত সেইবোৰ বান্ধি দেউতাকৰ বাবে পথাৰলৈ লৈ গৈছিল। কেতিয়াবা কেতিয়াবা আৰু জমিদাৰৰ ঘৰৰ পৰা লপ্‌ছি আহিছিল। লপ্‌ছি আৰু চাট্‌নিৰে ভাত খোৱাৰ পাছত ক্লান্ত দেহলৈ শক্তি আহে। ভেৰাইয়াই শস্য কটাত লাগি গৈছিল আৰু ৰঘুৱাৰে সেই কটা শস্যবোৰ এঠাইত দ'ম কৰিছিল। শেষত এনে দিনো আহিছিল, যেতিয়া ৰঘুৱে বীজ সিঁচাৰ পৰা ধান দোৱালৈকে সকলো কামতে নিজেই জড়িত হৈ পৰিছিল। সি সম্পূৰ্ণভাৱে কৃষি-বনুৱা হৈ পৰিছিল। তাৰ শিক্ষা সম্পূৰ্ণ হৈছিল। বোজা কঢ়িওৱা গাধই যিদৰে অত্যন্ত স্নেহেৰে পিঠিত বোজা থকা পোৱালীটোলৈ চায়, ঠিক তেনেদৰে ভেৰাইয়াই পুতেকলৈ গৰ্বীত চাৱনিৰে চাইছিল। বাৎসল্য স্নেহৰ বাবে পিতৃয়ে পুত্ৰৰ কামৰ বোজা পাতলাই দিয়াৰ কামনা কৰে আৰু পুত্ৰই বিচাৰে বৃদ্ধ পিতৃৰ বোজা পাতলাই দি কামথিনি নিজে কৰিবলৈ। আৰু ইফালে জমিদাৰৰ নীতি হ'ল তেওঁলোক দুয়োজনৰে মূৰৰ বোজা ধীৰে ধীৰে বঢ়াই দিয়াটো।



OKDISCD

ৰঘুৱায়ে এই ছবিখন আকৌ লুটিয়াই বগৰাই চালে। আকৃতি, ৰং আৰু দাৰিদ্ৰ। তাৰ আৰু দেউতাকৰ মাজত যে ইমানবোৰ বিষয়ত সাদৃশ্য আছে। আকৃতি তথা ৰংটোতো সি সলাব নোৱাৰে! সেইটো কৰাৰ তাৰ ইচ্ছাও সমুলি নাছিল। কিন্তু দাৰিদ্ৰক সলনি কৰিবলৈ সি নিশ্চয় চেষ্টা কৰিছিল। এই ইচ্ছা তাৰ কেৱল যৌৱনতেই জগা নাছিল। তাৰ বহু আগেয়ে শৈশৱতে এই ইচ্ছা তাৰ মনৰ মাজত জাগিছিল। কোনো কোনো শিশুক স্কুললৈ যোৱা দেখি সি কিতাপ পঢ়াৰ কামনা কৰিছিল। আন ল'ৰাই ধুনীয়া ধুনীয়া কাপোৰ পিন্ধা দেখি সিও তেনে কাপোৰ পাবলৈ, এবাৰ ছুই চাবলৈ, তেনে ধুনীয়া কাপোৰ নিজৰ পচন্দমতে পাবলৈ তাৰ বৰ মন গৈছিল সেই-বোৰ দিনত। কিন্তু ভেৰাইয়াই সোনকালে তাক বুজাই দিছিল যে সি স্কুললৈ যোৱা বা ধুনীয়া সাজ-পাৰ পিন্ধাৰ কথাটো একেবাৰে অসম্ভৱ। ভেৰাইয়াই আৰু বুজাই-ছিল যে গোলামৰ ল'ৰা গোলামেই হয়। জমিদাৰৰ ল'ৰা জমিদাৰ হয়। হাকিমৰ ল'ৰা হাকিম হয় আৰু পুৰোহিতৰ ল'ৰা পুৰোহিতেই হয়। ঠিক সেইদৰে কোনো কোনো শিশুৱে হাতত ফলি-পুথি লৈ স্কুললৈ যায় আৰু আন কিছুমানে খেতি-পথাৰত কাম কৰে। এই ব্যৱস্থাৰ বাবে কোনো দায়ী নহয়। হাজাৰ হাজাৰ বছৰ ধৰি এনে দৰেই চলি আহিছে। আৰু হাজাৰ হাজাৰ বছৰ জুৰি চলি থাকিব। ৰঘুৱাও নিমাত হৈ যোৱা দেখি বাপেকে ভাবিছিল, তেওঁৰ নিচিনাকৈ সিও হাৰি গৈছে। কিন্তু আচলতে জানো সি হাৰ মানিছিল ?

এইবাৰ ৰাৱে নিজৰ জীৱনৰ আন এক মুহূৰ্ত তুলি ললে। তাৰ বয়স সেই সময়ত মাথোঁ এঘাৰ বছৰ। সিহঁতৰ গাঁও শ্ৰীপুৰমত সেই সময়ত এখন ডাঙৰ মেলা বহিছিল। এনেধৰণৰ মেলা দহ বছৰৰ মূৰত এবাৰ বহে। সেই সময়ত তাল পাতৰ ছালৰ গাঁওখনত ইমূৰৰপৰা সিমূৰলৈ আনন্দৰ লহৰ বৈ যায়। ভেৰাইয়াই এই প্ৰথমবাৰ তেওঁৰ পুতেকক সম্পূৰ্ণ নতুন সাজ-পাৰেৰে সজাই দিছিল। ৰঘুৱাৰ দেহত খদ্দৰৰ চুৰিয়া, শিৰত খদ্দৰৰ পাগ আৰু ডিঙিত তাৰ এটা ক'লা তাবিজ। তাবিজটো এজন সন্ন্যাসীয়ে তাক দিছিল।

সিদিনা ৰাৱে ভগৱতী নদীত স্নান কৰি উজ্জ্বল ৰঙৰ নতুন সাজ-পাৰ পিন্ধি আনন্দত উথলি উঠিছিল। লৰালৰিকৈ ভাত আৰু পুৰা খাই সি সিদিনা দেউতাকৰ সতে গাঁৱৰ একাষৰ মুকলি ঠাই এডোখৰলৈ গৈছিল। সেই ঠাইতে মেলা বহিছিল। আলিৰ ওপৰত গছৰ তলত সৰু সৰু ল'ৰাবোৰে টাংগুটি খেলিছিল। এডাল প্ৰকাণ্ড বুঢ়া গছৰ তলত ছোৱালীবোৰে খেলি আছিল। চণ্ডী মণ্ডপৰ পৰা টান তথা ডাঙৰ শিলৰ আলিটো আৰম্ভ হৈছে। সেই ডোখৰতে মেলা বহিছিল। মেলাত নানা ধৰণৰ বাচন-বৰ্তন, খাৰু-মণি, গোন্ধতেল আদিৰ বিপনি বহিছিল। লালি আৰু ধঁপাতৰ দোকানো আছিল। সৰু ল'ৰা-ছোৱালীবোৰৰ বাবে মাটিৰ খেলনা, তালপাতৰ বস্তা আদিৰ দোকান আছিল। একাষে আকৌ জাপানী ৰেচমৰ কাপোৰৰ দোকান আছিল। সেইখিনিতে ৰাৱে বহু সময় ধৰি থিয় দি আছিল। সি ভাবিছিল, ইচ কাপোৰো যে ইমান সুন্দৰ হ'ব পাৰে; ইমান কোমল আৰু মসৃণ! সি আগবাঢ়ি গৈ কাপোৰৰ থান এটাত হাত বুলাই দিছিল। সি ভাবিছিল এনে সুন্দৰ মনোমোহা তথা পিছল কাপোৰ জানো আচলতে থাকিব পাৰে; নে এয়াও এক মৰম লগা স্বপ্নৰ নিচিনাই অবাস্তৱ!

ঘটনাটো ইমান বছৰৰ পাছতো তাৰ কাঁচিৰ ছে'লত মনত পৰি গ'ল। বহু সময় ৰাৱে এই স্মৃতি ৰোমন্থন কৰি হৃদয়ত তাৰ গুঞ্জন শুনিবলৈ ধৰিলে। তাৰ আৰু মনত পৰিল, দোকানৰ মালিক ৰামায়া শেঠে তাক ধমক দিছিল, "কটা গোলাম হৈ ৰেচমৰ থানত হাত দিছ। মাৰি পিঠা বনাই দিম চিনা নাই।" লগে লগে দেউতাকে তাৰ হাতখন ৰেচমৰ থানটোৰ পৰা আঁতৰাই তাক লৈ গুচি গৈছিল। সেই সময়ত ৰাওৰ এনে লাগিছিল, জীৱনৰ নগ্নতা যেন মাথোঁ তাৰ বাবেহে। জীৱনৰ ৰেচমৰ নিচিনা মসৃণতা তথা কোমলতা তাৰ বাবে নহয়।

ৰাওৰ দৃষ্টি এইবাৰ এখন বিকৃত ছবিত পৰিল, যিখন সি তাৰ আশা-আকাংক্ষাৰ বজাৰত কোনোমতেই বেচিবলৈ সক্ষম নহ'ল। সেইখন তাৰ কিম্বা তাৰ দেউতাকৰ ছবি নাছিল। সেইখন সিহঁতৰ সমাজখনৰ ছবি। ৰাওৰ মন হঠাতে উদাস হৈ গৈছিল কাপোৰৰ থানৰ কামৰ পৰা আঁতৰি যোৱাৰ পাছত। ভেৰাইয়াই বহুত বুজোৱাতো সি ঘটনাটো পাহৰিব পৰা নাছিল। দেউতাকে তাক সিদিনা দোলাত তুলিছিল, চৰবৎ খুৱাইছিল। মনটো তাৰ কিছু শান্ত হৈছিল। কিন্তু তথাপি কিছুসময়ৰ বাবে তাৰ মনটোৱে ৰেচমী কাপোৰৰ বাবে হাহাকাৰ কৰিছিল।

সন্ধিয়া সময়ত পিতা-পুত্ৰ দুয়ো মেলাৰপৰা বাহিৰলৈ ওলাই আহিছিল। জমিদাৰৰ কৰ্মচাৰী ভিমাইয়া আৰু দৰগাইয়াৰ সতে তেওঁলোকৰ দেখা হৈছিল। দুয়োটাৰেই চকু মদ্য পানৰ ফলত ৰঙা হৈছিল। সিহঁত দুয়োৰে হাতত পিস্তল আছিল। সিহঁতে পিতা-পুত্ৰ দুয়োকে আগুৰি ধৰিছিল।

ভেৰাইয়াই সুধিছিল ঃ ভালনে ?

দৰগাইয়াই কৈছিল ঃ সুৰসুৰকৈ যদি আমাৰ লগত যাব, তেনেহলে সকলোবোৰ ভাল।

'কলৈ যাব লাগিব ?' ভেৰাইয়াই সুধিছিল।

'সূৰ্যপেটালৈ গোলামী কৰিবলৈ, এতিয়াই, এই মুহূৰ্ততে যাব লাগিব। জমিদাৰে মাতিছে।'

'কিন্তু আজি যে মেলা।' মৃদু কণ্ঠেৰে ৰঘুৱাৰে কৈছিল।

ভিমাইয়াই ৰঘুৰ চোলাৰ বুকুত ধৰি দুয়ো গালত দুচৰ সোধাই, তাৰ মূৰৰ পাগটো খুলি ধূলিত পেলাই দিছিল। ৰাৱে মাৰপিট কৰিবলৈকে চেষ্টা কৰিছিল। কিন্তু ভিমাইয়া ডেকা আৰু সি নিজে কিশোৰ আছিল। এইবাবেই, যেতিয়া দৰগাইয়াই তাৰ বুকুত পিষ্টলটো লগাই দিছিল, তেতিয়া ভেৰাইয়াই লৰমাৰি আহি দৰগাইয়াৰ হাতত ধৰি অনুনয় বিনয় কৰিছিল, "দেউতা ঈশ্বৰ, ই তো ল'ৰা মানুহ, ই জানো জানে যে মই গোলাম, জমিদাৰৰ দাস। মেলা চলি থকা অৱস্থাতো যদি জমিদাৰ দেউতাই মাতে, তেতিয়া হলেও যাম।"

"কিয় যাবা ?"--ৰাৱে খংমুৱা হৈ কৈছিল।

"এই তই মনে মনে থাক----।" ভেৰাইয়াই পুতেকৰ মুখত প্ৰচণ্ড ঘোঁচা এটা শোধাইছিল। ৰাওৰ ওঁঠ ফাটি তেজ বৈ আহিছিল। ভেৰাইয়াই ইয়াৰ আগেয়ে কেতিয়াও পুতেকক মাৰ পিট কৰা নাছিল। সেয়ে ৰঘুৱে অবাক হৈ দেউতাকলৈ চাই আছিল। পোনতে চকুৰ-পানী মচাৰ চেষ্টাও সি কৰা নাছিল। চকুপানী দুধাৰ যেতিয়া দুগালেদি বৈ গৈ মাটিত সৰি পৰিছিল, তেনে অৱস্থাতে দেউতাকৰ মুখলৈ বিস্ময়েৰে চাওঁতে নিজৰ হাতৰ তলুৱাৰে মচি পেলাইছিল সি।

সি কটা ওঁঠৰ তেজবোৰৰ কিছুমান জিভাৰে চেলেকি খুৱাইছিল। কিন্তু তথাপি



OKDISCD

সি একো কোৱা নাছিল। ভেৰাইয়াই পুতেকক গালি পৰাৰ পাছত কৈছিল, "বলক দেউতাসকল। মই গোলাম, মই মালিকৰ গোলামী কৰিম। মোৰ ল'ৰাও গোলাম। সিও যাব। আমাৰ গোলামবোৰৰ বাবে যে মেলা-চেলা একো থাকিব নোৱাৰে, সেই কথা আমি পাহৰি গৈছিলোঁ।"

"এতিয়া চিধা হৈছ বেটা! চালাই নতুন কাপোৰ পিন্ধি আহিছে।" দৰগাইয়াই ৰাওক গতিয়াই গতিয়াই লৈ গৈছিল। ভেৰাইয়াই হাতযোৰ কৰি কৈছিল, "বৰ অন্যায় হৈ গ'ল দেউতা। মইতো তাক বাধাই দিছিলোঁ। কিন্তু বদমাচে জানো শুনিলে। সি ক'লে---"আজি মেলা। নতুন কাপোৰ পিন্ধিম।"

"মালিকৰ আগলৈ কোনেও নতুন কাপোৰ পিন্ধি নাযায় বুলি নাজাননেকি?"

"জানো।"

"তেনেহলে?"

"এইবাৰলৈ ক্ষমা কৰক দেউতা। ভৱিষ্যতে কোনোদিনেই এনে ভুল নহ'ব।" ভিমাইয়াই কৈছিল মাজতে, "এইবাৰেইতো মই তাৰ নতুন সাজ-পাৰ ফালি পেলাইছোঁ। ভৱিষ্যতে সি আৰু কেতিয়াও এনেধৰণৰ ভুল নকৰিব। গোলামে গোলামৰ নিচিনাই থকা উচিত।"

"ঠিকেই কৈছে হুজুৰ।"

ভিমাইয়া আৰু দৰগাইয়াই মেলা আৰু গাঁৱৰ পৰা আৰু পঞ্চাছ-ষাঠিজন বন্ধাক একেলগ কৰি ভেৰাৰ পালৰ নিচিনাকৈ সিহঁতক জমিদাৰৰ হাউলীটোৰ ফাললৈ লৈ গৈছিল।

জমিদাৰৰ হাউলীটো ওখ প্ৰাচীৰেৰে আগুৰা। হাউলীৰ মুখ্য দুৱাৰখনো ওখ আৰু মজবুত। সেই প্ৰাচীৰৰ ভিতৰত থকা প্ৰকাণ্ড ঘৰটো ইয়াৰ আগেয়ে কোনো বন্ধাই দেখা নাছিল। ৰাওৰো এই প্ৰথম জমিদাৰৰ হাউলীলৈ অহাৰ সুযোগ মিলিছিল। হাউলীৰ প্ৰাচীৰ সি দূৰৰ পৰা দেখিছিল। দুই এবাৰ সি প্ৰাচীৰৰ কাষলৈকো আহি ঘূৰি গৈছিল। সশস্ত্ৰ ৰক্ষীয়ে সদৰ দুৱাৰৰ ওচৰত পহৰা দিছিল। কিন্তু সেই প্ৰাচীৰৰ সিফালে ভৰি দিয়াৰ সাহ তাৰ কোনো দিনেই হোৱা নাছিল। আজি জমিদাৰ আৰু তেওঁৰ আশ্চৰ্যজনক তথা ভয়ংকৰ চেহেৰাৰ প্ৰাচীৰেৰে আবৃত হাউলীৰ কথা পাহৰি ৰঘুৱে শিশু মনৰ কৌতুহলেৰে ইফালে সিফালে অবাক হৈ চাইছিল। তেনেতে দেউতাকে তাৰ গলধনত ধৰি তাক সমুখলৈ হাওলাই কৈ উঠিছিল, "ওপৰলৈ নাচাবি, ভৰিলৈ চা। নহলে জমিদাৰ দেউতাৰ খং উঠিব।"

এই সময়তে ৰাৱে এপলকৰ ভিতৰতে দেখিছিল, চৰবোৰ গোলামে তলমূৰ কৰি হাতযোৰে জমিদাৰৰ আগত থিয় দি আছিল। সিহঁতৰ দৃষ্টি দুৰ্দান্ত প্ৰতাপী জমিদাৰৰ ভৰিত নিবদ্ধ হৈ আছিল।

ৰাওৰ কাণত হঠাতে এক কৰ্কশ কণ্ঠস্বৰে আঘাত কৰিছিল---"দৰগাইয়া!"

"দেউতা ঈশ্বৰ।" দৰগাইয়াই কৈছিল। ৰাৱে কিন্তু ভয়তে মূৰ তুলি চাব পৰা নাছিল।

"কিমান বন্ধা আনিছ?"

"দুজন কম ষাঠিটা আনিছোঁ দেউতা ঈশ্বৰ!"

"বেছ, কাম চলি যাব। কিন্তু সিহঁতৰ খোৱা-বোৱাৰ ব্যৱস্থাও কৰিবি। সিহঁত বহু দূৰলৈকে যাব লাগিব।"



—"ইহঁত সকলোৱে খোৱা বস্তু লগত লৈ আহিছে দেউতা ঈশ্বৰ" ভেৰাইয়াই কৈছিল। ৰাৱে ভাবিছিল তেতিয়া, 'আৰে, এয়া দেখোন একেবাৰে মিছা কথা কৈছে ভেৰাইয়াই।'

"বাৰু বাৰু, তেনেহলে তইঁত সাজু হ।"

আকৌ সেই কৰ্কশ তথা ভয়ংকৰ কণ্ঠস্বৰ শুনা গৈছিল।

(দুই)

ভিমাইয়া আৰু দৰগাইয়াই বন্ধাহঁতক প্ৰাচীৰৰ বাহিৰলৈ আনি সিহঁতৰ পিঠিত বস্তু-বেহানিৰ বোজা তুলি দিছিল। বহুতো বস্তু। সূৰ্যপেটত জমিদাৰ পুত্ৰৰ বিয়া। সেয়ে বস্তু-বেহানি বেছি। পালকীও চাৰিখন। এখন পাল্‌কী জমিদাৰ জগন্নাথ ৰেড্ডীৰ বাবে। জগন্নাথ ৰেড্ডী শ্ৰীপুৰম, পাতিপাড়ু আৰু তাৰ আশে পাশে থকা দুকুৰিখন গাঁৱৰ একচ্ছত্ৰী মালিক। দ্বিতীয় পাল্‌কীখন জগন্নাথ ৰেড্ডীৰ ল'ৰা প্ৰতাপ বেড্ডীৰ। সূৰ্যপেটত প্ৰতাপ ৰেড্ডীৰেই বিয়া। তৃতীয়খন পালকী প্ৰতাপ ৰেড্ডীৰ মাকৰ। পুতেকৰ বিবাহোপলক্ষে সূৰ্যপেটলৈ যোৱাৰ তেওঁৰ নিতান্তই আৱশ্যক। প্ৰথম দুখন পাল্‌কী খোলা, কিন্তু তৃতীয়খন বন্ধ। চতুৰ্থখন পাল্‌কীও বন্ধ। কিন্তু এইখন নতুন, ৰঙীণ তথা বৰ সুন্দৰ কাৰুকাৰ্যখচিত। এইখন পাল্‌কীৰ দুয়োকাষে ৰঙা ৰেচমৰ পৰ্দা ওলমি আছিল। অকণমান বতাহ বলিলেই দুলি উঠিছিল। লাওট খেলিবলৈ লোৱা ছোৱালীবোৰে এনেয়ে খিল্‌খিলাই হাঁহাৰ নিচিনাকৈ পাল্‌কীৰ বন্ধ দুৱাৰৰ কাঁচবোৰ ঝনঝনাই উঠিছিল। ৰাৱে বৰ আনন্দ তথা আশ্চৰ্যৰ দৃষ্টিৰে এই পাল্‌কীখনলৈ বাৰে বাৰে চাইছিল আৰু দেউতাকক সেইখনৰ বিষয়ে সুধিছিল। কিন্তু উত্তৰস্বৰূপে সি তাৰ দেউতাকৰ পৰা ঘোঁচা এটাৰ বাহিৰে আন একোকেই পোৱা নাছিল।

দুঘন্টামান হুলস্থুল কৰাৰ পাছত জমিদাৰে সদলবলে হাউলীৰ পৰা যাত্ৰা কৰিছিল। প্ৰতিখন পাল্‌কী আঠজনকৈ বন্ধাই কঢ়িয়াই নিছিল। প্ৰথমখন মালিকৰ। দ্বিতীয়খন জমিদাৰ পুত্ৰৰ। তৃতীয়খন জমিদাৰণীৰ আৰু চতুৰ্থখন খালি। ৰাৱে বুজা নাছিল, সেইখন কিয় খালি। ভেৰাইয়াক নিয়োগ কৰা হৈছিল জমিদাৰৰ পাল্‌কী কঢ়িওৱাত। আৰু ৰাওক কঢ়িয়াব দিয়া হৈছিল ডাঙৰ দাপোণ এখন। ৰাৱে এই দাপোণখনত তাৰ মুখখন চাই চাই আনন্দিত হৈছিল। সি দাপোণখন তুলি চতুৰ্থ পাল্‌কীৰ কাষে কাষে গৈ আছিল। পাল্‌কী বাহকসকলৰ মাজত দেউতাকৰ বন্ধু ৰংড়ুও আছিল। এইবাৰে ৰাৱে ৰংড়ুৰ কাষে কাষে গৈ আছিল। তৃতীয় আৰু চতুৰ্থ পাল্‌কীৰ মাজৰ দূৰত্ব কিছু বাঢ়ি যোৱা দেখি ইফালে সিফালে চাই এবাৰ সি সৰু মাতেৰে সুধিছিল "খুড়াদেউ, এই পাল্‌কীখন কাৰ বাবে?"

"মইনো কেনেকৈ জানো?" খঙেৰে ৰংড়ুৱে কৈছিল।

"কোৱানা খুড়া।" এক সলজ্জ হাঁহিৰে ৰাৱে কৈছিল।

জমিদাৰৰ গোমস্তাবোৰে মেলাৰ পৰা ধৰি অনা বাবে ৰংড়ুৰ খং উঠি আছিল। বছৰৰ চৰবোৰ দিনেই মালিকৰ, কিন্তু মেলাৰ দিনটো হলে গোলামৰ। সেয়ে ৰংড়ুৱে কোনো কথাৰেই সঠিক উত্তৰ দিব খোজা নাছিল। কিন্তু ল'ৰাটোৰ আগ্ৰহ দেখি ৰংড়ুৰো মনটো কোমল হৈছিল।

ৰংড়ুৱে ইফালে-সিফালে এবাৰ চাই কৈছিল, "এইখনত জমিদাৰৰ মাকৰ (অশ্লীল



OKDISCD

গালি পাৰি) কইনা আহিব।"

"কোন ?" ৰাঘে একো নুবুজি সুধিছিল।

"তাৰ (গালি পাৰি) বেটাৰ (গালি পাৰি) মাকৰ (আকৌ অশ্লীল গালি) তাই আহিব।"

ৰাঘে এইবাৰো একোকেই বুজা নাছিল। সি সেয়ে অবাক হৈ ৰংড়ুৰ মুখলৈ চাইছিল।

ৰংড়ুৱে পৰম ঘৃণাৰে কৈছিল—"আজিৰ পৰা এবছৰ পাছত যেতিয়া মালিকৰ ল'ৰাৰ বিয়া হ'ব, তেতিয়া সূৰ্যপেটৰ পৰা কইনাক এইখন পাল্‌কীৰে শ্ৰীপুৰমলৈ অনা হ'ব। সেই সময়ত তই আৰু মোয়েই আনিব লাগিব কইনাক।"

জমিদাৰৰ এজন গোমস্তাই এনেতে আহি ৰংড়ুৰ পিঠিত প্ৰচণ্ড থাপৰ এটা মাৰি কৈছিল, "মাথো কথাই কবি নে আগলৈ যাবি ? আগৰ পাল্‌কী কিমানদূৰ পালেগৈ দেখা নাই ?"

ৰংড়ু আৰু এজন গোলামে পাল্‌কীখন তুলি দৌৰি যোৱাৰ নিচিনাকৈ খোজ পেলাইছিল। ৰাঘেও দাপোণখন তুলি দৌৰি গৈছিল।

শ্ৰীপুৰমৰ পৰা সূৰ্যপেটলৈ যোৱাটো বৰ কষ্টকৰ কাম। কিন্তু এই যাত্ৰাৰ দুটা কথা সি জীৱনত কোনো দিনেই পাহৰা নাছিল। প্ৰথমটো আছিল—গাঁৱৰ পৰা কিছুদূৰ গোৱাৰ পাছত পাহাৰীয়া পথ এটাৰ কেকুৰীটো ঘূৰি সি যেতিয়া উলটি চাইছিল সি কঢ়িওৱা দাপোণখনত গাঁওখন জলমলাই উঠিছিল। বিস্তৃত কপাহৰ খেতি। কপাহ, যাক অন্ধ্ৰৰ বৰফ বোলা হয়। দিগন্ত বিয়পা কপাহ দেখি তাৰ মন ভৰি গৈছিল। অকল এয়াই নহয়, তালপাতৰ ছালৰ ঘৰেৰে গাঁওখন, তালপাতৰ ঘৰবোৰৰ মাজে মাজে ক'লা শিলৰ চণ্ডীমণ্ডপবোৰ। চণ্ডীমণ্ডপবোৰৰ সিপাৰে পা আৰু চিন্তা গছৰ বিস্তীৰ্ণ বিথীকা, সন্ধিয়াৰ প্ৰসাৰমান ছায়াত য'ত অলেখ পথীয়ে নিশা কটাবলৈ আহে। সমস্ত দুখ-কষ্ট, লাঞ্চনাৰ ভাগী হৈয়ো ৰাওৰ মনত তাৰ গাঁওখন, তাৰ ঘৰ, পুখুৰী আদি বৰ সুন্দৰ যেন লাগিছিল। ইয়াৰ আগেয়ে ইমান দূৰৰপৰা সি তাৰ গাঁওখন দেখা নাছিল। সেয়ে দূৰত্বই জীৱনত যি সৌন্দৰ্য সৃষ্টি কৰে, সেই সৌন্দৰ্যই তাৰ মনৰ দাপোণত এক অদভুত আলোড়ন সৃষ্টি কৰিছিল। ঘৰ-বাৰী গাঁও আৰু দেশৰ এই মোহিনী মূৰ্তিৰ মধুৰ স্মৃতি কেতিয়াও মচ খাই নাযায়। আজি ফাঁচিৰ ছে'লত শুই চকু মুদিও ৰাঘে সেই মোহিনীৰূপ দেখে, ছুব পাবে। এই সুন্দৰী মূৰ্তিক পৰশ কৰা, ছোৱা, চকুৰে চোৱা তথা জ্বলাই দিয়াৰ অধিকাৰ তাৰ আছে। কাৰণ সি তাৰ সমগ্ৰ জীৱন জুৰি ইয়াৰ বাবেই সংগ্ৰাম কৰি আহিছে।

দ্বিতীয় যি কথাটো সি পাহৰা নাই, সেইটো তাঁৰ গাঁৱত নাই। সূৰ্যপেটৰ এটা ডাঙৰ ঘোঁৰাশালত সেই কথাটো সি উপলব্ধি কৰিছিল। গাঁৱৰ পাটোৱাৰী শ্ৰীৰামাপণ্ডু, পুৰোহিত শ্ৰীসীতাৰাম শাস্ত্ৰী, পুলিছ বিষয়া শ্ৰীলক্ষ্মীকান্ত ৰাও আৰু অন্যান্য গণ্যমান্য নিমন্ত্ৰিতসকলৰ ঘোঁৰাবোৰ এটা ডাঙৰ ঘোঁৰাশালত ৰখা হৈছিল। শ্ৰীপুৰমৰ পৰা যোৱা বন্ধাসকলকো সেই ঘোঁৰাশালতে থাকিবলৈ দিয়া হৈছিল। কিন্তু যিটো কথা তাৰ আজিও মনত আছে, সেয়া ঘোঁৰা বা ঘোঁৰাশালৰ গোন্ধ নহয়। সূদা মজিয়াৰ চেঁচা তথা কঠিন পৰশো নহয়। সেয়া আছিল বুৰ্‌ৰা কথা। পত্তিপাড়ুৰ কথকৰ পৰা সিদিনা নিশা ৰাঘে ঘোঁৰাশালত বুৰ্‌ৰা কথা শুনিছিল। এই কথক সকলো জগন্নাথ ৰেড্ডীৰ পূজাৰী আছিল। বিবাহৰ শুভ লগ্ন বিচাৰৰ বাবে তেওঁলোকক অনা হৈছিল সূৰ্যপেটলৈ।



এওঁলোকৰ দলত তিনিজন লোক আছিল ; এজন বগা দাড়িৰে প্ৰদীপ দেখুওৱা লোক। প্ৰদীপৰ আলোকত তেওঁৰ মুখমণ্ডল অন্ধ্ৰৰ ৰঙা মাটিৰ নিচিনাকৈ জগমগাইছিল। অন্ধ্ৰৰ বক্ষক্ষতৰ নিচিনাকৈ তেওঁৰ দেহৰ ৰক্ত-বৰ্ণ চৰ্ম কুঞ্চিত হৈছিল। তেওঁৰ এহাতত এখন একতাৰা আছিল। মূৰত প্ৰকাণ্ড পাগমাৰি এজন যুৱকে বহুৰা সাজিছিল। তেওঁৰ মুখমণ্ডলত যেন জীৱনৰ দ্যুতিয়ে ভুমুকি মাৰিছিল। তেওঁৰ মুখলৈ চাওঁতে ৰাওৰ এনে ভাব হৈছিল, সেইখন মুখ নহয়, যৌৱন চপচপীয়া হৈ থকা যৌৱাহহে যেনিবা। তেওঁ জীৱনত পৰাজয় কেতিয়াও স্বীকাৰ নকৰে যেন ভাব হৈছিল ৰাওৰ। মুখ্য কথকৰ কথাৰ মাজতে ওলোটা ওভতা প্ৰশ্ন কৰি দৰ্শক শ্ৰোতাৰ মাজত হাঁহিৰ ৰোল তোলাই এওঁৰ কাম আছিল। তৃতীয় কথকৰ হাতত মৃদংগৰ নিচিনা ধ্বনি কৰা বুৰ্‌ৰা এটি আছিল।

তেতিয়া নিশা গভীৰ হৈছিল। চাৰিওফালে নিৰৱতাই বিৰাজ কৰিছিল। ঘোঁৰাবোৰে শুকান বজৰা আৰু বন্ধাবোৰে সিজোৱা বজৰাৰে নিজৰ নিজৰ উদৰ ভৰাইছিল। যি ঠাইত ঘোঁৰাবোৰক পানী খুউওৱা হৈছিল, কথকসকলে সেই পুখুৰীৰ পাৰত বন্তি জ্বলাই কথকতা আৰম্ভ কৰি দিছিল।

মুখ্য কথকে মৃদংগত চাপৰ মাৰি কৈছিল, "আজিৰ পৰা বহুদিন আগেয়ে ..."

বহুৰাজনে ঠাট্টা কৰি কৈছিল, "যেতিয়া জগন্নাথ ৰেড্ডী ওপজাই নাছিল।"

কথকে কৈছিল, "বহুবছৰৰ আগেয়ে ... ...।"

বহুৰাই কৈছিল, "যিসময়ত বন্ধাসকলে বগা ভাত খাইছিল আৰু শুভ্ৰ ৰেচমৰ বস্ত্ৰ পৰিধান কৰিছিল।"

কথকে কৈছিল, "আজিৰ পৰা কেবাশ বছৰ আগেয়ে ওৱাৰংগলত কাকতীয়া বংশৰ মহাহাদী আৰু উমাদেবীৰ ৰাজত্বকালত বেলিম পল্লী গাঁৱৰ কাষত এজন যোগীয়ে বাস কৰিছিল ... ।"

কথা আৰম্ভ হৈ গৈছিল। মৃদংগ, একতাৰা আৰু বহুৰাৰ থুহুতীয়া কথাৰ সংমিশ্ৰণত ৰঘুৱে প্ৰাচীন মহান অন্ধ্ৰৰ মাটিত ভৰি দিছিল। বন্ধা শ্ৰমিকসকলে তেওঁলোকৰ নিজস্ব সমস্ত সুখ দুখ পাহৰি কথকৰ কাহিনীত মগ্ন হৈ গৈছিল। গঞ্জত আছিল এক সুদৰ্শন যোগী আৰু এগৰাকী ৰূপৱতী ৰাজকন্যা। ৰাজকুমাৰীৰ দেউতাক আছিল বিষ্ণুৰ পূজাৰী আৰু যোগী আছিল শিৱৰ। সংসাৰত যোগীৰ আবিৰ্ভাৱ হৈছিল অন্যায়, অত্যাচাৰৰ অৱসান ঘটাবলৈ। তেওঁ এক নতুন ধৰ্ম প্ৰচলন কৰিবলৈ বিচাৰিছিল। আৰু এনে এটা দিনতে ৰাজপথত যোগী আৰু ৰাজকুমাৰীৰ সাক্ষাৎ হৈ গৈছিল ... ...

বহু সময়লৈকে একতাৰাৰ সুৰ আকাশে বতাহে ওপঙি ফুৰিছিল। বন্ধা শ্ৰমিকসকলৰ বিস্ফাৰিত চকুৰ মণিত ৰাজকুমাৰীৰ অনিন্দ্য সুন্দৰ দেহটো দুলি আছিল। পুখুৰীৰ নিশ্চল পানীত বন্তিৰ শিখা কঁপি আছিল। আকাশৰ তৰাবোৰেও সিহঁতলৈ জুমি জুমি চাইছিল। ৰাঘে বুজা নাছিল সি কিমান পৰলৈকে সাৰে আছিল আৰু কেতিয়া সি নিদ্ৰাৰ কোলাত ঢলি পৰিছিল।

সূৰ্যৰ প্ৰথম কিৰণে তাৰ চকুৰ পতা স্পৰ্শ কৰাৰ লগে লগে ৰাঘে সাৰ পাইছিল। সি চকুহাল মোহাৰিছিল। কিন্তু সি ধৰিবই পৰা নাছিল, নিশাৰ স্বপ্নৰ ৰাজকুমাৰী কেতিয়া হেৰাই গৈছিল আৰু কোন মুহূৰ্তত এটা নতন দিনে ভুমুকি

আৰিছিল। সি ধৰমৰাই উঠি বহিছিল। তাৰ দেউতাক তেতিয়াও শুই আছিল। ঘোঁৰা-বোৰে হি হিয়াই মজিয়াত ভৰিৰ খুৰাৰে খট্‌খট্‌ শব্দ কৰিছিল।

ইয়াৰ পাছত ৰাওৰ মনটোক বহু সময় শূণ্যতাই আগুৰি থাকিল। মনৰ ক'ৰবাত ক'ৰবাত একোবাৰ জীৱনৰ বিলম্বিত সুৰৰ ৰেশ বুৰবুৰণিৰ নিচিনাকৈ জাগি উঠিল। আৰু ক'ৰবাত ক'ৰবাত সৰু সৰু ঘৃণাৰ ঢৌও উঠিল। সি কিন্তু সেই ফালে মন নিদিলে। এই ঘৃণাৰ ঢৌৰ মাজত জগন্নাথ ৰেড্‌ডী, প্ৰতাপ ৰেড্‌ডী, পুলিছ, পেটেল আৰু গাঁৱৰ অন্যান্য মাটিগিৰীৰ মুখবোৰো ভাহি উঠিল। কিন্তু সেই-বোৰে তাৰ দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰিলে। কাৰণ সি জানিছিল যে তাৰ মনৰ মাজত যি অংকুৰে মূৰ দাঙি উঠিছে, তাৰ উৰ্বৰ ভূমিত ঘৃণাৰ স্বাদ বহু পৰি-মাণে থাকিলেও নীচ আৰু সংকীৰ্ণ ঘৃণাৰ সতে তাৰ কোনো সম্পৰ্কই নাই। সেয়ে সি সেইবোৰৰ ওপৰেদি দেও দি পাৰহৈ বহুদূৰ পালেগৈ। এখন ছবি সি স্পৰ্শ কৰিয়েই একাষৰীয়াকৈ থলে। এইবাৰ সি শৈশৱ পাৰ হৈ যৌৱন পালে। আৰু আৰু ইয়াতেই ৰঘুৰ বন্ধু নাগিশুৱৰলৈ তাৰ মনত পৰি গ'ল। নাগিশুৱো ৰঘুৰ নিচি-নাই আন কোনোবা এটা ফাঁচিৰ ছে'লত বন্দী হৈ আছে।

নাগিশুৱ আক' ৰাওৰ নিচিনা গাঠল নহয়। বৰং ছয়ফুটৰো বেচি ওখ। তাৰ দেহটো যিদৰে ওখ, লাঠিডাল্লো তাৰ আছিল দীঘল। হাঁহিটোও তাৰ ডাঙৰ আছিল। নাগিশুৱে ভগবতী নদীৰ সিপাৰৰ জংঘলত গৰু-ম'হ চৰাইছিল, প্ৰাণ খুলি গীত গাইছিল। ৰাৱে যেতিয়া জমিদাৰৰ বন্ধনৰ পৰা মুক্তি বিচাৰি গাওঁ এৰি পলাইছিল নাগিশুৱে তাক আশ্ৰয় দিছিল। সিহঁতৰ বন্ধুত্ব প্ৰেমৰ মাজেদি হোৱা নাছিল; হৈছিল ঘৃণাৰ মাজেদি। নাগিশুৱে জমিদাৰক ঘিণ কৰিছিল। কাৰণ জমিদাৰে প্ৰতি বছৰে দুই চাৰিবাৰকৈ নাগিশুৱৰ ভেৰা, ছাগলীবোৰ কাঢ়ি নিছিল আৰু জমিদাৰৰ গোলাম আছিল বাবেই ৰাৱে জমিদাৰক ঘৃণা কৰিছিল। ভেৰাইয়াই ৰঘুৰাওক এদিন কৈছিল যে একালত সিহঁত জমিদাৰৰ গোলাম নাছিল। একালত সিহঁতৰ মাটি-নাঙল-যুঁৱলী আৰু বলধ আছিল। সিহঁতৰো এদিন কপাহৰ খেতি আছিল, সোণালী শস্য আছিল। সিহঁতৰো ঘৰৰ আঙিনাত শিশুৰ হাঁহি আৰু নাৰীৰ কোমলকণ্ঠৰ গীত আছিল। কণ্ঠত প্ৰচণ্ড খং আৰু ক্ষোভ লৈ ভেৰাইয়াই তাক আৰু কৈছিল, "বোপা ৰঘু। সৌ যে সমুখত জমিদাৰৰ মনোৰম গড় দেখিছ, সেই গড়েই মোৰ সকলোবোৰ কাঢ়ি নিছে। মোক মানুহৰ পৰা নমাই পশুত পৰিণত কৰিছে। বাছা, ওখ গড়টোৱেই আমাৰ বংশৰ শত্ৰু। মোৰ দেউতাই মোৰ হাতত এই ঘৃণা সঁপি দি গৈছিল। মই এতিয়া বুঢ়া হৈছোঁ। সেয়ে তোক মই আজি সেই ঘৃণাকেই সঁপি দিলোঁ। আনে পুতেকক ধন সোণ দি যায়, ঘৰ-বাৰী দি যায়, বিয়া কৰাই দিয়ে, মাটি-সম্পত্তি দিয়ে। কিন্তু মোৰতো কোনো মাটি নাই। আছে মাথো এই ঘৃণা। এই ঘৃণাকেই মই তোক দিলোঁ। ভাৰ বৈ বৈ মই আজি বৃদ্ধ হৈছোঁ। মোৰ আজি আৰু তিলমানো শক্তি নাই। শক্তি আহৰণ কৰাৰ পথো মোৰ জনা নাই। আছে কেৱল এই ঘৃণা, তাকেই মই তোৰ দায়িত্বত থৈ গলোঁ। যদি কেতিয়াবা তই কিবা পথৰ সন্ধান পাৱ, তেনেহলে সেই পথকেই লবি।"

সেইদিন ধৰি ৰাৱে এই পবিত্ৰ ঘৃণাক এক মহৎ উত্তৰাধিকাৰীৰ নিচিনাকৈ বুকুৰ মাজত আলফুলকৈ ৰাখি থৈছে, নিজৰ জীৱনৰ শিক্ষা ঘৃণাৰ সতে মিহলাই দিছে। জীৱনৰ শিক্ষাই তাক ইয়াকেই শিকাইছে যে জমিদাৰৰ হাউলীটো কেৱল তাৰেই শত্ৰু নহয়, ৰামলু, ৰংড়ু, সোমাআপ্পা, ভেংকটৰাওৰ নিচিনা শত শত বন্ধা শ্ৰমিকৰ বংশ-গত শত্ৰু, যিসকলৰ সোণালী শস্য, গীত, ঘৰ, কপাহ ফুল আৰু পত্নীৰ মিচিকিয়া হাঁহি—এই সকলোবোৰ জমিদাৰৰ গড়ে চুৰ কৰি লৈ গৈছে। এই ঘৃণাই ৰঘুৰাওৰ মনলৈ এনে এক ভাব আনি দিছে যে পৃথিবীত প্ৰতাপ ৰেড্‌ডীৰ সংখ্যা কম আৰু সৰ্বহাৰা বন্ধা শ্ৰমিকৰ সংখ্যা বৃহৎ। এই গোলামৰ দল যদি ঐক্যবদ্ধ হয়, তেনেহলে সেই হাউলীৰ প্ৰাচীৰ আৰু বেছিদিন ওখ হৈ থাকিব নোৱাৰে। এই প্ৰাচীৰৰ সত্যটো সি একেদিনাই বুজা নাছিল। খুউব শ্লথগতিৰে ভালেমান ধূসৰ পথ অতিক্ৰম কৰাৰ পাছতহে এই তত্ত্বই তাৰ মনৰ জগতত আকাৰ লৈছিল। কিন্তু যিটো কথাই এই ঘৃণাক এক মহৎ অনুপ্ৰেৰণাৰ ৰূপ দিছিল, সেইটো জমিদাৰৰ প্ৰতি থকা তাৰ চিৰন্তন ঘৃণা নহয়; সেয়া আছিল তাৰ জীৱনৰ প্ৰতি থকা প্ৰেম!

ৰাৱে আকৌ ধীৰে ধীৰে তাৰ হাতৰ মুঠিটো খুলিলে। ঘৃণাত জ্বলা বহুতো মুহূৰ্তৰ ভিতৰত এটি সৰু কিন্তু উজ্বল ফিৰিঙতি দেখি তাৰ মুখমণ্ডল উজ্বলি উঠিল।

চন্দৰী!

তিনি বছৰ আগৰ কপাহ খেতিৰ পথাৰ এখনৰ কথা ৰাওৰ মনত পৰি গ'ল। সি পুৱাৰে পৰা কপাহ বুটলিছিল। কেতিয়াবা কেতিয়াবা বগা ফুলৰ লগতে ছাই ৰঙৰ ফুল দুই এটা আহিলে সি সযতনে সেইটো বাচি অন্য এখন মোনাত ভৰাই-ছিল। হঠাতে বগা ফুলৰ সতে কুমলীয়া ফুল ছিঙিলে সেইটো আন এখন মোনাত থৈছিল। সিদিনা সি বহু সময় ধৰি পথাৰত কাম কৰিছিল আৰু বৰ খৰগতিৰে নিজৰ হাত চলাইছিল। কাৰণ সিদিনা তাৰ দেউতাক অসুস্থ হৈ পৰিছিল আৰু সেয়ে দুজনৰ কাম সি অকলেই কৰিব লগা হৈছিল।

সি কাম কৰি কৰি গুণ গুণাই গীত গাইছিল। পথাৰৰ সিফালৰ পৰা ফুল বুটলি বুটলি তাৰ ফালে আগুৱাই অহা ছোৱালীজনীক দেখি সি গীত গোৱা নাছিল, দেহ মনৰ ক্লান্তি আঁতৰাবলৈকে তথা গীতৰ সতে তাৰ নিজৰ ভালগোৱা মিহলা-বলৈকো ৰঘুৱে গান গাইছিল। গান গাই গাই এটা সময়ত সি হঠাতে নিশ্চুপ হৈ গৈছিল। তাৰ সমুখৰ ঘন কপাহ গছবোৰৰ মাজত মৰম লগা গাভৰু এজনীয়ে বৈ তাৰ মুখলৈ চাই মিচিকিয়াই হাঁহিছিল। ৰাৱে ফাঁচিৰ ছে'লত শুই শুই ধীৰে ধীৰে চকুহাল মুদিলে আৰু প্ৰথমবাৰ চন্দৰীক যি ৰূপত দেখিছিল, সেই একেই ৰূপত তাইক চাব ধৰিলে।

প্ৰথমেই চন্দৰীৰ বগা দাঁতখিনিলৈ তাৰ মনত পৰিল।

ওঁঠ দুপাহৰ মাজত থকা সৰু সৰু দাঁতবোৰ মুকুতাৰ নিচিনাকৈ জলমলাই উঠিছিল। চন্দৰীৰ ব্লাউজ একেবাৰে তেজৰঙা। ব্লাউজত কাঁচৰ নিচিনা জলমলাই থকা সৰু সৰু ঝিণুক বহুওৱা আছিল। চন্দৰীয়ে যেতিয়া মূৰটো কিছু তললৈ নমাই পিছলৈ ঘূৰি চাইছিল ৰঘুৱে দেখিছিল তাইৰ ব্লাউজটোৰ পিছফালে উন্মুক্ত। ৰঙা সূতাবোৰ গোলাপৰ পাপৰিৰ নিচিনাকৈ তাইৰ নগ্ন বগা পিঠিখনত সিঁচৰিত হৈ পৰিছিল। চন্দৰীয়ে লৰালৰিকৈ তাৰ ফাললৈ ঘূৰি চাইছিল। সি দেখিছিল তেতিয়া তাইৰ চুলিত ৰঙা মখমলৰ এথোপা ফুল আছিল। যেতিয়া তাই এক ধুনীয়া হাঁহিৰে আৰু কিছু পৰিমাণে তাক বিব্ৰত কৰি ঘাঘ্‌ৰাৰ ওপৰত চাদৰৰ আঁচলটো

মেলি ধৰিছিল, তেতিয়া তাৰ ভাব হৈছিল, চাদৰৰ ফুলাম আঁচলটোও গাঢ় ৰঙা। আঁচলতো গোল গোল কাঁচ বহুওৱা । সেইবোৰে ৰ'দত চিকমিকাই তাৰ চকু চাঁট মাৰি ধৰিছিল। চন্দৰীয়ে যেতিয়া কপাহ ফুল ছিঙিবলৈ হাত আগ বঢ়াইছিল, তেতিয়া তাৰ চকুত পৰিছিল, তাইৰ হাতত আছিল ক'লা শিঙৰ খাৰু। আঙুলিৰ আঙঠিত বগা আখৰেৰে তাইৰ নাম খোদাই কৰা আছিল। মূৰত থকা টিক্‌লিতো* নাম মীনা কৰা আছিল। ৰাওৰ দৃষ্টি টিক্‌লিৰ পৰা ধীৰে ধীৰে বহু তললৈ নামি আহি বহুক্ষণ ধৰি চন্দৰীৰ নীলাভ চকুৰ মণিত হেৰাই গৈছিল। চন্দৰীৰ নীলা চকু ...... মুকলি দেহৰ বৰণ ... ওখ তথা ভৰা দেহ ... পাতল ওঁঠ।

চন্দৰী!

এই সকলোবোৰ মাথোঁ কেইটামান মুহূৰ্তৰ ভিতৰতে ঘটি গ'ল।

পিছ মুহূৰ্ততে সি হাঁহিলে। কিন্তু এই দ্বিতীয়বাৰৰ মিচিকিয়া হাঁহিৰ মুহূৰ্তটো প্ৰথমবাৰ দেখা মুহূৰ্তটোৰ নিচিনা প্ৰয়োজনীয় নহয়। এই প্ৰথম মুহূৰ্তটোৰ কথা যে তাৰ মনলৈ কিমানবাৰ আহিছে। জংঘলৰ মাজেদি অকলে ঘূৰি ফুৰাৰ সময়ত, পুলিছ আৰু মিলিটাৰিৰ হাতৰ পৰা নিজকে বচাই পলাতক অৱস্থাত থকাৰ সময়ত, কাগজৰ কসত কাম কৰাৰ সময়ত, পাহাৰৰ গুহাত বহি থকা অৱস্থাত, জমিদাৰৰ চাবুকৰ কোব খোৱাৰ মুহূৰ্তত তথা জেলত অনশন কৰাৰ সময়তো এই বিশেষ মুহূৰ্তটো আহিছে। সি সেই মুহূৰ্তৰ পৰা শক্তি আহৰণ কৰিছে। কেতিয়াবা আকৌ সেই মুহূৰ্তক মিঠা তথা দুৰ্বল বুলি ভাবি সি মনৰ মাজৰপৰা জোৰকৈ আঁতৰাই পঠিয়াইছে। আৰু কেতিয়াবা এই মুহূৰ্তটোৱে অনাহূতভাবে হঠাতে মনৰ আকাশত উদয় হৈ তাক বৰ কষ্ট দিছে। মৰুভূমিৰ মাজত তৃষ্ণাৰ্ত পথিকক মৰিচিকাই যিদৰে কষ্ট দিয়ে, সেই মুহূৰ্তটোৱেও ৰঘুৰাওক বহুবাৰ তেনে কষ্টই দিছে। এই মুহূৰ্তৰ সৌন্দৰ্য তথা বেদনাৰ কথা ৰাৱে ভালদৰেই জানে। এই মুহূৰ্তটোৰে কথা ভাবিবলৈ লৈ সি এক গভীৰ আনন্দ তথা অপৰিসীম বেদনাৰ সন্মুখীন হ'ল।

চন্দৰী লম্বাৰ সম্প্ৰদায়ৰ ছোৱালী। তাইৰ দেউতাকৰ নাম ভাগিয়া। চন্দৰী যাযাবৰী আৰু মধুকণ্ঠী। নিজ সম্প্ৰদায়ৰ লোকৰ সতে সিহঁতো আহিছিল কিছুদিনৰ বাবে ভগৱতী নদীৰ পাৰলৈ। সেই সময়ত কপাহ সংগ্ৰহ কৰাৰ বতৰ। সেয়ে দেশমুখসকলে এই যাযাবৰসকলক কপাহ তোলাৰ কামত লগাই দিছিল। এইবাবেই চন্দৰীকো জমিদাৰে সেই কামত লগাইছিল। নহলে তাই সাধাৰণতে হাবিৰ পৰা সন্তালু কাঠ সংগ্ৰহ কৰি বিক্ৰী কৰে অথবা কাঁইটীয়া জোপোহা গছৰ আঠা সংগ্ৰহ কৰি সৰু সৰু চহৰৰ ঘন বসতি অঞ্চলৰ পথত চিঞৰে---আঠা লাগে, আঠা! নিশা দেউতাকে ঢোল বজাই গীত গায় আৰু চন্দৰীয়ে তাইৰ গোষ্ঠীৰ লোকৰ মাজত নাচে।

এই প্ৰথম লহমাৰ পাছত দ্বিতীয় কিছুমান মুহূৰ্তও আহিছিল। ৰাও যুৱক আৰু চন্দৰী গাভৰু। ফল স্বৰূপে বীজ ৰোপণ কৰাও হ'ব আৰু শস্য চপোৱাও। সেই মুহূৰ্তবোৰৰ প্ৰতিটোৱেই আছিল একো একোটা মধুনিৰ্যাস ভৰা গীত। সেইবোৰ

---

* নাৰীৰ শিৰত পিন্ধা এবিধ অলংকাৰ। সোণ বা ৰূপৰ' মিহি শিকলি এডালৰ সতে সংলগ্ন বিভিন্ন আকৃতিৰ টিক্‌লি কপালৰ কিছু ওপৰত থাকে। শিকলিডাল সেওঁতাৰ ওপৰত থাকে।



মুহূৰ্তত কৃত্ৰিম খং-অভিমান আছিল আৰু সকলোৰে অজ্ঞাতে চন্দৰীক লৈ পলাই যোৱাৰ ইচ্ছাও তাৰ আছিল। চন্দৰী এক স্ৰোতস্বিনী, এক প্ৰসাৰিত লহৰ। আৰু তাই যেতিয়া ৰঘুৰাওৰ বাগদত্তা হৈছিল, তাই তেতিয়া এজনী সুন্দৰী নৰ্তকীও হৈছিল। কিন্তু আন মানুহৰ সন্মুখত বা তাইৰ নিজ সম্প্ৰদায়ৰ লোকৰ সন্মুখত চন্দৰীয়ে কেতিয়াও ৰাওক দেখুৱাবলৈ নচা নাছিল। ভাবী স্বামীৰ সন্মুখত তাই জংঘলৰ মাজত অথবা নাগিগুৱৰ ঘৰৰ আগত নাচিছিল। সেই সময়ত তাই তাঁতত বোৱা ডাঠ ফুলাম ঘাঘ্‌ৰা পিন্ধিছিল। সেই ঘাঘ্‌ৰাত ৰূপালী সূতাৰ কাৰুকাৰ্য আছিল। তাইৰ পেটৰ আধামান উন্মুক্ত আছিল। তাইৰ ভৰিৰ সৰু গাঠিত থকা নূপুৰৰ ওপৰত পিতলৰ অলংকাৰত সাপৰ ফণা দুলিছিল। এই নৰ্তকীক দেখি ৰাওৰ মনলৈ এখন সুন্দৰ পাল্‌কীৰ ছবি আহিছিল। সেইখন বৰ ৰঙীন তথা মনোৰম। সেই পাল্‌কীখনৰ দুয়োকাষে ৰঙা বেচমৰ পৰ্দা ওলমিছিল। সেইখন পাল্‌কী কিন্তু ইমান দিনে আৰু শূণ্য হৈ থকা নাছিল।

এইবাৰ সেই মুহূৰ্তৰ কথা মনত পৰিল।

প্ৰায় একমান বজাত সি ঘৰৰ পৰা ওলাই ভগৱতী নদীৰ ফাললৈ গৈছিল। নৈৰ পাৰত চন্দৰীহঁতৰ সম্প্ৰদায়ৰ তম্বু আছিল। বাটত ৰামালুৰ সতে দেখা দেখি হৈছিল। ৰামালুৱে কিন্তু তাৰ ফালে চাই মিচিকিয়াই হাঁহিছিল। ৰাৱে ৰামালুৰ হাঁহিলৈ বৰ মন দিয়া নাছিল। কাৰণ ৰামালুৰ হাঁহিটো তাৰ কিবা বিষাদভৰা যেন লাগিছিল। কিছু পথ যোৱাৰ পাছত তাৰ খুৰায়েক ৰংড়ুৰ সতেও দেখা দেখি হৈছিল। ৰংড়ুৱেও হাঁহিছিল। ৰাও কিন্তু মনৰ উলাহতে গৈয়েই আছিল। সি ভাবিছিল, মই নিজৰ জাত এৰি অজাতিৰ ছোৱালীক ভাল পাইছোঁ বাবেই খুৰাই হাঁহিছে, হাঁহক। ৰাৱে শেৱালী ফুলৰ গছ কেইজোপা মূৰ দোঁৱাই পাৰহৈ দুয়োকাষে ফণিমনসাৰ জোপোহা থকা আলিবাটত ভৰি দিছিল। এই পথটো যাযাবৰসকলৰ আশ্ৰয় স্থললৈ গৈছিল। প্ৰায় আধা মাইলমান গৈ যাযাবৰবোৰৰ গাধবোৰে চৰি থকা ঠাইডোখৰ পাইছিল সি। সেই ঠাইডোখৰৰ কাষতেই তম্বু তৰা আছিল। তম্বুবোৰৰ কোনোটো পাটৰ আৰু কোনোটো বা তালপাতৰ। পুৰুষসকলৰ কোনো কোনোৱে চাৰি বৰ ধৰিছিল আৰু নাৰীসকলৰ কোনো কোনোৱে সন্তালু গছৰ লেউ সেউ ডালেৰে ঝুৰি সাজিব ধৰিছিল। এজনী বুঢ়ীয়ে অকলে অকলে বহি যৌৱনৰ গীত গাইছিল আৰু কেজনীমান গাভৰুৱে সেই গীত শুনি বুঢ়ীয়ে নেদেখাকৈ হাঁহিছিল। ৰাৱে এইবোৰকে চাই চাই এটা সময়ত ভাগিয়াৰ তম্বুত উপস্থিত হৈছিল। ভাগিয়াই জুইৰ ওপৰত থকা ঘিৰ পাত্ৰত পাণ আৰু লং মিহলাই গৰম কৰিব ধৰিছিল।

ৰাৱে সুধিছিল, 'ইয়াৰে কি কৰিবা?'

ভাগিয়াই চকু এটা মুদি কৈছিল, "এইবোৰ মিহলালে ঘি একদম আচলৰ নিচিনা দেখাব।"

"খাটি ঘিনো নেবেচা কিয়?"

"আৰে খাটি ঘি বেচিলে কিনিব কোনে? ইমান দাম। সেয়ে মই নকল ঘিকেই খাটি বুলি চলাইছোঁ।

"চান্দৰী ক'ত?"

"নাহি পাবই তাই। ৰহা।

"ক'লৈ গ'ল তাই ?"

"হাউলীলৈ গৈছে। জমিদাৰৰ ল'ৰাই মাতিছে।"

ৰাওৰ বুকুৰ ভিতৰখন ধপ্ ধপাই উঠিল। কিছু সময় মুহ্যমান হৈ থকাৰ পাছত সি সুধিলে, "জমিদাৰৰ পুতেকে কিয় মাতিছে ?"

"জানো, কিয় মাতিছে !" ভাগিয়াই কাঠৰ চামুচপাতেৰে খিখিনি লৰাই লৰাই কৈছিল, "ৰাতিপুৱাই গৈছে তাই। আহি পাবৰ হৈছে। বহা।"

ৰাৱে ধপ্ কৰি মাটিত বহি দিছিল।

আবেলি পাৰ হৈ গৈছিল। সাঁজ লাগো লাগো হৈছিল। অস্তগত সূৰ্যৰ হেঙুলী আভা আকাশৰ বুকুৰপৰা ধীৰে ধীৰে মোহাৰ খাই যাব ধৰিছিল। তেনে সময়তে চন্দৰী জমিদাৰৰ হাউলীৰপৰা উলটি আহিছিল। ৰাওৰ খঙাল মুখখন দেখি তাই ভয় খাই গৈছিল। অৱশেষত সাহস গোটাই তাৰ সমুখলৈ গৈ মিচিকিয়া হাঁহি মাৰি সুধিছিল, "তুমি কেতিয়া আহিলা ?"

ৰাৱে কোনো উত্তৰ দিয়া নাছিল।

চন্দৰীয়ে তাৰ আৰু কাষলৈ গৈ চাদৰৰ আঁচলটো আঙুলীত পকাব ধৰিছিল।

"নাগফণীৰ চৰবৎ খাবানে ?" চন্দৰীয়ে লেনিয়াই সুধিছিল।

"নাখাওঁ।"

"তোমাৰ বাবে চেঁচা তৰমুজ আনোনে ?"

"নালাগে, নালাগে", খঙতে ৰাৱে চিঞৰি উঠিছিল, "মোৰ বাবে একোৰেই প্ৰয়োজন নাই।"

"কিনো হ'ল, এনেদৰে চিঞৰিছানো কেলেই ?" চন্দৰীয়ে উদ্বেগ মিহলি কণ্ঠেৰে সুধিছিল।

"তালৈ কিয় গৈছিলা ?"

"মালিকে মাতিছে, নাযাম কিয় ?" চন্দৰীয়ে অবাক হৈ সুধিছিল।

"তাত কি ... কি হৈছিল ?"

ইমান সময়ে চন্দৰীয়ে থিয় দি আছিল। এইবাৰ বহি বৰ ক্লান্ত স্বৰেৰে তাই কৈছিল, "নতুন আৰু কি হ'ব, সদায়েই যি হয়।"

"বেশ্যা।" ৰাও খঙতে ফাটি পৰিছিল।

"মই বেশ্যা নহওঁ। চমকি উঠি চন্দৰীয়ে খং ভৰা কণ্ঠেৰে কৈছিল, "মই তাক স্পষ্টভাবে কৈ দিছোঁ, সি মোৰ সতে যি মন যায় কৰিব পাৰে, কিন্তু কেতিয়াও মোৰ বক্ষত হাত দিব নোৱাৰিব।"

"বক্ষত হাত দিব নোৱাৰাৰ মানে ?"

"মোৰ সন্তানে এদিন মোৰ বুকুৰ গাখীৰ খাব বাবেই।"

"সন্তানে গাখীৰ খাব বাবেই মানে ?"

"সন্তানে স্তন পান কৰাৰ সময়ত----।" চন্দৰীয়ে গভীৰ প্ৰেম ভৰা দৃষ্টিৰে ৰাওৰ চকুলৈ চাইছিল। ৰাৱে নিজৰ চকুহাল নমাই খঙত ক্ষোভত নিজকে কোৱাদি কৈছিল, "চন্দৰী ! শিশুৱে গাখীৰ খায় বাবেই কি মাথোঁ তোমাৰ বুকুখন পবিত্ৰ ? যি শিৰাই শিশুক গাখীৰ দিয়ে, সেয়া পবিত্ৰ নহয় নেকি ? তোমাৰ যি হাল ওঁঠে মধুৰ শব্দ উচ্চাৰণ কৰে, সিহঁত পবিত্ৰ নহয় নে কি ? যি বাহু যুগলে শিশুক



কোলাত শুৱায় সেই বাহু যুগল পবিত্ৰ নহয় তেনে ? চন্দৰী, তুমিতো তোমাৰ সমগ্ৰ দেহটোৰেই পবিত্ৰ হ'ব পাৰিলাহেঁতেন। কিন্তু তুমি এই পবিত্ৰতাক টুকুৰা টুকুৰ কৰি ভাগ কৰিলা আৰু ?"

চন্দৰীয়ে কিন্তু কোনো উত্তৰেই দিয়া নাছিল। কাৰণ সিহঁতৰ সম্প্ৰদায়ৰ কোনো গাভৰুৰেই এই অত্যাচাৰৰ কোনো উত্তৰ নাছিল। সেয়ে তাই নিশ্চুপ হৈ কান্দিছিল। তাইৰ কাষতে বহি ৰাৱে নীৰৱে তাইৰ দুগালেদি বৈ যোৱা অশ্ৰুধাৰালৈ চাই আছিল।

কিছুপৰৰ পাছত চন্দৰীৰ চকুপানীবোৰ শুকাই গৈছিল। তাৰ কেইমুহূৰ্তমানৰ পাছত শুকান মাটিত অশ্ৰু টোপালৰ কোনো চিহ্নই নাছিল। হঠাৎ ৰাও থিয় হৈছিল। কাৰণ তাৰ এনে ভাব হৈছিল, এই অশ্ৰুৱে অন্তুৰ মাটিত বন্যা আনিব নোৱাৰে, ইয়াৰ বাবে কৃষকে নিজৰ বক্ষ-ৰক্ত দিব লাগিব।

সেই মুহূৰ্ততে সি তাৰ সমগ্ৰ প্ৰেমৰ ক্ষণবোৰ চেৰাই আহিছিল। এই এটি মুহূৰ্ততে সি তাৰ মনৰ সমস্ত পুৰণি প্ৰাচীৰবোৰ পাৰ হৈ আহিছিল। এই মুহূৰ্ততে সি বহি থকাৰ পৰা থিয় দি এক নতুন ক্ষণৰ হাতত ধৰিছিল।

সেই নিশাই সি ঘৰলৈ নগৈ গাঁৱৰ বাহিৰলৈ গুচি গৈছিল। গাওঁৰ সেই আলিটোৰেদি এদিন সি গোলামৰ ৰূপত যাব লগা হৈছিল। আজি কিন্তু সি গোলাম নহয়, এক স্বাধীন ব্যক্তি। আৰু তাৰ হাতত আছিল এখন নতুন আচি। হাতত এডোখৰ বহুমূলীয়া ৰত্ন লৈ সি এক নতুন কইনাৰ সন্ধানত ওলাইছিল। (ক্ৰমশঃ) +++

পিকিঙৰ পৰা প্ৰকাশিত মাও-ছে-তুঙৰ ৰচনাৱলী আৰু সাপ্তাহিক পত্ৰিকা "পিকিং ৰিভিউ"ৰ ওপৰত আৰোপ কৰা ভাৰত চৰকাৰৰ নিষেধাজ্ঞাৰ প্ৰতিবাদত ভাৰত-চীন মৈত্ৰী বন্ধন আৰু গণতন্ত্ৰত বিশ্বাসী প্ৰতিজন সচেতন নাগৰিকৰ প্ৰতিবাদৰ কন্ঠেৰে সোচ্চাৰ হৈ উঠক অসমৰ আকাশ-বতাহ।

*প্ৰিমিয়াৰ পাব্লিকেশ্যনচ্,*

এ. টি. ৰোড : যোৰহাট-৭৮৫০০১

(পিকিং প্ৰকাশিত গ্ৰন্থ, পত্ৰিকা ও অন্যান্য প্ৰগতিশীল সাহিত্যৰ বাবে যোগাযোগ কৰক।)



OKDISCD

# বিতৰ্ক/

> এই শিতানত আমি জাতীয় আৰু আন্তৰ্জাতিক সাম্যবাদী আন্দোলনৰ বিভিন্ন সমস্যা সম্পৰ্কে বিতৰ্ক মুকলি কৰিছো। প্ৰবন্ধসমূহে আমাৰ সম্পাদকীয় নীতি প্ৰতিফলিত নকৰিব। এই বিতৰ্কৰ ওপৰত আলোচনা প্ৰকাশ কৰিবলৈ আমি আগ্ৰহী।
>
> সম্পাদক, সাঃ সাঃ

## চিন্তা বিপ্লৱ ?

—পূৰ্ণানন্দ চুতীয়া

(এক)

কিছু বছৰৰ আগেয়ে বিশ্ববিদ্যালয়ৰ এজন পণ্ডিতে 'চিন্তা বিপ্লবৰ' প্ৰতি আহ্বান জনাই বাতৰি কাকতত এটি প্ৰবন্ধ প্ৰকাশ কৰিছিল। কিছু পৰিমাণে পণ্ডিতজনৰ বক্তব্যক আমিও সমৰ্থন কৰিছিলোঁ। পৰিৱৰ্তী কালত বুজা গ'ল যে উল্লেখিত পণ্ডিতজনৰ সিদ্ধান্ত শেষ বিচাৰত ভুল আছিল।

তেওঁৰ সিদ্ধান্ত আছিল যে চিন্তাৰ ক্ষেত্ৰত এটা বিপ্লব সংঘটিত কৰি আমাৰ সমাজত চলি থকা পুৰণি অবিজ্ঞানসুলভ মূল্যবোধসমূহক ধ্বংস কৰি তাৰ ঠাইত নতুন চিন্তা ধাৰাৰ এখন সুস্থ সমাজ প্ৰতিষ্ঠা কৰিব লাগে।

আমাৰ সমাজৰ পেটি-বুৰ্জোৱা সৰহ সংখ্যক শিল্পী-সাহিত্যিকৰ বাবে এনে বক্তব্যত অশুদ্ধতা একো নাই। কাৰণ তেওঁলোকে সমস্যাৰ গভীৰতাত প্ৰবেশ নকৰি এটি সহজ সিদ্ধান্তৰ যোগেদিয়েই এনে আধুনিক চিন্তাক সমাজত প্ৰচলন কৰিব বিচাৰে।

যি কোনো বিষয় অথবা ঘটনাৰ বিজ্ঞানসন্মত বস্তুবাদী বিশ্লেষণৰ প্ৰতি জনগণৰ স্পৃহা যিমানেই বেছি হৈ আহিছে, সামন্তীয় আৰু পুঁজিবাদী গেলেপা চিন্তাৰ বাহকসকল সিমানে সক্ৰিয় হৈ উঠিছে আৰু অশেষ পৰিশ্ৰম (পণ্ডশ্ৰম) কৰি অবৈজ্ঞানিক ভাববাদী চিন্তাধাৰা জনমানসত প্ৰচাৰ চলোৱাৰ চেষ্টা চলাইছে।

'চিন্তা' ক'ৰপৰা আহে ? বস্তুজগতৰ পৰা আঁতৰত চিন্তাৰ স্বতন্ত্ৰ অস্তিত্ব প্ৰমাণ কৰিব পাৰিনে ? চিন্তা-বিপ্লবৰ সপোন দেখি সমাজ বদলাবলৈ বিচৰা চিন্তাবীৰ সকলৰ বাবে এইকেইটা প্ৰাথমিক প্ৰশ্ন অতি প্ৰয়োজন।

'চিন্তা বাস্তবতাৰ প্ৰতিফলন, বাস্তবতাৰ এখন ছবি' (Thought is a reflection, a photograph of reality—Lenin)। 'চিন্তা' মানুহৰ মনোজগতত বস্তুজগতে কৰা সচেতন প্ৰতিক্ৰিয়াৰ পৰিণতি। কথাটো ব্যাখ্যা কৰা ভাল হ'ব।

জগতত বিভিন্ন বস্তু (matter)ৰ অবস্থিতি আমাৰ চেতনাৰ পৰা স্বতন্ত্ৰ। এটা বিশেষ বস্তুৰ প্ৰতি আমাৰ জ্ঞান জন্মে তেতিয়া—যেতিয়া বস্তুটোৰ পৰিষ্কাৰ এখন



চিত্ৰ আমাৰ চেতনাত ধৰা পৰে। উদাহৰণ স্বৰূপে ধৰা হওক, মাটিৰ তলত অতি পুৰণি কালৰ শিলৰ মূৰ্তি এটা পোত খাই আছিল। ইয়াৰ অবস্থিতি সম্পৰ্কে আমি সম্পূৰ্ণ অজ্ঞ। কিন্তু খনন কাৰ্যৰ ফলত যেতিয়া মূৰ্তিটো ওলাই পৰিল, তেতিয়াহে তাৰ অস্তিত্ব সম্পৰ্কে আমি সচেতন হলো আৰু তাৰ বিষয়ে আমি চিন্তা বা গৱেষণা আৰম্ভ কৰিলো। অৰ্থাৎ আমাৰ মনত প্ৰকৃতিৰ প্ৰতিটো বস্তুৰ অস্তিত্বই যি সচেতন প্ৰতিক্ৰিয়া সৃষ্টি কৰে, ইয়েই হ'ল মুঠ কথাত আমাৰ 'চিন্তা' অথবা 'চেতনা'।

'চিন্তা' ক্ৰমান্বয়ে বিকাশপ্ৰাপ্ত বাস্তবিক সচেতনতাৰ ফলশ্ৰুতি। এটা শিশুৰ কথা ধৰা যাওক। জন্মৰ মুহূৰ্তত তাৰ চাৰিওফালে থকা বস্তুৰ প্ৰতি সি সচেতন নহয়। লাহে লাহে তাৰ বয়স বাঢ়ি যায়, বিভিন্ন দৈহিক গঠনৰ উন্নতিৰ লগতে তাৰ মগজুৰো বিকাশ ঘটে আৰু লগে লগে তাৰ আশপাশৰ বিভিন্ন বস্তুৰ ওপৰত শিশুটিৰ এটা মোটামুটি জ্ঞান জন্মে। ভাষা কবলৈ শিকাৰ আগতেই তাৰ মানসিক জগতত সীমাবদ্ধ কেইটামান বস্তুৰ প্ৰতি সচেতনতা জাগি উঠে। সি মাকৰ লগতে ঘৰৰ মানুহ খিনিক চিনি পোৱা হয়। লাহে লাহে তাৰ চেতনাৰ পৰিসৰ বৃদ্ধি হয় আৰু নতুনকৈ প্ৰত্যক্ষ কৰা প্ৰতিটো বস্তুৱেই তাৰ মনত চিন্তাৰ উদ্ৰেক কৰে।

গতিকে মানুহৰ বাস্তৱ অবস্থিতি প্ৰতিষ্ঠিত হোৱাৰ পিছতহে প্ৰকৃতিজগতৰ বিভিন্ন গতিশীল বস্তুৱে মানুহৰ চেতনাত ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰি চিন্তা সৃষ্টি কৰে। আন কথাত 'বাস্তৱ জীৱনৰ উৎপাদন প্ৰক্ৰিয়াই' মানুহৰ বৌদ্ধিক, ৰাজনৈতিক আৰু সামাজিক জীৱনৰ সাধাৰণ নিয়মবোৰ গঢ়ি তোলে। "It is not the consciousness of men that determines their existence, but their social existence that determines their consciousness."—Marx.

(মানুহৰ চেতনাই অস্তিত্ব নিৰ্ণয় নকৰে, সামাজিক অস্তিত্বইহে মানুহৰ চেতনা নিৰ্ণয় কৰে।)

'চিন্তা' বাস্তবতাৰ সচেতন প্ৰতিফলন, এই সিদ্ধান্তত উপনীত হোৱাৰ পিছত আন এটা সমস্যা আহিল। 'সামাজিক জীৱনৰ ব্যৱহাৰিক পৰিৱেশৰপৰা পৃথকভাৱে চেতনাৰ (consciousness) অৰ্থ আছেনে, অথবা ই তেনেদৰে বিকাশ প্ৰাপ্তি ঘটেনে ? এটা ঘটনাৰ কথা উল্লেখ কৰা যাওক—১৯৫৬ চনত ভাৰতৰ কোনো এখন গাঁৱৰ পৰা এজনী তিনি বছৰতকৈ কম বয়সৰ ছোৱালীক এজনী কুকুৰনেচীয়া বাঘে ধৰি নি হাবিত সুমুৱালেগৈ। কেইবা বছৰো মূৰত তাইক হাবিতে উদ্ধাৰ কৰা হ'ল। দেখা গ'ল তাই জন্তুৰ দৰে খোজ কাঢ়ে, বাঘৰদৰে গোঁজৰে। তাইক কথা কবলৈ শিকোৱা সকলো প্ৰচেষ্টাই অথলে গ'ল। তাইৰ মানবীয় চেতনা ঘূৰাই আনিব পৰা নগ'ল। নতুন পৰিৱেশত খাপ খাব নোৱাৰি কিছুদিনৰ পিছতে তাইৰ মৃত্যু ঘটিল।

এতিয়া প্ৰশ্ন হ'ল—ছোৱালীজনীৰ কিয় এনেকুৱা হ'ল ? জন্মৰ সময়ত তাইৰ এটা সুস্থ মগজু আছিল। হাবিৰপৰা উদ্ধাৰ কৰি অনাৰ পিছতো তাইৰ মগজু বায়লজিকেলী সুস্থই আছিল। কিন্তু তথাপি তাইৰ মগজুলৈ মানবীয় সচেতনতা পুনৰ কিয় ঘূৰি নাহিল ?

মাৰ্ক্সীয় বিজ্ঞানে প্ৰমাণ কৰে যে বাস্তৱ সামাজিক জীৱনহে চেতনা বিকাশৰ উৎস। সমাজ-জীৱনৰ বাহিৰত মানবীয় চিন্তা-চেতনা গঢ়ি উঠিব নোৱাৰে। উপৰোল্লেখিত ছোৱালীজনী বহুদিন মানুহৰ সমাজৰ পৰা আঁতৰি থাকিব লগা হোৱাত তাইৰ



OKDSCD

মগজুত ক্ৰিয়া কৰিব পৰা সকলো মানবীয় ইচ্ছা অনুভূতি লুপ্ত হৈছিল। মানুহৰ সমাজত বাস নকৰিলে এটা সুস্থ মগজুৰেই মানবীয় চেতনা আহৰণৰ বাবে যথেষ্ট নহয়। সমাজত বাস কৰি জগতৰ বিভিন্ন বস্তুৰ লগত সংশ্ৰব আৰু অন্য মানুহৰ লগত সম্বন্ধ নাথাকিলে চিন্তা চেতনাৰ চৰ্চা হ'ব নোৱাৰে। মাৰ্ক্সৰ ভাষাত "consciousness from the very beginning is a social product and remains such as long as people exist in general."

(সচেতনতা প্ৰথমৰ পৰাই এটা সামাজিক সৃষ্টি আৰু মানুহৰ সামূহিক অস্তিত্ব থাকে মানে ই তেনেদৰেই থাকিব)।

এতিয়া বুজা গল যে 'চিন্তা' বাস্তবতাৰ সচেতন প্ৰতিফলন আৰু সামাজিক বাস্তব পৰিবেশে ইয়াক গঢ় দিয়ে। অৰ্থাৎ আমাৰ চিন্তা-চেতনাৰ উৎস হিচাবে আমাৰ সামাজিক অবস্থিতিৰ চাৰিওকাষৰ বাস্তব পৰিবেশৰ প্ৰভাব স্বীকাৰ কৰিব লাগিব। চিন্তাৰ এই সামাজিক চৰিত্ৰ স্বীকাৰ কৰাৰ পিছত ইয়াৰ পৰিবৰ্তন সাধনৰ বেলিকা প্ৰথম নজৰ দিব লাগিব বিদ্যমান পৰিবেশৰ ওপৰত।

এইবাৰ অহা যাওক চিন্তা-বিপ্লবৰ কথালৈ। আমি আগেয়ে উল্লেখ কৰিছো যে প্ৰবন্ধলেখক পণ্ডিতজনে ভাবে যে মানুহৰ চিন্তা-চৰ্চাৰ পৰিবৰ্তন ঘটাই আধুনিক আৰু সুস্থ চিন্তাৰ ক্ষেত্ৰ এখন সমাজত প্ৰতিষ্ঠা কৰিব লাগে। তেওঁৰ মতে আধ্যাত্মিকতাৰ ওপৰত প্ৰতিষ্ঠিত ভাৰতীয় ঐতিহ্যক ধ্বংস কৰি নতুন প্ৰগতিশীল চিন্তাৰ কৰ্ষণেহে ভাৰতীয় সমাজক আগবঢ়াই নিব পাৰিব। কিন্তু আচৰিত কথা, প্ৰবন্ধ লেখকে ভাৰতীয় আধ্যাত্মিকতা অথবা ভাববাদী চিন্তাৰ উৎস বাস্তব পৰিস্থিতিটোক আলোচনাৰ মাজলৈ অনা নাছিল।

এই বাস্তব পৰিস্থিতিনো কি? ই হ'ল সামন্ততন্ত্ৰ আৰু উপনিবেশৰ কৰাল গ্ৰাসে বিকলাংগ কৰা পুঁজিবাদী অৰ্থনৈতিক পৰিস্থিতি। এক শোষণ ভিত্তিক অৰ্থনীতি। এনে অৰ্থনীতি পৰিচালিত সামাজিক পৰিবেশত আধ্যাত্মিক অথবা ভাববাদী চিন্তাই বৌদ্ধিক জগতখন নিয়ন্ত্ৰণ কৰে। এইখিনিতে বোধহয় দোহৰা ভাল হ'ব যে এখন সমাজৰ অৰ্থনৈতিক অবস্থা বা ব্যবস্থাই সেই সমাজৰ পৰিবেশৰ ওপৰত গভীৰ প্ৰভাব পেলায়। আন কথাত অৰ্থনৈতিক ভিত্তিয়েই সমাজৰ মূল গাঁথনি (Real Foundation)। এই প্ৰসংগতে মাৰ্ক্সৰ অধ্যয়নলৈ আঙুলিয়াব পাৰি। মাৰ্ক্সে তেওঁৰ "A contribution to the critique of Political Economy" গ্ৰন্থৰ পাতনিত তেওঁৰ অধ্যয়নৰ দিক্‌দৰ্শন (Guiding Principle) বুলি উল্লেখ কৰি কৈছে, "In the social production of their existence, men inevitably enter into definite relations, which are independent of their will, namely relations of productions appropriate to a given stage in the development of their material forces of production. The totality of these relations of production constitute the economic structure of society, the real foundation on which arises a legal and political superstructure and to which correspond definite forms of social consciousness. (Page-20).

(মানুহে তেওঁলোকৰ সামাজিক উৎপাদন কৰ্মত অনিবাৰ্যভাবে কিছু নিৰ্দিষ্ট



সম্পৰ্কৰ মাজত সোমাই পৰে, যিটো তেওঁলোকৰ ইচ্ছাধীন নহয়। উদাহৰণ স্বৰূপে তেওঁলোকৰ বাস্তব উৎপাদিকা শক্তিসমূহৰ বিকাশৰ এটা নিৰ্দিষ্ট স্তৰত খাপ খোৱা উৎপাদন সম্পৰ্ক। এই উৎপাদন-সম্পৰ্কৰ সামগ্ৰিকতাই সমাজৰ মূল ভেটি হিচাবে অৰ্থনৈতিক গাঁথনি তৈয়াৰ কৰে। ইয়াৰ ওগৰত ভিত্তি কৰিয়েই সমাজৰ বৈধ, ৰাজনৈতিক ওপৰ গাঁথনি গঢ়ি উঠে, য'ত সামাজিক চেতনাৰ নিৰ্দিষ্ট ৰূপটো পৰিস্ফুত হয়—মৰ্মানুবাদ)

এই ব্যাখ্যাৰ পৰা পৰিষ্কাৰকৈ ওলাই পৰিছে যে এখন সমাজৰ অৰ্থনৈতিক সম্পৰ্কৰ পৰিবেশে সেই সমাজৰ চেতনা অৰ্থাৎ চিন্তা-চৰ্চাৰ ক্ষেত্ৰ গঢ়ি তোলে আৰু সেয়ে চিন্তা-চৰ্চাৰ পৰিবৰ্তনৰ কথা ভাবিলেই বাস্তব উৎপাদন-সম্পৰ্ক পৰিবৰ্তন কৰাৰ কথাহে প্ৰথমে কব লাগিব। আমাৰ সমাজৰ আধ্যাত্মিকতা-সৰ্বস্ব ভাববাদী ধ্যান-ধাৰণাৰ গা-ৰখীয়া হ'ল সামন্তীয় আৰু সাম্ৰাজ্যবাদৰ হেঁচাত বিকলাংগ হোৱা পুঁজিবাদী সমাজ ব্যবস্থাটো। এই সমাজ-ব্যবস্থাটোৰ ওপৰত অকণো আঁচোৰ নলগাকৈ চিন্তা-চৰ্চা নাইবা সাংস্কৃতিক পৰিবৰ্তন ঘটাবলৈ বিচৰাটো বাতুলতা আৰু বুৰ্জোৱা বুদ্ধিজীৱীসকলৰ ই এটা ধূৰ্তালি।

লক্ষ্য কৰিবলগীয়া যে প্ৰবন্ধ লেখক পণ্ডিতজনে চিন্তা-বিপ্লবৰ যোগেদি সাংস্কৃতিক আন্দোলন অথবা সাংস্কৃতিক বিপ্লবৰ কথা কোৱা নাছিল। কাৰণ তেওঁৰ আলোচনাত সমাজৰ ৰাজনৈতিক দিশটোৱে অকণো স্থান পোৱা নাছিল। ইফালেদি ৰাজনৈতিক বিপ্লবৰ পৰা সাংস্কৃতিক বিপ্লবক পৃথক কৰাৰ উপায় নাই। ৰাজনৈতিক বিপ্লবে ইয়াৰ অগ্ৰগতিৰ প্ৰতিটো খোজতে সাংস্কৃতিক বিপ্লবক সহচৰ হিচাবে লবই লাগিব। আমাৰ সমাজত ৰাজনীতিৰ ওচৰ নচপা এনে বহু 'অৰাজনৈতিক' পণ্ডিত আছে যি সমাজৰ বৌদ্ধিক আবহাৱা বেচ গৰম কৰি ৰাখিছে। বিভিন্ন ধৰণৰ কাগজে-পত্ৰই, ছিনেমা-চিত্ৰই তেওঁলোকৰ বিশুদ্ধ, বিদগ্ধ চিন্তাৰ কছৰৎ দেখিবলৈ পোৱা যায়। বৰ্তমানৰ জনবিৰোধী আৰ্থ সামাজিক ব্যবস্থাটোৱে তেওঁলোকক একো অসুবিধাত পেলোৱা নাই, মাত্ৰ মামৰে ধৰা আও পুৰণি চিন্তা-চৰ্চাইহে তেওঁলোকৰ আমোদ-বিচৰণৰ আধুনিক সেন্দুৰীয়া আলিটো অলপ পিচল কৰি ৰাখিছে।

কিন্তু জনগণৰ দ্বাৰা নতুন সমাজ প্ৰতিষ্ঠা কৰাৰ ৰাস্তাত সন্মুখীন হ'ব লগা প্ৰথম প্ৰশ্নটো কি?

ই হ'ল ৰাষ্ট্ৰৰ ক্ষমতা দখলৰ প্ৰশ্ন। ৰাজনৈতিক ক্ষমতা দখলৰ পিছত প্ৰচলিত অৰ্থনৈতিক গাঁথনিৰ পৰিবৰ্তন সাধন। ইয়াৰ পিছত "The changes in the economic foundation lead sooner or later to the transformation of the whole immense superstructure." (A contribution to the critique of political economy by Marx. Page-20).

(সোনকালেই হওক বা দেৰিকৈয়ে হওক, অৰ্থনৈতিক ভিত্তিৰ পৰিবৰ্তনে সমগ্ৰ ওপৰ গাঁথনিটোৰ পৰিবৰ্তনৰ পথ সুগম কৰে)

( দুই )

বিপ্লবী সংস্কৃতি আৰু বিপ্লবী ৰাজনীতিৰ মাজত সম্পৰ্ক কি? "যিকোনো এটা নিৰ্দিষ্ট সংস্কৃতি এখন নিৰ্দিষ্ট সমাজৰ ৰাজনীতি আৰু অৰ্থনীতিৰ প্ৰতিফলন আৰু



OKDISCD

এই ৰাজনীতি আৰু অৰ্থনীতিৰ ওপৰতে আকৌ এই সংস্কৃতিৰ ওজোটাকৈ এক গভীৰ প্ৰভাৱ আৰু ফল আছে। অৰ্থনীতি হ'ল ভিত্তি আৰু ৰাজনীতি হ'ল অৰ্থনীতিৰে ঘণীভূত প্ৰকাশ। সংস্কৃতিৰ লগত থকা ৰাজনীতি আৰু অৰ্থনীতিৰ আৰু ৰাজনীতিৰ লগত অৰ্থনীতিৰ সম্বন্ধ সম্পৰ্কে এয়াই আমাৰ মৌলিক ধাৰণা।" (On New Democracy, Mao Tse Tung)

ওপৰৰ উদ্ধৃতিৰ পৰা প্ৰমাণ হয় যে বিপ্লৱী সংস্কৃতি বিপ্লৱী ৰাজনীতিৰপৰা সুকিয়াকৈ চাব নোৱাৰি। দৰাচলতে মানব ইতিহাসত শ্ৰেণী-সমাজৰ জন্ম হ'বৰ পৰাই দুটা শ্ৰেণীৰ মাজত যি দ্বন্দ্ব-সংঘাট চলি আহিছে--দুয়োটা শ্ৰেণীয়েই এই সংঘাটত শিল্প-সংস্কৃতিক নিজৰ নিজৰ কামত ব্যৱহাৰ কৰি আহিছে। সামন্তযুগীয় শিল্প-সাহিত্যই নিজৰ স্থিতাবস্থাৰ সমৰ্থনত বিশেষ এক ধাৰাৰ সংস্কৃতিৰ প্ৰচাৰ চলাইছিল আৰু পুঁজিবাদী সংস্কৃতিয়ে পুৰণা শিল্প-সংস্কৃতিৰ ওপৰত আক্ৰমণ চলাইছিল। বুৰ্জোৱা গণতান্ত্ৰিক ৰাজনৈতিক-অৰ্থনৈতিক বিপ্লৱৰ সহযাত্ৰী হিচাবে তেমে শিল্প কৰ্মৰ এটা নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য আছিল। সেই উদ্দেশ্য বুৰ্জোৱা গণতান্ত্ৰিক ব্যৱস্থাত বাধাৰ সৃষ্টি কৰা সামন্তীয় সংস্কৃতি পৰিবৰ্তন কৰি নিজৰ অনুকুল সাংস্কৃতিক বাতাবৰণ সৃষ্টি কৰা। বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱৰ এই লক্ষ্যৰ পৰা বুৰ্জোৱা সাংস্কৃতিক বিপ্লৱৰ লক্ষ্য পৃথক নাছিল। ইয়াৰ তাৎপৰ্যও তাতে ফুটি ওলাইছে। সেইদৰেই বুৰ্জোৱা গণতান্ত্ৰিক শোষণ ভিত্তিক অৰ্থনীতি আৰু ৰাজনীতি পৰিবৰ্তন কৰাৰ বাবে সৰ্বহাৰাৰ যি ৰাজনৈতিক বিপ্লৱ--এই বিপ্লৱৰ সহযাত্ৰী হিচাবেহে বিপ্লৱী সংস্কৃতিৰ তাৎপৰ্য বিচাৰ কৰিব পাৰি। সেয়ে প্ৰচলিত বুৰ্জোৱা অৰ্থনৈতিক গাঁঠনি সম্পূৰ্ণ পৰিবৰ্তন নকৰিলে সাংস্কৃতিক বিপ্লৱৰ অৰ্থ থাকিব নোৱাৰে বুলি ধৰাটো যেনেকৈ বিভ্ৰান্তিমূলক, তেনেকৈ ৰাজনৈতিক-অৰ্থনৈতিক বিপ্লৱৰ অবিহনেও ইয়াৰ স্বতন্ত্ৰ ভূমিকা আছে বুলি কোৱাটোও প্ৰবঞ্চনামূলক।

সাম্প্ৰতিক কালত শ্ৰেণী-সংগ্ৰামত জুৰুলা অগণন দৰিদ্ৰ মেহনতী জনগণৰ মনত শ্ৰেণী-চেতনা জগাই তোলা আৰু সামন্তবাদ--সাম্ৰাজ্যবাদৰ বিৰোধিতাক সৰৱ কৰি তোলাই সাংস্কৃতিক বিপ্লৱৰ প্ৰধান ভূমিকা। সামন্তবাদ, সাম্ৰাজ্যবাদ আৰু পুঁজিবাদ উৎখাত কৰি সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ বিচৰা ৰাজনৈতিক বিপ্লৱী আন্দোলনৰপৰা এনে সাংস্কৃতিক আন্দোলন পৃথক নহয়। মাও-ছে-তুঙে এনে আন্দোলনক 'নতুন গণতান্ত্ৰিক সাংস্কৃতিক বিপ্লৱ' বুলিছে। তেওঁৰ মতে এই নতুন গণতান্ত্ৰিক সংস্কৃতি হ'ল ব্যাপক জনগণৰ সাম্ৰাজ্যবাদ আৰু সামন্তবাদৰ বিৰোধী সংস্কৃতি। কিন্তু চীনত সমাজতান্ত্ৰিক বিপ্লৱ কৃতকাৰ্য হোৱাৰ পিছতহে সাংস্কৃতিক বিপ্লৱৰ সফল পৰিণতি ঘটিছে।

১৯১৯ চনৰ ৪ মে'ৰ আন্দোলনৰ বিপ্লৱী সাংস্কৃতিক অভিযানৰপৰা আৰম্ভ কৰি সৰ্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠা আৰু সমাজতান্ত্ৰিক অৰ্থনীতি গঢ়ি তোলাৰ সময়লৈকে চীনৰ বুৰ্জোৱা বিদগ্ধ বুদ্ধিজীৱী ডঃ হু শ্বি আৰু তেওঁৰ সমৰ্থকসকলৰ সমাজতন্ত্ৰ-বিৰোধী সাহিত্য-সংস্কৃতিৰ লগত বিপ্লৱী সংস্কৃতিয়ে যুদ্ধ কৰিব লগা হৈছিল। সৌ সিদিনাহে ১৯৬৬ চনৰ সাংস্কৃতিক বিপ্লৱৰ কঠিন যুদ্ধখনতহে সৰ্বহাৰাৰ বিপ্লৱী সংস্কৃতি প্ৰতিষ্ঠা কৰিব পৰা হৈছে। ১৯৭৪ চনত চীন দেশ ভ্ৰমণ কৰি অহা বামপন্থী বুদ্ধিজীৱী হেমাংগ বিশ্বাসৰ মতে "চীন বিপ্লৱৰ সাফল্যৰ পাছত ১৯৬৬ চনত অৰ্থাৎ সাংস্কৃতিক বিপ্লৱৰ আগলৈকে চীনৰ সমাজৰ উপৰি সৌধত--শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত নানা ধৰণৰ তত্ত্বৰ আঁৰত আৰু বিপ্লৱী বচনৰ আবৰণত হু-শ্বিৰ প্ৰেতাত্মাইতে কেনেদৰে একনায়কতন্ত্ৰত নিগাজী হৈ বহিছিল আৰু কিদৰে সেই কোদোৰ খাহ ভঙা হৈছিল---চীন বিপ্লৱৰ এইছোৱাই আমাৰ ওচৰত ডাঙৰ শিক্ষা।"

(আকৌ চীন চাই আহিলো--পৃঃ ১৫৫)



চীনত সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত স্কুল-কলেজৰ লাখ লাখ 'ৰেড্ গাৰ্ডে' উ-হান'ৰ 'হায় ৰুই'ৰ পদচ্যুতি' নাটকক ভিত্তি কৰি 'সদৰ দপ্তৰলৈ বৰটোপৰ গোলা ফুটুৱাবলৈ যেনেদৰে সমৰ্থ হৈছিল চীনত ইতিমধ্যে বিপ্লৱ সফল নোহোৱা হলেই সম্ভব হৈ উঠিলহেঁতেননে? ১৯৪৯ চনৰ আগতে চীনত যেনেদৰে কনফুছীয় আৰু অন্যান্য সামন্তীয় ধ্যান-ধাৰণা বৰ্তি আছিল, ঠিক তেনেদৰে ভাৰততো আজি মধ্যযুগীয় সামন্তীয় ধ্যান-ধাৰণা, চিন্তা-চৰ্চা বৰ্তি আছে। মেহনতী জনগণক শোষণ কৰাৰ ৰাজনীতি আৰু অৰ্থনীতিৰ সহায়ক হিচাবে বহু বুৰ্জোৱা---পচা শিল্প-সাহিত্যই আমাৰ সমাজত বেফিকিৰ বিচৰণ কৰি আছে। কিন্তু এইবোৰৰ বিৰুদ্ধে ঠিক চীনৰ সমাজতান্ত্ৰিক বিপ্লৱোত্তৰ কালছোৱাৰ দৰে লাখ লাখ ছাত্ৰ ছাত্ৰী যুৱকক 'ৰেক ট্ৰুপাৰ' কৰি মুক্ত পথত থাৱা কৰাব পৰা হ'বনে?

'চীনৰ সাংস্কৃতিক বিপ্লৱৰ ১৬ পয়েন্ট নিৰ্দেশাৱলীৰ 'শিক্ষা ক্ষেত্ৰত সংস্কাৰ' (১০ নং) দফাটোত আছে, "মহান প্ৰলেটাৰীয় সাংস্কৃতিক বিপ্লৱত এটি গুৰুত্বপূৰ্ণ কাম হ'ল পুৰণি শিক্ষা ব্যৱস্থাৰ আৰু শিক্ষা দানৰ পুৰণি মূলনীতি আৰু পদ্ধতিৰ পৰিবৰ্তন সাধন। আমাৰ বিশ্ববিদ্যালয় সমূহত বুৰ্জোৱা বুদ্ধিজীৱীসকলৰ আধিপত্যৰ বেহৰূপ এই মহান সাংস্কৃতিক বিপ্লৱৰ মাজত সম্পূৰ্ণৰূপে সলাব লাগিব।

শিক্ষা হ'ব লাগিব প্ৰলেটাৰীয় ৰাজনীতিৰ সেৱক আৰু শিক্ষা লাভ কৰা সকলে নৈতিকতাৰ ফালৰপৰা, বোধশক্তি বিকাশৰ ফালৰপৰা আৰু শাৰীৰিক ফালৰ পৰা নিজক উন্নত কৰি তুলিবলৈ আৰু সমাজতান্ত্ৰিক চেতনা আৰু সংস্কৃতিত উদ্বুদ্ধ শ্ৰমিক হিচাবে যাতে নিজক গঢ়ি তুলিবলৈ সক্ষম হয়, সেই কথা মনত ৰাখি শিক্ষাক উৎপাদনশীল শ্ৰমৰ সৈতে যুক্ত কৰিব লাগিব। মাওৰ এই শিক্ষা নীতিক সকলোধৰণৰ বিদ্যালয়তে পৰিপূৰ্ণ ভাবে প্ৰয়োগ কৰিব লাগিব।" (হেমাংগ বিশ্বাসৰ 'আকৌ চীন আহিলো' দ্ৰষ্টব্য)

আমাৰ দেশৰ শিক্ষা ব্যৱস্থাটোকো পৰিবৰ্তন কৰাৰ দাবী উঠা নাইনে? ইয়াক 'উৎপাদনশীল শ্ৰম'ৰ সৈতে যুক্ত কৰাৰ দাবী উঠা নাইনে? বহু সময়ত শাসক-গোষ্ঠীয়েও জনসাধাৰণৰ কাণত মৌ বৰষি যোৱাকৈ এনে বিজ্ঞানসম্মত শিক্ষাৰ প্ৰচলন কৰিব লাগে বুলি লেকচাৰ মৰা নাইনে? কিন্তু বুৰ্জোৱা শাসক গোষ্ঠীয়ে নিজেই এনে ব্যৱস্থা হাতত লব পাৰিবনে? সমাজতন্ত্ৰত শিক্ষা হ'ল 'প্ৰলেটাৰীয় ৰাজনীতিৰ সেৱক'। সেই একেটা কথাই বুৰ্জোৱা ৰাজনীতিৰ ক্ষেত্ৰতো নাখাটেনে? বুৰ্জোৱা ৰাষ্ট্ৰযন্ত্ৰত 'সমাজতান্ত্ৰিক চেতনা' আৰু 'সংস্কৃতিত উদ্বুদ্ধ শ্ৰমিক' হিচাবে ছাত্ৰসকলক গঢ়ি তুলিব পৰাকৈ শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন সাধন কৰিব পৰা নাযায়। বুৰ্জোৱা শাসকে ৰাষ্ট্ৰযন্ত্ৰক নিজৰ সুখ সুবিধাৰ বাবেহে সদায় প্ৰয়োগ কৰিব আৰু তেওঁলোকৰ সমৰ্থক লগুৱা লিকচৌ, মোচাহাব তৈয়াৰ কৰিবলৈহে শিক্ষা-সংস্কৃতিক ব্যৱহাৰ কৰিব। এনেবোৰ জনগণ-বিৰোধী সাহিত্য-সংস্কৃতিৰ প্ৰতিবাদৰ যোগেদি শ্ৰমিক-কৃষক জনগণৰ শ্ৰেণী-চেতনা জাগ্ৰত কৰি সমাজতন্ত্ৰৰ প্ৰতি উদ্বুদ্ধ কৰাই হ'ল এই পৰ্যায়ত বিপ্লৱী সংস্কৃতিৰ প্ৰধান কৰ্তব্য। এই সংস্কৃতিয়ে বিপ্লৱী ৰাজনীতিৰ লগত সহচৰ হিচাবে ৰাজনৈতিক-সাংস্কৃতিক দিশত জনসাধাৰণক সচেতন কৰি সামন্তবাদ, পুঁজিবাদৰ বিৰুদ্ধে যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ কৰাব লাগিব।

প্ৰসংগতঃ উল্লেখযোগ্য যে শুদ্ধ মাৰ্ক্সীয়-লেনিনীয় তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত এটা প্ৰকৃত সাম্যবাদী ৰাজনৈতিক দলৰ নেতৃত্ব নহলে সাংস্কৃতিক বিপ্লৱে ইয়াৰ নিৰ্দিষ্ট লক্ষ্যত উপনিত হ'ব নোৱাৰে। কেতিয়াবা এটা পৰিস্থিতিত ই সক্ৰিয় হৈ উঠিলেও শেষ মুহূৰ্তত নিঃসাৰ হৈ পৰে। তেলেংগানাৰ সশস্ত্ৰ বিপ্লৱৰ পটভূমিত গণনাট্য সংঘই যি গণ-সংস্কৃতিৰ নতুন দিগন্ত উন্মোচন কৰিছিল, পিছলৈ পাৰ্টি নেতৃত্বৰ শোধনবাদৰ কবলত পৰি ই নিষ্ক্ৰিয় হৈ পৰিল। +++

# পুৰণি আলোচনীৰ পৰা

## জ্যোতিপ্ৰপাত / তিলক হাজৰিকা

মাজনিশা কেচা টোপনিৰ পৰা উঠি আহি মানুহজনৰ মুখলৈ স্তব্ধ হৈ চাই আছিলোঁ। এটা বিৰাট ক'লা অ'ভাৰকোটৰ মাজেদি ওলাই থকা এখন ক্ষীণ সৰু মুখ। মুখখন ঢাকি নাতিদীৰ্ঘ গালভৰা ডাঢ়ি গোঁফ আৰু চকুত এযোৰ ক'লা চছমা। সৰু অষ্টিন গাড়ী এখনৰ পিছৰ ছীটত চুক এটাত লেতুসেতু হৈ বহি আছিল। সমুখৰ ছীটত দুখন অচিনাকি মুখ; এজন স্বাস্থ্যবান শিখ ভদ্ৰলোক আৰু কাষত এগৰাকী সম্ভ্ৰান্ত মহিলা, সম্ভৱতঃ তেওঁৰ স্ত্ৰী। মই অবাক হৈ মানুহজনৰ বিচাৰি নেপোৱা মুখখনলৈ চাই আছিলো। মানুহজনে মিচিকিয়াই হাঁহি দিছিল সুন্দৰ বগা দুপাৰি দাঁতৰ মাজেদি---"কি চাইছা?" মই বিস্ময় মিহলি অস্ফুট মাতেৰে চিঞৰি দিছিলো-- "ককাইদেউ!" "ওঁ, মই আকৌ আহিলোঁ। কাইলৈ মোৰ ভাৰ তোমাৰ ওপৰত; আজি বাৰু মোৰ ওপৰতে থাওক"। কথাখিনি কৈয়েই মানুহজন আকৌ মটৰেৰে সেইদৰেই গুচি গল, ৰাতিটোৰ অৱশিষ্ট অংশখিনি কোনোবা অজ্ঞাত ঠাইত কটাবলৈ।

পাছদিনা মানুহজন আহিছিল, খুব পুৱতী নিশা, মানুহ শুই উঠাৰ আগতেই। আগ নিশাৰ গাড়ীখনতে উঠি আহিছিল, ঠিক সেইদৰেই। কোনে জানে ৰাতিটো শুইছিলে নাই! মোক কলে--"উঠা"। তাৰ পিছত আমি গাড়ীখনৰে পুৱতীৰ আঁৰে আঁৰে গুচি আহিছিলো নগাৱঁৰ পৰা শিলঘাটলৈ। কলৈ যাম তেতিয়াও মই নাজানো। ব্ৰহ্মপুত্ৰৰ দাঁতিত আহি আমি মটৰৰ পৰা নামিলো। মানুহজনে মটৰৰ আন দুগৰাকীক এটা সৰু শব্দৰে ধন্যবাদ যাচিছিল। শিখ ভদ্ৰলোকজনে তেওঁৰ বলীষ্ঠ হাত দুখনৰ মাজত মানুহজনৰ ক্ষীণ সৰু হাত দুখন এবাৰ বিহ্বল আবেগেৰে সাৱটি ধৰিলে, আন একো কব নোৱাৰিলে। ভদ্ৰ মহিলাগৰাকীয়েও মানুহজনৰ সন্মুখলৈ নামি আহি হাতযোৰ কৰিলে আৰু করুণ সজল নয়নেৰে এবাৰ মুখলৈ চালে মাত্ৰ। নিৰৱতাৰ ভাষাৰ এটা বিদায় মুহূৰ্ত এটা ক্ষণৰ বাবে বাঙ্ময় কৰি তেওঁলোক আকৌ অহাৰ বাটেৰে গুচি গল। মানুহজনে তেওঁৰ যথাসৰ্বস্ব মিছিমি জোলোঙাটো নিজৰ কান্ধত ওলোমাই লৈ আৰু সৰু ছুটকেছটো মোৰ হাতত দি কলে--"বলা, এতিয়া মোক উত্তৰ পাৰলৈ লৈ বলা।" উত্তৰপাৰ মানে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰ। আমি এখন নাৱত উঠিলোঁহি। আমাৰ নাও গৈছিল এনে এটা পাৰলৈ, য'ত পাৰঘাট নাছিল, নাছিল লোকালয়। খৰালি ব্ৰহ্মপুত্ৰৰ বালিচৰ পাক দি আমাৰ নাও আমনি লগা ধীৰ গতিৰে গৈ আছিল, গোটেই দিনটো। বাটত আমাৰ ভোক লাগিছিল, মানুহজনৰ বেছিকৈ। ভোক পাহৰিবৰ বাবেই হবলা মানুহজনে মাজে মাজে গুণগুণাই গান গাইছিল। গানবিলাকো ভোকৰে গান আছিল, পেটৰ নহয় মনৰ বুভুক্ষাৰ কথাৰে ভৰা গান। মোৰ শুনি শুনি খুব ভাল লাগিছিল। হয়তো ভোকৰ কথাও পাহৰি গৈছিলো। কিন্তু পেটৰ ক্ষুধাৰ জ্বালা যে মনতকৈও অবুজ। মানুহজনে একোবাৰ এই অবুজ মনটোক তেওঁৰ জোলোঙাৰ মাজত থকা কিতাপৰ মাজত নিচুকাবলৈ চেষ্টা কৰিছিল। আকৌ জোলোঙা খুচৰিছিল। এবাৰ জোলোঙাৰ মাজৰ পৰা সৰু এটা মাখনৰ টিন ওলাই আহিল; কিন্তু কি নিষ্ঠুৰ পৰিহাস, তাৰো পেট প্ৰায় সুদা। এটা কোণত কেনেবাকৈ তেতিয়াও লাগি থকা মাখনখিনি হাতৰ আঙুলিৰে চুচি তেওঁ মোক সুধিলে---"অলপ খাবা?" মই "ওহোঁ' বুলি মূৰ জোকাৰিলো। তেও আঙুলিটোৰে মাখনখিনি জিভাত পেলাই এবাৰ হাঁহিলে--"বুজিছা, মই কালিৰে পৰা একো খোৱাই নাই; সুবিধাই নাপালো"। তেওঁ আকৌ মাখনৰ টিনটো খুচৰিবলৈ ধৰিলে। মই আগতকৈয়ো অবাক হৈ মানুহজনৰ মুখলৈ চাই আছিলো। মোৰ দুখ লাগিছিল, দুখত মনটো অবুজ হৈ পৰিছিল। মনত পৰিছিল, সেইদিনা আছিল কাতি বিহু--কঙালি বিহু--ভোকৰ কথা স্মৰণ কৰোঁৱা আমাৰ জাতীয় উৎসৱৰ দিন। আৰু মানুহজনো আছিল এটা স্বাধীনতা-কাঙাল জাতিৰ অগ্নিভুক প্ৰতিনিধি। আৰু সেইবাৰ সেইদিনাই পৰিছিল দুৰ্গা পূজাও---সন্তৱ সপ্তমী। তেতিয়া আছিল ১৯৪৩ চন। মোৰ মনত পৰিছিল নগৰ আৰু নগৰিকাৰ মানহৰ লোকালয়লৈ, য'ত সেই সময়ত শক্তিৰ বাবে আদ্যাশক্তিৰ ওচৰত মানুহৰ আৰাধনা চলিছিল। আৰু মানুহজনলৈ চাই ভাবিছিলো, তেৱোঁ দেশ আৰু সমাজত নিৰ্বলীৰ ওপৰত বলীৰ নিপীড়ণৰ বিৰুদ্ধে থিয় দিবলৈ দেশৰ মানুহক এক নতুন শক্তি পূজালৈ আহ্বান জনাই সেইদৰে ঘূৰি ফুৰিছিল। মোৰ মনত পৰিছিল তেওঁৰ আহ্বান ঃ

"... ... ... ... ... শক্তি পুত্ৰ মই
ভক্তি বুকুত লই
অৰ্জুন মই
গাণ্ডীৱী মই
ময়েই ধনঞ্জয় ... ... ..."

আৰু "... ... ... ... ... কোন ক'ত আছ আহ অ'
আইৰ পূজাৰ বেলি হ'ল সমনীয়া
আইৰ পূজাৰ বেলি হ'ল ... ...'

আৰু "... ... ... ... ... ... শক্তিশালী ভাৰতৰ
ওলাই আহা ওলাই আহা
সন্তান তুমি বিপ্লৱৰ ... ... ...'

তেওঁ সুদা মাখনৰ টিনটো চুৰুকি আঙুলি চেলেকি আছিল আৰু গুণ-গুণাই গান গাই আছিল। আৰু মই আচৰিত হৈ ভাবি আছিলো ক'ত সেই কঙ্কালসাৰ মানুহজনৰ সেই দুৰ্বাৰ শক্তিৰ উৎস আৰু প্ৰেৰণা! এবাৰ তেওঁ মাখনৰ সুদা টিনটো নৈৰ বুকুলৈ দলি মাৰি দি জোলোঙাৰ টাৱেলখনত আঙুলিটো মচি মচি আকৌ এবাৰ হাঁহি হাঁহি কৈছিল---"আৰু বুজিছা, আনকি ছিগাৰেট এবাকচ লবলৈও ক'তো সুবিধা

পাপালো।" এই বুলি কৈয়েই তেওঁ ষগন্ন কৰি মাৱৰীয়াহঁতক বিড়ি এটা খুজিছিল। এৰাতো, তেওঁ মাজ ৰাতি আহি গুৱাহাটীৰ পৰা নগাওঁ পাইছিল আৰু শেহ ৰাতি নগাঁৱৰ পৰা শিলঘাট পাইছিল। বাটত খোৱা আৰু কিনাৰ সুচল ক'ত? মই অজ্ঞাত সাৰে মোৰ চোলাৰ জেপলৈ হাত নিলো আৰু এক মুহূৰ্ত কিবা ভাবি লাজ ভয় আৰু সংকোচেৰে মোৰ জেপৰ পৰা আধৰুৱা ছিগাৰেটৰ বাকচ এটা তেওঁৰ ফালে থৰক-বৰকৈ আগবঢ়াই দিলো। তেওঁ এবাৰ হাঁহিলে মাত্ৰ, একো নকলে। চুৰট এটা মুখলৈ নি জ্বলালে আৰু খুব তৃপ্তিৰে চকু মুদি হুঁপিবলৈ ধৰিলে। অলপ পৰৰ পিছতে লাহে লাহে পুৰি যোৱা তেওঁৰ হাতৰ চুৰটটোলৈ কিছু সময় চাই থাকি তেওঁ নিজে কোৱাদি কৈছিল---"মই এনেদৰেই নিজৰ জুইত নিজে নিজে পুৰি শেষ হৈ যাব ধৰিছোঁ।"

মই জানিছিলো তেওঁৰ অন্তৰ-দাবানলৰ কথা,--মই কিয় সকলোৱেই জানিছিল। বুকুত একুৰা জুই লৈ মানুহজন অহৰ্নিশ অস্থিৰ হৈ জীৱনটো ঘূৰি ফুৰিছিল--ক'তো শান্তি পোৱা নাছিল। এই জুইকুৰাই আছিল 'ৰুদ্ৰৰো মহা অনল' যাৰ সৰ্বগ্ৰাসত আকৌ সৃষ্টি হৈছিল 'নতুনৰ--সুন্দৰৰ'। মানুহজনেও নৱজন্মৰ প্ৰলয় বহ্নি জ্বালিবলৈ উন্মাদ হৈ ফুৰিছিল, ফুৰিছিল চিৰ সুন্দৰৰ অন্বেষণ কৰি। নতুনক স্বাগত কৰি তেওঁ অগ্নিমন্ত্ৰৰে মুখৰিত কৰি ফুৰিছিল গীত-মাত, কাব্য-সাহিত্য, নাটক-কবিতা, চাৰু-কলা-কাৰু কলা, স্থপতি-ভাস্কৰ্য আৰু সমাজনীতি-ৰাজনীতিও। তেওঁ আছিল শিল্পীৰ পৃথিবীৰ এজন ভাবী-কালৰ দূত। তেওঁ আছিল মহান শিল্পীও। মানুহজন সেইদিনা ভয়ানক অগ্নিৰ খেলাত উফৰি আহিছিল কোনো এক অজ্ঞাত পথে পথে খাণ্ডৱ বনৰ পৰা বনান্তৰলৈ। তেতিয়া জুই জ্বলিছিল ভাৰতবৰ্ষত---বিয়াল্লিছৰ বিপ্লৱৰ জুই; আৰু সেই মানুহজন নামি আহিছিল শিল্পীৰ পৃথিবীৰ পৰা জনতাৰ কোলাহলমুখৰ পৃথিবীলৈ, অগ্নিবৰ্তিকা-ধাৰী প্ৰমেথুছৰ মুক্তিৰ জ্যোতিপ্ৰপাত লৈ। পূব ভাৰতৰ এই দুৱাৰেদি তেওঁ জ্যোতি-প্ৰপাত নমাই আনিব খুজিছিল গানৰ মন্ত্ৰেৰে:

'আজি মোৰ গানে গানে
আলোক আৰতি
জাগ পূৰ্ব-ভাৰতী ... ...'

মানুহবোৰ হয়তো সময়ৰ আহ্বানত জাগি উঠিছিল আৰু স্বাধীনতাৰ আকাংক্ষাৰে নতুন যুগৰ এটা সূৰ্যোদয়ৰ আলোক আৰতি দেখা পাইছিল। কিন্তু মানুহজনৰ বিপ্লৱী মণীষা আৰু শিল্পীৰ দৃষ্টি আমাতকৈ বহুতো দূৰ আগবাঢ়ি গুচি গৈছিল আৰু আমি বহুত পিছ পৰি থাকি গলো। আমি যেতিয়া নতুন দিগন্তত পোহৰৰ ৰেখা এটি দেখা পাই-ছিলো, তেওঁ তেতিয়া জ্যোতিস্নান কৰিছিল। তেওঁৰ অন্বেষণৰ, তেওঁৰ শিল্প-জীৱনৰ আৰু তেওঁৰ সৌকুমাৰ্যৰ চিৰ সুন্দৰৰ গতিপথত আমি অসমীয়া মানুহবোৰ অনুগমন কৰিব নোৱৰাৰ আক্ষেপ তেওঁৰ সদায় আছিল। সেইদিনা হয়তো তেওঁৰ এই আক্ষেপ আৰু প্ৰবল হৈছিল। সংঘাত আৰু সংঘৰ্ষৰে এটা ভগ্ন আৰু ন্যুব্জ স্বাস্থ্যক কেৱল মাত্ৰ এটা উগ্ৰ প্ৰাণশক্তিৰে তেতিয়াও কোনোমতে জীয়াই ৰাখি তেওঁ হয়তো আমাৰ শিল্প-বোধ আৰু এটা স্বকীয় জীৱনবোধৰ উদয় হোৱাটো দেখা পাবলৈ অধৈৰ্য হৈ পৰিছিল। মানুহজনে চুৰট হোঁপাৰ পৰা মুখ তুলি বোধহয় সেই কাৰণেই এবাৰ আকৌ কৈছিল--"বুজিছা, মোৰ জীৱনটো এডাল মমবাতিৰ দৰেই পুৰি শেষ হৈ গল। মোৰ এই অৱ-



ক্ষয়ৰ অকণো পোহৰ কাকো দি যাব নোৱাৰিলো ......"। হয়তো এই কথাখোৰ তেতিয়া তেওঁৰ বাবে খুব সঁচা আছিল। যাৰ মৰ্ম আমি সিমানকৈ উপলব্ধি কৰিব নোৱাৰিলো।

মানুহজন তাৰ পিছত হঠাৎ মুখৰ হৈ উঠিছিল। বিয়াল্লিছৰ গণবিপ্লৱত তেওঁ হয়তো গণসংস্কৃতিৰ মৃত্যুঞ্জয়ক দেখা পাইছিল: 'তই কৰিব লাগিব মৃত্যুস্নান, সাজু হ নৱ-জোৱান।' মহাত্মাই 'মৰি হওক কৰি হওক' মৃত্যু যজ্ঞলৈ ভাৰতৰ সকলোকে শেষবাৰৰ বাবে আহ্বান জনাইছিল। আৰু এই গণসংস্কৃতিৰ অগ্নি-শিল্পীজনে সেই মৃত্যুযজ্ঞত মৃত্যুস্নান কৰিবলৈ বিচাৰিছিল। এই মৃত্যু হ'ব বিশাল, এই মৃত্যু হ'ব মহান, এই মৃত্যু হ'ব সুন্দৰ। বুকুত প্ৰেমৰ অমৃতাঞ্জলি, মুখত সুন্দৰৰ সংগীত আৰু দুহা-তেৰে মৃত্যুক আঁকোৱালি লৰ পৰা সাহস লৈ এক অভিনৱ আৰু অভূতপূৰ্ব মৃত্যু-তীৰ্থলৈ আগবঢ়াই লৈ যোৱাৰ শিল্পীসুলভ কল্পনা কৰিছিল এই অগ্নিশিল্পীজনে। তেওঁ সেইদিনা সেই কথাই কৈ গৈছিল। কিন্তু তেওঁৰ সেই কথাবোৰ তেতিয়া মই বুজিব পৰা নাছিলো; আৰু তাক বুজিব পৰা মনৰ পটভূমি তেতিয়া হোৱাও নাছিল। তেওঁ আৰু বহুতো এনে কল্পনাৰ কথা কৈছিল, যিবিলাক শুনি মোৰ অপৰিণত মনেৰে এক কল্পনা বিলাস বুলি মনে মনে ভাবিছিলো। ... ... আমাৰ নাও গৈ আছিল।

বেলি পৰাৰ সময়ত আমাৰ নাও উত্তৰ পাৰৰ এটা চাপৰিত লাগিল। আমি চাপ-ৰিয়ালৰ এটা এৰা ঘৰত বস্তু-বাহানিৰে নামিলো। মানুহজনে গামোছা এখন সলাই নৈৰ পাৰত গাটো ধুলে। তাৰ পিছত আমি ভাবিছিলো ক'লৈ আৰু কেনি যাওঁ। অলপ আঁতৰতে চাপৰিলৈ অহা মানুহ এজনে আমাৰ আলেখলেখ চাই আছিল। মানুহজন অলপ ভদ্ৰ বিধৰ। তেওঁ মোৰ লগত অহা মানুহজনলৈ ঘনাই চাই আছিল। এবাৰ ওচৰলৈ আহি সুধিলেহি আমি ক'লৈ যাম।

সেই সময়টো আছিল আত্মগোপনৰ। গতিকে উত্তৰ দিবলৈ অলপ ইতস্ততঃ কৰা দেখি তেওঁ মোৰ লগৰ মানুহজনলৈ চাই লাহেকৈ ক'লে--"মই চিনি পাইছো। আপো-নালোক ক'লৈ যাব?" কথাখিনি শুনি মোৰ লগৰ মানুহজনে অলপ হাঁহিলে আৰু মানুহ-জনক ক'লে "আমি যাবলগীয়া ঠাইলৈ বাৰু পিছতো যাম। তাৰ আগতে আপুনি আমাক ওচৰতে এনে এঘৰ মানুহ দেখুৱাই দিয়ক, য'ত কেইটামান ভাত খাই যাব পাৰোঁ। মানুহজনে লৰালৰিকৈ চাপৰি ওচৰৰে এঘৰলৈ আমাক লৈ গল আৰু অলপ পিছতে মগু মাছৰ আঞ্জাৰে ভাতবোৰ যোগাৰ হ'ল। গৃহিনীয়ে অতি সংকোচেৰে উকা ভাতৰ কাঁহীখন আগ বঢ়াই দিছিল; আৰু মই দেখিছিলো ভোকাতুৰ মানুহজনৰ খোৱাৰ সুখ। তাৰ পিছত সন্ধিয়া সেই ঘৰৰে চ'ৰাঘৰত আমাৰ নতুন চিনাকি মানুহজনৰ চেষ্টাত এখন গোপন সভা হৈছিল। মোৰ লগত অহা মানুহজনে বক্তৃতা দিছিল---নিতান্ত কামৰ কথা। কিন্তু জুইৰ দৰে কথা! তেওঁ সভাত তেওঁৰ সেই মৃত্যুস্নানৰ কথাকে কৈছিল, যি কথা মই নাৱতো শুনিছিলো। সভাৰ পিছত আমাৰ নৈশ যাত্ৰাৰ পাল। ইতিমধ্যেই মানুহজনে ক্ৰমে দূৰৰ গাওঁবোৰত গোপন সভাৰ কাৰ্য-সূচী প্ৰস্তুত কৰি পেলাইছিল। আমি গাঁৱে গাঁৱে ভ্ৰমিবলৈ ওলালো। আমাৰ দুয়োৰে বাবে এখন ছাইকেল---গাঁৱৰ কোনোবা মানুহৰ। মানুহজন আগত উঠিল আৰু মই জোনাক নিশাৰ গাঁৱৰ বাটেৰে চলাই লৈ গলো। মানুহজন গাঁও সোমোৱা আৰু তেওঁৰ কাৰ্যসূচীৰ বাতৰি বিদ্যুৎ বেগেৰে ইতিমধ্যে গোপনে প্ৰচাৰ হৈ গ'ল।

আমি গাঁৱৰ বাটে বাটে শান্তিসেনা থিয় দি থকা পাই গলো। এইবোৰ শান্তিসেনাক মানুহজনে বুলিছিল মৃত্যুসেনা আৰু তেওঁ সঁচাকৈয়ে সেইবাৰ মৃত্যুৰ বাতৰি দিবলৈকে আহিছিল। এখন গাঁৱত সভা; তাৰ পিছত আৰু এখন গাঁৱত সভা—বহুত সভা। নৈশসভাৰ এই অখণ্ড অভিযানত তেওঁ মাত্ৰ তেওঁৰ কল্পিত মৃত্যুস্নানেৰে আহ্বান জনাই গ'ল। সেই সভাবোৰৰ মৌন-মূক মানুহবোৰৰ চকুলৈ চাই তেওঁলোকে এই মৃত্যুৰ আহুতিৰ কথা কি বুজি পাইছিল মই কব নোৱাৰিলো; কিন্তু মোৰ বাবে ই এটা অদ্ভুত কল্পনাই মাত্ৰ আছিল। মই পিছত বুজিছিলো, তাতেই মোৰ ভুল হৈছিল।

এদিন মই মানুহজনক ছাইকেলত কঢ়িয়াই লৈ ফুৰাৰ পৰা অব্যাহতি লৈ উভতি আহিলো। তাৰ পিছত মানুহজন গহপুৰৰ ফালে উজাই গলগৈ—নিশ্চয় মৃত্যু-ধ্বনি তুলি। মাজে মাজে ভাবিছিলো, এই সপোন-শিল্পীজনৰ এই মৃত্যুৰূপ কোনে দিব পাৰিব! কিন্তু দিলে—মাত্ৰ কেইদিনমানৰ পিছতে। আৰু তাক দিলে কনকলতাই। কনকলতাৰ মৃত্যু এক অভিনব মৃত্যু—শিল্পীৰ মৃত্যুঞ্জয়ী মৃত্যু। কনকলতাৰ মৃত্যু-স্নানৰ বাতৰি পাই মই সেইদিনা মানুহজনৰ কথা ভাবিছিলো—তেওঁৰ আহ্বানৰ আকুলতাৰ কথা উপলব্ধি কৰিব পাৰিছিলো আৰু তেওঁ মানুহক মন্ত্ৰমুগ্ধ কৰিব পৰা শক্তিৰ কথা অনুভৱ কৰিছিলো। কনকলতাই এই অগ্নি-শিল্পীজনৰ বুকুৰ হিয়াধুনা আকুতি, এই বিপ্লৱীজনৰ দুৰ্দম আকাংক্ষা আৰু এই অসমীয়াজনৰ স্বদেশপ্ৰেমৰ ভাষাত নিজে আত্মহাৰা হৈ গৈছিল আৰু আনলৈও সঁকিয়নি দি গৈছিল। কনকলতাই এজন সুন্দৰ-শিল্পীৰ সপোন জীয়াই ৰাখিলে। কনকলতাই অসমীয়া মহিলাক আকৌ এবাৰ মহিয়সী কৰি থৈ গল—এই মানুহজনৰ অসমীয়া আইদেউৰ মহিমা বন্দনা সাৰ্থক কৰি। কনকলতা জ্যোতিপ্ৰপাতৰ মাজেদি নামি অহা আন এটি স্বৰ্গজ্যোতি। তেওঁ এই জ্যোতিপ্ৰপাতলৈ নমাই আনিছিল আহোম কুঁৱৰী জয়মতীক, পৰ্বতৰ কুঁৱৰী ডালিমীক, শোণিত কুঁৱৰী উষা-চিত্ৰলেখাক, কাৰেঙৰ লিগিৰী শেৱালীক, গাঁৱৰ জীয়ৰী লভিতাক, নিমাতী কইনা, কনকলতা আৰু সদৌ অসমীয়া ছোৱালীক। শংকৰদেৱৰ অসমীয়া সংস্কৃতিৰ ভাগিৰথীৰ পৰা এই জ্যোতিপ্ৰপাত তেওঁ শিল্পীৰ পৃথিবীলৈ বোৱাই আনিছিল। মনোজীৱনৰ কৃষ্ণক গণজীৱনৰ প্ৰত্যেকজনতে বিভিন্ন ৰূপত দেখা পাইছিল।

—তেৱেঁই জ্যোতিপ্ৰসাদ। +++

(পুৰণি 'চিত্ৰবন' আলোচনীৰ পৰা)

## বিপ্লৱী জ্যোতিপ্ৰসাদ আৰু বিয়াল্লিচৰ আন্দোলন / উমেশ বৰুৱা

(সশস্ত্ৰ চিপাহীৰ লগত কেনেকৈ অহিংসভাবে যুদ্ধ কৰিব পাৰি এই বিষয়ে আলোচনা হওঁতে জ্যোতিপ্ৰসাদে বিয়াল্লিচৰ আন্দোলনৰ কৰ্মপৰিষদৰ আগত কৈছিল ঃ

"মৃত্যু বাহিনীৰ মহিলা স্বেচ্ছাসেৱকসকলে হাঁহি মুখেৰে আগবাঢ়ি গৈ সশস্ত্ৰ চিপাহী-সকলৰ ৰাইফলবোৰত একোধাৰি ফুলৰ মালা দিব আৰু মৃত্যু বাহিনীৰ পুৰুষ স্বেচ্ছা-সেৱকসকলে মৃত্যুবৰণ কৰি বুকু পাতি থিয় হ'ব লাগিব।" কিন্তু তেওঁৰ এই প্ৰস্তাৱত সকলোৱে সন্মতি নিদিয়াত এই প্ৰসংগতে তেওঁ কৈছিল ঃ "অস্ত্ৰধাৰী সৈন্যৰপৰা অস্ত্ৰ কাঢ়ি লৈ সেই অস্ত্ৰ তেওঁৰ (অস্ত্ৰধাৰী সৈন্যৰ) বিপক্ষে ব্যৱহাৰ নকৰাটোও অহিংসাৰ লগত সামঞ্জস্যহীন নহয়।" এনে এটা মানসিক প্ৰস্তুতিৰে সৈতে জ্যোতিপ্ৰসাদে বিয়াল্লিচ'ৰ বিপ্লৱত যোগ দিছিল। এই প্ৰসংগৰ কথাখিনি শ্ৰীমতী পুষ্পলতা দাসৰ মুখৰ পৰা শুনা।—লিখক)

১৯৪১ চনটো সত্যাগ্ৰহতেই গল। বছৰৰ শেষত ৰাজনৈতিক পৰিস্থিতিৰ সলনি হ'ল। জাপানে আমেৰিকা আক্ৰমণ কৰাৰ লগে লগে অসমৰ ওচৰ চুবুৰীয়া প্ৰদেশ ব্ৰহ্মদেশ জাপানী সৈন্যই ছাটি ধৰিলে। তাৰ ফলত ভগনীয়াসকল আহি অসম পালেহি। সেই বছৰৰে ডিচেম্বৰ মাহত শ্বিলঙত ছাদুল্লা মন্ত্ৰীসভাৰ পতন হ'ল। কিন্তু যুদ্ধ চলি থকা অৱস্থাত কংগ্ৰেছে অসমক সংযুক্ত মন্ত্ৰীসভা গঠন কৰিবলৈ অনুমতি নিদিলে। 'ক্ৰিপছ' মিছনৰ ব্যৰ্থতাৰ পিছত পণ্ডিত জৱাহৰলাল নেহৰু অসমলৈ আহিল। তেওঁ তেজপুৰলৈ আহোঁতে ৰাইজ উবুৰি খাই পৰিল। শ্বিলঙৰ পৰা গণেশগুৰি ঘাটত নামিয়েই তেওঁ বৰ্তমানৰ নেহৰু পথাৰত সন্ধিয়া বাট চাই থকা বিৰাট জনতাক ৰাজনৈতিক পৰিস্থিতি বুজাই দি ৰাঙাপাৰাইদি উভতি গল। কিয়নো তেতিয়াও এই পৰিস্থিতিত কি কৰা হ'ব তাৰ একো মীমাংসা হোৱা নাছিল। 'ক্ৰিপছ'ৰ লগত আলোচনা চলিব ধৰিলে—মানদেশৰ পৰা অহা ভগনীয়াৰ সংখ্যা দিনক দিনে বাঢ়িলে—তেজপুৰ বৃটিছ ফৌজেৰে ভৰি পৰিল। শলনী, মিছামাৰীত কোঠ বান্ধিলে। উৱা জাহাজৰ ঘাটি নিৰ্মাণ হ'ব ধৰিলে।

বৃটিছ গৱৰ্ণমেণ্টৰ লগত একো মীমাংসা নোহোৱাত কংগ্ৰেছৰ ৱৰ্কিং কমিটিয়ে বৃটিছৰ ভাৰত ত্যাগৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে। ১৯৪২ চনৰ আগষ্ট মাহৰ ৮ তাৰিখে বোম্বাইত নিখিল ভাৰত কংগ্ৰেছ কমিটি বহাত মহাত্মা গান্ধী প্ৰমুখ্যে কংগ্ৰেছৰ শীৰ্ষ নেতৃবৃন্দ এৰেষ্ট হ'ল। ইয়াৰ পিছত কংগ্ৰেছৰ কি কাৰ্যসূচী হ'ব?

১৯৪০ চনত যি কাৰণত স্বাধীনতা আন্দোলনে সত্যাগ্ৰহৰ ৰূপ লৈছিল—১৯৪২ চনৰো মূল কাৰণ একে হলেও কৰ্ম পন্থা হিচাপে যিটো প্ৰস্তাৱ লোৱা হ'ল তাৰ নাম আছিল ভাৰত ত্যাগ (quit India), অৰ্থাৎ ভাৰতৰ শাসক গোষ্ঠীক কংগ্ৰেছে খাটাং জনাই দিলে—তোমালোকে আমাৰ দেশ শাসন কৰি আমাক তলতীয়া কৰি ৰাখিবৰ আৰু অধিকাৰ নাই। আমি নিজকে স্বাধীন বুলি ঘোষণা কৰিলোঁ। এতিয়াৰপৰা আৰু আমি তোমালোকক 'শাসক' বুলি স্বীকাৰ নকৰোঁ।

এই প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ গোটেই ভাৰততে যি আলোড়নৰ সৃষ্টি হ'ল—সি অভূতপূৰ্ব। প্ৰদেশে প্ৰদেশে সুকীয়াভাৱে য'ত যেনেকৈ সম্ভৱ শাসক গোষ্ঠীক অস্বীকাৰ কৰি নিজে নিজৰ কাম কৰি যাবৰ অধিকাৰৰ বাবে আঁচনি লোৱাৰ সিদ্ধান্ত হ'ল—যাতে শাসকবৰ্গই নিৰ্বিবাদে শাসন চলাই যোৱাত বাধাৰ সৃষ্টি কৰা হয়।

অসমৰ তেজপুৰতো শ্ৰীবিজয় ভাগৱতী, শ্ৰীকামাখ্যা ত্ৰিপাঠী, শ্ৰীমতী পুষ্পলতা দাস, শ্ৰীঅমিয়কুমাৰ দাস, শ্ৰীমহাদেৱ শৰ্মা, শ্ৰীমহীকান্ত দাস আদি কংগ্ৰেছ নেতাসকলে গোটেই জিলাখন পৰিদৰ্শন কৰি আহি এটা সুচিন্তিত কাৰ্যসূচীৰ কথা চিন্তা কৰিবলৈ ধৰিলে। তেজপুৰতো আন্দোলন আৰম্ভ হ'ল। কংগ্ৰেছ 'বে-আইনী' ঘোষিত হোৱাত চৰকাৰে কংগ্ৰেছ কৰ্মীসকলক যাকে য'তে পালে আটক কৰিবলৈ আৰম্ভ কৰিলে। এনে অৱস্থাত কংগ্ৰেছ কৰ্মীসকলে একোজনকৈ 'ডিক্টেটৰ' পাতি কৰ্ম পন্থা ঠিক কৰি ললে।

এইদৰে কেবাজনো চৰকাৰৰ জেলত আলহী হোৱাৰ পিছত ছেপ্টেম্বৰ মাহৰ প্ৰথম ছোৱাত জ্যোতিপ্ৰসাদ আগৰৱালা তেজপুৰ কংগ্ৰেছৰ 'ডিক্টেটৰ' মনোনীত হৈ ঘোষণা

OKDISCD

...২০ তাৰিখে গহপুৰ, চতিয়া, আৰু ঢেকীয়াজুলিৰ পুলিচ থানাত আৰু ২১ তাৰিখে তেজপুৰৰ সদৰ কাছাৰী ঘৰত জাতীয় পতাকা উত্তোলন কৰা হ'ব। এই ঘোষণাৰ পিছত তাৰ বাবে যাবতীয় ব্যৱস্থা কৰিবলৈ তেওঁ নিজেই সকলো ঠাইলৈ যাব লগা হ'ল, কিন্তু সংগোপনে। কাৰণ, প্ৰকাশ্যে কিবা কৰিলেই চৰকাৰৰ আলহী হ'ব লাগিব। তেওঁৰ এই কামত সহযোগী আছিল শ্ৰীগহন গোঁসাই আৰু শ্ৰীবিশ্বদেৱ শৰ্মা ।

সেই সময়ত শ্ৰীঅমিয় দাস নৰীয়া পাটীত। শ্ৰীমহাদেৱ শৰ্মাও তলপতে জ্বৰৰ পৰা উঠিছে। প্ৰায় আন সকলোবোৰ নেতা তেতিয়া (১৬ আগষ্ট) জেলত। শ্ৰীমতী পুষ্পলতা দাস 'ডিক্‌টেটৰ' মনোনীত হ'ল আৰু অবিলম্বে এখন কৰ্মপৰিষদ আহ্‌বান কৰা হ'ল। এই কৰ্মপৰিষদত আত্মগোপন কৰি থকা নেতা জ্যোতিপ্ৰসাদ, বিশ্বদেৱ শৰ্মা উপস্থিত আছিল। এই পৰিষদত এখন সুনিৰ্দিষ্ট সক্ৰিয় কাৰ্যসূচী গ্ৰহণ কৰা হ'ল—শ্ৰীমতী দাসৰ নিৰ্দেশত। এই পৰিষদত আলোচনাৰ বিষয় আছিল বিশেষকৈ অহিংস যুজৰ সংজ্ঞা আৰু কাৰ্যপদ্ধতি আৰু সশস্ত্ৰ চিপাহীৰ আগত মৃত্যু বাহিনী আৰু শান্তি বাহিনীৰ কি কৰ্তব্য হ'ব।

শান্তিসেনাসকলে এফালে ৰাজনৈতিক সংগ্ৰাম আনফালে শান্তিৰক্ষা কৰা কামত লাগিল। এই সংগ্ৰামৰ ভিতৰতে কংগ্ৰেছৰ সংগঠন শক্তিশালী হৈ উঠাত গৱৰ্ণমেণ্টৰ ফালৰ পৰা 'নেচনেল ওৱাৰ ফ্ৰণ্ট' বোলা অনুষ্ঠানটোৰ সৃষ্টি হ'ল আৰু সেই অনুষ্ঠানে গাৱঁৰ চুকে কোণে থকা বিভেদকাৰী, বিপক্ষ মানুহসকলক হাত কৰিলে। 'অসম সেৱক' কাকতখন তেজপুৰ কংগ্ৰেছ সংগঠনৰ মেৰুদণ্ড। শ্ৰীভাগৱতীৰ 'এৰেণ্ট'ৰ লগে লগে কাকতখনৰ মুদ্ৰণ বন্ধ হ'ল যদিও নানা বিচিত্ৰ উপায়ে চাৰিওফালৰ বাতৰি ৰাইজে পাব ধৰিলে। এই উপায়েৰেই নগাৱঁৰ বাৰপুজিয়াৰ তিলক ডেকাৰ কথাও ৰাইজৰ মাজত জনাজাত হ'ল। বহুত সময়ত দেশৰ বাতৰি নেতৃস্থানীয় ৰাজনৈতিক বন্দীসকলক জেলৰ ভিতৰতে অভাবনীয়ভাৱে জনাই দিয়াৰ কথাও আমি শুনিছোঁ।

কৰ্ম পৰিষদ কাৰ্যসূচীৰ আঁচনি মতেই শ্ৰীমতীদাসে ঢেকীয়াজুলিলৈ আহি কেৰাথনো ভাওৰ সভা পাতিলে (এই সভাবোৰত জ্যোতিপ্ৰসাদো সংগোপনে আছিল)*

১৮ ছেপ্টেম্বৰৰ দিনা বৰগাৱঁৰ শান্তি সেনা শিবিৰত সেই অঞ্চলৰ সকলো প্ৰাথমিক কংগ্ৰেছৰ মূল কৰ্মীসকল গোট খাই ঠিক কৰিলে যে আগত থাকিব মৃত্যু বাহিনী আৰু সেই বাহিনীক সহায় কৰিবলৈ পিছত থাকিব শান্তিবাহিনী। সেইদিনা পোন প্ৰথমতে থিয় হ'ল জহামাৰী শিবিৰৰ ডেকা কৰ্মী মনবৰ নাথ। মনবৰ নাথ 'কন্দলি'ৰ পৰা উঠি আহি এই অঞ্চলত বাস কৰা মানুহ। তেওঁ কলে, 'মই ইমান

---

* এনে এটা বিচিত্ৰ উপায়ৰ কথা শ্ৰীমতী পুষ্পলতা দাসৰ মুখৰ পৰা শুনিছিলোঁ। জেলৰ ভিতৰত সূতা কাটিবৰ বাবে তেওঁলৈ বাহিৰৰ পৰা যোগান ধৰা কপাহৰ পাজিবোৰ হেনো সাধাৰণতে কাগজেৰে মেৰিয়াই দিয়া হৈছিল। পোনতে শ্ৰীমতী দাসে কাগজবোৰ পেলায়েই দিছিল। পিচে হঠাতে এদিন তেওঁৰ মনত সন্দেহ হ'ল আৰু কাগজবোৰ গোটাই আনি তন্ন তন্নকৈ চাই দেখে যে তাত দেশৰ বহুত বা-বাতৰি লিখা আছে। এনে অভিনৱ ধৰণৰ ভিন্ন ভিন্ন পন্থাৰ কথা আৰু আন বহুতৰ মুখতো শুনিবলৈ পোৱা যায়। (লিখক)



দিন ৰাইজৰ সেৱা কৰিবলৈ আহি শিবিৰত আছোঁ। এতিয়া ৰাইজৰ হকে মৰিবলৈ মোক প্ৰথম অধিকাৰ দিব লাগিব।' ইয়াৰ পিছত থিয় হ'ল ঘটুৱা শিবিৰৰ শ্ৰীগোলোক নেওগ। দুয়োজনকে কৰ্মীসকলে গ্ৰহণ কৰিলে। এইদৰে আন প্ৰাথমিক কংগ্ৰেছৰ পৰাও শান্তি সেনা থিয় হৈ ভৰ্তি হ'ল। সমদল তিনিটা গ্ৰুপত তিনিওফালৰ পৰা আগবাঢ়ি আহিব। মৃত্যুবাহিনীৰ সেৱকসকলে জাতীয় পতাকা সাজু কৰি লৈ যাব আৰু তেওঁলোকৰ পাছত থকা শান্তি বাহিনীয়ে সকলো বাধা বিঘিনি ওফৰাই পতাকা উত্তোলন কৰিব।

জহামাৰীৰ শ্ৰীকমলাকান্ত দাস প্ৰথম গ্ৰুপৰ দলপতি, বৰগাৱঁৰ শ্ৰীবাপুৰাম গগৈ দ্বিতীয় গ্ৰুপৰ দলপতি আৰু বামুণ পুখুৰীৰ শ্ৰীফনীধৰ দাস তৃতীয় গ্ৰুপৰ দলপতি হ'ল। আৰু ইয়াকো ঠিক কৰা হ'ল কোনোবা এজনৰ অবিহনে ওচৰৰ আন এজন দলপতিয়ে তেওঁৰ ঠাই লব লাগিব। ইয়াৰ পিছত কাৰ্যনিৰ্বাহক সভা বহি গাৱেঁ গাৱেঁ গোহাৰি জনোৱা হ'ল যে প্ৰত্যেকখন গাঁৱৰ প্ৰতি ঘৰৰ পৰা এজোজনকৈ মানুহ সমদলত যোগ দিবলৈ পঠাব। এইদৰে মৃত্যু পণ কৰি বিয়াল্লিচৰ কুৰি ছেপ্টেম্বৰৰ বাবে নিৰ্ধাৰিত পতাকা উত্তোলন অভিযানৰ প্ৰস্তুতি চলিব ধৰিলে।

প্ৰতি শান্তি সেনা শিবিৰতে অদম্য উৎসাহ উদ্দীপনা। মৃত্যুবাহিনীৰ সেৱকসকলৰ ধ্যান কেনেকৈ মৃত্যুক বৰণ কৰি লৈ পতাকা উত্তোলন কৰিব পাৰি। শান্তিবাহিনীৰ সেৱকসকলৰ লক্ষ্য—সশস্ত্ৰ চিপাহীকো কেনেকৈ অহিংস ভাবে নিৰস্ত্ৰ কৰা যায় তাৰ কৌশল আয়ত্ব কৰা।

## ২০ ছেপ্তেম্বৰ-দেওবাৰ

সমদলত যোগ দিবলৈ পুৱাতে গাঁওবিলাকৰ মানুহ সাজু হ'বলৈ ধৰিলে। ঠেলামৰাক কেন্দ্ৰ কৰি দূৰ দূৰ গাৱঁৰপৰা মানুহ আহি গোট খাবলৈ ধৰিলে। ঢেকীয়াজুলিৰ পৰা ঠেলামৰা প্ৰায় পাঁচ মাইল। সকলোৱে 'ডিক্‌টেটৰ' শ্ৰীমতী পুষ্পলতা দাসৰ প্ৰতীক্ষাত থাকিল। তিনিওটা গ্ৰুপৰ দলপতিকেজনে মৃত্যুবাহিনীৰ সেৱক সকলক শেষ উপদেশ দিবলৈ ধৰিলে। এই মুহূৰ্ততে তেজপুৰৰ পৰা প্ৰেৰিত দূতৰ মুখত বাতৰি আহিল যে শ্ৰীমতী দাসক জয়দুৱাৰৰ পৰা উভতি অহাৰ পিছত গ্ৰেপ্তাৰ কৰা হ'ল। তেজপুৰৰ পৰা কোনো নেতা অহাৰ সম্ভাৱনা নথকাত নিৰ্ধাৰিত দলপতিসকলে মন্ত্ৰণা কৰি সমদল আগবাঢ়ি যোৱাৰ সংকল্প ললে। সমুখত মৃত্যু বাহিনীৰ মনবৰ নাথ আৰু গোলোক নেওগ। তেওঁলোকৰ হাতত জাতীয় পতাকা। তেওঁলোক দুজনৰ পিছত শান্তিবাহিনীৰ সেৱকসকল থিয় হ'ল। তেওঁলোকৰ পিছত মহিলা সেৱকবাহিনী শ্ৰেণীবদ্ধভাৱে থিয় হ'ল। পাছত কংগ্ৰেছ কৰ্মী আৰু ৰাইজ থিয় দিলে। এইদৰে প্ৰায় দুহেজাৰ লোকৰ বিৰাট সমদলটোৱে ঢেকীয়াজুলি থানা অভিমুখে যাত্ৰা কৰিলে।

ৰাইজৰ এই প্ৰস্তুতিৰ বিপৰীতে আছিল সশস্ত্ৰ চিপাহী আঠজনৰে সৈতে ঢেকীয়াজুলি থানাৰ দাৰোগা (অ'-ছি) জন আৰু আন আন কৰ্মচাৰীসকল। তেওঁলোকৰ লগতে চৰকাৰৰ নিৰ্দেশত সংগঠিত হোৱা 'নেচনেল ওৱাৰ ফ্ৰণ্ট'ৰ কৰ্মীসকল, বিৰোধী মুছলিম লীগৰ এশজনমান মৈমনসিঙীয়া লাঠিয়াল আৰু আঠজনমান অতিৰিক্ত লাঠিধাৰী চিপাহী।'



OKDISCD

দুপৰীয়া একমান খজাত বিৰাট সমদলটো আহি ঢেকীয়াজুলি থানাৰ সমুখ পালে। থানাৰ সমুখতে দেওবাৰে এখন ডাঙৰ হাট বহে। সেইদিনা দেওবাৰ আছিল। হাটলৈ অহা এটা কৌতূহলী জনতাও আহি থানাৰ আগত থিয় হ'ল। তেওঁলোকৰ সংখ্যাও দুহেজাৰমান হ'ব।

সেই সময়ত ঢেকীয়াজুলি থানাৰ চাৰিওপিনে মুকলি আছিল। সমদলে সমুখৰ বাট এৰি আন পিনৰপৰা সোমাবলৈ যত্ন কৰা নাছিল। সমদল তেতিয়া তিনি ভাগত বিভক্ত হ'ল। পশ্চিমৰ ফালে শ্রীবাপুৰাম গগৈৰ নেতৃত্বত এটা দল, পূবফালে শ্রীফণীধৰ দাসৰ নেতৃত্বত এটা দল আৰু সমুখত শ্রীকমলাকান্ত দাসৰ নেতৃত্বত এটা দল। সমুখৰ শ্রীকমলা দাসৰ দলটো থানাৰ কম্পাউণ্ডলৈ সোমোৱা বাটটোৰ সমুখত আহি থিয় দিলে।

থানাৰ সমুখৰ পথাৰত সশস্ত্র চিপাহীকেজনৰ লগত থিয় দি থকা দাৰোগা-জনে আহি সুধিলে, "তোমালোকৰ নেতা কোন? ৰাইজ কিয় ইয়ালৈ আহিছে?" দলপতি শ্রীকমলাদাসে আগবাঢ়ি আহি কলে, "নিখিল ভাৰত কংগ্রেছ কমিটিৰ প্রস্তাব যে বৃটিছে ভাৰত এৰি গুচি যাব লাগে--সেই প্রস্তাব মতে আমি ভাৰতৰ স্বাধীনতাৰ প্রতীক জাতীয় পতাকা থানাত উত্তোলন কৰিবলৈ আহিছোঁ।" দাৰোগাই কলে, "আমি হুকুম পোৱা নাই---তোমালোকে থানাত সোমাবলৈ চেষ্টা নকৰিবা, গুলী চলোৱা হ'ব।" ইয়াৰ উত্তৰত শ্রীকমলা দাসে কলে, "ভাৰতৰ স্বাধীনতাৰ বাবে আপোনালোক আমাৰ লগ হোৱাটো প্রয়োজন। যদি চাকৰিৰ মোহত আমাৰ লগ হ'ব নোৱাৰে তেন্তে আমাৰ এজনক থানাত সোমাই পতাকা উত্তোলন কৰিবলৈ দিয়ক। আমাৰ সমদলৰ কোনো মানুহ থানাত নোসোমায়।"

এই কথা শুনি দাৰোগাই উত্তেজিত হৈ কলে, "তর্ক নকৰিব।" হাতৰ হাণ্টাৰ বেতডাল জোকাৰি কলে, "থানাত সোমাবলৈ চেষ্টা কৰিলে গুলী কৰা হ'ব।" সমদলৰ নেতাই তেওঁক আকৌ নিবেদন কৰিলে, "আপোনালোক যদিও বৃটিছৰ কর্মচাৰী তথাপি আপোনালোক আমাৰেই মানুহ। আমাৰেই ভাই-ককাই। আমাৰ ভাৰত মাতালৈ চাওক। আজি ভাৰত মাতৃ বিপন্ন শৃংখলিত। ভাৰত মাতৃক মুক্ত কৰিবলৈ বৃটিছে ভাৰত ত্যাগ কৰি যোৱাৰ প্রয়োজন। সেই কাৰণে কংগ্রেছে এই প্রস্তাৱ লৈছে। ভাৰতৰ স্বাধীনতাৰ দাবীত ভেটা দিবৰ সাধ্য আজি কাৰো নাই। ভাৰত স্বাধীন হলে আপোনা-লোকো এই স্বাধীন ভাৰতৰ নাগৰিক নহ'বনে?"

এই কথাত দাৰোগা আৰু অধিক উত্তেজিত হৈ 'গুলী কৰ', 'গুলী কৰ' বুলি চিপাহীক হুকুম দিলে। লগতে তিনিওজন দলপতিয়ে নিজৰ নিজৰ সমদলক পৰিস্থিতি বুজাই দি কলে, "চোৱা, সমুখত ৰাইফল চলাবলৈ চিপাহী থিয় দি আছে।--এতিয়াই গুলী চলাব। সেৱকসকল! মৃত্যু পণ কৰি অহিংসভাৱে কাম কৰিবলৈ আপোনালোক প্রস্তুত নে?" সমদলে একস্বৰে উত্তৰ দিলে "আমি সাজু।"

ইয়াৰ আগতে দাৰোগাই পশ্চিম ফালে থানাৰ পকাঘৰটোৰ পিছপিনে এজন সশস্ত্র চিপাহী আঁতৰাই থলে।

সমুখৰ দলপতি শ্রীকমলাকান্ত দাসে জলদগম্ভীৰ স্বৰে আকৌ কলে, "আজি আমি পুলিছ কর্মচাৰীসকলৰ লগত বিৰোধ কৰি আমাৰ কর্তব্য পালন কৰিবলৈ ওলাইছো। যদিও এওঁলোকলৈ আমাৰ বিদ্বেষ নাই--সেৱকসকল, শৃংখলাৰে সৈতে আগ-বাঢ়ক---হয় স্বাধীনতা, নহয় মৃত্যু।" শান্তিপূর্ণভাৱে, বন্দেমাতৰম ধ্বনিৰে মৃত্যুবাহিনী আৰু শান্তিবাহিনী শ্রেণীবদ্ধভাৱে আগুৱাবলৈ ধৰিলে।





ইতিমধ্যে হাবিলদাৰজনে চিপাহীসকলক বন্দুকত বেয়নেট লগাই আগবাঢ়ি গৈ জন-তাক সাৱধান কৰি দি তিনি জাঁই গুলী এৰে। এই গুলী মানুহলৈ লক্ষ্য কৰি চলোৱা নাছিল। এইবাৰ সমদল গেট পাৰ হৈ কম্পাউণ্ড সোমাল। সমদলৰ জনতাই গেটৰ সমুখত থিয় দি থকা আঠজন লাঠিধাৰী চিপাহীৰ লাঠি কাঢ়ি ললে আৰু সশস্ত্র চিপাহীকেউজনে জনতাক বেয়নেটৰে খুচিবলৈ আৰম্ভ কৰিলে। বেয়নেটৰ খোঁচত শ্রীকমলা দাস আহত হ'ল। এই হুলস্থূলৰ সুযোগ লৈ মৃত্যুবাহিনীৰ মনবৰ নাথ আৰু গোলোক নেওগে পতাকা হাতত লৈ থানাৰ পূব পিনৰ পৰা সোমাই গৈ পতাকা উত্তোলন কৰিবলৈগে। তেওঁলোক দুজনে লগত দুডাল বাঁহ লৈ গৈছিল। এনেতে 'গুৰুম' 'গুৰুম' শব্দ হ'ল। মনবৰ নাথৰ তপিনাত গুলী লগা সত্ত্বেও থিয় দি আছিল। কিন্তু আকৌ দ্বিতীয়বাৰ 'গুৰুম' 'গুৰুম' শব্দ হোৱাৰ পিছত দেখা গল মনবৰ নাথ বাগৰি পৰিল। ওচৰত থিয় দি থকা চন্দ্রনাথে হাতত থকা বাঁহডালৰ সৈতে চোকাদি পতাকাখন পৰিবলৈ নিদিলে। গোলোক নেওগ পতাকা উত্তোলন কৰিবলৈ যাওঁতে চিপাহীয়ে তেওঁলৈ বুলি বন্দুক টোৱাঁওতেই নেওগৰ মাক কুমলী দেৱীয়ে দৌৰি আহি আগুৰি ধৰিলে পুতেকক নিজৰ বুকু পাতি দি। গুলী কুমলীদেৱীৰ বুকুৰেদি সৰকি গ'ল। পুতেক গোলোকে মাকৰ মৃতদেহ তুলিব খোজোতে পতাকা ৰক্ষা কৰা বাঁহডাল পৰি যাব খোজা দেখি মহীৰামে বাঁহডাল ধৰিব খোজোতেই গুলী খাই বাগৰি পৰিল। ক্রমান্বয়ে এজনৰ পিছত এজনকৈ বাগৰি পৰাত শান্তি বাহিনীয়ে এইবাৰ আগুৱাই আহি সাতজন সশস্ত্র চিপাহীৰ ওপৰত জপিয়াই পৰি সিহঁতৰ সাতটা ৰাইফল হস্তগত কৰিলে।

এই তুমুল কাণ্ড চলি থাকোতেই শ্রীমায়াকিশোৰ ঠাকুৰীয়াই মনবৰ নাথে "পানী পানী" বুলি চিঞৰি থকা শুনিলে। তেওঁ ওচৰৰ মাৰোৱাৰী দোকানখনৰ পৰা পানী আনি মনবৰ নাথৰ ওচৰলৈ যাব খোজোঁতে পুলিছে তেওঁক গোৰ মাৰি পেলাই দিয়ে আৰু ততালিকে গ্রেপ্তাৰ কৰে।

জ্যোতিপ্রসাদৰ শিক্ষাধীনত থকা মৃত্যুবাহিনী আৰু শান্তিবাহিনী এনে এটা মান-সিক প্রস্তুতিৰে সাজু হৈ আছিল যে ক্রমান্বয়ে তিনিজনে মৃত্যুবৰণ কৰাৰ পিছতো শান্তিবাহিনীয়ে অহিংসভাৱে অসম সাহসেৰে সাতজন সশস্ত্র চিপাহীৰ হাতৰ পৰা সাতোটা ৰাইফল কাঢ়ি লবলৈ সফল হৈছিল। চিপাহীকেজনে আঁজোৰা আঁজুৰি কৰি ৰাইফলবোৰ উদ্ধাৰ কৰিব নোৱৰা দেখি দাৰোগাজনে নিজৰ কোৱাৰ্টাৰৰ পৰা চিকাৰ কৰা বন্দুকটো উলিয়াই আনিবলৈ গ'ল। শ্রীফণীধৰ দাসে এজন চিপাহীৰ লগত হতা-হতি কৰি দুয়ো খালত বাগৰি পৰোতে আন এজন মানুহে চিপাহীজনৰ মুখত খুন্দা মাৰিব খোজোতে বাধা দিলে। ইতিমধ্যে পশ্চিমফালে লুকাই থকা চিপাহীজনে আৰু দাৰোগাৰ চিকাৰ কৰা বন্দুকটোৰ সৈতে সহকাৰী দাৰোগাজনে সমবেত জনতাৰ ওপৰত গুলী চলাবলৈ ধৰে।

ৰাইফলকেইটা হাত কৰি শান্তিবাহিনীয় পিছ হুহকিবলৈ ধৰে আৰু সেই সময়তে বন্দুকবোৰ ৰতনচাঁদ কেঞাৰ দোকানৰ ওচৰৰ খালটোত পেলাই দিয়ে। কিন্তু হুহকি অহা জনতাই থানালৈ সোমোৱা গৰখাৰৈটোৰ ওচৰ চাপি দেখে যে দলংখনৰ মূৰত কোনোবাই কাটা তাঁৰ দি বন্ধ কৰি দিছে। আৰু ইয়াতেই বহুত মানুহ গোটখোৱা দেখি মৈমনসিঙীয়া লাঠিয়ালসকলে জনতাৰ ওপৰত লাঠি চলাবলৈ আৰম্ভিলে

আৰম্ভ কৰিলে। তিৰোতা মানুহৰ ওপৰত লাঠিৰ আক্ৰমণ চলোৱা দেখি শান্তি বাহি- নীৰ ৰতন কছাৰীৰ ধৈৰ্যচ্যুতি হ'ল---লাঠিয়ালটোৰ লাঠিডাল কাঢ়ি লৈ কেইবাজনে মৈমন- সিঙীয়া বগৰালে হয় কিন্তু পুলিছৰ গুলীত তেওঁ বাগৰি পৰিল। তেওঁৰ ওচৰ থকা তিলেশ্বৰী বৰুৱাও গুলীত আহত হয়। তেওঁৰ মোমায়েকে তেওঁক বোকোচাত লৈ ঘৰৰ পিনে যাব খুজিছিল, কিন্তু আগবাঢ়িব নোৱাৰিলে। আহত তিলেশ্বৰীৰ গাত লাঠি- কোব পৰাত তেওঁ তাতে প্ৰাণ এৰে। মণিৰাম কছাৰীয়েও তিৰোতাৰ ওপৰত লাঠি চলোৱা দেখি বাধা দিবলৈ গৈ বন্দুকৰ গুলীত বাগৰি পৰে আৰু পানী পানী বুলি চিঞৰি পথাৰলৈ নামি যাওঁতেই প্ৰাণ হেৰুৱায়।

ইয়াতেই ২০ ছেপ্তেম্বৰৰ বুৰঞ্জী শেষ হলেও দাৰোগাই ৰাইজৰ ওপৰত প্ৰতি- শোধ লবলৈ তেজপুৰলৈ তাঁৰ কৰে যে জনতাৰ আক্ৰমণত থানা বিধ্বস্ত হ'ল। তাৰ ফলত ট্ৰাকে ট্ৰাকে অসম ৰাইফলছৰ মানুহ কেপ্তেইন ফিঞ্জৰ নেতৃত্বত ততালিকে আহি পৰিল আৰু হাটৰ পৰা আবেলি উভতি যোৱা নিৰীহ জনতাৰ ওপৰত জুলুম হ'ল। দলপতি কেইজন, অৰ্থাৎ শ্ৰীকমলাকান্ত দাস (জহামাৰী), শ্ৰীবাপুৰাম গগৈ (হৰগাঁও) শ্ৰীযদু- ধৰ দাস (বামুণপুখুৰী) ঘৰলৈ উলটি গৈ তেতিয়াও ঘৰ পোৱাই নাই। তথাপি শ্ৰীবাপুৰাম দাস, শ্ৰীগংগাৰাম কোচ (মৃত), উমাকান্ত ভূঞা (মৃত) বগীৰাম কোচ, শ্ৰীহেমকান্ত নাথ, শ্ৰীৰাজেন্দ্ৰ বসুমতাৰীকে আদি কৰি কিছুমান মুখিয়াল কৰ্মীয়ে আত্মগোপন কৰি শ্ৰীগোপীৰাম বৰুৱাৰ ঘৰত লগ লাগি ধ্বংসাত্মক কাৰ্যৰীতিত মনোনিবেশ কৰাৰ ঠিক কৰিলে। আনপিনে পুলিছে মুখিয়াল কংগ্ৰেছী লোকসকলৰ বহুতকে গ্ৰেপ্তাৰ কৰিলে।

২১ ছেপ্তেম্বৰ—তেজপুৰ

শ্ৰীঅমিয় দাসে শয্যাগত থকাত তেজপুৰ সদৰ কাছাৰী ঘৰত পতাকা উত্তোলন ধাৰ্য দিন ২১ ছেপ্তেম্বৰৰ দিনা নেতৃত্বৰ ভাৰ পৰিল শ্ৰীমহাদেৱ শৰ্মাৰ ওপৰত। জ্বৰৰ গাৰে সৈতে এখন মটৰত উঠি বিহুপুৰৰপৰা আহিবলগা এটা বিৰাট সমদলক আনিবলৈ তেওঁ ওলাই গল পুৰা ন বজাৰ আগতে। চাৰিআলি পাই তেওঁ দেখে অকল পুলিছ চাহাবেই নহয় মিলিটাৰিও বাট চাই আছে তেওঁলৈ। পুলিছ চাহাব সমুখত আছিল। তেওঁ শ্ৰীশৰ্মাৰ গাড়ী থমাই কলে যাব বুলি সোধাত তেওঁ কাৰণ কলে আৰু সেই কথা কোৱা মাত্ৰকে তেওঁক গ্ৰেপ্তাৰ কৰা হ'ল।

এইদৰেই ঢেকীয়াজুলি আৰু তেজপুৰৰ দুটা স্মৰণীয় দিন পাৰ হৈ গল। প্ৰথমদিনা পুলিছৰ গুলীত তেৰজন মানুহৰ মৃত্যু হয় আৰু ভালেমান মুনিহ-তিৰোতা আহত হয়। ঢেকীয়াজুলিৰ ৰাইজে যি কৰিলে সেইটোৰ বিচাৰ স্বাধীনতা আন্দোলনৰ বুৰঞ্জী লিখকে কৰিব। মৈমনসিঙীয়া লাঠিয়াল লগাই পুলিছে কেনেকৈ কংগ্ৰেছৰ সেৱক সেৱিকাসকলক প্ৰহাৰ কৰিলে তাকো বুৰঞ্জীয়ে কব।

কিন্তু বৰ বেজাৰৰ কথা, ঢেকীয়াজুলি আৰু দৰং জিলাৰ ৰাইজৰ মুক্তি সংগ্ৰা- মৰ কাহিনী আৰু ভালেমান ঠাইত হোৱা পুলিছৰ জুলুমৰ বিপক্ষে বীৰত্বৰ কাহিনী আজিকোপতি কোনো শিল্পী বা নাট্যকাৰে বা উপন্যাস লিখকে সাহিত্যত যুগমীয়া কৰি ৰাখিবৰ দিহা কৰা নাই। পাটনাৰ ছেক্ৰেটাৰীয়েটৰ সমুখত থকা স্মৃতি- স্তম্ভৰ দৰে এটা মৰ্মৰ স্তম্ভ কৰিবলৈ কাৰো যো-জা দেখা নাই। স্বাধীনতা সংগ্ৰামৰ



অসমৰ ৰাইজৰ বীৰত্বৰ কাহিনীক বিষয়বস্তু হিচাপে ... নাটক বা উপন্যাস লিখিবলৈ অসমত কোনো শিল্পী, সাহিত্যিক, নাট্যকাৰ নাইনে, বিয়াল্লিচৰ কাহিনীকে লৈ অসমত এখন অমৰ ফিল্ম কৰা অসম্ভৱনে? +++

(পুৰণি 'সমকালীন' আলোচনীৰ পৰা)

## "মই নিজিৰাওঁ / হেমাংগ বিশ্বাস

ক্ষুদ্ৰ ক্ষুদ্ৰ মুহূৰ্তবোৰেই অৱশেষত ইতিহাস হয়গৈ। কিমান গল্প, ৰং-ধেমালি, কিমান গান, জ্যোতিদাৰ লগত শিল্প আৰু জীৱন লৈ কিমান আলোচনা, সিদিনাৰ দৈনন্দিনতাৰ অলিখিত, অপ্ৰকাশিত কথাবোৰ আজি হ'ল কাহিনী -- বুৰঞ্জীৰ নিলিখা পাত আৰু মোৰ জীৱনৰ মণি কোঠালিৰ অমূল্য ৰতন।

জ্যোতিপ্ৰসাদৰ লগত যেতিয়া মোৰ প্ৰথম সাক্ষাৎ, তেখেতৰ জীৱন বেলি তেতিয়া লাহ দিছে। কিন্তু অস্তমান জ্যোতিৰ জেউতিয়ে তেতিয়াও পশ্চিম আকাশত ৰামধেনুৰ বোল চৰাইছিল। শেষ জ্যোতিৰ সেই ৰং-লীলাত আছিল বেদনাৰ নীলা আঁচোৰ। ই বিদায় বেদনা নহয়। এই বেদনা আছিল শ্বেলিৰ ঃ I fall upon the thorns of life, I bleed---জীৱনৰ কাঁইটত পৰি মই থকা-সৰকা। এই বেদনা আছিল ব্ৰাউনিঙৰ "Infinite passion and the pain of a finite heart that yearns"-- অসীম আকুলতা আৰু বিয়াকুল হৈ বিচৰা সসীম।

তেজপুৰৰ বিখ্যাত আগৰৱালা পৰিয়ালৰ পকী বৈঠকখানা ঘৰৰ এচুকত তেখে- তৰ লগত মোৰ প্ৰথম পৰিচয়। ১৯৪৬ চনৰ নৌ বিদ্ৰোহৰ বৰটোপৰ প্ৰতিধ্বনিৰে ৰঞ্জিত গণনাট্য সংঘৰ নৃত্য-নাট্য আৰু গীতৰ শৰাই 'ৰক্তেৰ ঋণ'লৈ অসমৰ বিভিন্ন চহৰ পাৰহৈ যিদিনা তেজপৰ পালোহি জ্যোতিপ্ৰসাদে নৰীয়াপাটীৰ পৰা সেইদিনা আমাক আঁকোৱালি ললে। এয়েই মোৰ প্ৰথম চিনাকি। তেখেতৰ তেতিয়া অসুখ বৰ বেছি। ডাক্তৰৰ নিৰ্দেশ, দেখা-শুনা, কথা-বতৰা একেবাৰে বন্ধ। তথাপি তেওঁ খন্তেকৰ কাৰণে হলেও অন্তৰৰ দুৱাৰ খুলি মোক আদৰি লৈছিল। ১৯৩২ চনৰ ব্ৰিটিছ জেলখানাত ভগ্ন স্বাস্থ্য, ১৯৪২ চনৰ আগষ্ট মাহৰ অভ্যুত্থানৰ অজ্ঞাতবাসী বিপ্লৱী বীণ বৰাগীৰ ভগ্ন দেহ-পিঞ্জৰাত সিদিনা শুনিছিলো অক্লান্ত প্ৰাণ-বিহংগৰ ডেউকাৰ অশান্ত স্পন্দন। তেখেতৰ চকুৰ গভীৰ তলীত পাইছিলো ৰবীন্দ্ৰ নাথৰ অনন্ত জীৱনাকুতি--"তৱ বিহংগ ওৱে বিহংগ মোৰ এখনি অন্ধ, বন্ধ কৰোনা পাখা।"

পুৰণি আৰু নতুনৰ সংগ্ৰামত নতুনক প্ৰথম আদৰি লোৱাৰ যি সংঘাত তাৰেই মূৰ্ত প্ৰতীক আছিল ৰূপকোঁৱৰ। সামন্তবাদী কাৰেঙত মধ্যযগীয় কু-সংস্কাৰ-বিৰোধী ব্যক্তি স্বাধীনতাৰ পূজাৰী, 'সুন্দৰ কোঁৱৰৰ' যি ট্ৰেজেডী--ৰূপকোঁৱৰৰো প্ৰথম জীৱন ডোখৰত আছিল সেই ট্ৰেজেডীয়েই।

জীৱনৰ শেহভাগত বুৰ্জোৱা সমাজৰ যি প্ৰচণ্ড সংঘাত তাৰেই ঢৌ বাগৰি আহি- ছিল তেখেতৰ বিক্ষত উদাৰ বুকুৰ ওপৰেদি। সেয়ে এযুগৰ অসমৰ যুগমানৱ আছিলে ৰূপকোঁৱৰ।

... গীত আনন্দৰাম, চন্দ্ৰকুমাৰ বা বেজবৰুৱাই বোৱাইছিল তাৰ মানবতা, বিজ্ঞান-চেতনা, স্বদেশ প্ৰেম, উদাৰতা, জীৱনবাদ সকলোখিনিকেই নতুন চিন্তা আৰু কৰ্মেৰে উদ্দীপিত কৰি এই যুগত প্ৰায় অকলশৰে বোৱাই ৰাখিছিল জ্যোতিপ্ৰসাদেই।

স্বদেশ-প্ৰেম যেতিয়া আমাৰ দেশত উগ্ৰ জাতিপ্ৰেমৰ সংকীৰ্ণ মৰুবালিত শুকাব ধৰিছিল---জ্যোতিপ্ৰসাদে তেতিয়া স্বাদেশিকতাক বিশ্বমানবিকতাৰ সাগৰ সংগমলৈ ভগীৰথৰ দৰে বোৱাই লৈ গৈছিল। ৰবীন্দ্ৰনাথে স্বদেশ বন্দনা কৰি গাইছিল।----

তোমাতে বিশ্বময়ীর, তোমাতে বিশ্ব-মায়ের আঁচল পাতা।

জ্যোতিপ্ৰসাদে গালে-----

মইয়েই স্বদেশ
মইয়েই বিদেশ
মই নানা দেশ
সাতো মহাদেশ

সাতবাৰ ঘূৰি ফুৰি
জ্ঞানৰ মাণিক মুকুতা, আনিম
অঞ্জলি ভৰি ভৰি॥"

কিন্তু তেখেতৰ বিশ্বপ্ৰেম জাতীয় বৈশিষ্ট্যহীন অঘৰী cosmopolitanism নাছিল। সমন্বয়ৰ নামত তেওঁ জাতীয় বৈশিষ্ট্যহীনতাত বিশ্বাস কৰা নাছিল। সেয়ে তেওঁ কৈছিল---"এটা জাতিৰ উপজাতিৰ সমন্বয় কৰাৰ ধৰণৰ মৌলিকতা ফুটি উঠিব লাগিব। লাগিব কি---সেই মৌলিকতা উদ্বুদ্ধ কৰি সমন্বয়ত সেই মৌলিকতা প্ৰকাশ কৰিব লাগিব।"

বিলাতত থাকোতে Epstein অৰ ভাস্কৰ্যই তেওঁক মুগ্ধ কৰিছিল--বটদ্ৰোৱাত বৰদোৱাৰ নামঘৰৰ খুটাত কাটি থোৱা ভাস্কৰ্যৰ নিদৰ্শন চাই তেওঁ বিস্ময়ত অভিভূত হৈ পৰিছিল আৰু পিছত লিখিছিল---"সেইদিনাৰ পৰাহে মই অসমীয়া হ'বলৈ আৰম্ভ কৰিলো, মোৰ ভিতৰৰ চাহাবটো ওলাই লৰ মাৰিলে।" খাটী অসমীয়া বুলিহে তেওঁ হ'ব পাৰিছিল বিশ্বপ্ৰেমিক। সংগীত সৃষ্টিত পাশ্চাত্য সুৰৰ মিশ্ৰণ আৰু অৰ্কেষ্ট্ৰেচনৰ ব্যৱহাৰ কৰিলেও তাত অসমীয়া সুৰৰ বৈশিষ্ট্যটো সদায়েই ধৰিব পাৰি। আনফালে বহু জাতি আৰু বহু ভাষাৰ দেশ অসমত তেওঁ দেখিছিল সাংস্কৃতিক সহ অবস্থান আৰু প্ৰত্যেকৰ স্বাধীন বিকাশৰ জৰিয়তে এক মহান সমন্বয়।

অসমত যেতিয়া সৰহভাগ বুদ্ধিজীৱীয়ে সংকীৰ্ণ জাত্যাভিমানৰ আত্মঘাতী বাটেদি খোজ কাঢ়িছিল, তেনে সময়ত তাৰ বিপদ সম্বন্ধে সকিয়াই তেওঁ কৈছিল ঃ

"আজি অসমলৈ যিসকল আহিছে---তেওঁলোকৰ সৈতে দ্বেষমূলক অভিমানমূলক কোনো চিন্তা বা কৰ্মেৰেই আমি তেওঁলোকক আমাৰ সংস্কৃতি দিব বা লোৱাব নোৱাৰো। তেওঁলোকক আমাৰ সংস্কৃতিৰে মুগ্ধ কৰিব পাৰিলেহে তেওঁলোক আমাৰ আপোন হ'ব।"

জ্যোতিপ্ৰসাদৰ এই সাহসী উদাৰ দৃষ্টি আজিৰ ভাষা সমস্যা আৰু জাতি সমস্যা জৰ্জৰিত অসমৰ বুদ্ধিজীৱীৰ আৰু ৰাইজৰ আগত এটা উজ্বল নক্ষত্ৰৰ দৰে জিলিকি আছে!



আজীৱন কংগ্ৰেছ কৰ্মী হৈও তেখেতে বিজ্ঞান-বিৰোধী যন্ত্ৰগন্ধীৰ জঠৰ মনোভাবৰ সলনি কৈছিল ঃ

মই—
যন্ত্ৰযুগৰ মোহন মন্ত্ৰ লম
মন বিমানৰ ময়েই সাৰথি হম
বিজুলী ৰথৰ মহাৰথী মই
জীৱনৰ ৰণজিৎ
ৰচিম নতুন মানব তন্ত্ৰ
বিজ্ঞানৰ স্বৰ্গজিৎ
মই জ্ঞানৰ ইন্দ্ৰজিৎ॥

স্বদেশ আৰু সাহিত্য, ৰাজনৈতিক বিপ্লব, সমাজ-সংস্কাৰ আৰু সাহিত্য সৃষ্টিৰ মাজত তেও গড় মাৰি জীৱনক খণ্ডিত কৰা নাই। সেই কাৰণে তেওঁ আছিল পূৰ্ণ মানব। তেওঁৰ সংগ্ৰামী সত্তা আৰু শিল্পী সত্তাৰ মাজত কেতিয়াও দ্বন্দ্ব হোৱা নাছিল। তেওঁৰ মতে "শিল্পী---যি কেৱল সুন্দৰ সৃষ্টিৰ সপোন দেখে--তাক বাস্তৱ ৰূপ দিবলৈ প্ৰাণেৰে মনেৰে সৰ্বশক্তিৰে নিজৰ সকলো ত্যাগ কৰি, চিৰ বিশ্বাসী হৈ আপোনাৰ অস্তিত্ব সমূহত লুপ্ত কৰি, সমূহৰ আশা, ভাষা, দুখ, আনন্দ আপোনাতে জ্বলাই তুলি যি লগে স্বৰ্গে গোটেই সমূহকে লৈ যায়, যি শিল্পী দুস্কৃতিৰ চিৰশত্ৰু---এই শিল্পীয়েই পৃথিবীৰ গৰ্ভত পোহৰৰ চুমাত ওপজা পৃথিবীৰ সু-সন্তান।"

অসমীয়া বুদ্ধিজীৱীক যেতিয়া আধ্যাত্মবাদ, জীৱন-পলাতক-বিষাদবাদ, বাস্তৱবিমুখ, ব্যক্তিকেন্দ্ৰিক ৰোমান্তিকতাই আবৰি ধৰিছিল, তেতিয়া জীৱন সংগ্ৰামত ক্ষতবিক্ষত হৈও জ্যোতিপ্ৰসাদে চন্দ্ৰকুমাৰৰ বীণ হাতত লৈ ঝংকৃত কৰি তুলিছিল : "সন্দৰৰ আৰাধনা জীৱনৰ খেল।"

এই মানবতা আৰু বলিষ্ঠ জীৱনবাদেই তেখেতক জীৱনৰ বিয়লী পৰত মাৰ্ক্সবাদৰ প্ৰতি অনুৰাগী কৰি তুলিছিল। এই অনুৰাগ বুদ্ধিগ্ৰাহ্য অনৰাগ নাছিল। সাম্যবাদৰ আদৰ্শত উদ্বুদ্ধ গণজাগৰণৰ থাপনাত তেওঁ কলা লক্ষ্মীক প্ৰতিষ্ঠা কৰিছিল। এই গণজাগৰণক তেওঁ কৈছিল "আজি জনতাৰ আলোকযাত্ৰা।" আৰু তাক আদৰণি জনাই কৈছিল "এই জনতাক শিল্পীৰূপ দিয়াই সংস্কৃতি, এই জনতাৰ হাতত পৃথিবীখনক দিয়াই শিল্পীৰ পলিটিক্স, এই জনতাক খাই-বৈ সুস্থ সবল হৈ শিল্পী ৰূপে প্ৰকাশ হ'বলৈ সকলো বাস্তৱিক সুযোগ সুবিধা দিয়াই শিল্পীৰ অৰ্থনীতি।" বংগদেশত কাজীনজৰুলৰ যি ভূমিকা আছিল, অসমত জ্যোতিপ্ৰসাদৰো সেই ভূমিকা। অৰ্থাৎ কমিউনিষ্ট নিজে নহৈও কমিউনিষ্ট আদৰ্শত উদ্বুদ্ধ হৈ শ্ৰমিক শ্ৰেণীৰ বিপ্লবক সাহিত্যত প্ৰথম আদৰণি জনাইছিল।

ইং ১৯৪৭ চনৰ অসম ছাত্ৰ সন্মিলনৰ অধিবেশনত তেওঁ পৰিষ্কাৰকৈ কৈছিল--"মানুহৰ সমাজত যি অৰ্থনৈতিক অসামঞ্জস্যতাই সমাজৰ এভাগক সাংস্কৃতিক জীৱনৰ পৰা বঞ্চিত কৰি আপচুকৈ থৈছে, অসুন্দৰ কৰি থৈছে সেই ভাগটো সৌন্দৰ্য নমাবলৈ মানুহৰ নবতম সামাজিক ক্ষেত্ৰত সৌন্দৰ্য প্ৰয়াস হৈছে সাম্যবাদ।"

কোনোৱে অৰ্থনৈতিক অসামঞ্জস্যতাৰ বিৰুদ্ধে যুঁজ কৰি সাম্যবাদত সমাধান বিচাৰি পায়, কোনোৱে অসুন্দৰৰ বিৰুদ্ধে যুঁজ কৰি সাম্যবাদত সুন্দৰক বিচাৰি পায়।



OKDISCD

ৰূপকোঁৱৰে 'শিল্পীৰ পৃথিৱী' বিচাৰিবলৈ গৈ অনুভৱ কৰিলে "সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰ এই দুইটাই পৃথিৱীৰ বুৰঞ্জীত সংস্কৃতিৰ ছদ্মবেশী দুষ্কৃতিৰ পূৰ্ণৰূপ" আৰু "নৱতম সামাজিক ক্ষেত্ৰত সৌন্দৰ্য প্ৰয়াস হৈছে সাম্যবাদ।"

কিন্তু তথাপি তেওঁ ভাৰতৰ বৰ্তমান সমাজ অৰ্থাৎ ধনতন্ত্ৰবাদৰ ধ্যান ধাৰণা, তাৰ ভাববাদ (idealism)ৰ পৰা নিজকে একেবাৰে মুক্ত কৰিব পৰা নাছিল। তেওঁ শ্ৰীঅৰবিন্দৰ 'Supramental' অত বিশ্বাস কৰিছিল, শংকৰদেৱৰ শ্ৰীকৃষ্ণৰ নতুন ব্যাখ্যা দি আজিৰ দিনা পুনঃ প্ৰতিষ্ঠাৰ প্ৰচেষ্টাতো বিশ্বাস কৰিছিল কিন্তু আনফালে "Life Divine" অলৈ যাবলৈ অৰবিন্দৰ দৰে নিষ্কৰ্ম যোগীৰ সাধনাত কেতিয়াও বিশ্বাস কৰা নাছিল -- তেওঁ গণবিপ্লৱৰ কথা কৈছিল আৰু তাৰ লগত নিজকে ঘনিষ্ঠভাৱে যুক্ত ৰাখিছিল।

ধনতন্ত্ৰবাদক ঘৃণা কৰিছিল, অথচ ধনতন্ত্ৰবাদৰ ভাবাদৰ্শৰ পৰা নিজকে সম্পূৰ্ণ মুক্ত কৰিব পৰা নাছিল, আনফালে সাম্যবাদক আদৰিলেও শ্ৰমিক শ্ৰেণীৰ জীৱনদৰ্শনক পূৰ্ণভাবে আঁকোৱালি লব পৰা নাছিল। এই সংঘাতেই শেষ জ্যোতিৰ ফিৰিঙতি।

তামোলবাৰী 'চাহ বাগিচাৰ মালিক' বাগিচাৰ পৰা আহি ডিব্ৰুগড়ৰ খলিহামাৰীত তেখেতৰ বঙলাঘৰত জিৰণি লোৱাৰ সময়ত প্ৰায়েই এই মহাপ্ৰাণৰ লগ পাওঁতে এই চিৰ অশান্ত (Eternal unrest)ৰ ফিৰিঙতিৰ স্পৰ্শ পাইছিল। ঘৰৰ আগত নাহৰজোপাৰ পাতৰ আঁৰেদি বেলিমাৰৰ বেঙনিয়ে ভাবগম্ভীৰ মুখখনিক বেদনা-মন্থৰ কৰি তুলিছিল। সেই কথা সুঁৱৰিলে মোৰ মনলৈ আহে Villeneuve-অত নিৰ্বাসিত ৰঁমা ৰলাঁৰ কথা। যুদ্ধবিৰোধী মানবপ্ৰেমিক ৰলাঁই ইউৰোপত ধনতন্ত্ৰবাদত জ্বলাকলা হৈ ৰামকৃষ্ণ-বিবেকানন্দৰ প্ৰাচ্যৰ আধ্যাত্মবাদৰ আৰু গান্ধীজীৰ অহিংসাৰ বুকুলৈ শান্তি বিচাৰি আহিছিল; কিন্তু তাতো শান্তি আৰু সমাধান নাপাই ৰলাঁই আঁকোৱালি লৈছিল—সাম্যবাদক আৰু লিখি গৈছিল I will not rest : মই নিজিৰাওঁ। সুৱনি পৃথিৱীত নিজা ঘৰত 'অন্তৰীণ' হৈ থাকি, গান্ধীবাদ আৰু অৰবিন্দ দৰ্শনৰ জগত পৰিভ্ৰমণ কৰিও 'শিল্পীৰ পৃথিৱী'ৰ খনিকৰে হাতত সাম্যবাদৰ তুলিকা তুলি লৈছিল। জীৱনৰ বিয়লীপৰত তেওঁৰ কণ্ঠতো বাজি উঠিছিলঃ "I will not rest": "মই নিজিৰাওঁ"। বাজি উঠিছিলঃ

"আজিৰ দিনা নেমানি মনা
সখি পতালি;
বিপ্লবী তই কবিৰে——
আজি জাগিল জন শতাব্দী
আহ অ' যত আলোক-বাদী
অপ্ৰমাদী পোহৰবে।"*

* দিলীপ শৰ্মা, কেশৱ মহন্ত সম্পাদিত 'প্ৰবাহৰ' (প্ৰথম বছৰ॥ ৭ম সংখ্যা॥ ১৮৭৮ শক) পৰা



প্ৰবন্ধ

# কাৰেঙৰ লিগিৰী, মধ্যবিত্ত, প্ৰেম, বিবাহ ইত্যাদি

প্ৰসেনজিৎ চৌধুৰী

'হেৰা, বামুণ ছোৱালী এজনী যোগাৰ কৰি দিয়াছোন--অলপ প্ৰেম কৰোঁ, তাৰ পাছত বিয়া।' জনৈক অধ্যাপকে এজন বন্ধুক কথাকেইটা কোৱা মনত পৰে। আপাত দৃষ্টিত কথাকেইটা লঘু; মধ্যবিত্তৰ ৰসাল আড্ডাত এইধৰণৰ 'ইয়াকি' প্ৰায়ে শুনা যায়। কিন্তু, অলপ দকৈ ভাবি চালে দেখা যায়, এইধৰণৰ 'ইয়াকি'ৰ মাজত লুকাই থাকে মধ্যবিত্ত চেতনাৰ দ্বিখণ্ডিত চেহেৰা। আমাৰ মধ্যবিত্তই সাধাৰণতে জাতি-ধৰ্ম-বৰ্ণৰ বাধ্যবাধকতাৰ সংকীৰ্ণ বৃত্তৰ মাজত থাকিয়েই 'মুক্তভাৱে' ভাল পাব বিচাৰেঃ মানবে ধৰা মধ্যযুগীয়া ধ্যানধাৰণাৰ কাষত তেওঁলোকে প্ৰতিষ্ঠা কৰে পাশ্চাত্যৰ প্ৰেমৰ দৰ্শন। অৰ্থাৎ, মধ্যবিত্ত-চেতনাত দুবিধ বিপৰীতধৰ্মী ভাবাদৰ্শৰ সহঅবস্থান বিদ্যমান—এফালে ভাৰতবৰ্ষৰ পৰম্পৰাগত সামন্ততান্ত্ৰিক ভাবাদৰ্শ, আনফালে ধনতান্ত্ৰিক পাশ্চাত্যৰ আধুনিক উদাৰনৈতিক ভাবাদৰ্শ। আমাৰ মধ্যবিত্ত চিন্তা আৰু আচৰণত যি বিসংগতি প্ৰায়ে দেখা যায় তাৰ অন্যতম প্ৰধান উৎস এই সহঅবস্থানতেই নিহিত আছেঃ আমাৰ বহু উচ্চবৰ্গৰ প্ৰেমিক-প্ৰেমিকাই গোত্ৰগত অসুবিধা নেথাকিলেহে একে-লগ বহি আধুনিকতম ইংৰাজী ছবি চায়, বেল-বটম পৰিহিত পাশ্চাত্যানুৰাগী ডেকা প্ৰেমিকে আত্মবিভোৰ হৈ বাটে-পথে গাই ফুৰে সাঁই বাবাৰ ভজন, আধুনিক কায়দাৰে বুকু ফুলাই হোটেলৰ কেবিনত প্ৰবেশ কৰাৰ পাছত আমাৰ বহুতো প্ৰেমিক-প্ৰেমিকাৰ বুকুৰ ধপধপনি চুক্ক হৈ যায় সতৰ্ক সমাজ-প্ৰহৰীসকলৰ ৰোষ দৃষ্টিৰ ভয়ত!

প্ৰেমিক-প্ৰেমিকাসকল সামাজিক জীৱ। বিশেষ ধৰণৰ অৰ্থনৈতিক আৰু সামাজিক পৰিবেশত থাকি তেওঁলোকে ইজনে সিজনক ভাল পায়, বিয়া কৰায়। স্বাভাৱিকতে প্ৰেমৰ সমস্যা প্ৰেমিক-প্ৰেমিকাৰ একান্ত ব্যক্তিগত সমস্যা নহয়, তাৰ এটা গুৰুত্বপূৰ্ণ সামাজিক দিশো আছে। দুখৰ কথা যে, আমাৰ সাহিত্যত প্ৰেম লৈ অজস্ৰ গল্প-উপন্যাস-কাব্য-নাট সৃষ্টি হৈছে যদিও প্ৰেমৰ এই সামাজিক দিশটো প্ৰায় সদায়ে উপেক্ষিত। শ্ৰেণী-বৈষম্য, অৰ্থনৈতিক সমস্যা, জাত-পাতৰ বিচাৰ, পুৰুষ-প্ৰভুত্বপন্থী প্ৰমূল্য, উগ্ৰ ব্যক্তি স্বাতন্ত্ৰ্যবোধ, মধ্যবিত্তীয় সুবিধাবাদ ইত্যাদিয়ে কেনেকৈ প্ৰত্যক্ষ বা পৰোক্ষভাবে প্ৰেমৰ সৃষ্টি, বিকাশ আৰু সাফল্যৰ ক্ষেত্ৰত বাধা দি আহিছে তাৰ স্বচ্ছ আভাস আমাৰ প্ৰেমৰ সাহিত্যত দুৰ্লভ। আনকি অলপ আগতে আমি মধ্যবিত্ত মানসৰ যি দ্বিখণ্ডিত চৰিত্ৰৰ কথা কলোঁ তাৰো খবৰ আমাৰ প্ৰেমৰ সাহিত্যত নাই বুলিলেই হয়। তাৰ মানে, আমাৰ সাহিত্যৰ প্ৰেম সমাজ-বিযুক্ত প্ৰেম; সমাজৰ লগত প্ৰেমৰ যি সম্পৰ্ক তাৰ গভীৰ, বস্তু আৰু বৈজ্ঞানিক প্ৰতিফলন তাত নাই।



OKDSCD

এইফালৰ পৰা চাব গলে জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী' এটি ব্যতিক্ৰ... 'কাৰেঙৰ লিগিৰী'ৰ মূল কাহিনীভাগ প্ৰণয়কেন্দ্ৰিক। কিন্তু এই প্ৰণয়-কাহিনী নায়... নায়িকাৰ ফুচ ফুচনি, পেনপেননি কিম্বা আলিংগনৰ গতানুগতিক কাহিনী নহয়... 'কাৰেঙৰ লিগিৰী'ৰ প্ৰেম প্ৰেমিক-প্ৰেমিকাৰ একান্ত ব্যক্তিগত সমস্যা নহয়, সুন্দৰ কোঁ... শেৱালী আৰু অনংগ-কাঞ্চনমতীৰ প্ৰেমক জ্যোতি প্ৰসাদে সচেতনভাৱে এখন প্ৰ... নিয়ন্ত্ৰিত স্থবিৰ সামন্ততান্ত্ৰিক সমাজৰ পটভূমিত প্ৰতিষ্ঠা কৰিছে। সেয়ে 'কাৰেঙৰ লিগি... সামাজিক প্ৰথাৰ প্ৰতি অন্ধ আনুগত্য আৰু প্ৰথাদ্ৰোহিতা, সামন্ততান্ত্ৰিক বিবা... যুক্তিহীন বাধ্যবাধকতা, ব্যক্তিগত প্ৰণয়ৰ লগত স্থবিৰ প্ৰমূল্যৰ বিৰোধ আৰু আনু... ষংগিক অন্যান্য সমস্যাৰ কথা আহি পৰিছে। 'কাৰেঙৰ লিগিৰী'ৰ প্ৰেম সমাজ... বিচ্ছিন্ন নহয়, তাত সমাজবাস্তৱৰ খবৰ আছে।

'কাৰেঙৰ লিগিৰী'ৰ কাহিনীক কেবল এখন কাল্পনিক সমাজৰ কোঁৱৰ-লিগি... ৰীৰ প্ৰেম-কাহিনী বুলি ক'লে দৰাচলতে জ্যোতিপ্ৰসাদৰ গভীৰ ইতিহাসবোধ... অপমান কৰা হয়। জ্যোতিপ্ৰসাদে নিশ্চয় তৎকালীন মধ্যবিত্তৰ চেতনাত বিভিন্ন ধৰ... বিপৰীতমুখী ভাবধাৰাৰ টনা-আঁজোৰা লক্ষ্য কৰিছিল, আৰু তেওঁৰ নিজৰ মানসি... জীৱনৰ পৰাও কিছু পৰিমাণে অন্ততঃ এই টনা-আজোৰাৰ অভিজ্ঞতা লাভ কৰিছি... বুলি অনুমান কৰা যায়। সুন্দৰ কোঁৱৰৰ মাজত আমি যি অন্তৰ্দ্বন্দ্ব দেখোঁ তাৰ মা... জ্যোতিপ্ৰসাদে—সম্পূৰ্ণ সচেতন ভাবে নহলেও—মধ্যবিত্ত চেতনাৰ অন্তৰ্দ্বন্দ্বৰ ইংগিত দি... বুলি ক'লে জানো ভুল কোৱা হ'ব ?

সুন্দৰ কোঁৱৰ যিখন কঠোৰ, গতিহীন, নিয়মনিষ্ঠ সামন্ততান্ত্ৰিক সমাজত থাকে... তাত কাঞ্চন-অনংগৰ দৰে উচ্চ শ্ৰেণীৰ প্ৰেমিক-প্ৰেমিকাও মূক, তাত প্ৰথানুসা... মাক-দেউতাকে বাচি দিয়া স্বামী স্ত্ৰীক বিনা প্ৰতিবাদে গ্ৰহণ কৰিব লাগে, তাত বিবাহ অচ্ছেদ্য, প্ৰণয় অস্বীকৃত, সতীত্ব পূজ্য। এই স্থবিৰ, ৰক্ষণশীল অবস্থাক সুন্দ... কোঁৱৰে মানি লব পৰা নাই, তেওঁৰ বিদ্ৰোহী মন ইয়াৰ প্ৰতিবাদত সোচ্চাৰ। 'প্ৰলয়ৰ আৱশ্যক হৈছে। শতাব্দী ধৰি গোট খাই থকা সমাজৰ আবৰ্জনা ধু... সমাজক নিৰ্মল আৰু পবিত্ৰ কৰিবলৈ এক প্ৰলয়ৰ অতি আৱশ্যক হৈছে।..... মোৰ জীৱনলৈ, সমাজৰ জীৱনলৈ মই প্ৰলয়ক আমন্ত্ৰণ কৰি আনিম।' কিন্তু 'প্ৰলয়... আমন্ত্ৰণ কৰি' আনি ৰুগ্ন, শ্বাসৰোধকাৰী সামন্ততান্ত্ৰিক পৰিবেশৰ পৰা উদ্ধাৰ পোৱাৰ অব্যৰ্থ, স্বচ্ছ পথৰ সন্ধান সুন্দৰ কোঁৱৰে পোৱা নাই। আকৌ সুক্ষ্ম আত্ম বিশ্লেষ... আৰু আন্তৰিক আত্ম-শুদ্ধিৰ দ্বাৰা নিজৰ মানসিকতাকো তেওঁ সম্পূৰ্ণভাৱে সাম... তান্ত্ৰিক সমাজ-ঐতিহ্যৰ পৰা মুক্ত কৰিব পৰা নাই। সেয়ে কোঁৱৰৰ মন নানা ভাব... ধাৰাৰ জটিল, দ্বন্দ্বদীৰ্ণ সংগম ক্ষেত্ৰলৈ পৰিণত হৈছে। সুন্দৰ কোঁৱৰ বিদ্ৰোহী, প্ৰথাৰ প্ৰতি তেওঁৰ অন্ধ আনুগত্য নাই, বিবাহৰ অচ্ছেদ্যতা আৰু শাৰীৰিক সতীত্ব... মহত্বৰ ওপৰতো তেওঁৰ কোনো আস্থা নাই, সামন্ততান্ত্ৰিক ভাবাদৰ্শৰ বিৰুদ্ধে তেওঁৰ হাতত উত্তোলিত ব্যক্তিস্বাতন্ত্ৰ্যবাদৰ ধ্বজা। তেওঁৰ দৃপ্ত কণ্ঠত দ্বিধাহীন প্ৰশ্ন 'কৃত কৰ্মৰ সৈতে সমাজৰ সম্বন্ধ— কিন্তু ব্যক্তিৰ ভাবৰ সৈতে ?' কিন্তু এই সুন্দৰ কোঁৱৰৰ মাজতেই আমি দেখোঁ পাওঁ প্ৰখৰ আভিজাত্যবোধ, প্ৰকাশ্যে তেওঁ ঘোষ... কৰে তেওঁৰ ৰক্ষণশীল নাৰীবিদ্বেষী মতবাদ। কোঁৱৰৰ চেতনাৰ এই অন্তৰ্দ্ব... প্ৰকৃত স্বৰূপ সঠিকভাৱে অনুধাবন কৰিব পাৰিলে আপাত দৃষ্টিত সংগতিহীন কো...



...মগা তেওঁৰ বহুতো কথা আৰু আচৰণৰ ব্যাখ্যা পোৱা যাব। কোঁৱৰে সামন্ততান্ত্ৰিক বিবাহ প্ৰথাৰ বিৰোধিতা কৰিছে, তেওঁৰ বাবে কেৱল দৈহিক মিলনেই বিবাহ হ'ব নোৱাৰে ; আনকি অনংগ-কাঞ্চনৰ ব্যক্তিগত প্ৰণয়ক তেওঁ দুঃসাহসিক কাৰ্যৰে এক-প্ৰকাৰৰ স্বীকৃতিও দিছে। কিন্তু ইমান কৰাৰ পাছতো তেওঁ নিজৰ ব্যক্তিগত প্ৰণয়ক প্ৰতিষ্ঠা কৰিব পৰা নাই। ৰক্ষণশীল পৰিবেশৰ চাপৰ উপৰিও এই ব্যৰ্থতাৰ এটা প্ৰধান কাৰণ কোঁৱৰৰ মনত সামন্ততান্ত্ৰিক, ঐতিহ্যপন্থী ভাবাদৰ্শনৰ অস্তিত্ব। সেয়ে শেৱালীৰ প্ৰেমত তেওঁ বিস্মিত, বিৰক্ত ঃ 'লিগিৰী এজনীৰ ইমান স্পৰ্দ্ধা।' নাগাপাহাৰলৈ শেৱালীৰ সন্ধানত যোৱাৰ পাছতো কোঁৱৰৰ মনৰ অহংবোধ আৰু নাৰী-বিদ্বেষ অটুট আছে ঃ 'পদুমপাতৰ পানীৰ দৰে তিৰোতা মোৰ জীৱনলৈ আহিলে গ'লেও মোক তিয়াব নোৱাৰে বন্ধু।' কোঁৱৰে শেৱালীক বিয়া কৰোৱাৰ যি সিদ্ধান্ত লৈছে সি একধৰণৰ অন্ধবিদ্ৰোহ ; শেৱালীৰ প্ৰতি থকা কোঁৱৰৰ প্ৰেমতকৈ নিষ্ঠুৰ সামন্ত-তান্ত্ৰিক সমাজৰ ওপৰত প্ৰতিশোধ লোৱাৰ তীব্ৰ স্পৃহাই এই দুঃসাহসিক সিদ্ধান্তৰ মূল উৎস। এইবাবেই সম্ভৱতঃ বিয়াৰ সিদ্ধান্ত লোৱাৰ পাছতো কোঁৱৰৰ মনত প্ৰেমে কোনো আনুভূতিক কোমলতাৰ জন্ম দিব পৰা নাই, কোঁৱৰৰ নাৰী-বিদ্বেষ আৰু অহং-বোধ আগৰদৰেই অটুট আছে। লক্ষণীয় যে ব্যক্তিগত আবেগ-অনুভূতিৰ প্ৰতি নিৰ্বি-কাৰ, প্ৰথা-শাসিত সামন্ত সমাজৰ প্ৰতি আনুগত্য ভাঙি ব্যক্তিস্বাতন্ত্ৰ্যবোধৰ সংযত আৰু সামাজিক বিকাশ ঘটাব নোৱাৰিলে আধুনিক অৰ্থত ব্যক্তিগত প্ৰণয় অসম্ভৱ। কিন্তু এই ব্যক্তিস্বাতন্ত্ৰ্যবোধ উগ্ৰ, অসংযত আৰু অসামাজিক হৈ পৰিলে সি প্ৰেমৰ স্বাভাৱিক আৰু স্বচ্ছন্দ বিকাশৰ ক্ষেত্ৰত হৈ পৰে অন্তৰায়। কাৰণ আত্মকেন্দ্ৰিক অহংবোধৰ ৰুদ্ধ কোঠাত সোমাই পৰিলে প্ৰকৃত প্ৰেমৰ মৃত্যু হয় ; প্ৰেমিক-প্ৰেমিকাৰ সহযোগিতামূলক বন্ধুত্বৰ মাধুৰ্য শুকাই যায় আধিপত্য আৰু প্ৰতিযোগিতাৰ মনো-বৃত্তিৰ বিষাক্ত নিঃশ্বাসত। ব্যক্তিস্বাতন্ত্ৰ্যবোধ আৰু প্ৰেমৰ সম্পৰ্কৰ বিষয়ে এই ধৰণৰ বিশ্লেষণ 'কাৰেঙৰ লিগিৰী'ত নেথাকিলেও সুন্দৰ কোঁৱৰৰ তীব্ৰ অহংবোধ আৰু আত্মমুখীনতাৰ কাৰণে বহুক্ষেত্ৰত তেওঁৰ প্ৰেমিক-সত্তা যে বিকশিত হ'ব পৰা নাই সেইকথা নাটকখনত পৰোক্ষভাৱে ওলাই পৰিছে। ইয়েই জ্যোতিপ্ৰসাদৰ গভীৰ মন-স্তাত্বিক অন্তৰ্দৃষ্টিৰ পৰিচয় দিয়ে। আমাৰ এই ব্যাখ্যা যদি সঁচা হয় তেনেহলে 'কাৰেঙৰ লিগিৰী'ৰ প্ৰেমে দুইধৰণৰ শিক্ষা দিয়ে ঃ অকল ৰক্ষণশীল সামন্ততান্ত্ৰিক প্ৰমূল্যই নহয়, ধনতান্ত্ৰিক সভ্যতাৰ তীব্ৰ ব্যক্তিস্বাতন্ত্ৰ্যবোধ এটা সময়ত উগ্ৰ ৰূপলৈ প্ৰকৃত প্ৰেমৰ বিকাশৰ বাটত হেঙাৰ হিচাপে থিয় দিব পাৰে। 'কাৰেঙৰ লিগিৰী'ত অৱশ্যে—কাহিনীৰ পটভূমিগত সীমাবদ্ধতাৰ বাবে—ধনতান্ত্ৰিক ব্যক্তিস্বাতন্ত্ৰ্যবোধৰ কোনো উল্লেখ নাই, কিন্তু অলপ দকৈ বিচাৰ কৰিলে এইকথা পৰিষ্কাৰ হৈ পৰে যে কোঁৱৰৰ প্ৰেমত নিঃচৰ্ত আনুগত্য, আনুভূতিক কোমলতা তথা দ্বিধাহীন আত্মনিবেদন নাই আৰু ব্যক্তিত্বৰ এই অসম্পূৰ্ণতাৰ বাবে তেওঁৰ আত্মকেন্দ্ৰিক অহংবোধ আৰু আত্মমুখীনতা যথেষ্ট পৰিমাণে দায়ী। উল্লেখযোগ্য যে সুস্থ প্ৰেমৰ এই চৰ্তবোৰ শেৱালীৰ ব্যক্তিত্বত আছে। কিন্তু অব্যক্ত আৰু একপক্ষীয় হোৱাৰ বাবে সিবোৰে কোঁৱৰ-শেৱালীৰ প্ৰেমক উৰ্বৰ, উন্নত আৰু মানবিক কৰিব পৰা নাই।

আপাত দৃষ্টিত ভাব হয় সুন্দৰ কোঁৱৰৰ ব্যক্তিত্বত যথেষ্ট পৰিমাণৰ ভেজাল আছে। আমি ইতিমধ্যে কোঁৱৰৰ চেতনাৰ যি অন্তৰ্দ্বন্দ্বৰ কথা উনুকিয়াইছোঁ তাৰ ফলতেই এই সামগ্ৰিকী।

ধৰণৰ ধাৰণাৰ সৃষ্টি হ'ব পাৰে। কোঁৱৰ কিন্তু ভণ্ড নহয়, তেওঁ বলিয়াও নহয়। দৰাচলতে তেওঁৰ চেতনাৰ অন্তৰ্দ্বন্দ্বই--হয়তো জ্যোতিপ্ৰসাদৰ সচেতন প্ৰচেষ্টাৰ অবিহনে---মধ্যবিত্তৰ দ্বিখণ্ডিত চেতনাক প্ৰতিফলিত কৰিছে। আধুনিক উদাৰনৈতিক ভাবধাৰাৰ দ্বাৰা অনুপ্ৰাণিত মধ্যবিত্ত কঠোৰ সামন্ততান্ত্ৰিক বিবাহপ্ৰথাৰ প্ৰতি বিতুষ্ট, পাৰিবাৰিক তথা সামাজিক আনুগত্যতকৈ ব্যক্তিগত আবেগ-অনুভূতিৰ ওপৰত তেওঁলোকে অধিক গুৰুত্ব দিবলৈ যত্ন কৰে; বিশেষ কিছুমান চৰ্ত ভংগ নকৰিলে ব্যক্তিগত প্ৰণয়াৰ প্ৰতিও তেওঁলোকৰ দৃষ্টিভংগী সমৰ্থনসূচক। কম বেছি পৰিমাণে এই ভাবধাৰাবোৰ যে সুন্দৰ কোঁৱৰৰ মাজতো আছে সেইকথা আমি ইতিমধ্যে উল্লেখ কৰিছোঁ। কিন্তু আমাৰ এই আলোচনাৰ আৰম্ভণিতেই আমি কৈ আহিছোঁ যে মধ্যবিত্তৰ চেতনাত পৰম্পৰাগত সামন্ততান্ত্ৰিক ভাবাদৰ্শৰ প্ৰভাবো সুস্পষ্ট। বৈজ্ঞানিক সমাজতান্ত্ৰিকসকলৰ মতে আমাৰ সমাজত পুঁজিতান্ত্ৰিক অৰ্থনীতিৰ সম্পূৰ্ণ, স্বচ্ছন্দ আৰু সঠিক বিকাশ নোহোৱাৰ বাবেই মূলতঃ মধ্যবিত্ত চেতনাত এই দুৰ্বলতা বিদ্যমান। এই সামন্ততান্ত্ৰিক প্ৰভাৱৰ বাবেই বহুতো মধ্যবিত্তৰ মনৰ গোপন কোণত এক প্ৰকাৰৰ আভিজাত্যবোধ থাকে, মুক্তভাৱে কোনো ধৰণৰ অপৰাধবোধ নোহোৱাকৈ নিজৰ প্ৰণয়ক প্ৰতিষ্ঠা কৰিবলৈ তেওঁলোকৰ বহুতেই সক্ষম নহয়, সাম্য-মৈত্ৰীৰ বাবে সোচ্চাৰ হোৱা সত্ত্বেও তেওঁলোকে হৃদয়ত সংগোপনে পুহি ৰাখে পুৰুষ-প্ৰভুত্বপন্থী প্ৰমূল্য। মধ্যবিত্তৰ এই নেতিবাচক ভাবধাৰাৰ আভাস জানো কোঁৱৰৰ মাজত নাই? জ্যোতিপ্ৰসাদৰ 'লভিতা' নাটকতো মধ্যবিত্ত চেতনাৰ এই অন্তৰ্দ্বন্দ্বৰ ইংগিত আছে। লভিতাক 'বঙালে কঙালে হাতত ধৰিলে' বাবে তাইৰ প্ৰেমিক গোলাপে তাইক নিজৰ ঘৰত আশ্ৰয় দিব বিচৰা নাই, কাৰণ, গোলাপৰ মতে, 'আজি লভিতাৰ বিষয়ে গাঁৱে-ভূঞে না-না কথা ওলাইছে' আৰু সেইবাবে 'ৰাতিৰ মানুহৰ সৈতে যুঁজি-বাগৰি সিঁহতক সৈমান কৰাব পাৰিলেও ঘৰৰ মানুহক নোৱাৰি।' সামন্তবাদী পৰিবেশৰ অমানবিকতা উদঙাই দেখুৱাই দিয়াৰ ওপৰিও জ্যোতিপ্ৰসাদে ইয়াত জানো গোলাপৰ তথাকথিত আধুনিকতাৰ অন্তৰালত লুকাই থকা দুৰ্বল, প্ৰথা-শাসিত মনৰ ইংগিত দিয়া নাই? এই গোলাপে যেতিয়া নিজে 'মই আজি কালিৰ ডেকা লৰা' বুলি গৰ্ব কৰিছে তেতিয়া বিক্ষুব্ধা লভিতাই তাৰ যথোচিত উত্তৰ দিছে, 'অকল আজিকালি উপজিলেই আজিকালিৰ ল'ৰা হ'ব নোৱাৰি। তোমাৰ মনটো আজিৰ দিনতো আজি, দকুৰি বছৰ আগৰ ডেকাৰ দৰেই।' 'নতুন পুৰুষ'ৰ চাইনবোৰ্ড লগাই আধুনিক সুৰেৰে মধ্যযুগীয়া ধ্যানধাৰণাৰ সংকীৰ্তন কৰি ফুৰা আজিৰ বহুতো ডেকা-গাভৰুৰ ক্ষেত্ৰতো লভিতাৰ এই উক্তি প্ৰযোজ্য।

সুন্দৰ কোঁৱৰ বিদ্ৰোহী, কিন্তু নিঃসংগ। অনংগ-কাঞ্চনমতী, সুদৰ্শন, শেৱালী---কোনেও স্থিতাবস্থাৰ বিৰুদ্ধে যাব নোখোজে বা নোৱাৰে। সম্ভৱতঃ এই নিঃসংগবোধৰ পৰাই কোঁৱৰৰ দুঃসাহস আৰু সময়ে সময়ে প্ৰকাশ পোৱা সন্দেহ প্ৰৱণতাৰ সৃষ্টি। এনে দুঃসহনিৰ্দয় পৰিবেশত অকলশৰীয়া হৈ পৰিলে সাধাৰণতে দুৰ্বল মস্তিষ্কৰ মানুহ মুমূৰ্ষু হৈ পৰাটোৱেই স্বাভাৱিক। কোঁৱৰ কিন্তু মুমূৰ্ষু হৈ পৰা নাই, তেওঁৰ আচৰণত পশ্চাদনপসৰণৰ কোনো লক্ষণ নাই। ভাব হয়, কোঁৱৰৰ মস্তিষ্কৰ টাইপ সবল আৰু উত্তেজনাপ্ৰৱণ। পাভলভীয় মনোবিজ্ঞানৰ পৰিভাষাত ইয়াক 'কোলেৰিক' টাইপ বোলা হয়। এই 'কোলেৰিক' মস্তিষ্কৰ অধিকাৰী হোৱা হেতুকে---আৰু



নিঃসংগ আৰু অস্বচ্ছ দৃষ্টিভংগীৰ মানুহ বাবেই---কোঁৱৰৰ বিদ্ৰোহ হঠকাৰী, বন্ধ্যা, অন্ধ। কোঁৱৰৰ বিদ্ৰোহত ধ্বংসৰ আহ্বান আছে, সৃষ্টিৰ স্বপ্ন নাই। এই প্ৰসংগত এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰা উচিত হ'ব। সুন্দৰ কোঁৱৰ জানো জ্যোতিপ্ৰসাদৰ মুখপাত্ৰ? সন্দেহ নাই, সামন্ততান্ত্ৰিক সমাজৰ অমানৱিকতা, যুক্তিহীনতা আৰু স্থবিৰতাৰ বিৰুদ্ধে প্ৰজ্বলিত কোঁৱৰৰ বিদ্ৰোহী মনৰ লগত জ্যোতিপ্ৰসাদৰ বিদ্ৰোহী মনৰ কোনো বিৰোধ নাই। কিন্তু ইয়াৰ পৰা এই সিদ্ধান্তলৈ আহিব নোৱাৰি যে 'মানুহক মই নৰূপ দিম। পৃথিৱীখনকো পুনৰ গঢ়িম' বুলি দৃপ্ত অংগীকাৰ ঘোষণা কৰা জ্যোতিপ্ৰসাদৰ সম্পূৰ্ণ আৰু সঠিক মুখপাত্ৰ সুন্দৰ কোঁৱৰ। 'কাৰেঙৰ লিগিৰী'ৰ কেইবা ঠাইতো জ্যোতিপ্ৰসাদে সুন্দৰ কোঁৱৰৰ আবেগাধিক্যক পৰোক্ষভাৱে সমালোচনা কৰিছে বুলি ক'লে বোধহয় ভুল কোৱা নহ'ব। কোঁৱৰৰ হঠকাৰী বিদ্ৰোহ আৰু ৰক্ষণশীল মানসিকতা---এই দুটা বৈশিষ্ট্যই পুনৰ মধ্যবিত্তৰ কথা সোঁৱৰাই দিয়ে--সেই বৈশিষ্ট্য দুটাক জ্যোতিপ্ৰসাদে জানো নিৰ্বিচাৰে সমৰ্থন কৰিছে? তদুপৰি কোঁৱৰক জ্যোতিপ্ৰসাদৰ মুখপাত্ৰ বুলি মানি ললে তেওঁৰ নাৰী-বিদ্বেষী মতবাদক জ্যোতিপ্ৰসাদৰ চিন্তা বুলিয়েই ধৰি লব লাগিব। জ্যোতিপ্ৰসাদৰ উদাৰ মানৱতাবাদী জীৱনদৰ্শনৰ লগত সামান্যতম পৰিচয় থকা মানুহেও কিন্তু এই ব্যাখ্যাৰ লগত একমত হ'ব নোৱাৰে। 'কাৰেঙৰ লিগিৰী'ৰ প্ৰথম অংকৰ প্ৰথম দৰ্শনতেই সুন্দৰ কোঁৱৰে এই অসুন্দৰ মন্তব্য কৰিছে, 'তিৰোতা আৰু খোঁচৰা ব্যাধি একে বস্তু। তাৰ এবাৰ সংস্পৰ্শত আহিলে সি তোমাক জুৰি ল'ব। সেই কাৰণে মুক্তি আৰু শান্তি প্ৰয়াসী মুনি ঋষি সকলে, আমাৰ ধৰ্মৰ বহু শাস্ত্ৰই কামিনী কাঞ্চন ত্যাগ কৰি তাক দূৰতে বিদূৰ কৰিবলৈ কৈছে।' ভাৰতীয় ধৰ্মাশ্ৰিত ঐতিহ্যৰ এই জীৱনবিমুখ, নাৰী-বিদ্বেষী মতবাদ জ্যোতিপ্ৰসাদে মানি লোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে। মনত হয়, সুন্দৰ কোঁৱৰৰ এই জীৱনদৰ্শনৰ প্ৰতি সমালোচনামূলক দৃষ্টিভংগী গ্ৰহণ কৰি জ্যোতি প্ৰসাদে পৰোক্ষভাৱে আমাৰ ধৰ্মীয় ঐতিহ্যৰ জীৱন বিমুখ ধাৰাটোক সমালোচনা কৰিছে। এই অনুমানৰ সপক্ষে ১৯৪৮ চনত ডিব্ৰুগড়ত তেওঁ দিয়া এটি অভিভাষণৰ পৰা এই কথাখিনি উদ্ধৃত কৰা যায়, '----------যদি যোগ সাধনা কৰি জিতেন্দ্ৰিয় হৈ মনটো পৰম শান্তিত ৰাখি বাস্তৱ জগতক এই সুন্দৰৰ প্ৰকাশক মায়া বুলি উৰাই দি হিমালয়ৰ গুহাত সোমাই থাকিল, তেন্তে এই বিশ্ব সংসাৰৰ মহাপ্ৰকাশত যোগ দি জীৱন ৰচনাৰ আনন্দৰ পৰা আঁতৰি থকাত তেজ-মঙহৰ মানুহৰ পৃথিৱীলৈ অহাৰ অৰ্থ কি? উল্লেখযোগ্য যে 'মুক্তি আৰু শান্তি প্ৰয়াসী মুনি ঋষিসকলৰ জীৱনবিমুখ ধৰ্মীয় দৰ্শন কোঁৱৰৰ 'মনঃপূত হৈছে' যদিও তেওঁ আত্মিক মুক্তি আৰু শান্তিৰ সন্ধানত এবাৰো ৰাজকীয় জীৱন ত্যাগ কৰাৰ কথা ভবা নাই। এই কথাই জানো চিকেন-অমলেট খাই খাই দেহবিচাৰৰ গীত গুণগুণাই থকা বহু ধাৰ্মিক মধ্যবিত্তৰ কথা সোঁৱৰাই নিদিয়ে?

'কাৰেঙৰ লিগিৰী'ত জ্যোতিপ্ৰসাদৰ সমালোচনামূলক দৃষ্টিৰ পৰা সামন্ততান্ত্ৰিক সমাজৰ অমানৱিক নাৰী-দমনমূলক নীতি-নিয়মবোৰৰ কথা বাদ পৰি যোৱা নাই। প্ৰথাগত বিবাহৰ অন্তঃসাৰশূণ্যতা আৰু যুক্তিহীনতাৰ কথা কওঁতে কাঞ্চনমতীয়ে কিছু সাৰুৱা কথা কৈছে: 'আমাৰ দেশৰ ছোৱালীয়ে যাকে ইচ্ছা----তাকে ভাল পাব পাৰে, কিন্তু যাকে ইচ্ছা তাকে বিয়া কৰাব নোৱাৰে।' পাছত কাঞ্চনমতীয়ে সামন্ততান্ত্ৰিক বিবাহপ্ৰথাৰ বাধ্যবাধকতাৰ যান্ত্ৰিকতা তথা বাহ্যিকতথা আৰু শাৰীৰিক



OKDSCD

সতীত্ব সম্পৰ্কীয় অস্বাভাৱিক অতিসচেতনতা সম্পৰ্কে বুদ্ধিদীপ্ত শ্লেষাত্মক ইংগিত কৰিছে, 'অন্তৰতম প্ৰদেশৰ বিষয়ে সমাজে যদিও নিৰ্দেশ দি থৈছে সি সঁচাকৈ পালি হৈছে নে নাই সমাজে তাক চাবলৈ চন্তৰী নপঠায়, কিন্তু বিবাহিতা তিৰোতাই বাহি নিয়মবোৰ ৰীতিমতে পালন কৰে নে নকৰে তাৰ কাৰণে সমাজে যথেষ্ট চোৰাংচোৱা থৈছে।' এইবোৰ উক্তিয়ে জ্যোতিপ্ৰসাদৰ গভীৰ, তীক্ষ্ণ আৰু সমালোচনাত্মক বাস্তৱ বোধৰ স্বাক্ষৰ বহন কৰে। হয়তো ওপৰ মহলাৰ শিক্ষিতা আৰু দৃঢ়চেতনা কাঞ্চ মতীৰ এই উক্তিবোৰৰ দ্বাৰা জ্যোতিপ্ৰসাদে এই আভাস দিব বিচাৰিছে যে আমা শিক্ষিত মধ্যবিত্ত নাৰীৰ এটা অংশই সামন্ততান্ত্ৰিক নৈতিকতাৰ শ্বাসৰোধকাৰী বৃত্ত ভা ওলাই আহিবলৈ ইচ্ছা কৰিছে। এই সুযোগতে অৱশ্যে এটা গুৰুত্বপূৰ্ণ আৰু প্ৰাসং গিক কথা উল্লেখ কৰা উচিত হ'ব। শেৱালীৰ প্ৰেম গভীৰ আৰু সুন্দৰ ঃ তেওঁ অনুভূতিৰ স্বতঃস্ফুৰ্ত স্থায়ীত্ব আছে, নিঃচৰ্ত আত্মনিবেদন আৰু আনুগত্যৰ মানবি দীপ্তিৰে উজ্বল তেওঁৰ প্ৰেম। অৱশ্যে দুস্তৰ শ্ৰেণী-ব্যৱধানৰ বাবে তেওঁৰ এ প্ৰেম অব্যক্ত ; সুন্দৰ কোঁৱৰক পাবলৈ তেওঁ আশা নকৰে, 'জোনটোক যেনেকৈ মানুহ ভাল পায়, কিন্তু তাক পাবলৈ আকাংক্ষা নকৰে।' কিন্তু এই গভীৰতা আত্মিক সৌন্দ আৰু বাস্তৱ-বুদ্ধি থকা সত্বেও শেৱালীক বৰ বেছি দুৰ্বল আপোছকামী, নিষ্ক্ৰিয় আৰু অনুগত বুলি ভবাৰ যথেষ্ট থল আছে। তেওঁ যেন আদৰ্শ হিন্দু নাৰীৰ মূৰ্ত প্ৰতীক হয়তো 'কাৰেঙৰ লিগিৰী'ৰ কাহিনীৰ পটভূমিত তেওঁক সক্ৰিয় আৰু ইতিবাচক কৰাৰ সম্ভাৱনা নাই। হয়তো নিঃচৰ্ত আনুগত্যৰ চৰম স্বাক্ষৰ হিচাপে তেওঁৰ আত্ম বলিদানৰ দ্বাৰা জ্যোতিপ্ৰসাদে কোঁৱৰৰ আত্মোপলব্ধি ঘটাব বিচাৰিছে। হয়তো শেৱা- লীৰ মাজেৰে জ্যোতিপ্ৰসাদে প্ৰকাশ কৰিব বিচাৰিছে বহুজন পূজ্য ভাৰতীয় নাৰীৰ অবিশ্বাস্য 'মহত্ব' জ্যোতিপ্ৰসাদৰ 'অসমীয়া ছোৱালীৰ উক্তি' নামৰ কবিতাটোত শেৱা- লীৰ বিষয়ে থকা উল্লেখ এই প্ৰসংগত বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। কবিতাটোত আছে: 'ময়েই 'শেৱালী' / কাৰেঙৰ লিগিৰী / সেৱাতেই নিমগন, / সুন্দৰৰ মই / চিৰসেৱা- তেই / অপিছো মন প্ৰাণ।' এই শাৰী কেইটাই এই কথা অনুমান কৰিবলৈ বাধ্য কৰায় যে জ্যোতিপ্ৰসাদে সামন্ততান্ত্ৰিক নীতি-নিয়মৰ লগত আপোছ কৰা লিগিৰী শেৱালীৰ একপক্ষীয় সেৱা আৰু আনুগত্যৰ মানসিকতাক আদৰ্শায়িত কৰিবলৈ যত্ন কৰিছে। এই দুৰ্বলতাৰ কাৰণ কি ? ঐতিহ্যানুগত্য, পুৰুষ-প্ৰধান প্ৰমূল্যৰ পৰোক্ষ কুপ্ৰভাৱ কিম্বা অন্তৰ-সংস্কৃতিৰ প্ৰতি থকা জ্যোতিপ্ৰসাদৰ অত্যাধিক আকৰ্ষণ নিশ্চয় এই দুৰ্বলতাৰ বাবে কম বেছি পৰিমাণে দায়ী। কিন্তু ইয়াতেই তেওঁৰ দুৰ্বলতাৰ এই ব্যাখ্যা শেষ নহয়। জ্যোতিপ্ৰসাদৰ চিন্তা ধাৰাৰ ওপৰত গান্ধীবাদৰ সুগভীৰ প্ৰভাৱৰ কথা আমি সকলোৱে জানো। গান্ধীয়ে নাৰীক ত্যাগৰ প্ৰতিমূৰ্তি বুলিছে, তেওঁলোকৰ নীৰৱ সহিষ্ণু তাক প্ৰশংসা কৰিছে। এই ধৰণৰ প্ৰশংসাই আচলতে নাৰীৰ সহ্য-শক্তি বঢ়ায় আৰু পুৰুষ-প্ৰধান ভাৱাদৰ্শৰ ধূৰ্ত চেহেৰা ঢাকি ৰাখে। শেৱালীৰ প্ৰথানুমোদিত অন্তৰ- সংস্কৃতিৰ প্ৰতি জ্যোতিপ্ৰসাদৰ যি দুৰ্বলতা তাৰ বাবে তেওঁৰ ওপৰত থকা গান্ধী- বাদৰ প্ৰভাৱ জানো বহু পৰিমাণে দায়ী নহয় ? উল্লেখযোগ্য যে জ্যোতিপ্ৰসাদৰ ওপৰত গান্ধীবাদৰ প্ৰভাৱ ব্যাপক আৰু গভীৰ হলেও সি সৰ্বগ্ৰাসী নহয়। হিন্দু নাৰীৰ নীৰৱ সহিষ্ণুতা, আপোছপন্থী নিষ্ক্ৰিয়তা আৰু সেৱা সৰ্বস্ব মানসিকতাৰে জ্যোতিপ্ৰসাদ সন্তুষ্ট থাকিব পৰা নাই। তাৰ উজ্বলতম প্ৰমাণ 'লভিতা'। অন্তৰ- সংস্কৃতিৰ অধিকাৰী শেৱালী যেন এইবাৰ বহিঃসংস্কৃতিৰ ৰূপান্তৰৰ বাবে সক্ৰিয় হৈ উঠিল ঃ লভিতা যেন শেৱালীৰ পৰিপূৰক, শেৱালীৰেই অন্য এটা ৰূপ। লবণ- আন্দোলনৰ দৰে এটা অহিংস আন্দোলনতো, প্ৰথম অৱস্থাত, গান্ধীয়ে নাৰীক সেই আন্দোলনত যোগ দিবলৈ অনুমতি দিব বিচৰা নাছিল। 'লভিতা'ত কিন্তু জ্যোতিপ্ৰসাদে সাম্ৰাজ্যবাদ-বিৰোধী অহিংস সংগ্ৰামত আগশাৰীত থিয় কৰাই দিছে এগৰাকী সাধাৰণ, সাহসী গাৱঁলীয়া গাভৰুক। তাৰ মানে, 'লভিতা'ত জ্যোতিপ্ৰসাদে গান্ধীবাদৰ বিৰুদ্ধে দ্বৈত অপৰাধত দোষী ঃ অকল সহিংস মুক্তি-যুদ্ধৰ প্ৰতি সমৰ্থনেই নহয়, জ্যোতিপ্ৰসাদে এগৰাকী নাৰীক সহিংস মুক্তি-যুদ্ধৰ আগশাৰীত প্ৰতিষ্ঠা কৰিছে—যি নাৰী, গান্ধীৰ দৃষ্টিত, অহিংসাৰ মূৰ্ত প্ৰতীক। +++

---


নতুন বছৰৰ ওলগ আৰু শুভেচ্ছা জনাই
নতুন প্ৰকাশনে আগবঢ়াইছে
বিশিষ্ট ৰচনাশৈলীৰ অধিকাৰী
কথাসাহিত্যিক

মেদিনী চৌধুৰীৰ
নৱতম উপন্যাস

তাত নদী নাছিল
( মূল্য ২০'০০ টকা )

অৰণ্য আদিম
( মূল্য ৫'০০ টকা )

( আগধন নপঠালে অৰ্ডাৰ পঠোৱা নহয় )

নতুন প্ৰকাশন ॥ মাৰফৎ হেমকোষ প্ৰিণ্টাৰ্ছ ॥ শিলপুখুৰী,
গুৱাহাটী-৭৮১০০৩

---

শ্ৰীভাৱ একালৰ সহকৰ্মী, সহযোদ্ধা আৰু সহযাত্ৰী
তিলক দাসৰ
কলমৰ পৰা ওলোৱা উপন্যাসোপম জীৱনী গ্ৰন্থ

বিষ্ণু ৰাভা, এতিয়া কিমান ৰাতি
( মূল্য বাৰ টকা মাথোন )
প্ৰকাশ হ'ল

গুৱাহাটী বুক ষ্টল
শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩, দিছপুৰ, গুৱাহাটী-৭৮১০০৬

# শিল্প প্ৰসংগ/

## ভিন্ ছেণ্ট ভেন্ গগ্ ঃ সাধাৰণ মানুহৰ ছবি অঁকা এজন অসাধাৰণ শিল্পী

—নীলপৱন বৰুৱা

তিক্ততাৰে পৰিপূৰ্ণ এক জীৱন্। যি জীৱন ব্যৰ্থতা, অৱজ্ঞা, দুখ আৰু দৰিদ্ৰতাৰে পূৰ্ণ। তিক্ততা আৰু ব্যৰ্থতাৰ আঁৰত সদায় গতিশীল আৰু প্ৰচণ্ড আশাই ভেন্ গগক সৃষ্টিমুখী কৰিছিল ---গঢ়ি তুলিছিল এজন আশাৰ সৌধ গঢ়া মৃত্যুহীন শিল্পীক।

জীৱন আছিল বিৰক্তিকৰ। তিক্ততা আৰু ব্যৰ্থতাৰ অলংঘ্য পাহাৰ। য'তেই হাত দিছে, ত'তেই অমৃত বিষ হৈ গৈছে। আশাৰ মৰিচীকা খেদি বিফল হৈছে বাৰে বাৰে। প্ৰেম, ভালপোৱা জীৱনৰ জঞ্জালত পৰিণত হৈছে। বাৰে বাৰে প্ৰত্যাখান, বাৰে বাৰে অপমান, এখানি ভাল পোৱাৰ কঙাল ভিন্ ছেণ্ট। নিজৰ হাত পুৰি জ্বলাই দিছে, তথাপিও কোনো গাভৰুৰ এখানমানো মৰম নাপালে। বাৰে বাৰে জীৱিকাৰ পথ সলনি, বাৰে বাৰে জ্ঞান অৰ্জনৰ গতি সলনি---ক'তো তেওঁ বিচৰা বস্তুৱে ধৰা নিদিয়ে, সকলো যেন দূৰলৈ আঁতৰি যায়। অৱশেষত জীৱনৰ সেই চিৰন্তন সোণালী পথত ভৰি দিলে। হাতত ৰং আৰু তুলিকা লৈ ভিনছেণ্ট গগ্ নামি আহিল শিল্পীৰ পথলৈ আৰু প্ৰাণৰ সকলো ঢালি দি সেই পথ সাবটি ধৰি জীৱনৰ শেষ দিন পৰ্যন্ত কলিজাৰ কেচাতেজ ঢালি সেই পথৰ ধূলি ৰঞ্জিত কৰি গ'ল। এই পথ অসীম কণ্টৰ, এই পথ প্ৰগাঢ় ভালপোৱাৰ। এই পথে কণ্ট দিয়ে, কন্দুৱাই কিন্তু ফাঁকি নিদিয়ে। একমাত্ৰ নিজৰ ভাই থিয়'ৰ বাহিৰে পৃথিৱীত ভিন্ ছেণ্টৰ মনৰ ভাৰ বৰলৈ আৰু কোনো নাছিল। তিক্ততাৰ গৰল পান কৰি নীলা হৈ যোৱা মনে অৱশেষত মৰমৰ ভায়েকৰ বোজা হৈ থাকিবলৈ অমান্তি হৈ বুলেটৰ কঠিন আঘাতেৰে বুকুৰ তেজ বোৱাই আত্মঘাতী হ'ল। গোটেই জীৱন গড়লকে পান কৰিলে। বিষময় হৈ উঠিল শৰীৰ। কিন্তু মন? ভিন্ ছেণ্টৰ মন আছিল বিষমুক্ত। গড়ল মথি মথি উদঘাটন কৰিছিলে অমৃত আৰু সেই অমৃত পান কৰি আজি হাজাৰ হাজাৰ ৰসগ্ৰাহীয়ে জীৱন ধন্য কৰিছে।

আশা, ভালপোৱা আৰু উজ্জ্বলতাৰে ভৰা ভিন্ ছেণ্টৰ কেনভাছ্। জীৱনৰ তিক্ততাৰ চাপ তাত নাই, আছে আশাৰ--আছে সহৃদয়তাৰ, সাধুতাৰ প্ৰতিচ্ছবি। তেওঁৰ প্ৰতিখন ছবিত আশাৰ ৰেঙনি ফুটি উঠিছে সূৰ্যমুখী ফুল হৈ। তেওঁ অঁকা পথাৰৰ



মাজৰ কলম দিয়া গছবোৰে যেনেকৈ এডাল গা-গছৰ ঠাইত দহডাল নতুন শাখাৰে অস্তিত্বৰ প্ৰকাশ কৰিছে সেইদৰে য'তে তেওঁ ক্লান্ত হোৱাৰ কথা তাত আৰু প্ৰচণ্ড গতিৰে জীৱনক জোকাৰি গৈছে।

কি আছে ভিন্ ছেণ্ট ভেন্ গগৰ ছবিত ?--প্ৰথমছোৱাত আছে অপটুহাতৰ কিছুমান ৰেখাচিত্ৰ -- মানুহ--গছ-গছনি আদি। পিছৰছোৱাত আছে কিছুমান তুলিৰ আঘাতে আঘাতে ক্ষত-বিক্ষত কেন্ভাছ। কিন্তু অপৈনত হাতত আৰু সীমিত তুলিৰ আঘাতত প্ৰকাশ পাইছে জীৱনৰ ছবি--জীৱনৰ গতিবেগ--জীৱনৰ লালসা, ভালপোৱা, জিজ্ঞাসা আৰু গভীৰতা। আৰু প্ৰকাশ পাইছে এটা অদম্য মনৰ। অনলস চৰ্চা, ফঁহিয়াই ৰখলিয়াই আঁজুৰি-পিজৰি চোৱাৰ নিদৰ্শন। এখন ছবি 'পটেটো' ইটাৰ'—অনুজ্বল পোহৰত এটা পৰিয়ালে কষ্টেৰে উপাৰ্জন কৰি অনা আলু পৰম তৃপ্তিৰে ভক্ষণ কৰিছে--তাৰ যেন প্ৰতিচ্ছবি। এই ছবিত মাটি আৰু মানুহ অভিন্ন। ইয়াত টেবুলত আলুৰ আহাৰ খাই থকা এটা পৰিয়াল চিত্ৰিত কৰা হৈছে। কিন্তু ইয়াত আপুনি লক্ষ্য কৰিলে সেই পৰিয়ালটোৰ জীৱনৰ সকলো আশা-আকাংক্ষা আৰু জীৱনৰ যুদ্ধ একেলগে দেখিবলৈ পাব। এই ছবিত আপুনি একেলগে আহাৰ খাই থকা এটা পৰিয়াল--আলুতলিত আলু ৰোৱা, আলুতোলাৰ দৃশ্য দেখিবলৈ পাব। দেখিবলৈ পাব ৰ'দ-বৰষুণত ঘামি-তিতি আলু ৰুই থকা আৰু আলু তুলি থকাৰ দৃশ্য। পৃথিৱীৰ বুৰঞ্জীত এনে এখন চিত্ৰ পোৱা বৰ কঠিন।

ভিন্ ছেণ্ট নিজৰ ছবিত ইমান মগ্ন হৈ পৰিছিল, ইমান বিলীন হৈ গৈছিল যে—আঁকোতা আৰু অঁকাৰ বিষয়বস্তুৰ মাজত সামান্যতমো ভিন্নতা নাছিল। সেয়ে আমি ভিন্ ছেণ্টৰ এখন ছবি চালে তাত ভিন্ ছেণ্টৰ উপস্থিতি আৰু আনকি নিজৰে উপস্থিতি অনুভৱ কৰোঁ। মই নিজে যেতিয়া ভিন্ ছেণ্ট গগ্ ৰ ছবিৰ কিতাপৰ পাত লুটিয়াই যাওঁ প্ৰতিটো পৃষ্ঠা চাওঁ তেতিয়া যেন মই ভেন্ গ্ গৰ পিছে পিছে সোঁশৰীৰে গৈ আছো! য'তে ছবি আঁকিছে ত'তে মই ৰৈছোঁ, য'তে জিৰাইছে মইও জিৰাইছোঁ। আচলতে ভেন্ গগে যিহৰে ছবি আঁকিছিল সেই আটাইবোৰ বিষয়বস্তুৱেই আছিল আমাৰ দৈনন্দিন জীৱনৰ কাম-কাজ ঘাত-প্ৰতিঘাতৰ। সেইকাৰণেই এই ছবি আমাৰ প্ৰিয়, আমাৰ চিনাকি চিনাকি আপোন। আমি তাত আমাক বিচাৰি পাওঁ। এই চিনাকি চিনাকি ভাব, সাধাৰণ মানুহৰ সহজ ব্যথাৰ প্ৰতিচ্ছবি আদি সাধাৰণ ছবিয়েই অসাধাৰণ কৰিছে ভেন্ গগক। 'মিলে', 'কু ৰবে' আদি বিখ্যাত শিল্পীসকল আছিল ভেন্-গগৰ প্ৰিয়শিল্পী। তেওঁলোকৰ পথাৰত কাম কৰা কৃষকৰ ছবি--শিলভঙা শ্ৰমিকৰ ছবি আদিয়ে ভেন্ গগক অনুপ্ৰাণিত কৰিছিল।

ভেন্ গগৰ ছবিয়ে দেশকালৰ সীমা চেৰাই গৈ বিশ্বৰ সকলো মানুহৰে সমবেদনা—আদৰ সমাদৰ পাইছে। ইয়াৰ মূলতে হ'ল ভিন্ ছেণ্টৰ ছবিত 'খেতিৰ পথাৰ', 'কয়লাখনিৰ বনুৱা' আদি আমাৰ চিনাকী জীৱনৰ প্ৰতিচ্ছবি ফুটি উঠে। এই বাবেই ভিন্ ছেণ্ট ভেন্ গগৰ নাম ইমান পৰিচিত—ইমান আপোন। +++

# সাক্ষাৎকাৰ

(ডিব্ৰুগড়ৰ শ্ৰীনগেন কাকতিয়ে এটা সময়ত জ্যোতিপ্ৰসাদ আগৰৱালাৰ ঘনিষ্ঠ সান্নিধ্যত থকাৰ সুযোগ পাইছিল। অসমৰ বিভিন্ন ঠাইত জ্যোতি-প্ৰসাদক ঘনিষ্ঠভাৱে পোৱা বহুলোক আছে যিসকলৰ পৰা আমি বহু নতুন আৰু গুৰুত্বপূৰ্ণ তথ্য পাব পাৰোঁ। শ্ৰীকাকতিৰ এই চমু সাক্ষাৎ-কাৰটোত জ্যোতিপ্ৰসাদৰ চিন্তাৰ বিবৰ্তন সম্পৰ্কে কিছু দৰকাৰী কথা আছে। এই ধৰণৰ প্ৰচেষ্টাক আমি সদায়েই উৎসাহ দিবলৈ প্ৰস্তুত। ‘সাম্প্ৰতিক সাময়িকী’ৰ হৈ সাক্ষাৎকাৰটো ডিব্ৰুগড়ৰ সাংস্কৃতিক কৰ্মী লক্ষ্যধৰ কলিতা, প্ৰভাত বৰুৱা আৰু দ্বীপেন কাকতিয়ে লৈছে।

—সম্পাদক, সাঃ সাঃ)

সাম্প্ৰতিক সাময়িকী—জ্যোতিপ্ৰসাদৰ লগত আপোনাৰ প্ৰথম পৰিচয় কেতিয়া আৰু কেনেকৈ হয়?

নগেন কাকতি—জ্যোতিপ্ৰসাদ আমাৰ পৰিয়ালৰ ঘনিষ্ঠ আত্মীয় আছিল; সেয়ে পৰিচয় ল’ৰালি কালৰে পৰা।

সাঃ সাঃ—জীৱনৰ শেষৰ ফাললৈ তেওঁৰ ৰাজনৈতিক তথা সাংস্কৃতিক চিন্তালৈ কি পৰিবৰ্তন আহিছিল? এই পৰিবৰ্তনৰ কাৰণ কি? নালীয়াপুলৰ ঘটনা সম্পৰ্কত জ্যোতিপ্ৰসাদৰ ভূমিকা কেনেধৰণৰ আছিল? জ্যোতিপ্ৰসাদৰ জীৱনৰ স্মৰণীয় দুই এটা ঘটনা সম্পৰ্কে কিছু জনাবনে?

নঃ কাঃ—অসমত ক্ৰমবৰ্ধমান শ্ৰমিক-কৃষক আন্দোলনৰ অগ্ৰগতি, লগে লগে সমস্যা সমাধানৰ ক্ষেত্ৰত কংগ্ৰেছ চৰকাৰৰ অপাৰগতা—মাৰ্ক্সবাদী চিন্তা-ভাবনাৰ প্ৰচাৰ, বিশ্বৰ সমাজতান্ত্ৰিক দুনীয়াৰ অগ্ৰগতি আদি নানান কাৰণত জ্যোতিপ্ৰসাদৰ শিল্পীমন জীৱনৰ শেষৰ ফালে শ্ৰমিক শ্ৰেণীৰ বিপ্লৱী তত্ত্ব আৰু সমাজতন্ত্ৰৰ অভিমুখে ধাবিত হৈছিল। তাৰে পৰিণতি হিচাবে সেই সময়ত অন্ধ কমিউনিষ্ট বিদ্বেষৰ দ্বাৰা কলু-ষিত অসমৰ বায়ুমণ্ডলৰ মাজতো গণনাট্য আন্দোলনৰ বিৰুদ্ধে নানাজনৰ কুৎসামূলক প্ৰচাৰ আওকাণ কৰিও ভগ্ন স্বাস্থ্য লৈও সোঁ-শৰীৰে গণনাট্যৰ মন্দিৰত থিয় হৈছিল।

নালীয়াপুলত হোৱা অসমৰ প্ৰথম প্ৰাদেশিক শান্তি সন্মিলন আৰু দ্বিতীয় প্ৰাদে-শিক গণনাট্য সন্মিলনৰ সভাপতি হিচাপে তেওঁ নালীয়াপুলৰ সন্মিলন তোড়ণৰ সন্মুখত উপস্থিত হয়হি আৰু পুলিছে বাধা দিয়াত তেখেত উভতি যাবলৈ বাধ্য হৈছিল।

পলিছৰ অবৰ্ণনীয় অন্যায়-অত্যাচাৰৰ প্ৰতিবাদত তেখেতে বিবৃতি প্ৰদান কৰিছিল কিন্তু উক্ত বিবৃতি বাতৰি কাকতলৈ পঠোৱাৰ পাছতো অসমৰ এখনো বাতৰি কাকতে প্ৰকাশ নকৰিলে। এই কথা ব্যক্তিগতভাৱেও তেখেতে মোৰ আগত ব্যক্ত কৰিছিল।*

* এই সংখ্যাৰ স্থানান্তৰত এই বিবৃতি আমি প্ৰকাশ কৰিছোঁ। সম্পাদক- সাঃ সাঃ



সমগ্ৰ পুলিছ বাহিনীৰে পৰিবেষ্টিত অসমৰ প্ৰথম প্ৰাদেশিক শান্তি আৰু গণনাট্য সন্মিলনৰ সভাপতি হিচাপে সন্মিলন তোড়ণৰ পদূলিত থিয় হৈ যেতিয়া তেখেতে দেখিছিল যে—মণ্ডপলৈ সোমোৱাত তেখেতক বাধা দিছে আৰু উভতি যাবলৈ তেখে-তক বাধ্য কৰোৱা হৈছে; হয়তো---সেইটোৱেই বোধকৰোঁ জ্যোতিপ্ৰসাদৰ জীৱনৰ এটা স্মৰণীয় দিন। কিয়নো তেখেতক কেইদিনমানৰ পিছতে মই এদিন গভীৰ ৰাতি লগ ধৰি আলোচনা কৰোতে তেখেতে সকলো কথা জনাৰ যি ব্যাকুলতা আৰু উৎকণ্ঠা প্ৰকাশ কৰিছিল, তাত মই নিজে অভিভূত হৈ পৰিছিলো। এই ঘটনা মোৰ জীৱনৰ এটি স্মৰণীয় ঘটনা---বোধহয় তেখেতৰো।

সাঃ সাঃ—জ্যোতিপ্ৰসাদে সম্পূৰ্ণৰূপে গান্ধীবাদ গ্ৰহণ কৰিব পাৰিছিলনে?

নঃ কাঃ—তেখেতক মই দুখন কিতাপ দিছিলো। ইংলেণ্ডৰ মাৰ্ক্সবাদী ফেছিষ্ট বিৰোধী লেখক Christopher Coudwellৰ —“Illusion and Reality” আৰু —“Studies in a dying Culture.”---তেখেতে এই দুখন অধ্যয়ন কৰাৰ পিছত এদিন মোক কৈছিল যে---তেখেতক কিতাপ দুখনে গভীৰভাৱে প্ৰভাবিত কৰিছে। আৰু কিতাপ দুখন তেখেতে নিজৰ হাততে ৰাখিব বিচাৰিলে।

তেখেতে “হিংস্ৰ প্ৰতিক্ৰিয়াক” প্ৰতিৰোধ কৰাতে বেছি জোৰ দিছিল। ’৪২ৰ গণ আন্দোলনৰ অভিজ্ঞতাৰ পৰাও হয়তো শিক্ষালাভ কৰিছিল। ইতিহাসৰ চালিকা শক্তি হিচাপে শ্ৰেণীসংগ্ৰামত তেখেতৰ যেতিয়া লাহে লাহে বিশ্বাস জন্মিছিল তেতিয়া তেখেতে যে ‘গান্ধী-বাদ’ক সম্পূৰ্ণৰূপে বিশ্বাস কৰিছিল সেইটো কোৱা টান।

শ্ৰমিক মালিকৰ অবধাৰিত যি শ্ৰেণী সংঘৰ্ষ তাত ক্ষয়িষ্ণু বুৰ্জোৱা আদৰ্শৰ পৰা তেখেত আঁতৰি আহিছিল। কিন্তু পুঁজিবাদী ব্যৱস্থাটোত মালিক শ্ৰেণীৰ এজন ব্যক্তি হৈও তেখেতে সেই ব্যৱস্থাটোৰ ধ্বংস কামনা কৰিছিল। ভগ্নস্বাস্থ্য আৰু নানান কাৰণত হয়তো তেখেতে উক্ত শ্ৰেণীটোৰ শোষণ উৎপীড়ণৰ প্ৰতিবাদ কৰিলেও ওলাই আহিব নোৱাৰিলে। এয়ে আছিল জ্যোতিপ্ৰসাদৰ ট্ৰেজিক সংঘাত। তেখেতৰ শিল্পী মনটোৱে “টলষ্টয়বাদ” বা “মানবতাবাদ” অতিক্ৰম কৰি বিপ্লৱী মতবাদ “মাৰ্ক্সবাদ”ৰ চিন্তাভাবনাৰ দুৱাৰ ডলিত থিয় হৈছিল। সেয়ে হয়তো তেখেতে গণনাট্য আন্দোলনৰ কাৰণে লিখা গীতত সাধাৰণ মাটিহীন কৃষকৰ কণ্ঠস্বৰ শুনিবলৈ পাওঁ। ‘একঠা মাটি মই উপজিয়েই পাওঁ, এই মাটি মোৰ অধিকাৰ। মোৰ দেশ, মোৰ মাটি আজি কিয় তাকো নাপাওঁ। কালৰ মুতি ধৰি শতৰু মূৰত আকাশৰ সৰগ পেলাওক’ (ঐ আমাৰ গাওঁ)।

সাঃ সাঃ—বৰ্তমান অসম তথা ভাৰতৰ সামাজিক ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কে আপোনাৰ মতামত কি?

নঃ কাঃ—বিশ্ব পুঁজিবাদৰ ক্ৰমবৰ্ধমান সংকট আৰু সমাজতান্ত্ৰিক দুনীয়াৰ অভূত-পূৰ্ব অগ্ৰগতিৰ বিশ্ব পটভূমিত ভাৰত তথা অসমৰ পৰিস্থিতি বিচাৰ কৰিলে দেখা যায় যে, ভাৰতৰ একচেতীয়া পুঁজিপতিয়ে আৰু সামন্তগোষ্ঠীয়ে তাৰ শ্ৰেণী স্বাৰ্থৰ ফালৰ পৰাই কংগ্ৰেছ আৰু জনতা উভয়কে বুৰ্জোৱা প্ৰশাসন আৰু ভাৰতত পুঁজিবাদ ৰক্ষাৰ কাৰণে নিৰ্ভৰ কৰিছে আৰু কৰি থাকিব। এই কাম কংগ্ৰেছ চৰকাৰেও কৰিছিল আৰু বৰ্তমান জনতা চৰকাৰে কৰি আছে আৰু কৰিও থাকিব।

সেয়ে কংগ্ৰেছ চৰকাৰে, অসমৰ ক্ষেত্ৰত যদি চোৱা যায়, ৰাজ্যখনৰ ৰাজনৈতিক ক্ষেত্ৰত যিকোনো মৌলিক আৰ্থসামাজিক পৰিবৰ্তন সাধন কৰিব নোৱাৰিলে আৰু নোৱা-

ৰৈও। কিন্তু কংগ্ৰেছৰ বিকল্প হিচাবে জনতা চৰকাৰেও কোনো মৌলিক সমস্যা সমাধান কৰা নাই আৰু কৰিবও নোৱাৰে। বুৰ্জোৱা নেতৃত্বৰ অক্ষমতা আৰু তেওঁলোকৰ সম্পূৰ্ণ দেউলীয়া অবস্থা যোৱা জৰুৰীকালীন অৱস্থাৰ কালছোৱাৰ মাজত হোৱা ঘটনা সমূহৰ পৰাই জলজল পটপটকৈ ধৰা পৰিছে। বৰ্তমানেও জনতা চৰকাৰৰ আমোলত তাৰে পুনৰাবৃত্তি হ'ব ধৰিছে আৰু তাৰ প্ৰকৃত স্বৰূপ জনসাধাৰণৰ সন্মুখত দিনে উদ্‌ঘাটন হ'ব ধৰিছে। আনহাতে বৰ্তমানৰ এই জটিল পৰিস্থিতিত জনসাধাৰণৰ মনোভাব ক্ৰমান্বয়ে সংগ্ৰামমুখী হ'বলৈ আৰম্ভ কৰিছে। তেওঁলোকৰ চেতনা দিনক দিনে বাঢ়িছে। সমাজৰ বিভিন্ন অংশ সংগঠিত হৈছে আৰু সংগ্ৰামৰ মৈদানত থিয় হৈছে।

এনে পৰিস্থিতিত কংগ্ৰেছ আৰু জনতাৰ এক তৃতীয় বিকল্প শক্তিৰ অভাব ভাৰত তথা অসমত পৰিলক্ষিত হৈছে। এই তৃতীয় বিকল্প শক্তিৰ মূল লক্ষ্য হ'ব লাগিব বৈজ্ঞানিক সমাজতন্ত্ৰবাদ, যাৰ প্ৰতিষ্ঠাৰ জৰিয়তে সমগ্ৰ জনসাধাৰণ আৰু জাতিৰ মৌলিক সমস্যাবোৰ সমাধান কৰিব পৰা যাব। এনে এটা তৃতীয় বিকল্প শক্তি, সংগঠিত বামপন্থী দল আৰু অথবা গণতান্ত্ৰিক শক্তি ভাৰত তথা অসমত ঐক্যবদ্ধভাৱে গঢ়ি উঠাটো ইতিহাসে দাবী কৰিছে। এই বিকল্প শক্তি গঢ়ি উঠাৰ সম্ভাৱনাও অভাৱনীয়ভাৱে বাস্তৱ পৰিস্থিতিয়ে আনি দিছে। এনে পৰিস্থিতিত বামপন্থীদল আৰু অবামপন্থী গণতান্ত্ৰিক শক্তিসমূহে (আনকি কংগ্ৰেছ আৰু জনতাৰ মাজতো থকা) জনসাধাৰণৰ সমস্যাসমূহৰ আশু সমাধান আৰু জাতিৰ অগ্ৰগতিৰ ক্ষেত্ৰত ঐতিহাসিক ভূমিকা লোৱাৰ আহ্বান কৰিছে। এই ভূমিকা গ্ৰহণ কৰাৰ সুযোগ তেওঁলোকে লব নোৱাৰিলে ইতিহাসে তেওঁলোকক ক্ষমা নকৰিব। +++


এইবাৰ প্ৰলয়ংকৰী বানে—

দেশত যি অপূৰণীয় ক্ষতি কৰিলে সেই ক্ষতি আংশিক ভাবে পূৰণ কৰিবলৈ ৰবি শস্যৰ বতৰত অধিক পৰিমাণে উন্নত প্ৰণালীত খেতি কৰি দেশৰ প্ৰাচুৰ্য্য বঢ়াওক, আৰু নিজৰ অভাব অনাটন দূৰ কৰক। ☐ অধিক উৎপাদনক্ষম ঘেহু, সোনালিকা, জনক। ☐ উন্নত জাতৰ বৰো ১, বৰো ২, চীনা ৬৩। ☐ অধিক উৎপাদনক্ষম আগতীয়া আহু পুচা ২-২১, কলিঙ্গ ২, কাবেৰী, কৃষ্ণা। ☐ অধিক উৎপাদনক্ষম আলু ক্ৰুফ্ৰী চন্দ্ৰমুখী, ক্ৰুফ্ৰীজ্যোতি, আপটুডেট আৰু ক্ৰুফ্ৰী কুন্দন। ☐ উন্নত জাতৰ মাহ, মটৰ মাহ টি ১৫৩ ; মগু মাহ টি ৪৪, মাটিমাহ টি ১২২, টি ২৭ ☐ মচুৰ মাহ বি ৭৭, এল ১-১২ ☐ উন্নত জাতৰ সৰিয়হ এম ২৭ ☐ অধিক উৎপাদনক্ষম গোমধান গঙ্গা ১০১, গঙ্গা ৫ আৰু ☐ বিভিন্ন উন্নত জাতৰ শীতকালীন শাক পাচলি—

**সবিশেষ জানিবলৈ হলে ওচৰৰ কৃষি বিষয়া, গ্ৰাম সেৱক নতুবা গাওঁ পঞ্চায়তৰ পৰা দিহা পৰামৰ্শ লওক॥**

অসম কৃষি বিভাগৰ তথ্য প্ৰচাৰ শাখাৰ দ্বাৰা প্ৰচাৰিত




# ৰসেশ্বৰ বহাজৰিকাৰ কলম

'আমাৰ প্ৰতিনিধি' আলোচনীৰ পাঠকসকল, বিশেষকৈ পাঠিকাসকলৰ মনোৰঞ্জনাৰ্থে ভালেমান দিন চিঠিপত্ৰৰ উত্তৰ দি অহাৰ পিছত হঠাৎ আমাৰ ল'ৰাৰ মাকে গৃহত জৰুৰীকালীন অবস্থা ঘোষণা কৰিলে। 'এইবোৰ কাম নাইকীয়া মানুহৰ কাম লেখা-মেলা বাদ দি দেশ-গঠনৰ কামত জপিয়াই পৰিবলৈ' হুকুম দিলে। হুকুম শিৰোধাৰ্য কৰি কলম দলিয়াই দি জপিয়াই পৰিবলৈ সাজু হ'লো। কিন্তু জাপ মাৰিম ক'ত ? হঠাৎ চকু পৰিল ওচৰৰ বস্তিখনত। লগে লগে ভাব আহিল---বস্তিৰ নিৰক্ষৰ অশিক্ষিত গ্ৰাম্য নীচকুলৰ আবৰ্জনাস্বৰূপ মানুহবোৰক আঁতৰাই তাত থকা অসুন্দৰ ভঙা ছিঙা ঘৰবোৰ এফালৰ পৰা চাফা কৰি তাত সুন্দৰৰ পূজাৰী মোৰ ল'ৰাটোৰ হতুৱাই গোলাপ ফুলৰ গছ ৰুই দিম। গছ বাঢ়িব, ফুল ফুলিব, ফুল ছিঙি সুন্দৰৰ পূজাৰীসকলে নিজৰ কোটৰ বুটামত বা প্ৰিয়াৰ খোপাত গুজিব--সৃষ্টি হ'ব সুন্দৰৰ, সৃষ্টি হ'ব সুন্দৰ কাব্যৰ। আকৌ সেই ফুলেৰে আতৰ বনোৱা কাৰখানা বনাম, নাম হ'ব 'জনতা আতৰ', কম মূল্যত দেশৰ জনসাধাৰণে সুগন্ধৰ সোৱাদ পাব, এটা দেশীয় উদ্যোগ গঢ়ি উঠিব। ভবাৰ লগে লগে, কিবা টেলিপ্যাথীৰ জোৰতেই নেকি ইটোৰ পিছত সিটো খবৰ, ইটোৰ পিছত সিটো সাহায্য, মই আচলতে একোৱেই কৰিব নালাগে--- ৰুছিয়াই বচোৰাৰ পৰা নিয়া গোলাপ ফুলৰ গছ নিয়মিত যোগান ধৰিব-- পশ্চিম জাৰ্মানীয়ে দায়িত্ব লৈ ল'লে গছৰ গুৰিত দিয়া সাৰৰ--কাৰখানা আৰু যন্ত্ৰপাতিৰ বাবে আমেৰিকাতো সাজুৱেই। আৰু কত দেশৰ কত প্ৰস্তাব, কত সাহায্য ! মই দেখোন একোৱেই কৰিব নালাগে। মাথোন বস্তিখন বন্ধকত থৈ ধাৰৰ টকা-কেইটা আৰু তাৰ সূতকণ নিয়মিত দি থাকিব লাগিব। একো নকৰাকৈয়ে মই মালিক হৈ যাম। উৎসাহতে মাৰিলো জাপ বস্তিখনলৈ, পৰিলোগৈ এটা খালত, ভাগিল এটা ভৰি, অটোত উঠি পালোগৈ হস্পিতাল।

হস্পিতালৰ পৰা অহাৰ পিছত আকৌ ল'ৰাৰ মাকৰ জৰুৰীকালীন হুকুম--দেশৰ কামত জঁপিয়াই পৰা, সময় নাই বৈ থকাৰ। এইবাৰ মোৰ চকুৰ আগত ভাহি উঠিল ওচৰৰ গাঁওখন। বহুত মাটি আছে। বিৰাট উদ্যোগ গঢ়ি তুলিম। কি কৰিম ? এৰা, আমাৰ মানুহবোৰৰ অহা যোৱা কৰাত বৰ কষ্ট হৈছে, বাটপথ বেয়া, বহু ঠাইত বাটপথ নায়েই। ঠিক কথা, এৰোপ্লেন, উৰা জাহাজ বনাম। কম পইচাত দিম। দেশীয় মালেৰে কম পইচাত উৰাজাহাজ বনাম। মানুহে সেই উৰা জাহাজত উঠি অহা যোৱা কৰিব। কেনেকৈ বনাম ? আমাৰ ল'ৰাই দেখোন সদায় গুণাৰামৰ ছাইকেলৰ দোকানতে বহি থাকে। মাজে মাজে শুনিছো গুণাৰামক ইটো



OKDISCD

সিটো সহায়ো কৰি দিয়ে। ছাইকেলৰ মেৰামতি জানে যেতিয়া, তাক আমি সহায় কৰিলে সি উৰাজাহাজো তৈয়াৰ কৰিব পাৰিব। দেশৰ এনে উদোগী উৎসাহী ল'ৰা বোৰক আমি সহায় কৰিলেহে দেশ আগবাঢ়ি যাব।

আকৌ ভাব আহিল--গাঁওখনৰ খেতি-বাতি কৰি থকা মানুহখিনি আঁতৰাব লাগিব। দেশৰ বৃহত্তৰ স্বাৰ্থৰ বাবে গাঁৱৰ মানুহখিনিয়ে এইকণ ত্যাগ কৰিব নোৱাৰিলে সিহঁত মানুহ নামৰ অযোগ্য। সিহঁতৰ আপত্তি শুনিলে কাম নিসিজিব। মৃদু লাঠিচালনা, মৃদু-ধৰ্ষণ আদি কিছু মৃদুমধুৰ কাৰ্য চলোৱাৰ পিছত মাটিখিনি ওলাল। ল'ৰাৰ মাকে প্ৰগতিৰ অৰ্থে বেংকৰপৰা ধন যোগাব কৰিলে। বিৰাট কাৰখানাৰ চালি হৈ গ'ল। দেশীয় মাটি, দেশীয় মজুৰ, দেশীয় বস্তু-বাহানিৰেই সকলো হৈ গ'ল। এতিয়া অকল মাথোন উৰাজাহাজখন বনাব লাগে। মৰাশত শগুন পৰাদি আহিল ভালেমান দেশ। নট-বল্টুৰ পৰা আৰম্ভ কৰি বিমান-সেৱিকাসকলৰ বিশেষ প্ৰয়োজনীয় কাপোৰকণলৈকে তেওঁলোকে যোগাব কৰাৰ দায়িত্ব ল'লে। এতিয়া আমাৰ দেশৰ মানুহে মাথোন সাজু হ'ব লাগে 'জনতা উৰাজাহাজ'ত উঠাৰ বাবে।

প্ৰগতিশীল উত্তেজনাত অধীৰ হৈ আকৌ মাৰিলো জাপ সেই গাওঁখনলৈ। কত পৰিলো ক'ব নোৱাৰিলো।

চেতনা ঘূৰাই পাই চকু মেলি দেখো বিচনাত শুই আছো। কেকাই কেকাই ল'ৰাৰ মাকৰ মাত দিলো। ল'ৰাহে দৌৰি আহিল। জনালে খবৰ--মোৰ অজ্ঞানকালত বহুত কিবা কিবি হৈ গ'ল। ল'ৰাৰ মাকে মোৰ ওপৰত আশা ভৰষা এৰিলে। তেওঁ এতিয়া বেলেগে দল গোটাই দেশৰ কামত লাগিছে। দেশৰ কাম তেওঁ কৰিবই, কোনেও বাধা দিব নোৱাৰিব, জোৰকৈ হ'লেও দেশৰ কাম কৰিব।

উশাহ পালো। লাহে লাহে বিচনাত বহি দেখিলো ওচৰৰ টেবুলত মোৰ কলমটো। সেইটো হাতত ল'লো। 'সাম্প্ৰতিক সাময়িকী'ৰ সম্পাদক নিত্য বোপাই ক'লে ঃ ভাবি গুণি কি কৰিব! লেখাকে আৰম্ভ কৰক। ভাবিলো, আৰম্ভ কৰাই ভাল হ'ব।

OOOOO

ডিব্ৰুগড়ৰ 'বিজয় সংঘ'ৰ দ্বাৰা প্ৰচাৰিত এখন চিঠি আমাক উদ্দেশ্য কৰি পঠাইছে। চিঠিখন আমিও আমাৰ পঢ়ুৱৈক উদ্দেশ্য কৰি তলতে ছপালোঁ।

## জ্যোতিপ্ৰসাদ আগৰৱালাৰ (প্ৰাক্তন ৰূপকোঁৱৰ) এখন চিঠি

তাং ১৭-১-৭৮

মৰমৰ সাহিত্য-সংস্কৃতিৰ পূজাৰীসকল, বিশুদ্ধ আৰু থলুৱা বিভাগ,

নতুন বছৰৰ শুভেচ্ছা ল'ব। আজি মোৰ শ্ৰাদ্ধৰ দিনাখন ব্ৰহ্মপুৰাৰে পৰা উলহ মালহৰে চাকি-বাতি ধূপ-ধূনা জ্বলাই মোৰ পিণ্ডকণৰ দিহা কৰি আদৰ্শ হিন্দুপুত্ৰৰ



প্ৰাথমিক দায়িত্বখিনি পালন কৰাৰ উৎসাহ প্ৰদৰ্শন কৰাৰ বাবে আপোনালোকক মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। আপোনালোকৰ প্ৰতি এই কৃতজ্ঞতাবোধে আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ বৰ্তমান বৈশিষ্ট্যসমূহলৈ লক্ষ্য ৰাখি মই জীৱিত কালত কোৱা বেছিভাগ কথাকেই আকৌ নতুন দৃষ্টিভংগীৰে ভাবিবলৈ প্ৰেৰণা পাইছো। মানুহে ভুল কৰেই। গতিকে, বন্ধুবৃন্দ, মোৰ সেই ল'ৰামতীয়া ভুলবোৰৰ বাবে আপোনালোকে ক্ষমা কৰিব বুলি আশা ৰাখিলো।

সুন্দৰৰ পূজাৰীবৃন্দ, মই সংস্কৃতিৰ কথা কৈছিলো, সাহিত্যৰ কথাও কৈছিলো। কিন্তু আজি আপোনালোকে যি অভিনৱ সাহিত্যৰ সৃষ্টি কৰিছে সেই বিষয়ে কোনো ধাৰণাৰ আবিৰ্ভাৱ এই ক্ষুদ্ৰ মগজুত হোৱা নাছিল। আজি আপোনালোকে ছাইনবৰ্ড আৰু দৰ্খাস্তত সাহিত্য সৃষ্টি কৰি সমগ্ৰ মানব-ইতিহাসলৈ যুগান্তৰ আনিছে। বজাৰৰ দোকান আৰু অফিছৰ ফাইলবোৰ আজি মহৎ সাহিত্য-সৃষ্টিৰ কাৰখানালৈ পৰিণত হৈছে। এই সুযোগতে আপোনালোকৰ ওচৰত আন এটি ভুলৰ বাবে ক্ষমা ভিক্ষা কৰি লওঁ। মই জীৱিত কালত আবেগৰ বশৱতী হৈ বিশ্ব-সংস্কৃতি আৰু বিশ্ব-নাগৰিকত্বৰ কথা চিঞৰিছিলো। এতিয়াহে বুজি পাইছো, সেইবোৰ তেনেই অপৰিপক্ক চিন্তা আছিল। বিশ্বখন নগৰ হ'লেহে তাৰ নাগৰিক হোৱা যায়--এই সহজ কথাটো আজিহে বুজিছো। আপোনালোকে প্ৰচণ্ড সংগ্ৰামৰ দ্বাৰা বিদেশী বৈজ্ঞানিক চিন্তাৰ সমুখীন হৈও ধুবুৰীৰ পৰা সদিয়াৰ মাজত বিশ্বক প্ৰতিষ্ঠা কৰাৰ বাবে এই নিঃকিন সাংস্কৃতিক-বনুৱাৰ অভিনন্দন গ্ৰহণ কৰিব। এতিয়া মই মোৰ পূৰ্বৰ ভুল সংশোধন কৰি ক'বলৈ বাধ্য হৈছো ঃ যি যিমান উচ্চ-সংস্কৃতি সি সিমান গভীৰভাৱে কেৱল থলুৱাবাদক সাৱটি ল'ব। স্বীকাৰ কৰিছো, আপোনালোকৰ দৰে মই অসমক ভাল পাব পৰা নাছিলো আৰু সেয়ে বিশ্ব-সংস্কৃতিৰ কথা কৈ পেলাইছিলো প্ৰায়ে। আজি মই জীয়াই থকা হ'লে মোৰ এই 'আগৰৱালা' উপাধিটো ত্যাগ কৰি নিশ্চয় কিবা এটা বিশুদ্ধ থলুৱা উপাধি গ্ৰহণ কৰিলোহেঁতেন।

চিৰসুন্দৰৰ সেৱকবৃন্দ, মই স্বীকাৰ কৰিছো, জীৱিতকালত মই কিছু উগ্ৰ আছিলো। সেয়ে সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদক মই ছদ্মবেশী দুস্কৃতি বুলিছিলো আৰু সংস্কৃতিক দুস্কৃতিৰ বিৰুদ্ধে সংগ্ৰামত অৱতীৰ্ণ হ'বলৈ আহ্বান জনাইছিলো। এতিয়া উপলব্ধি কৰিছো, সেইবোৰ ল'ৰা-ধেমালী আছিল। সংস্কৃতিৰ দৰে বিশুদ্ধ বস্তুৰ কথা কওঁতে সেই লেতেৰা ৰাজনৈতিক কু-শব্দবোৰ যে কেনেকৈ উচ্চাৰণ কৰিছিলো সেইটো এতিয়া ভাবি আচৰিত হওঁ। ছিঃ, মূৰ্খামীৰো এটা সীমা আছে। আজি দুস্কৃতিৰ কান্ধত উঠি সংস্কৃতিৰ বাঁহী বজোৱা বিশুদ্ধ শিল্পী-সাহিত্যিকসকলে মোক প্ৰকৃত সত্যৰ সন্ধান দিছে। মই তেওঁলোকৰ সহিষ্ণুতা দেখি মুগ্ধ হৈছো। দাৰিদ্ৰপীড়িত সমাজত বাস কৰিও তেওঁলোকে প্ৰিয়া আৰু প্ৰকৃতিৰ বন্দনাত নিমগ্ন--এইটো এক অভূতপূৰ্ব সাফল্য। মই এই ধৰণৰ সংস্কৃতিৰ কথা ভাবিবই পৰা নাছিলো। এই বিশুদ্ধ সংস্কৃতিক দেখিব নোৱৰা এদল মানুহ অৱশ্যে নথকা নহয়। তেওঁলোকক মই এতিয়াই সাৱধান কৰি দিছো, মোৰ দৰে যেন তেওঁলোকে ভুল নকৰে।

আজি আৰু নিলিখো। ভৱিষ্যতে লিখাৰ ইচ্ছা থাকিল। জানুৱাৰী মাহৰ

কোনোবা এটা তাৰিখে ধুপৰ ধোঁৱা আৰু মমবাতিৰ শিখাৰ মাজত মোক পুনৰুদ্ধাৰ কৰি দেবতাৰ শাৰীত থবলৈ চেষ্টা কৰা সকললৈ মোৰ ধন্যবাদ থাকিল।

সাংস্কৃতিক শুভেচ্ছাৰে-
জ্যোতিপ্ৰসাদ আগৰৱালা
(প্ৰাক্তন ৰূপকোঁৱৰ)

পুনশ্চ ঃ মোৰ কিছুমান অলপ গৰম ধৰণৰ লিখা-বস্তু এতিয়াও কিছুমান শুভাকাংক্ষীয়ে সু-প্ৰচাৰৰ ব্যৱস্থা নকৰি তলা-চাবি মাৰি ঐতিহ্যৰ বাকচত সযত্নে ৰাখি থোৱাৰ বাবে মই তেওঁলোকৰ ওচৰত কৃতজ্ঞ। সেইবোৰৰ ব্যাপক প্ৰচাৰ হ'লে আকৌ মহা কেলেঙ্কাৰী হ'ব। +++

---

এই শিতানত অহা সংখ্যাৰ পৰা ৰসেশ্বৰ হাজৰিকাই আমাৰ পঢ়ুৱৈৰ চিঠি-পত্ৰৰ উত্তৰো দিব।

চিঠি এই ঠিকনাত পঠাবলৈ অনুৰোধ জনোৱা হ'ল ঃ ৰসেশ্বৰ হাজৰিকা, মাৰফৎ, সাম্প্ৰতিক সাময়িকী, হেদায়েৎপুৰ, গুৱাহাটী-৭৮১০০৩ —সঃ সাঃ সাঃ

---


তিনিখন উপন্যাস, এখন সম্পূৰ্ণ নাটক, কুৰিটাতকৈ অধিক গল্প, প্ৰায় কুৰিটা প্ৰবন্ধ, দেড়কুৰিমান কবিতা, ৰেখাচিত্ৰ, আলোক চিত্ৰৰে সমৃদ্ধ গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ বছেৰেকীয়া আলোচনী, প্ৰস্তাৱনা সংখ্যা ঃ

সাতসত্তৰ

জানুৱাৰীৰ মাজভাগত প্ৰকাশ পাব।

মূল্য খনে— ৭·০০ টকা মাত্ৰ

যোগাযোগৰ ঠিকনা—

প্ৰচাৰ সচিব
সাতসত্তৰ
হেমকোষ প্ৰিণ্টাৰ্ছ, গুৱাহাটী-৭৮১০০৩




# চলচ্চিত্ৰ

## সত্যজিত ৰায়ৰ 'জন অৰণ্য' / তপনকুমাৰ বৰুৱা

'পথেৰ পাঁচালী'ৰ পৰা 'জন অৰণ্য'—এক দীৰ্ঘ পৰিক্ৰমা। ১৯৫৩ চনৰ পৰা ১৯৭৫ চনলৈকে সত্যজিত ৰায়ে বহু ছবি কৰিছে, বহু পুৰস্কাৰ আৰু প্ৰশংসা অৰ্জন কৰিছে। কিন্তু সামগ্ৰিকভাবে সত্যজিতৰ ছবিসমূহ বিচাৰ কৰিলে কোনো এক নিৰ্দিষ্ট জীৱন দৰ্শন বিচাৰি পোৱা নাযায়। অকল ছবি কিয়, ১৯৪৮ চনৰ পৰা আজিলৈকে লিখা সত্যজিত ৰায়ৰ ছিনেমা সম্পৰ্কীয় ৰিবিধ প্ৰবন্ধবোৰ চালিজাৰি চালে (Our Films, Their Films দ্ৰষ্টব্য) ছিনেমা সম্পৰ্কীয় বহু তথ্যসমৃদ্ধ জ্ঞান লাভ কৰা যায় যদিও যিটো বস্তু বিচাৰি পোৱা নাযায় সেইটো হ'ল জীৱন আৰু সমাজ সম্পৰ্কে স্পষ্ট বক্তব্য—যিটো যি কোনো মহৎ শিল্পীৰ সৃষ্টিত বিচাৰিলে পোৱা যায়। আইজেনষ্টাইন, পুডভকিন, ডভচেংকো, গদাৰ্ৰ ছিনেমা ৰীতি বা আংগিক সম্পৰ্কে বিস্তৃত আলোচনা সত্যজিতে কৰিছে। কিন্তু সত্যজিতে অত্যন্ত সচেতনভাবে এওঁলোকৰ ছবিৰ বিষয়বস্তু সম্পৰ্কে মন্তব্য দিয়াৰ পৰা নিজকে বিৰত কৰিছে। ইয়াৰ কাৰণ কি? এই প্ৰশ্নৰ উত্তৰ দিয়াৰ বাবে এক বিস্তৃত আলোচনাৰ প্ৰয়োজন। এই প্ৰবন্ধত ইয়াৰ অৱকাশ নাই। কিন্তু থোৰতে ক'ব পাৰি উল্লেখিত পৰিচালকসকলৰ সৃষ্টিসমূহৰ মূলত যি বলীষ্ঠ আদৰ্শৰ প্ৰেৰণা আছিল, সত্যজিতৰ সেই আদৰ্শ নাই। উৰ্ব্বলিব ধৰা বুৰ্জোৱা মানবতাবাদক আশ্ৰয় কৰি সত্যজিত কিছুদূৰ আগবাঢ়িছিল। 'পথেৰ পাঁচালী', 'অপু' চিৰিজ সেই পৰ্যায়ৰ ছবি। কিন্তু বলীষ্ঠ আদৰ্শৰ অভাবত বুৰ্জোৱা মানবতাবাদ কালক্ৰমত বিকলাংগ হবলৈ বাধ্য। সেয়ে সত্যজিতৰ মানবতাবাদ ক্ৰমে ক্ৰমে বিকৃত হৈ শেষত চূড়ান্ত ব্যবসায়িক ধান্দাত পৰিণত হ'লগৈ 'অশনি সংকেত'ত। সমাজৰ অবক্ষয় আৰু প্ৰচলিত মূল্যবোধৰ সংকটে বুৰ্জোৱা শিল্পীৰ মনত সৃষ্টি কৰে অপৰিসীম হতাশা আৰু সমাজ সম্পৰ্কে নেতিবাচক ধাৰণা। অবক্ষয় আৰু ভাঙনৰ মাজত প্ৰস্ফুটনোদ্যত নবজীৱনৰ স্পন্দন তেওঁ অনুভব নকৰে। সেয়ে তেওঁৰ সৃষ্টিত কেতিয়াবা প্ৰকাশ পায় চূড়ান্ত হতাশা, কেতিয়াবা তেওঁ আঁকোৱালি লব খোজে এক জঘন্য, আত্মক্ষয়ী মূল্যবোধক। 'জন অৰণ্য'ত সত্যজিতেও এক নতন মূল্যবোধ ডাঙি ধৰিব খুজিছে। সত্যজিতৰ ভাষাত 'new retionale of pragmatism'. এই 'pragmatism' সম্পৰ্কে আলোচনাৰ আগতে 'জন অৰণ্য'ই সামাজিক বাস্তবতা কিমান সঠিকৈকৈ প্ৰতিফলিত কৰিছে তাৰ আলোচনা প্ৰয়োজন।




OKDISCD

প্ৰথম দৃশ্যত দেখা যায় পৰীক্ষা হলত নায়ক সোমনাথে পৰীক্ষা দিছে। দেৱালবোৰত নকশাল শ্লোগান 'হিংসাৰ জবাব আমৰা হিংসা দিয়েই দিবো' ইত্যাদি। অ'ত ত'ত সিচঁৰিত মাও-চে-তুঙৰ মুখৰ ছবি। পিছ মুহূৰ্ততে দেখা যায় ছাত্ৰবোৰে নকল কৰিছে। ইনভিজিলেটৰ সম্পূৰ্ণ অসহায়। এই দৃশ্যত camera movement, কেমেৰাৰ angle, সংগীত, নীৰবতা, দন্ত বিকশিত মুখৰ ফ্ৰিজ—একে আষাৰে অপূৰ্ব। কিন্তু প্ৰশ্ন হ'ল, দেৱালত লিখা শ্লোগানবোৰৰ তাৎপৰ্য কি? নকশালসকলৰ একাংশই হঠকাৰী ৰাজনীতিৰ চিকাৰ হৈ এসময়ত আন্দোলনৰ নামত নৈৰাজ্যৰ সৃষ্টি কৰিছিল। কিন্তু নকল কৰাৰ লগত নকশাল আন্দোলনৰ কি সম্পৰ্ক আছিল? এই mass copying ৰ আঁৰত জানো অন্য এক ৰাজনীতিৰ হাত নাছিল? সত্যজিতে সেইটো দেখুওৱা নাই। যিধৰণে শ্লোগানবোৰ উপস্থাপিত কৰা হৈছে সি পৰীক্ষাত নকলৰ বাবে যেন দায়ী কৰিব খোজে শ্লোগানবোৰ জন্ম দিয়া ৰাজনৈতিক দৰ্শনটোকে। ই জানো বাস্তৱৰ সঠিক চিত্ৰায়ন? কেমেৰাক কেনেকৈ সাংঘাতিক ধৰণে মিছা ক'বৰ কাৰণে ব্যৱহাৰ কৰিব পাৰি ই তাৰেই এক নিদৰ্শন।

কলেজ শিক্ষকসকলৰ দাৰিদ্ৰ, জৰাজীৰ্ণ অৱস্থাৰ বাস্তব ছবি দাঙি ধৰিবলৈ গৈও শেষ পৰ্যন্ত সত্যজিত বাস্তবৰ মুখামুখী হোৱাৰ পৰা বিৰত থাকিল। সোমনাথৰ পৰীক্ষাৰ বহী পৰীক্ষা কৰা শিক্ষকজনৰ চশমাৰ কাঁচ সলনি কৰিব লাগিছিল। পইচাৰ অভাবতেই তেখেতে চশমাৰ কাঁচ সলাব পৰা নাছিল ---এইটোৱেই হ'ল স্বাভাবিক। কাষৰ ঘৰৰ মানুহজনো ক'ৰবালৈ গুচি যোৱা বাবে তেখেতে চশমা ধাৰলৈ আনিব নোৱাৰিলে। ফলত সোমনাথে অনাৰ্ছ নাপালে। ইয়াত শিক্ষকসকলৰ আৰ্থিক দুৰ্গতিৰ এটি সামাজিক ৰূপ সুন্দৰকৈ ফুটাই তোলা গ'লহেঁতেন, যাৰ লগত আজিৰ শিক্ষা ব্যৱস্থাৰ সমস্যাও জড়িত। কিন্তু সত্যজিতে সোমনাথৰ হাতৰ আখৰৰ ওপৰতেই সমস্ত দোষ জাপি দিলে। তেখেতে নিজেই এক সাক্ষাৎকাৰত কলে, সোমনাথে অনাৰ্ছ নাপালে, কাৰণ তেওঁৰ হাতৰ আখৰ আছিল closely written আৰু তেওঁৰ বহীখন এনে এজন পৰীক্ষকৰ হাতত পৰিছিল যি 'myopic'. (Youth Times' 1976 January 9-22)। 'closely written' হাতৰ আখৰ আৰু 'myopic' পৰীক্ষকৰ কথা কৈ আচল সমস্যাৰ পৰা ফালৰি কাটি যোৱা হ'ল।

অনাৰ্ছ নোপোৱা বাবে সোমনাথে চাকৰি নাপালে। চাকৰিৰ দৰ্খাস্ত টাইপ কৰা, ইন্টাৰভিউৰ দৃশ্য আদিৰ মাজেদি সোমনাথৰ চাকৰিৰ বাবে প্ৰচেষ্টাৰ কথা বুজোৱা হ'ল। কিন্তু সোমনাথৰ ভাব-ভংগী, casual manner, নিস্পৃহ আচৰণৰ মাজেদি ক'তো ফুটি নুঠিল সোমনাথ আজিৰ ভয়াবহ নিবনুৱা সমস্যাত জৰ্জৰিত এজন যুবক। টাইপ, ষ্টেনোগ্ৰাফী যিবোৰ সাধাৰণতে নিবনুৱা যুবকে যোগ্যতা বৃদ্ধিৰ বাবে শিকে, সোমনাথে শিকাৰ কোনো চেষ্টাই নকৰিলে। দেউতাকে সংগ্ৰহ কৰি ৰখা বিজ্ঞাপন চাই সোমনাথে নবৌৱেকে দিয়া পইচাৰে দৰ্খাস্ত টাইপ কৰি পঠিয়াই দিয়ে। সোমনাথৰ ঘৰৰ পৰিবেশে আজিৰ ভাৰতবৰ্ষৰ ভয়াবহ নিবনুৱা সমস্যালৈ দৃষ্টি আকৰ্ষণ নকৰে। সোমনাথৰ বাবে হয়তো জীৱনধাৰণৰ প্ৰয়োজনতকৈ উচ্চপদস্থ ককায়েকৰ আগত নিজৰ prestige ৰক্ষাৰ বাবেই চাকৰিৰ প্ৰয়োজন বেছি।



কিন্তু অদ্ভুত লাগে যেতিয়া সোমনাথৰ বেকাৰীত্বৰ লগত অবক্ষয়ৰ চূড়ান্ত সীমাত অৱস্থান কৰা এটি নিম্ন মধ্যবিত্ত পৰিয়ালৰ সন্তান সুকুমাৰৰ বেকাৰীত্ব পৰিচালকে একাকাৰ কৰি পেলায়। সুকুমাৰৰ লক্ষ্য এম-এল-এ দাদাৰ চামচাগিৰি কৰি টেক্সীৰ পাৰমিট এখন উলিওৱা। এইখিনিতে এটা প্ৰশ্ন উঠে ঃ নকল কৰা আৰু পৰীক্ষকে পৰীক্ষাৰ বহী ভালকৈ নোচোৱাৰ মাজেদি শিক্ষা ব্যৱস্থাৰ কেৰোণ ডাঙি ধৰা হ'ল, কিন্তু নকল নোহোৱা হ'লে বা ঠিকমতে পৰীক্ষাৰ বহী পৰীক্ষা কৰা হলে কি হ'লহেঁতেন? সোমনাথে হয়তো উচ্চপদস্থ ককায়েকৰ দৰেই এটি চাকৰি পালেহেঁতেন। কিন্তু সুকুমাৰহঁতৰ কি হ'লহেঁতেন? যি বৃহত্তৰ গোষ্ঠীৰ মাজত সুকুমাৰৰ অৱস্থান, সিহঁতৰ বাবে ডিগ্ৰীৰ কি মূল্য আছে? সমস্যাৰ মূল নিহিত অৰ্থনৈতিক ব্যৱস্থাৰ মাজত। অৰ্থনৈতিক ব্যৱস্থাৰ পৰিবৰ্তন নোহোৱাকৈ পৰীক্ষাত নকল হক বা নহক, পৰীক্ষাৰ বহী ঠিকমতে চোৱা হক বা নহক--সুকুমাৰহঁতৰ বাবে ইয়াৰ কোনো তাৎপৰ্য নাই। সত্যজিতে উচ্চমধ্যবিত্ত দৃষ্টিভংগীৰে সমস্যা অবলোকন কৰিছে, সেয়ে পৰীক্ষাৰ অব্যৱস্থাৰ মাজেদি তেওঁ সোমনাথহঁতৰ বিপদ তুলি ধৰিছে।

সোমনাথৰ দালাল হোৱাৰ পৰ্যায় ছবিখনৰ গুৰুত্বপূৰ্ণ অংশ। বৰবাজাৰৰ নিচিনা দুৰ্নীতিৰ ঘাটি, স্বাৰ্থপৰ জগততো সোমনাথৰ প্ৰতি সহানুভূতিশীল দৰদী মানুহৰ অভাৱ নহয়। সোমনাথে এটি কাপোৰৰ মিলত কেমিকেল ছাপ্লাই দিয়াৰ কন্ট্ৰাক্ট পালে মাহে দুহেজাৰ টকাকৈ আয় হ'ব। কিন্তু এই কন্ট্ৰাক্ট পাবৰ কাৰণে মিলৰ মেনেজাৰক হোটেল ৰূমত কলগাৰ্ল যোগান ধৰিব লাগিব। এইখিনিতে সোমনাথক সহায় কৰিবলৈ আগবাঢ়ি আহিছে নটবৰ মিত্ৰ। এই নটবৰ মিত্ৰৰ জীৱন দৰ্শনেই হ'ল সত্যজিতৰ 'a new rationale of pragmatism.' নটবৰ মিত্ৰৰ জীৱন দৰ্শন কি? 'কৰ্মক্ষেত্ৰত যিমানেই লেতেৰা corruption-ক সহায় নকৰক কিয়, ঘৰত এগৰাকী তিৰোতাৰ ভাল স্বামী আৰু পুত্ৰ-কন্যাৰ স্নেহময় পিতা হৈ নিৰুপদ্ৰব বিবেকে শান্তিময় জীৱন যাপন কৰক, বছ'। সোমনাথৰ মনত যি নৈতিকতাৰ দ্বন্দ্বই দেখা দিছিল তাক দূৰ কৰিবৰ বাবে নটবৰ মিত্ৰই তেওঁৰ 'pragmatic' দৰ্শনৰ যুক্তিজাল বিস্তাৰ কৰি সোমনাথক উপদেশ দিয়ে। জীয়াই থকাৰ বাবে যিকোনো ধৰণৰ লেতেৰা কাম কৰিবই লাগিব। কাৰণ সত্যজিতৰ ভাষাত, 'what seems to finally pay in the struggle for survival is not idealism or honesty, but Notobar's ruthless pragmatism.' (Youth Times, 1976 January 9-22) প্ৰশ্ন উদয় হয়, opportunism শব্দটোৰ মানে সলাব লাগিব নেকি ইয়াৰ পিছত? একশ্ৰেণীৰ পৰাশ্ৰয়ী মানুহৰ সুবিধাবাদক সত্যজিতে ডাঙি ধৰিব বিচাৰিছে pragmatism হিচাপে।

বেশ্যাৰ সন্ধানত সোমনাথে প্ৰথমে যি দুই স্থানলৈ যায় তাত সামাজিক দ্বন্দ্ব বা মানসিক দ্বন্দ্বৰ প্ৰকাশ নাই। বৰং আনন্দৰ সতেই তেওঁলোকে মানি লৈছে এই ব্যৱসায়। প্ৰথম বেশ্যাৰ স্বামী বা দ্বিতীয় বেশ্যাৰ মাকৰ কথা-বতৰাৰ পৰা ধাৰণা হয় অৰ্থাভাৱ এওঁলোকৰ সমস্যা নহয়।

মন কৰিবলগীয়া, এই দুটা দৃশ্যত ৰুচিশীল বুলি খ্যাতি থকা সত্যজিত ৰায়ে এক জঘন্য বজৰুৱা অশ্লীলতাৰ আমদানি কৰিছে, যি দৰ্শকৰ যৌন অনুভূতিত সুৰ



OKDISCD

সুৰণি দিয়াৰ বাহিৰে অন্য একো effect সৃষ্টি কৰিব পৰা নাই।

ছবিখন পৰিণতিলৈ আহিছে সোমনাথ আৰু সুকুমাৰৰ ভনীয়েক কণাৰ সাক্ষাত্‌ৰ মাজেদি। টেক্সীত তুলি হোটেললৈ নিওঁতে বাটতহে সোমনাথে কণাক চিনি পালে। চিনি পোৱাৰ পিছত সোমনাথে টেক্সী ওভতাই নিব খোজে। কিন্তু কণাই বলীষ্ঠ ভাবে অস্বীকাৰ কৰে। আমি জানো, বহু নিম্ন মধ্যবিত্ত পৰিয়ালৰ যুৱতীয়ে বেশ্যা বৃত্তি কৰিবলৈ বাধ্য হয়। সংসাৰৰ ভৰণ-পোষণৰ বাবে, সামাজিক আৰ্থিক চাপত। কিন্তু কণাৰ ক্ষেত্ৰত ইয়াৰ কাৰণ বেলেগ। আমি ইতিমধ্যে গম পাইছো কণাই থিয়েটাৰ কৰি পোৱা টকা প্ৰসাধনত ব্যয় কৰে। পিছত জনা গ'ল সুকুমাৰে টেক্সী চলাইছে। তাৰোপৰি থিৰিকীৰ কাষত থিয় হৈ কণাই ৰাস্তাৰ মানুহক দেহ প্ৰদৰ্শন কৰাও আমি দেখিছো। কণাই বেশ্যাবৃত্তি কৰে কিয়? সত্যজিতে ইয়াৰ উত্তৰ দিছে, 'All that I do, is to face the reality, which is, a woman does not always becomes a prostitute or call girl only because of poverty and starvation, or under socio-economic pressure. There may be psychological, biological reasons as well. Some woman are made like that'. [ Eve's weekly, 27th March, 1976.]

অৰ্থাৎ যিসকল নাৰী সামাজিক-অৰ্থনৈতিক চাপত বেশ্যা হয়, কণা তেওঁলোকৰ এজন নহয়, জৈবিক-মানসিক কাৰণত যিসকল বেশ্যা হয়, যিসকল 'made like that', কণা সিহঁতৰে এজন। ইয়াৰ মাজেদি যি সামগ্ৰিক বক্তব্য ফুটি উঠিছে সি কোন শ্ৰেণীৰ দৃষ্টিভংগী প্ৰসূত তাক সহজে বুজিব পাৰি।

গোটেই ছবিখনৰ পৰা আমি পালো--সোমনাথে আদৰ্শ সততা বিসৰ্জন দি নটবৰৰ 'pragmatism' মানি লৈ উন্নতি লাভ কৰিলে, সুকুমাৰে এম-এল-এৰ দালালি কৰি টেক্সীৰ পাৰমিট পালে আৰু কণাৰ জৈবিক কামনা পূৰণৰ লগে লগে অৰ্থপ্ৰাপ্তিও ঘটিল। সমগ্ৰ ছবিখনে এক নিৰালম্ব মূল্যবোধক ডাঙি ধৰিব খুজিছে, সুবিধাবাদক প্ৰতিষ্ঠা কৰিব খুজিছে জীয়াই থকাৰ উপায় হিচাপে, সমাজ ব্যবস্থাৰ চিকাৰ কণাক জোৰকৈ দেখুৱাইছে corrupt হিচাপে।

'জন অৰণ্য'ৰ আংগিক উচ্চ থাপৰ। উৎপল দত্ত, সন্তোষ ৰায়ক বোধহয় ব্যৱ-কাৰণতে লোৱা হৈছে। 'ছায়া ঘনাইছে বনে বনে' এই ৰবীন্দ্ৰ সংগীতটিৰ স্থূল প্ৰয়োগ বাদ দিলে 'জন অৰণ্য'ৰ শৈল্পিক সুষমা আৰু আংগিকৰ কাৰুকাৰ্যই চমকিত কৰে। কিন্তু সামাজিক-ৰাজনৈতিক চিন্তাৰ দাৰিদ্ৰ তথা বাস্তৱ সম্পৰ্কে সুবিধাভোগী উচ্চ বিত্ত-সুলভ দৃষ্টিভংগীয়ে সমগ্ৰ ছবিখনকে পংগু কৰি পেলাইছে। সেই ক্ষেত্ৰত এই ছবিৰ আংগিক সম্পৰ্কে বহুল আলোচনা অৰ্থহীন।

'জন অৰণ্য'ত সত্যজিতক আমি পালো বৰ্তমানৰ পচা গলা সমাজ ব্যৱস্থাকে নতুনকৈ সজাই পৰাই মানুহৰ ওচৰত গ্ৰহণযোগ্য কৰি তুলিব খোজা স্থিতাবস্থাৰ সমৰ্থক ৰূপে। সত্যজিতহঁতৰ আপ্ৰাণ চেষ্টা সত্বেও এই সমাজ ব্যবস্থা জহি খহি যাব ধৰিছে। তাৰ ঠাইত গঢ়ি উঠিব এক নতুন সমাজ ব্যবস্থা। ইতিহাসত সত্যজিতৰ দৰে পৰিচালকৰ স্থান ক'ত তাক ভৱিষ্যত ইতিহাসেই দেখুৱাই দিব। আমাৰ কেৱল দুখ লাগে সত্যজিতৰ দৰে প্ৰতিভাসম্পন্ন পৰিচালকেও ইতিহাসৰ গতিধাৰা নিৰ্ণয় কৰিব নোৱাৰিলে।



# অক্টোবৰৰ বিপ্লৱ আৰু ছোভিয়েট চলচ্চিত্ৰ সপ্তাহ/হেমন্ত কুমাৰ দাস

অক্‌টোবৰ বিপ্লৱ আৰু চলচ্চিত্ৰ---আপাত দৃষ্টিত এই শব্দ দুটাৰ পাৰস্পৰিক কোনো সম্পৰ্ক থকা যেন নালাগিলেও চলচ্চিত্ৰৰ চালুকীয়া ইতিহাসত অক্‌টোবৰ বিপ্লৱৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে আৰু বিশ্বৰ নিষ্ঠাবান চলচ্চিত্ৰ নিৰ্মাতা আৰু সচেতন চলচ্চিত্ৰ দৰ্শকৰ ওচৰত এই ভূমিকাৰ তাৎপৰ্য অতি গভীৰ আৰু ব্যাপক। ৰাজনৈতিক, অৰ্থনৈতিক জীৱন, লগতে শিল্পকলা আৰু শিল্পকলাৰ যিটো দিশত অক্‌টোবৰ বিপ্লৱে আটাইতকৈ গুৰুত্বপূৰ্ণ নাটকীয় পৰিবৰ্তন আনিছিল—সেয়া হ'ল চলচ্চিত্ৰ। অক্‌টোবৰ বিপ্লৱৰ নেতাসকলে বুজি পাইছিল চলচ্চিত্ৰৰ অপৰিসীম গুৰুত্বৰ কথা, উপলব্ধি কৰিছিল চলচ্চিত্ৰৰ বিপুল প্ৰভাৱশালী শক্তিৰ কথা, সেয়ে তেওঁলোকে এই শিল্পক উৎসাহিত কৰিছিল প্ৰচুৰ। আৰু চলচ্চিত্ৰ নিৰ্মাতাসকলেও বিপ্লৱৰ প্ৰতি থকা তেওঁলোকৰ শ্ৰদ্ধা আৰু দায়িত্ববোধৰ সতে তেওঁলোকৰ সূক্ষ্ম পৰ্যবেক্ষণ ক্ষমতা আৰু শিল্প ভাবনাক মিলাই সৃষ্টি কৰিছিল কিছু কালজয়ী, অপূৰ্ব চলচ্চিত্ৰ। চলচ্চিত্ৰৰ মাধ্যমেৰে তেওঁলোকে বিপ্লৱৰ সেৱা কৰাৰ লগতে চলচ্চিত্ৰ-কলাকো এক স্বকীয় শিল্পকলাৰ মৰ্যাদাৰে মহিমামণ্ডিত কৰি তুলিছিল। এই শতিকাৰ প্ৰথম দশকত মাকিন যুক্তৰাষ্ট্ৰত সৃজনশীল চলচ্চিত্ৰৰ আদি গুৰু ডি, ডবলিউ গ্ৰিফিথে চলচ্চিত্ৰক সম্ভাবনাময় শিল্প হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে যি চেষ্টা চলাইছিল, কুৰিৰ দশকত অক্‌টোবৰ বিপ্লৱৰ ফল এই চলচ্চিত্ৰ নিৰ্মাতাসকলৰ হাততেই তাৰ পূৰ্ণতাপ্ৰাপ্তি ঘটে, চলচ্চিত্ৰৰ বিপুল সম্ভাবনাৰ দুৱাৰ এওঁলোকেই মুকলি কৰি দিয়ে। সম্প্ৰতি ভাৰতৰ এখন বহুল প্ৰচাৰিত চলচ্চিত্ৰ মাহেকীয়াই লিখিছে---"The months and years when such films appeared as "Strikes", "Battleship Potemkin" and "October" by Sergei Eisenstein ; "Mother", "The End of St. Peters Bury" and "The Decendant of Genghiz-khan" by Vsevolod Pudovkin, and "Arsenal" by Alexander Dovzhenko, seemed to foreign observers as unbelievable and even miraculous".

আমি শুনিবলৈ পাওঁ চল্লিশৰ দশকত ভাৰতবৰ্ষতো এই চলচ্চিত্ৰসমূহে বিপুল উৎসাহ-উদ্দীপনা আৰু আলোড়নৰ সৃষ্টি কৰিছিল। "......an organisation called 'The Friends of the Soviet Union' (FSU) organised film shows for the metropolitan audiences......the impact was terrific. Among the films that used to be shown were those of Eisenstein, Pudovkin and Donskoi and of vassiliev brothers—all that spoke of the revolution and of the need for solidarity and militant-resistance to all forms of oppression. All these films—the all-time bests of the Soviet cinema—clearly showed that the great October revolution worked miracle among the young film makers of the new Soviet state and made them into new aesthetes in a new society. (Views on Cinema : Mrinal Sen).



OKDISCD

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে বিশ্বৰ বিভিন্ন দেশৰ চলচ্চিত্ৰ আন্দোলনত ছোভিয়েট চলচ্চিত্ৰৰ পৰিবৰ্তনকামী ভূমিকাও বিশেষভাবে উল্লেখনীয়। গ্ৰিয়াৰছনৰ নেতৃত্বত ইংলণ্ডৰ ডকুমেণ্টৰী ফিল্মৰ ধাৰা, ইটালীৰ নব্যবাস্তববাদী ধাৰা, ফ্ৰাচীৰ "নিউ-ওৱেভ" আদি অক্‌টোবৰ বিপ্লবৰ দ্বাৰা অনুপ্ৰাণিত ছোভিয়েট চলচ্চিত্ৰৰেই প্ৰত্যক্ষ আৰু পৰোক্ষ ফল। উল্লেখযোগ্য যে চল্লিশৰ দশকত ভাৰতত নিৰ্মিত "ধৰতী কী লাল" ছবিখিনৰ নিৰ্মাতাও সেই ছোভিয়েট চলচ্চিত্ৰসমূহৰ দ্বাৰাই অনুপ্ৰাণিত হৈছিল।

আমাৰ ওপৰৰ কথাখিনি ছোভিয়েট তথা বিশ্ব চলচ্চিত্ৰৰ সেই master সকলৰ প্ৰতি এটি শ্ৰদ্ধাঞ্জলিহে মাথোন, আমাৰ আজিৰ আলোচ্য বিষয় হ'ল, ১৯৭৭ চনৰ নৱেম্বৰ মাহত অক্‌টোবৰ বিপ্লৱৰ ৬০ তম বাৰ্ষিকী উদ্‌যাপন উপলক্ষে ভাৰত-ছোভিয়েট সাংস্কৃতিক মৈত্ৰী সন্থা (ISCUS) আৰু Sovexport Filmৰ উদ্যোগত ভাৰতৰ প্ৰধান প্ৰধান চহৰৰ লগতে গুৱাহাটীতো অনুষ্ঠিত হোৱা ছোভিয়েট চলচ্চিত্ৰ সপ্তাহত প্ৰদৰ্শিত ছবি কেইখনহে।

আমাৰ কথা হ'ল ছোভিয়েট চলচ্চিত্ৰৰ সেই সমুজ্জ্বল ধাৰাৰ সতে পৰিচিত যি কোনো সচেতন দৰ্শকেই গভীৰ দুখ আৰু পৰিতাপেৰে লক্ষ্য কৰিব সাম্প্ৰতিক ছোভিয়েট চলচ্চিত্ৰত প্ৰবাহিত হোৱা অবক্ষয়ৰ ধাৰা। কেইখনমান ছবিৰ নিবেদনশৈলীৰ নিপুণতা স্বীকাৰ কৰিও ছবিকেইখনক কোনো মতেই গ্ৰহণ কৰিব নোৱাৰি। ব্যক্তি-গত ক্ষতিৰ আঘাতত ম্ৰিয়মান Fate of the Manৰ নায়কে খুউব এটা সহানু-ভূতি আদায় কৰিব নোৱৰাটোৱেই স্বাভাবিক; কাৰণ বিশ্বৰ জনগণৰ বাবে দ্বিতীয় মহাযুদ্ধৰ বিৰুদ্ধে ৰাছিয়াৰ ভূমিকা অতি মহান---২০ মিলিয়ন ছোভিয়েট জীৱনৰ বিনিময়তো। Fate of a manৰ পৰিচালকৰ দৰেই At Home Among the Strangerৰ পৰিচালকেও ২য় মহাযুদ্ধৰ জঘন্যতম শক্তি ফেছিষ্ট জাৰ্মানীৰ অহংকাৰ ধূলিস্যাৎ কৰি দিয়া ৰাছিয়াৰ নায়ক ষ্টালিনৰ সৈনিকক যুদ্ধবাজ হিচাপে চিহ্নিত কৰি ইতিহাস বিকৃত কৰিছে বুলিয়েই আমাৰ ধাৰণা। Far in the West ত ফেছিষ্ট শক্তিৰ বিৰুদ্ধে মহত্বপূৰ্ণ জয়ক ধৰ্মীয় প্ৰলেপেৰে কলুষিত কৰাটোকেই বাৰু কোন প্ৰগতিশীল দৰ্শকে হজম কৰিব! Solariesত বিজ্ঞা-নৰ অসফলতাৰ ছবিখনো আধুনিক মানুহৰ বাবে গ্ৰহণযোগ্য হ'ব নোৱাৰে; কাৰণ আধুনিক মানুহেই জানে যে আজিৰ পৃথিবীত সাম্ৰাজ্যবাদীৰ বাবে বিজ্ঞান হতাশা আৰু ধ্বংসৰ কাৰণ হলেও সমাজতান্ত্ৰিক পৃথিবীলৈ ই সদায় আশাৰ বাতৰিয়েই কঢ়িয়াই আনে।

সপ্তাহটোত প্ৰদৰ্শিত আন দুখন ছবি Operation Tiger আৰু Circus on paradeৰ ওপৰত সৰু ল'ৰা-ছোৱালীৰ বাবে নিৰ্মিত ছাৰ্কাছ পাৰ্টিৰ ছবি বুলি আমি কোনো মাতেই নামাতিলোঁহেঁতেন যদি তাত ব্যক্তি বিশেষক hero কৰি দেখুওৱাৰ, ব্যক্তিবিশেষক হাঁহিয়াতৰ পাত্ৰ কৰাৰ, নাৰীক মোহময়ী ৰহস্যময়ী কৰি দেখুউৱাৰ বুৰ্জোৱা প্ৰবণতা লক্ষ্য নকৰিলোহেঁতেন; যদি তাত নাৰীৰ নিবাভৰণ বক্ষৰ ওপৰত কেমেৰাই প্ৰাধান্য নিদিলেহেঁতেন, যদি স্থূল ৰসদানৰ (vulgarism) বাবে বাথটাবৰ পৰা নগ্নপুৰুষ ওলাই দৌৰ নামাৰিলেহেঁতেন, যদি বহুৱাৰ বহুৱালিয়ে শালীনতাৰ সীমা চেৰাই নগ'লহেঁতেন!

অক্‌টোবৰ বিপ্লব! ১৯৭৭ চনৰ নৱেম্বৰ মাহৰ ছোভিয়েট চলচ্চিত্ৰ সপ্তাহ!!



## ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ সন্ধ্যাৰাগ প্ৰসংগত

সম্পাদক,

জীৱিকাৰ বাবে এই পত্ৰ লেখকৰ বসবাস এনে এখন ঠাইত যিখনৰ সতে অসম মুলুকৰ ৰাজনীতি-সাহিত্য-সংস্কৃতিৰ স্নায়ুকেন্দ্ৰ গুৱাহাটীৰ আত্মিক দূৰত্ব বহু যোজন। মহকুমা-চহৰ যদিও আমাৰ ইয়াৰ ছবিঘৰলৈ 'সন্ধ্যাৰাগ' এতিয়াও অহা নাই। চৰকাৰী-বিধিৰ সৌকাৰ ভয়ত ইয়াৰ কোনোবা এটা প্ৰেক্ষাগৃহলৈ যেতিয়া ছবি-খন আহিব তেতিয়া আপোনালোকৰ বুদ্ধিজীৱী-আসৰ অন্য এখন ছবিৰ আলোচনাত সৰৱ সোল্চাৰ। 'সাম্প্ৰতিক সাময়িকী' নামৰ সাহিত্য সংস্কৃতি বিষয়ক আলোচনীখনক আমি অলপ বেলেগ বিধৰ আলোচনী বুলি ভাবিছিলোঁ। কাগজৰ এই মহাৰ্ঘৰ দিনত এনে এখন প্ৰগতিবাদী আলোচনীৰ দুটা সংখ্যাৰ সৰ্বমুঠ ৯½ পৃষ্ঠা যিখন ছবিৰ আলোচনাৰ বাবে খৰচ কৰা হয় সেইখন ছবি চাবলৈ সৰ্বসাধাৰণ দৰ্শক বাধ্য নহৈ পাৰেনে? এই পত্ৰলেখকেও বাধ্য হৈ অন্য এখন চহৰত ছবিখন চালেগৈ। আৰু লগে লগে ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ ব্যবসায়ী বুদ্ধিৰ ফান্দত ধৰা দিলে!

মধ্যবিত্ত আৰু নিম্ন-মধ্যবিত্তৰ অনুভূতিক সুৰ সুৰাই আসৰ জমাই অসমীয়া গল্প-সাহিত্য আৰু নাটক জগতৰ একছত্ৰী সম্ৰাট হৈ বহি লোৱা ডঃ ভবেন্দ্ৰ নাথ শই-কীয়াক আপোনাৰ আলোচকসকলে এতিয়াও চিনি নোপোৱাতহে মই আচৰিত হৈছোঁ। মই সেয়েহে তেখেতসকলক অনুৰোধ জনাওঁ--ডঃ শইকীয়াৰ ছবিত শ্ৰেণী-দ্বন্দ্বৰ কথা প্ৰকাশিত হোৱাৰ আশা কৰাৰ আগতে তেখেতৰ সমস্ত সাহিত্য সৃষ্টিৰ এটি সূক্ষ্ম আৰু তাত্বিক পৰ্যালোচনা কৰাৰ কষ্টখিনি কৰি নিজেই সিদ্ধান্ত লওক--তেখেতৰ মানসিক অবস্থান কোন শ্ৰেণীত। আৰু সেয়ে হলে তেখেতসকলে বুজিব যে ডঃ শইকীয়াৰ 'সন্ধ্যাৰাগ'ত শ্ৰেণী-সংঘাতৰ প্ৰস্তুতিৰ আশা কৰা পণ্ডশ্ৰমৰ বাহিৰে একো নহয়। মোৰ মতে 'সন্ধ্যাৰাগ' আৰু 'ববী'ৰ মাজত পাৰ্থক্য এয়ে যে ৰাজকাপুৰ ডঃ ভবেন্দ্ৰ নাথ শইকীয়াতকৈ বেছি কৃতী চিত্ৰ-ব্যবসায়ী। গিৰিহঁতৰ ইঞ্জিনিয়াৰীং পঢ়ি থকা পুত্ৰই লোলুপ দৃষ্টিৰে চাই থকা কাপোৰ ধুই থকা তৰুৰ বক্ষ-প্ৰদৰ্শনৰ দৃশ্য, পেটিকোট পৰিহিতা মতী ড্ৰাইভাৰৰ পত্নীৰ পশ্চাৎপ্ৰদেশ প্ৰদৰ্শনৰ দৃশ্য আদিৰ কম্পজিছন দেখি ধাৰণা হৈছে, উপযুক্ত মাল-মচলা আৰু ব্যবসায়িক ক্ষেত্ৰ পালে ডঃ শইকীয়াই ৰাজকাপুৰৰ 'ববী'ৰ সাফল্যক চেৰ পেলাব নোৱৰাৰ কোনো কাৰণ নাই। আপোনালোকে টেটু ফালি চিঞৰিলে কি হ'ব, ডঃ শইকীয়াই হেনো ইতিমধ্যেই অসম কথাছবি বিত্তীয় নিগমক পঁচিশ হেজাৰ নে কিমান টকাৰ ঋণ পৰশোধ কৰিছেই! আমি আশা কৰিছোঁ অচিৰে তেখেতে সমুদায় ঋণ পৰিশোধ কৰি 'সন্ধ্যা-ৰাগ'তকৈ 'মিঠা' কাৰো গাত আঁচোৰ এটিও নলগা বিধৰ সৰ্বজন-প্ৰিয় কথাছবি এখন উপহাৰ দি আঞ্চলিক চলচ্চিত্ৰ-ব্যবসায়ত অসমীয়া চলচ্চিত্ৰৰ স্থান মজবুত কৰিব।

অবশ্যে চলচ্চিত্ৰক পৰিৱৰ্তনৰ এটি শক্তিশালী শিল্প মাধ্যম বুলি যদি আপোনা সবে মনে প্ৰাণে বিশ্বাস কৰে তেন্তে ধৰি লওক --এইখন চিঠি মই লিখাই নাই।

ইতি--

ৰাঘবেন্দ্ৰ ৰায়,
কোক্‌ৰাঝাৰ।



OKDISCD

# নাটক আৰু অভিনয় প্ৰসংগ

## সভ্যতাৰ সংকট/শুদ্ধ সত্ব চৌধুৰী

যোৱা মাহৰ ৫ আৰু ৬ তাৰিখে ৰবীন্দ্ৰ ভৱনত গুৱাহাটীৰ সাম্প্ৰতিক সাংস্কৃতিক পৰিষদৰ সৌজন্যত ডিব্ৰুগড়ৰ বিজয় সংঘই নাট্যকাৰ মুনীন শৰ্মা ৰচিত নাট 'সভ্যতাৰ সংকট' মঞ্চস্থ কৰে।

'বিজয় সংঘ' অসমৰ নাট্য দলসমূহৰ অন্যতম শিৰোণামা। বিজয় সংঘৰ নাট প্ৰযোজনাৰ সাফল্যইহে যে তেওঁলোকক জনপ্ৰিয়তাৰ দিশলৈ আগবঢ়াই নিছে তেনে নহয়; নাট নিৰ্বাচনৰ ক্ষেত্ৰত তেওঁলোকৰ অনবদ্য সৎসাহস ইয়াৰ মূল ভূমিকাত আছে। তেওঁলোকৰ নাটক চাই থাকোতে ভাব হয় এয়াতো অসমৰেই কথা---অথবা আমাৰ চৌপাশৰ ঘটনা বা মানুহৰ কথা। লগে লগে এটা আত্মিক যোগাযোগ গঢ়ি উঠে। গঢ়ি উঠে আদান-প্ৰদানৰ এক সেতু; অৰ্থাৎ নাটকৰ পৰিভাষাত communication হয় সফল। এটা কথা প্ৰায়ে পৰিলক্ষিত হয় যে, কোনো এখন নাটক নিৰ্বাচনৰ সময়ত নাট্য দলসমূহে নাটকৰ বক্তব্যলৈ যিমান মূৰ ঘমাই---তাৰ উপস্থাপন অথবা আংগিকৰ দিশত ইয়াৰ শতাংশ চিন্তা-ভাবনাও তেওঁলোকৰ নাথাকে। ইয়াৰ ফল হয় অতি মাৰাত্মক। বক্তব্য অতি বলিষ্ঠ হোৱা সত্বেও কেৱল communication-ৰ অভাৱতে সমগ্ৰ নাটকখনেই শ্ল'গান-সৰ্বস্ব হৈ পৰে। ইয়াৰ ফল হয়, সামান্য সংখ্যক কমিটেড দৰ্শকৰ বাহিৰে সাধাৰণ দৰ্শক-সকল (যাৰ বাবেই এই নাট) নাটকৰ মূল সুঁতিৰ পৰা বীতৰাগ হৈ দূৰলৈ গুচি যায়। ইয়াতেই নাটকৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য ব্যৰ্থ হ'বলৈ বাধ্য। এই বিষয়ত কিছু মত-বিৰোধ থাকিব পাৰে; কিন্তু পাহৰিলে নচলিব যে আজি ভাৰতবৰ্ষত নাট্য শিল্পৰ যি অগ্ৰগতি চিহ্নিত হৈছে--আংগিক, উপস্থাপন বা কাৰিকৰী দিশত ই সম্পূৰ্ণৰূপে প্ৰগতিশীল দলসমূহৰ চিন্তা-ভাবনা অধ্যয়ন আৰু হৃদয়গ্ৰাহিতাৰ দ্ব্যৰ্থহীন ফলশ্ৰুতি। অৰ্থাৎ এই ক্ষেত্ৰত অনস্বীকাৰ্য সত্যটো হ'ল--- communication gap এ নাটকৰ মূল উদ্দেশ্যক ব্যাহত কৰে।

আমাৰ কোনো কোনো নাট সমালোচক এই সত্যটো স্বীকাৰ কৰিবলৈ নাৰাজ। তেওঁলোকে আংগিকৰ নিত্য নতুন উদ্ভাৱন আৰু তাৰ প্ৰয়োগবিধিক সুচতুৰ কৌশল বুলি অভিহিত কৰে; কিন্তু নাটকৰ বক্তব্যক দৰ্শকমানসলৈ তীব্ৰভাৱে প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত ইয়ে কিমান শক্তিশালী অস্ত্ৰ হ'ব পাৰে তাৰ সাম্প্ৰতিক প্ৰমাণ কলিকতাৰ 'চেতনা' নাট্যগোষ্ঠীৰ লু-চুনৰ 'আ কিউ' উপন্যাসৰ অবলম্বনত ৰচিত 'জগন্নাথ' নাটকৰ প্ৰযোজনাই প্ৰতীয়মান কৰিছে। চিত্ৰ পৰিচালক মৃণাল সেনৰ মন্তব্য এই প্ৰসংগত উল্লেখযোগ্য : 'জগন্নাথ' নাটকে আমাৰ চকুত আঙুলি লগাই দেখু-



ৱাই দিছে যে, এতিয়াও আমাৰ চলচ্চিত্ৰই আমাৰ নাটকৰ পৰা বহুত কিবা শিকিব পাৰে।

প্ৰযোজনা বা উপস্থাপনাৰ ক্ষেত্ৰত বিজয় সংঘ কিন্তু এই বিষয়ত যথেষ্ট সচেতন। বক্তব্য দৰ্শকমানসলৈ বিস্তাৰিত কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ নিষ্ঠা আৰু সততা প্ৰশংসনীয়। নাটকৰ মূল বক্তব্য সবলভাৱে দৰ্শকৰ চিন্তা জগতলৈ লৈ যাবলৈ তেওঁলোকে অক্লান্ত পৰিশ্ৰম কৰিছে আৰু বহুলাংশে সফলো হৈছে।

সভ্যতাৰ সংকট নাটকখনত কিছু ত্ৰুটি বিচ্যুতি থকা সত্বেও এই কথা ক'বই লাগিব যে, সাম্প্ৰতিক সময়ছোৱাত এনে সুস্থ আৰু সৎ বক্তব্যৰ মৌলিক অসমীয়া নাটক অসমৰ মঞ্চত উপস্থাপিত হোৱা নাই।

এইবাৰ কিছু বিশদ আলোচনালৈ অহা যাওক। নাটখনি মূলতঃ 'এপিক থিয়েটা'ৰ পদ্ধতিত ৰচিত --- যদিও তাপেৰাধৰ্মী নহয়। অৰ্থাৎ ব্ৰেখটৰ 'বিশ্লেষণ ধৰ্মী' আৰু 'বৰ্ণনাত্মক' আংগিক ইয়াত ব্যৱহাৰ কৰা হৈছে আৰু বিশ্লেষণ আৰু পৰ্যবেক্ষণ তীব্ৰতৰ কৰা হৈছে প'ষ্টাৰ আৰু ফেষ্টুনৰ যথা-যথ প্ৰয়োগৰ সহায়ত। নাটকৰ বক্তব্যৰ মূল সূত্ৰ বা ভিত্তি হ'ল ধনিক শোষক সকলৰ বিভিন্ন উপায় অবলম্বন কৰাৰ মাজৰ বিভেদ। এই বিভেদ ঘণীভূত হয় শোষকৰ মাজত ৰক্ষণশীল আৰু সম্প্ৰসাৰণবাদী মনোভাবৰ পাৰস্পৰিক সংঘৰ্ষত। কিন্তু উমৈহতীয়া স্বাৰ্থৰ ক্ষেত্ৰত উভয় শিবিৰ পুনৰ এক হয়। ব্যক্তিগত লাভৰ সংকট মুহূৰ্তত এই 'সভ্য' শোষক শ্ৰেণীৰ অন্তৰ্দ্বন্দ্ব আৰু মতবিৰোধৰ তীব্ৰতা হ্ৰাস পায়। নিজৰ নিজৰ স্বাৰ্থত একমত হৈ তেওঁলোকে সুপৰিকল্পিতভাৱে হত্যা কৰে জংগী শ্ৰমিক নেতাক। শ্ৰমিক শ্ৰেণীৰ মাজত আৰম্ভ হয় প্ৰচণ্ড বিক্ষোভ, আৰম্ভ হয় ধৰ্মঘট। আকৌ এই সংকট মুহূৰ্তত 'সভ্য' শোষকসকল ঐক্যবদ্ধ হয়। বিভিন্ন উপায়েৰে শ্ৰমিকসকলৰ মাজলৈ আনিবলৈ চেষ্টা কৰে ক্লীবত্ব আৰু বিভেদ। কিন্তু শ্ৰমিকসকলৰ দীপ্ত অংগীকাৰ ধ্বনিত হয় "ডৰনা নেহী লড়না; ভাগো নেহী, দুনীয়াকো বদলাও।"

এইবাৰ আহোঁ নাটকৰ বিন্যাসলৈ। নাটখনৰ গতি সুন্দৰ আৰু সাবলীল। কিন্তু হঠাৎ দুই এটা ঘটনাই নাটকৰ গতিক ব্যাহত কৰে। যেনে মহাদেৱৰ আগমনৰ ঘটনাটো। এই দৃশ্যটোত ইমাহ বেছি সময় ব্যয় কৰা হৈছে যে ই ক্ৰমশঃ ক্লান্তিকৰ আৰু পৌনঃপৌনিকতাৰ দোষদুষ্ট হয়। তদুপৰি 'নান্দীকাৰ'ৰ 'তিন পয়চাৰ পালা' নাটকৰ তদনুৰূপ শিৱৰ আবিৰ্ভাৱৰ স্মৃতি সেই সময়ছোৱাত পীড়াদায়ক হয়।

ইয়াৰ বাহিৰেও 'সভ্য' শোষক শ্ৰেণীৰ মাজৰ অন্তৰ্দ্বন্দ্ব আৰু তীব্ৰতৰ কৰি দেখুৱাৰ স্থল আছিল। কাৰণ কেৱল তেতিয়াহে শ্ৰমিক আন্দোলনৰ বিৰুদ্ধে তেওঁলোকৰ সমবেত হাতোৰা তুলি ধৰা ৰূপটো আৰু বিভৎসভাৱে প্ৰকট হ'লহেঁতেন; লগতে তীব্ৰতৰ হ'লহেঁতেন শোষকৰ বিৰুদ্ধে শ্ৰমিক শ্ৰেণীৰ শ্ৰেণী-ঘৃণা আৰু শ্ৰেণী-ক্ৰোধ। নাটকৰ মূল ত্ৰুটিৰ ভিতৰত এই দুৰ্বলতা অন্যতম; কিয়নো আন্দোলনৰ ৰূপটোৱে কিছুপৰিমাণে হলেও তাৰ জংগী চৰিত্ৰ হেৰুৱাইছে।

সৰাতোকৈ বিভ্ৰান্তিকৰ দৃশ্য নাটকৰ শেষত শোষকসকলৰ সমবেত গীত। উল্লাসৰ আৰু বিজয়ৰ গীত। শ্ৰমিকসকলৰ বজ্ৰ নিৰ্ঘোষৰ প্ৰত্যুত্তৰত মালিকসকলৰ এই বিজয় সংগীত---আত্ম বিশ্বাসৰ সংগীতে সংগ্ৰামী চেতনাক অত্যধিক আঘাত কৰে---নিৰাশাই

বুকুত খুন্দা মাৰে। অৱশ্যে আনুসংগিকভাৱে নাট্যকাৰৰ এই চিন্তাও বোধহয় সম্পূৰ্ণ উৰাই দিয়া উচিত নহ'ব---শোষক শ্ৰেণীয়ে এইভাৱেই বিজেতাৰ হাঁহি হাঁহিব যিমান দিনলৈ সংগ্ৰামী মানুহে তেওঁলোকৰ সমবেত বিশাল শক্তিৰে শোষকক নিঃশ্চিহ্ন কৰি নিদিয়ে। এই চিন্তা বা ধাৰণাটো অৱশ্যেই সত্য; কিন্তু নাটকৰ শেষত তাৰ বিন্দুমাত্ৰ হ'লেও ইংগিত থকা উচিত আছিল। কাৰণ এইবোৰ নাটক কেৱল চহৰীয়া বুদ্ধিজীৱীৰ বাবেই নহয়, সৰ্বসাধাৰণ মানুহৰ বাবেও।

এইবাৰ ক'ব খুজিছোঁ প্ৰয়োগ আৰু উপস্থাপনৰ বিষয়ে। সকলোতকৈ প্ৰশংসনীয় বিজয় সংঘৰ দলগত অভিনয়। সুন্দৰ সমবেত সংগীতৰ লেখীয়া এই দলগত অভিনয়ে দৰ্শকক আপ্লুত কৰে। তথাপি ব্যক্তিগতভাৱে অসাধাৰণ অভিনয় কৰিছে শান্তনু সেনগুপ্তই। ইয়াৰ বাহিৰেও মুনীন শৰ্মা, ৰবীন বৰঠাকুৰ, কালি মণ্ডল, ৰুণি বেগম ডলী দাস, অৰুণ বিশ্বাস, সৌমেন দাসগুপ্তই দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰে। অৱশ্যে এই সুষম আৰু পৰিশীলিত অভিনেতাসকলৰ মাজত বিদ্যুৎ চক্ৰবৰ্তীৰ অভিনয় যথেষ্ট loud আৰু অতি অভিনয়-দুষ্ট। এই অভিনেতাজনৰ অভিনয়ে দলগত অভিনয়ৰ সাৱলীল গতিক কিছুপৰিমাণে হলেও ব্যাহত কৰিছে।

নাটকখনিত দ্বি-মাত্ৰিক মঞ্চৰীতিৰ ব্যৱহাৰ চমকপ্ৰদ। পিছে সন্মুখ মঞ্চক আৰু কেইটামান ছেলফত ভাগ কৰিলে সুবিধা হ'লহেঁতেন---দৃশ্য বিভাজনবিলাক স্পষ্ট হ'লহেঁতেন। মঞ্চ সজ্জাত আচবাব-পত্ৰৰ ব্যৱহাৰৰ জাক জমকতা দৃষ্টিকটু। কোৱা বাহুল্য, এপিক ৰীতিৰ নাটকত ব্যৱহৃত ধাৰাৰ লগত এনে বিস্তৃত জাক-জমকতা খাপ নাখায়।

আলোকসম্পাতে এই নাটকত নিজস্ব ভূমিকা পালন কৰিবলৈ অক্ষম হৈছে। সংগীতৰ ব্যৱহাৰৰ ক্ষেত্ৰতো একেই কথা। অথচ এক সফল নাট প্ৰযোজনাত দুয়োটাই কিন্তু মুখ্য চৰিত্ৰ।

এই ধৰণৰ দুই এটা ত্ৰুটি বাদ দিলে সামগ্ৰিকভাৱে নাটকখনিৰ মান অসাধাৰণ আৰু এই নাটক সেইসকল মানুহৰ নাটক যিসকলে খাটি খায়, বাচি থাকিবৰ বাবে সংগ্ৰাম কৰে, যিসকলে এই উৰঁলী যোৱা সমাজ ব্যৱস্থাক ধ্বংস কৰি নতুন সমাজ নিৰ্মাণ কৰিবৰ বাবে অবিৰত সংগ্ৰাম চলায় আৰু যিসকলে মানুহক উদ্বুদ্ধ কৰি গঢ়ি তোলে দুৰ্বাৰ সংগ্ৰামী চেতনা।

বিজয় সংঘলৈ আমাৰ বিপ্লৱী অভিনন্দন জনাইছোঁ। +++

---

(অহা সংখ্যাত গুৱাহাটী সওদাগৰ নাট্যগোষ্ঠীৰ 'ৰাইফেল' আৰু ভাৰতীয় গণনাট্য সংঘৰ 'জালিয়ানৱালাবাগ' নাটকৰ সমালোচনা প্ৰকাশ কৰা হ'ব)



# সাময়িক প্ৰসংগ

## অসম হাৰ্ডবোৰ্ড শ্ৰমিক কৰ্মচাৰীৰ ধৰ্মঘট/বিশেষ প্ৰতিনিধি

অসমৰ শিল্প-বাণিজ্যৰ ক্ষেত্ৰত একচেটিয়া পুঁজিপতিসকলৰ শোষণৰ কথা জনসাধাৰণৰ অজানা নহয়। প্ৰায়েই দেখা যায় যে এনেধৰণৰ প্ৰতিষ্ঠানসমূহৰ কৰ্মকৰ্তা বা মালিকগোষ্ঠীয়ে শ্ৰমিক-কৰ্মচাৰীসকলৰ ন্যায্য দাবী আৰু তাৰ পৰিপ্ৰেক্ষিতত সংগঠিত আন্দোলন মষিমূৰ কৰাৰ বাবে সকলো গণতান্ত্ৰিক ৰীতি-নীতি বিসৰ্জন দি শ্ৰমিকসকলৰ ওপৰত উৎপীড়ন চলায়। উল্লেখযোগ্য, এই ক্ষেত্ৰত তেওঁলোকে চৰকাৰী সাহায্যও লাভ কৰে। বস্তুতঃ মালিক আৰু চৰকাৰপক্ষৰ মাজত এটা অবাঞ্চনীয় সম্পৰ্ক প্ৰায়েই লক্ষ্য কৰা যায় আৰু শ্ৰমিক-কৰ্মচাৰীসকলে এই দুই শক্তিৰ যৌথ প্ৰতিবন্ধকতাৰ বিৰুদ্ধে যুঁজিহে সদায় তেওঁলোকৰ ন্যায্য দাবীসমূহ আদায় কৰিব লগা হয়। কেইমাহমান আগতে, গুৱাহাটীত অৱস্থিত অসম কাৰ্বণৰ শ্ৰমিকসকলে তেওঁলোকৰ দাবীৰ সমৰ্থনত চলোৱা গৌৰৱময় সংগ্ৰামৰ কথা সকলোৱে জানে। একেদৰেই তিক্ত সংগ্ৰামত অৱতীৰ্ণ হবলগা হৈছে গুৱাহাটীৰ পানীখাইতিত অৱস্থিত অসম হাৰ্ডবোৰ্ডৰ কৰ্মীসকলে।

প্ৰচুৰ লাভ অৰ্জনকাৰী এই অসম হাৰ্ডবোৰ্ডৰ ব্যৱসায় সমগ্ৰ ভাৰত জুৰি আৰু ইয়াৰ উৎপাদিত সামগ্ৰী বিদেশলৈকো ৰপ্তানি কৰা হয়। এই শিল্প প্ৰতিষ্ঠানৰ মূলধনৰ শতকৰা ষাঠিভাগ যোগাইছে অসম চৰকাৰে, L.I.C, বেংক আদি ৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানে আৰু বাকী চল্লিশ শতাংশ হ'ল বৃহৎ পুঁজিপতিসকলৰ অন্যতম Somani Group of Industries ৰ। এতেকে এই কথা সন্দেহাতীত যে এই প্ৰতিষ্ঠানৰ আৰ্থিক ভিত্তি অতি সুদৃঢ় আৰু সুব্যৱস্থা আৰু সুপৰিচালনাত ইয়াৰ উন্নতি আৰু সম্প্ৰসাৰণ সম্ভৱপৰ। কিন্তু অতি পৰিতাপৰ কথা, কৰ্তৃপক্ষৰ অযোগ্যতা, চৰকাৰৰ অবহেলা আৰু মালিকৰ অতিলোভে এই প্ৰতিষ্ঠানটোক ধ্বংসৰ মুখলৈ ঠেলি দিছে। চৰকাৰৰ পৰা আৰু বেছি বিত্তীয় সুবিধা আদায় কৰাৰ অভিসন্ধিৰে অৰ্থনৈতিক দুৰৱস্থাৰ দোহাই দি জৰুৰী অৱস্থাৰ শ্বাসৰুদ্ধ অৱস্থাৰ মাজত কৰ্তৃপক্ষই বে-আইনীভাৱে এই প্ৰতিষ্ঠানটো বন্ধ কৰি দিয়ে। উল্লেখযোগ্য যে চৰকাৰে বিভিন্ন সময়ত এই প্ৰতিষ্ঠানক বিদ্যুৎ, কাঠ আদি কম দামত যোগান ধৰি বিশেষ সুবিধা দিছিল। কিন্তু তৎসত্বেও প্ৰতিষ্ঠানটো বন্ধ কৰি দি কৰ্তৃপক্ষই ইয়াৰ কৰ্মীসকলৰ কৰ্মহীন অৱস্থাৰ দুখ-দুৰ্দশাৰ প্ৰতি সম্পূৰ্ণ উদাসীনতা অৱলম্বন কৰিছিল। অসম



OKDISCD

চৰকাৰেও শ্ৰমিকসকলৰ প্ৰতি কোনো ধৰণৰ দায়বদ্ধতা নেদেখুৱালে। অসীম ধৈৰ্য আৰু নিষ্ঠাৰে অতি দুখ কষ্ট সহ্য কৰি শ্ৰমিকসকলে ইমাৰ্জেঞ্চিৰ কঠোৰ সীমাবদ্ধতাৰ মাজতো দৃঢ়ভাবে ১৫ মাহ সংগ্ৰাম কৰি এই বন্ধ ( closure ) উঠাই লবলৈ কৰ্তৃপক্ষক বাধ্য কৰিছিল। কিন্তু কৰ্তৃপক্ষই নানা অজুহাত দেখুৱাই যোৱা ২২ আগষ্টৰ পৰা পুনৰ কাৰখানাত উৎপাদন বন্ধ কৰি দিয়ে।

অসম হাৰ্ডবোৰ্ড শ্ৰমিক ইউনিয়নে নিয়মিত উৎপাদন আৰম্ভ কৰাৰ দাবী লৈ সংগ্ৰাম আৰম্ভ কৰিছে। অসমৰ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰি ইউনিয়ন ব্যৰ্থ হয়। অসমৰ জইন্ট কাউন্সিল অব ট্ৰেড ইউনিয়নৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰৰ ওচৰতো স্মাৰকপত্ৰ দাখিল কৰি শ্ৰমিকৰ স্বাৰ্থৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰা হৈছে। স্মাৰকপত্ৰৰ যোগেদি মালিকপক্ষৰ সকলো অনাচাৰ আদি বিবৃত কৰি এই অভিযোগো অনা হৈছে যে মালিকপক্ষই অত্যন্ত ৰহস্যজনক কাৰণে এই পৰ্যন্ত Assam State Electricity Board-ৰ ৩০ লাখ টকাৰ বিদ্যুৎ বিল পৰিশোধ নকৰাকৈ আছে। ইয়াৰ লগতে আছে মালিকপক্ষৰ অন্যায় শ্ৰমনীতি আৰু টকা পইচাৰ বহুবিধ কেলেংকাৰী। মালিকপক্ষই এই অভিযোগসমূহৰ যথাযথ সদুত্তৰ দিব পৰা নাই। কিন্তু অসম চৰকাৰৰ চৰম উদাসীনতা আৰু শ্ৰমিক বিৰোধী মনোভাবেহে যথেষ্ট উৎকণ্ঠাৰ সৃষ্টি কৰিছে। ক্ৰমবৰ্ধমান নিবনুৱা সমস্যাত জুৰুলা হবলগীয়া অবস্থাত চৰকাৰী মূলধন নিয়োজিত শিল্প কিয় বন্ধ হৈ যাবলৈ উপক্ৰম কৰিছে আৰু তাৰ প্ৰায় ৩০০ কৰ্মচাৰী কৰ্মহীন হৈ অন্ন বস্ত্ৰৰ অভাৱত মৰিব লগা হৈছে আৰু এইবিলাক অব্যৱস্থাৰ বিৰুদ্ধে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে কাৰ স্বাৰ্থত মৌনতা অবলম্বন কৰিছে সি দুৰ্বোধ্য। সেয়ে J.C.T.U.ৰ আহ্বানত গুৱাহাটীৰ বিভিন্ন ট্ৰেড ইউনিয়নে নিজ নিজ কৰ্মস্থানৰ সমখত যোৱা ১৫ ডিচেম্বৰত বিক্ষোভৰ আয়োজন কৰিছিল। শ্ৰমিক কৰ্মচাৰীসকলে অসম হাৰ্ডবোৰ্ড শ্ৰমিকসকলৰ সংগ্ৰামত পূৰ্ণ সমৰ্থন জনাই চৰকাৰৰ ওচৰত দাবী কৰে যে অনতিপলমে চৰকাৰে এই প্ৰতিষ্ঠান অধিগ্ৰহণ কৰি পূবাদমে উৎপাদন আৰম্ভ কৰক, শ্ৰমিক ছাটাই বন্ধ কৰক, আৰু কৰ্তৃপক্ষই জনগণৰ কষ্টোপাৰ্জিত ধনেৰে হেতালি খেলা বন্ধ কৰক। শ্ৰমিকৰ এই সংগ্ৰামী ঐক্য দীৰ্ঘজীৱী হওক। অসম হাৰ্ডবোৰ্ড শ্ৰমিক সংগঠন জিন্দাবাদ। +++

আপোনাৰ সেৱাত আমাৰ নৱতম সংযোজন

ব্লক ইউনিট

হেমকোষ প্ৰিণ্টাৰ্ছ ।। শিলপুখুৰী ।। গুৱাহাটী—৭৮১০০৩



# ক'লা আইন আৰু জনতা চৰকাৰ/বিশেষ প্ৰতিনিধি

স্বাধীনোত্তৰ ভাৰতবৰ্ষ যোৱা ত্ৰিছটা বছৰত প্ৰায়েই এটা নহয় এটা বিৰ্তনমূলক আটক আইনৰ গ্ৰাসত বন্দী হৈ আছিছে। প্ৰকৃতাৰ্থত, এই দেশৰ শাসক মণ্ডলীয়ে দমনমূলক আইন প্ৰণয়নৰ ক্ষেত্ৰত ৰোডেছিয়া, দক্ষিণ আফ্ৰিকা আদি বৰ্ণবিদ্বেষী ফেছিষ্ট চৰকাৰসমূহতকৈও অধিক কৃতিত্ব দেখুৱাইছে। বিচিত্ৰ এই দেশত হাজাৰ হাজাৰ লোকক বিনা কাৰণে আৰু বিনা বিচাৰে বন্দী কৰি ৰখাৰ সকলো ব্যৱস্থা কৰিও নিজকে গণতন্ত্ৰৰ ধ্বজাধাৰী বুলি প্ৰতিপন্ন কৰিব পাৰি। যোৱা ত্ৰিছ বছৰৰ ইতিহাসে এই তথাকথিত গণতন্ত্ৰৰ কুৎচিৎ মুখাখন তাৰ যথাৰ্থ ৰূপত প্ৰকাশ কৰি দেখুৱাইছে। সেয়ে যোৱা নিৰ্বাচনত জনতা দলৰ জয় লাভে আমাক উৎসাহিত কৰিছিল। তেওঁলোকৰ প্ৰাক্ নিৰ্বাচনী ঘোষণাসমূহে জনসাধাৰণৰ মনত আশাৰ উদ্ৰেক কৰিছিল। কিন্তু কেন্দ্ৰত জনতা চৰকাৰ গঠন হোৱাৰ ইমান দিনৰ পিছতো অবস্থাৰ কোনো পৰিবৰ্তন নহ'ল। যদিও জনতা দলৰ এচাম নেতাই 'মিছা' 'ডি আই আৰ' আদি উঠাই লোৱাৰ বিষয়ে মাজে মাজে মাত মাতে লগৰে এচামে কিন্তু এই আইনসমূহৰ বিকল্প ব্যৱস্থা হিচাবে অন্য ধৰণৰ কিবা আইন প্ৰণয়নৰ কথা দোহাৰে। তেওঁলোকৰ মতে কিবা এটা বিকল্প ব্যৱস্থা নোহোৱাকৈ 'মিছা' বাতিল কৰা ঠিক নহ'ব।

এইখিনিতে উল্লেখ কৰা ভাল, কাশ্মীৰ চৰকাৰে যোৱা ২৯ নবেম্বৰত বিনা বিচাৰে আটক কৰা আৰু সংবাদ পত্ৰৰ স্বাধীনতা খৰ্ব কৰাৰ বাবে প্ৰণয়ন কৰা অৰ্ডিনান্সখনৰ বিৰোধিতা কেন্দ্ৰীয় চৰকাৰে কৰা নাই। আনকি স্বৰাষ্ট্ৰ দপ্তৰৰ কোনো কোনো মুখপাত্ৰই ৰাজ্যখনৰ স্বাৰ্থৰ খাতিৰত শ্বেখ আব্দুলাই তেনে আইন প্ৰণয়ন কৰিব পাৰে বুলিহে মন্তব্য কৰিছে। আৰু কেমাহমান আগতে মধ্যপ্ৰদেশ চৰকাৰেও শ্ৰমিক কৰ্মচাৰী সকলৰ আন্দোলন দমন কৰাৰ বাবে প্ৰণয়ণ কৰা 'Mini MISA' বুলি খ্যাত জঘন্য আইনখনেও কেন্দ্ৰীয় চৰকাৰৰ অকুণ্ঠ সমৰ্থন লাভ কৰিছে।

আজিৰ এই কুখ্যাত MISA ৰ উৎপত্তি হৈছিল ১৯৭৩ চনত। ১৯৬৯ চনত যেতিয়া ইন্দিৰা চৰকাৰে কংগ্ৰেছ বিভক্ত হোৱাৰ ফল স্বৰূপে সংসদত সংখ্যা গৰিষ্ঠতা হেৰুৱাইছিল তেতিয়া চলি থকা Preventive Detention Act ৰ সময়সীমা পাৰ হৈ যোৱাৰ পিছত পুনৰ নতুনকৈ এই আইন প্ৰবৰ্তন কৰিব নোৱাৰা হ'ল। অবশ্যে ৰাজ্য চৰকাৰসমূহে নিজ নিজ ৰাজ্য ক্ষেত্ৰত নিজা Preventive Detention Act প্ৰবৰ্তন কৰিব পাৰিব বুলি কেন্দ্ৰীয় চৰকাৰে আশ্বাস দিলে। তাৰ পৰিপ্ৰেক্ষিততে অন্ধ্ৰ প্ৰদেশত ৰাজ্য চৰকাৰে প্ৰবৰ্তন কৰা Andhra Pradesh Act আৰু পশ্চিম বংগৰ Preventive of Violent Activities Act কেন্দ্ৰীয় মূল Preventive Detention Act তকৈও জঘন্য আৰু ভয়াবহ আছিল। তাৰ পিছত ইন্দিৰা গান্ধীয়ে প্ৰচুৰ সংখ্যা গৰিষ্ঠতা লাভ কৰি ১৯৭১ চনত চৰকাৰ গঠন কৰিয়েই প্ৰথম কাম হাতত ললে MISA প্ৰণয়ন ; সকলো বিৰোধী দল আৰু গণতান্ত্ৰিক মতামত উপেক্ষা কৰি MISA প্ৰণয়নৰ যোগেদি ইন্দিৰাই ফেছিবাদী শাসনৰ পাতনি মেলিলে। সুবিধাও হৈছিল বাংলা দেশৰ 'মুক্তি যুদ্ধৰ' দোহাই দিবলৈ। External Emergency আৰু DIR ৰ লগতে মিছা প্ৰণয়ন কৰি দুবছৰ পৰ্যন্ত বিনা বিচাৰে আটক বন্দী কৰি ৰাখিব পৰাৰ ব্যৱস্থা কৰা হ'ল। আনকি কোনো কাৰণত মুক্তি লাভ কৰা ৰাজনৈতিক

কৰ্মীক এই আইনৰ বলত পুলিছে পুনৰ জেল গেটৰ পৰাই বন্দী কৰি ঘূৰাই আনি জেলত ৰাখিব পাৰিছিল।

আমাৰ দেশৰ বুৰ্জোৱা ৰাজনীতি যে সকলো প্ৰকাৰ ধাপ্পাবাজি আৰু সংকীৰ্ণতাৰ ওপৰত প্ৰতিষ্ঠিত তাক সকলোৱেই জানে। মিথ্যাচাৰ আৰু বঞ্চনা হ'ল ৰাজনীতিৰ মূল মন্ত্ৰ। কিন্তু তথাপিও যোৱা নিৰ্বাচনত গণতান্ত্ৰিক অংগীকাৰ লৈ আগ বাঢ়ি অহা জনতা দলে যে তেওঁলোকৰ অংগীকাৰ ইমান সোনকালে পাহৰি যাব আৰু MISA উঠাই লোৱাৰ ক্ষেত্ৰত ইমান হেঁাহকা পিছলা কৰিব এই কথা কোনো সৎ বুদ্ধিসম্পন্ন লোকেই কল্পনা কৰিব পৰা নাছিল। জনতা চৰকাৰেও এতিয়া ইন্দিৰা গান্ধী আৰু তেওঁৰ দলৰ নীতিকে গ্ৰহণ কৰিছে। ৰাজনৈতিক বন্দীমুক্তিৰ প্ৰশ্নত জনতা চৰকাৰৰ নিৰ্লজ্জ ঘোষণাবোৰে গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত নতুনকৈ আঘাত হানিছে। কিন্তু এইচাম নতুন শাসক গোষ্ঠীয়ে মনত ৰখা উচিত যে আমাৰ জনসাধাৰণে সকলো প্ৰকাৰ অগণতান্ত্ৰিক ৰীতি নীতি আৰু স্বৈৰাচাৰৰ বিৰুদ্ধে স্পষ্ট আৰু দৃঢ়মত দাঙি ধৰিছে—কংগ্ৰেছৰ অপ-শাসনক একে হেঁচাকতে ওফৰাই পঠাইছে। জনতা দলেও যদি একে স্বৈৰাচাৰী পদ্ধতিৰেই শাসন চলাব বিচাৰে তেনেহলে তেওঁলোকৰ পৰিণতিও যে কংগ্ৰেছৰ দৰেই শোচনীয় হ'ব সেই কথা ধ্ৰুৱ নিশ্চিত।

## ৰাজ্যিক শ্ৰমিক কৰ্মচাৰী আৰু শিক্ষকৰ সংগ্ৰাম/বিশেষ প্ৰতিনিধি

অসমৰ হিমশীতল ডিচেম্বৰ এইবাৰ উপ্ত। ইয়াৰ বতাহত আজি সংগ্ৰামৰ ধ্বনি, বাটে-ঘাটে মানুহৰ দৃপ্ত মিছিল। প্ৰায় একলাখ ৰাজ্যিক শ্ৰমিক কৰ্মচাৰী আৰু শিক্ষকে আকৌ এবাৰ সংগ্ৰামত অৱতীৰ্ণ হৈছে তেওঁলোকৰ ন্যায়সংগত দাবিচনদ আদায়ৰ বাবে। তেওঁলোকৰ অভিনন্দনযোগ্য আপোচহীন দৃঢ়তা, সংগ্ৰামী মনোবল আৰু বিভিন্ন শ্ৰেণীৰ কৰ্মচাৰীসকলৰ ঐক্যৰ ভিত্তিত গঠিত সংগঠন সংগ্ৰাম পৰিষদে ইতিমধ্যেই সচেতন গণতন্ত্ৰকামী ৰাইজৰ সপ্ৰশংস দৃষ্টি আকৰ্ষণ কৰিছে। যোৱা ১৬ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা অবিৰাম ধৰ্মঘটে চৰকাৰী আৰু ৰাজহুৱা খণ্ডৰ কাৰ্যালয় আৰু প্ৰতিষ্ঠানসমূহ সম্পূৰ্ণ অচল কৰি দিবলৈ সক্ষম হৈছে।

ৰাজ্যিক শ্ৰমিক কৰ্মচাৰী আৰু শিক্ষকৰ এই ঐতিহাসিক ঐক্য আৰু সংগ্ৰামে অসমৰ প্ৰতিক্ৰীয়াশীল কংগ্ৰেছ চৰকাৰক স্বাভাৱিকতেই ভীত কৰি তুলিছে। ৰাজ্য চৰকাৰে এই অবিৰাম ধৰ্মঘট সম্পৰ্কে বেঁতাৰ আৰু বিজ্ঞপ্তিৰ মাধ্যমেৰে মিছা আৰু অভিসন্ধিমূলক খাতৰি পৰিবেশন কৰিব ধৰিছে। দমনমূলক ব্যৱস্থাৰ দ্বাৰা ধৰ্মঘটকাৰীসকলক ভয় দেখুৱাবলৈ ৰাজ্য চৰকাৰে বিৰাট সংখ্যক পুলিছ বিভিন্ন কাৰ্যালয়ৰ সন্মুখত থিয় কৰাইছে। অবিলম্বে কামত যোগ নিদিলে বৰ্খাস্ত কৰা হব বুলিও চৰকাৰে ভাবুকি দিছে। যেতিয়াই গণ আন্দোলনে তীব্ৰৰূপ ধাৰণ কৰে তেতিয়াই দেখা গৈছে চৰকাৰে নৃশংস দমন নীতিৰে আন্দোলন স্তব্ধ কৰি দিবলৈ বিচাৰে। ১৯৭৪ চনৰ ৰেল ধৰ্মঘট আৰু অসমৰ কলেজ শিক্ষক আৰু ছাত্ৰৰ আন্দোলনৰ সময়ত অসম চৰকাৰৰ নৃশংস ভূমিকা জনসাধাৰণে এতিয়াও পাহৰা নাই। সেই চৰকাৰে যে এতিয়া দমনমূলক আৰু প্ৰৰোচনামূলক ব্যৱস্থাৰ দ্বাৰা ধৰ্মঘট ভঙাৰ অপচেষ্টা চলাব ই স্বাভাৱিক। কিন্তু চৰকাৰৰ এই কাৰ্যাৱলীত গণতন্ত্ৰপ্ৰিয় আৰু শুভবুদ্ধিসম্পন্ন ব্যক্তি মাত্ৰেই গৰিহণা দিছে আৰু সংগ্ৰাম পৰিষদে ৰাজ্য চৰকাৰক সকিয়াই দি কৈছে যে ৰাজ্যিক শ্ৰমিক কৰ্মচাৰীৰ দৃঢ় ঐক্য আৰু দাবী আদায়ৰ



বাবে লোৱা সংকল্পক কোনো প্ৰকাৰৰ প্ৰৰোচনাৰ প্ৰলোভন, অপপ্ৰচাৰে ক্ষতি কৰিব নোৱাৰিব, ইতিমধ্যে J.C.T.Uৰ নেতৃত্বত অসমৰ বিভিন্ন শ্ৰমিক কৰ্মচাৰী সংগঠনে এই ধৰ্মঘটৰ সমৰ্থনত আগবাঢ়ি আহিছে। ১৯ৰ পৰা ২৪ ডিচেম্বৰলৈকে নিজ নিজ কৰ্ম ক্ষেত্ৰত শ্ৰমিক কৰ্মচাৰীসকলে সভা আৰু বিক্ষোভ সংগঠন কৰিব। আৰু ২৭ ডিচেম্বৰত গুৱাহাটীত এখন কেন্দ্ৰীয় শ্ৰমিক সমাবেশৰ আয়োজন কৰিছে আৰু ২৮ ডিচেম্বৰত অসম জুৰি ৰাজহুৱা খণ্ডৰ কৰ্মী ফেডাৰেচন বিলাকে এদিনৰ প্ৰতীক ধৰ্মঘট কৰিব।

১৪ দফীয়া দাবী চনদৰ মূল দাবী কেইটাৰ ভিতৰত আছে চৰকাৰে অন্যায়ভাৱে বন্ধ কৰি ৰখা ১-৭-৭৪ৰ পৰা পাবলগীয়া মাথুৰ কমিছনৰ চুপাৰিছ অনুসৰি মৰগীয়া বানচ। জৰুৰী অৱস্থাৰ সুযোগ লৈ অসম চৰকাৰে ১৯৭৬ চনৰ মূল্যসূচী কেন্দ্ৰীয় চৰকাৰৰ মূল্য সূচীতকৈ বহু কম দেখুৱাইছে, অথচ অসম চৰকাৰৰ দৰমহা আয়োগে প্ৰতিবেদনত স্বীকাৰ কৰিছে যে, অসমৰ মূল্যসূচী ভাৰতৰ আন আন ঠাইতকৈ বেছি। কিন্তু এতিয়া ভুৱা মূল্যসূচী প্ৰবৰ্তনৰ কাৰণে ৰাজ্যিক শ্ৰমিক কৰ্মচাৰীয়ে ১৯৭৫ চনৰ পাবলগীয়া মৰগীয়া বানচতকৈ ৬ কিস্তি কম পাইছে। ৰাজ্যিক সংগ্ৰাম পৰিষদে চৰকাৰৰ এই ভুৱা মূল্যসূচী মানি নলয়। এই দাবী অত্যন্ত ন্যায়সংগত।

যিসকল কৰ্মচাৰীক ৰাজ্য চৰকাৰে ৫৫ বছৰত অৱসৰ গ্ৰহণ কৰিবলৈ বাধ্য কৰিছিল তেওঁলোকক পুনৰ নিয়োগ কৰাৰ দাবীও নিশ্চয় অত্যন্ত সংগত দাবী। মূল্য বৃদ্ধিৰ প্ৰতিৰোধ আৰু সুলভ মূল্যত নিত্য প্ৰয়োজনীয় বয়বস্তুৰ যোগানৰ দাবী সাধাৰণভাৱে সকলো শ্ৰমজীৱী জনগণৰ দাবী। এই দাবী লৈ ৰাজ্যিক কৰ্মচাৰী সকলৰ সংগ্ৰাম যুক্তি সংগত।

অন্যান্য দাবী বিলাকৰ ভিতৰত আছে দমনমূলক ব্যৱস্থাৰ প্ৰত্যাহাৰ আৰু অন্যায় ভাৱে বৰ্খাস্ত হোৱা নাইবা বাধ্যতামূলক অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ পুনৰ্বাহাল। এইখিনিতে উল্লেখযোগ্য যে দমনমূলক ব্যৱস্থা লোৱা সংবিধানৰ ৩১১(২) ধাৰা উঠাই লবলৈ দাবী কৰা হৈছে আৰু সংবিধানৰ ৪২ তম ধাৰা সমূলে প্ৰত্যাহাৰৰ দাবী জনোৱা হৈছে। এই গণতান্ত্ৰিক দাবী স্বৈৰাচাৰী শাসন বিৰোধী আজিৰ নতুন চিন্তা চেতনাৰ আৰু দেশৰ পৰিৱৰ্তিত ৰাজনৈতিক পৰিস্থিতিৰ লগত নিশ্চয় সামঞ্জস্যপূৰ্ণ। লগতে আছে ট্ৰেড ইউনিয়ন অধিকাৰৰ স্বীকৃতিৰ দাবী।

আন কেইটা দাবী হ'ল, দৰ্মহা আয়োগৰ প্ৰতিবেদনৰ বিসংগতি সম্পৰ্কে, ঘৰ ভাড়া বৃদ্ধি, কেজুৱেল শ্ৰমিকসকলৰ নিয়মিতকৰণ, ড্ৰাইভাৰ আৰু হস্পিতাল কৰ্মী সকলৰ বাবে সপ্তাহত ৪৮ ঘণ্টা কাম নিৰ্দ্ধাৰণ, পাঁচ বছৰ চাকৰী হোৱাৰ লগে লগে স্থায়ীকৰণ; চৰকাৰৰ খেয়ালখুছী মতে বৰ্খাস্ত নকৰাৰ প্ৰতিশ্ৰুতি; চাকৰীয়ালৰ ল'ৰা-ছোৱালীৰ বিনামূলীয়া শিক্ষা সম্পৰ্কে বিবেচনা; আৰু প্ৰয়োজন ভিত্তিক সৰ্বনিম্ন দৰমহাৰ ব্যৱস্থা কৰা।

এই গোটেই দাবীবিলাক চৰকাৰৰ দ্বাৰা বহুদিন ধৰি উপেক্ষিত। এতিয়া সিংহ চৰকাৰে জনসাধাৰণৰ অসুবিধাৰ দোহাই দি ধৰ্মঘট উঠাই লবলৈ আবেদন কৰিছে——কিন্তু ইমানদিনে চৰকাৰে এই দাবীবোৰৰ প্ৰতি সহানুভূতি দেখুৱা নাই। বৰঞ্চ এতিয়াও মিছা প্ৰচাৰৰ যোগেদি জনসাধাৰণক বিভ্ৰান্ত কৰিব খুজিছে আৰু নানা উপায়ে ধৰ্মঘটকাৰীসকলৰ মাজত বিভেদ আনিবলৈ অপচেষ্টা চলাই আছে। আমি এতিয়াও আশা কৰিম যে চৰকাৰৰ শুভবুদ্ধিৰ উদয় হ'ব আৰু সংগ্ৰামী শ্ৰমিক কৰ্মচাৰীৰ দাবীবোৰৰ আশু মীমাংসা কৰিব।

২১-১২-৭৭।

+++

# উদাৰতাবাদৰ বিৰুদ্ধে মতাদৰ্শগত সংগ্ৰাম গঢ়ি তোলক/মাও-চে-তুং

অনুবাদ ঃ উদয়াদিত্য ভৰালী

(বিশ্বৰ বিভিন্ন প্ৰগতিশীল সংগ্ৰামৰ সৈতে জড়িত বিভিন্ন প্ৰগতিশীল কৰ্মীৰ মনত দেখা দিব পৰা এক মূল বিপথগামী চিন্তা হ'ল--উদাৰতাবাদ। বিশেষকৈ বিপ্লৱৰ প্ৰথম স্তৰত এই বিপদে মাৰাত্মক ৰূপত দেখা দিব পাৰে। কাৰণ তেতিয়া নেতৃত্বদায়ী বেছি-ভাগ কৰ্মীয়েই আহে পেটি বুৰ্জোৱা শ্ৰেণীৰ পৰা। চীনা বিপ্লৱতো এই বিপদে মূৰ ডাঙি উঠিছিল আৰু তাৰ বিৰুদ্ধে এক মতাদৰ্শগত সংগ্ৰামৰ আহ্বান দি চেয়াৰমেন মাও চে তুঙে 'কমবেট লিবাৰেলিজম' বোলা প্ৰবন্ধটো লেখে। বিশ্বৰ সকলো প্ৰগতিশীল কৰ্মীৰ মতাদৰ্শগত সংগ্ৰামৰ বাবে এইখন এখন মহান দলিল স্বৰূপ। প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি এই প্ৰবন্ধটোৰ এক মুকলি অনুবাদ তলত দিয়া হ'ল।—অনুবাদক)

আমি সক্ৰিয় মতাদৰ্শগত সংগ্ৰামৰ সপক্ষে কওঁ, কাৰণ এইপাত অস্ত্ৰেৰেই আমাৰ সংগ্ৰামৰ স্বাৰ্থত, পাৰ্টি আৰু আন বিপ্লৱী সংগঠনসমূহ--এই দুয়োটাৰে আভ্যন্তৰীণ ঐক্য বজাই ৰাখিব পাৰি। প্ৰতিজন কমিউনিষ্টে আৰু বিপ্লৱীয়ে এইপাত অস্ত্ৰ ধাৰণ কৰা উচিত।

কিন্তু উদাৰতাবাদে এই মতাদৰ্শগত সংগ্ৰাম পৰিত্যাগ কৰি আদৰ্শহীন শান্তিৰ সপক্ষে কয়। ই এক ক্ষয়িষ্ণু সংকীৰ্ণ দৃষ্টিভংগীৰ জন্ম দিয়ে। ফলত পাৰ্টি আৰু বিপ্লৱী সংগঠনসমূহৰ কিছুমান ইউনিট তথা ব্যক্তিৰ মাজত ৰাজনৈতিক অধঃপতন আৰম্ভ হয়।

উদাৰতাবাদে বিভিন্ন ৰূপত মূৰ ডাঙি উঠিব পাৰে।

এজন ব্যক্তি সম্পূৰ্ণভাৱে বিপথে যোৱা দেখিও শান্তি আৰু বন্ধুত্বৰ খাতিৰত যেতিয়া নীৰৱ দৰ্শক হোৱা যায়; এজন ব্যক্তি পুৰণি চিনাকি, একে ঠাইৰেই মানুহ, স্কুলীয়া লগ, অন্তৰংগ বন্ধু, প্ৰিয়জন, পুৰণা সহকৰ্মী, বা পুৰণা তলতীয়া কৰ্মচাৰী বাবেই তেওঁৰ সৈতে নীতি সম্পৰ্ক বিতৰ্কৰ পৰা বিৰত থকা যায়; অথবা কাৰোবাৰ লগত ভাল সম্পৰ্ক বজাই ৰাখিবলৈ কিবা এটাৰ বিষয়ে দ'কৈ ফঁহিয়াই নাচাই যেতিয়া ওপৰে ওপৰে বিবেচনা কৰা হয়, যাৰ ফলত ব্যক্তি আৰু সংগঠন দুয়োটাই ক্ষতিগ্ৰস্ত হয়-----ই এক ধৰণৰ উদাৰতাবাদ।

কিবা বিষয়ে থকা কাৰোবাৰ অভিমতবোৰ কাৰ্যতৎপৰতাৰে সংগঠনৰ আগত দাখিল কৰাৰ সলনি যেতিয়া দায়িত্বহীনভাৱে মনে মনে সমালোচনা কৰা হয়; কাৰোবাৰ বিষয়ে কিবা সমালোচনা থাকিলে তাক সমুখত নকৈ যেতিয়া তেওঁৰ অজানিতে ফুচফুচিয়া মেল পাতে; অথবা মুকলি সভাত মনে মনে থাকি ক'বলগীয়াখিনি বু-বু বা-বা কৰে; যৌথ জীৱনৰ নীতিসমূহৰ প্ৰতি সম্পূৰ্ণ অশ্ৰদ্ধা প্ৰদৰ্শন কৰি যেতিয়া নিজ খুচি মতে কাম কৰে--ই হ'ল দ্বিতীয় বিধৰ উদাৰতাবাদ।

যেতিয়া কিবা ঘটনাই নিজক হানি নকৰে তেতিয়া ঘটনাটোৰ প্ৰতি কাণসাৰ নিদিয়া, ভুলখিনিৰ বিষয়ে সম্পূৰ্ণৰূপে জানিও যেতিয়া ঘটনাস্ৰোত আওকাণ কৰা হয়; যেতিয়া নিজৰ সমৃদ্ধিৰ কথা চিন্তা কৰে; যেতিয়া নিজক বচাইহে কাম কৰিব খোজে আৰু বদনামৰ হাত সাৰিবলৈকেহে মাথোন কামত ধৰে----ই হ'ল তৃতীয় বিধৰ উদাৰতাবাদ।

নিজে কোনো আদেশ নামানি মাথোন নিজৰ মতামতক লৈহে গৰ্ব কৰে; সংগঠনৰ পৰা বিশেষ আদৰ দাবী কৰে কিন্তু সাংগঠনিক শৃংখলাক নামানে----ই হ'ল চতুৰ্থ বিধৰ উদাৰতাবাদ।

ঐক্যক জীয়াই ৰাখিবলৈ, প্ৰগতিৰ পথ সুগম কৰিবলৈ, বা কামবোৰ নিয়াৰিকৈ কৰাৰ সুবিধাৰ্থে এটা বিতৰ্কৰ মাজলৈ গৈ ভুল দৃষ্টিভংগীবোৰৰ বিৰুদ্ধে মতাদৰ্শগত সংগ্ৰাম আৰম্ভ কৰাৰ সলনি ব্যক্তিগত আক্ৰমণ চলোৱা, হাই কাজিয়াত লিপ্ত হোৱা, ব্যক্তিগত আক্ৰোশ প্ৰকাশ কৰা, বা প্ৰতিশোধ ল'বলৈ চেষ্টা কৰা----ই হ'ল পঞ্চম বিধৰ উদাৰতাবাদ।



এটা দোষণীয় মতামতৰ বিৰুদ্ধাচৰণ নকৰি নীৰৱে শুনি থকা; আনকি এটা প্ৰতি-বিপ্লৱী বক্তব্য শুনিও তাৰ খবৰ সংগঠনক নিদি, যেন একোৱেই হোৱা নাই, এনে ভাব দেখুওৱা----ই হ'ল ষষ্ঠ বিধৰ উদাৰতাবাদ।

জনগণৰ মাজত থাকিও প্ৰচাৰ আৰু আন্দোলনমুখী কাৰ্য চলাবলৈ অপাৰগ হোৱা; জনসভাত বক্তৃতা দিব নোৱাৰা; বা জনগণৰ মাজত অনুসন্ধান আৰু তদন্ত চলোৱাত ব্যৰ্থ হোৱা; জনগণৰ প্ৰতি কাণসাৰ নিদিয়া; তেওঁলোকৰ হকে সজাগ নোহোৱা; এজনে নিজকে কমিউনিষ্ট বুলি পাহৰি এজন সাধাৰণ অকমিউনিষ্টৰ নিচিনা ব্যৱহাৰ দেখুওৱা---ই হ'ল সপ্তম বিধৰ উদাৰতাবাদ।

জনগণৰ স্বাৰ্থ কোনোবাই অনিষ্ট কৰা দেখিও খং নুঠা, বা তেওঁক তাৰ পৰা বিৰত থাকিবলৈ বুজনি নিদিয়া, বা তেওঁ ইয়াক কৰাটো বন্ধ কৰিবলৈ চেষ্টা নকৰা, বা তেওঁক এইবোৰ কৰি নাথাকিবলৈ যুক্তি নদৰ্শোৱা----ই হ'ল অষ্টম বিধৰ উদাৰতাবাদ।

কোনো পৰিকল্পনা বা নিদিষ্ট লক্ষ্য নথকাকৈয়ে জধে মধে লেহেমীয়া গতিত আধা মনযোগী হৈ কাম কৰি ভবা, 'পুৰোহিত হৈ থাকো মানে ঘন্টা বজাবলৈ পামেই' (অৰ্থাৎ, বিপ্লৱী মাৰ্কা মৰা থাকে মানে বিপ্লৱী বুলি চিনাক্ত হ'মেই--ই হ'ল নৱম বিধৰ উদাৰতাবাদ।

যেতিয়া এজনে বিপ্লৱৰ স্বাৰ্থত মহান অৰিহণা যোগাইছে বুলি ভাবিবলৈ ধৰে; নিজকে অগ্ৰজ বুলি গৰ্ব কৰে; এফালেদি সৰু কামবোৰ (অপ্ৰধান কামবোৰ) কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে, আন ফালেদি ডাঙৰ কামবোৰ (প্ৰধান কামবোৰ) কৰাৰ যোগ্যতা নাথাকে, চিমা তেতেল্যাকৈ কাম ক'ৰে আৰু অধ্যয়নৰ প্ৰতি ধাউতিশীল নহয়---ই দশম বিধৰ উদাৰতাবাদ।

যেতিয়া এজনে নিজৰ ভুলবোৰৰ প্ৰতি সম্পূৰ্ণ সজাগ হৈয়ো নিজৰ বিষয়ে এটা উদাৰ-পন্থী মনোভাৱ পোষণ কৰি এইবোৰ সংশোধন কৰিবলৈ চেষ্টা নকৰে---ই হ'ল একাদশ বিধৰ উদাৰতাবাদ।

আমি আৰু বহু বিধৰ উদাৰতাবাদৰ বিষয়ে উনুকিয়াব পাৰোঁ, কিন্তু এই এঘাৰ বিধেই প্ৰধান। এই আটাইবোৰেই উদাৰতাবাদৰ বিভিন্ন প্ৰকাশ।

উদাৰতাবাদ বিপ্লৱী যৌথ শক্তিৰ বাবে অতি অনিষ্টকাৰী। ই এনে এক ক্ষয়িষ্ণু শক্তি যি ঐক্যত শিথিলতা আনে, ঐক্যবদ্ধতাক অৱমাননা কৰে, উদাসীনতাৰ জন্ম দিয়ে আৰু অনৈক্যৰ সৃষ্টি কৰে। ই বিপ্লৱী কৰ্মীসকলক আটিল সংগঠন আৰু সুদৃঢ় শৃংখলাৰ পৰা বঞ্চিত কৰে, নীতিসমূহক অনুশীলনৰ মাজেৰে আগবঢ়াই নিয়াত বাধা দিয়ে আৰু পাৰ্টিয়ে নেতৃত্ব দিয়া জনগণৰ সৈতে পাৰ্টিৰ সংগঠনসমূহৰ সংযোগ বিচ্ছিন্ন কৰে। ই এক জঘণ্য প্ৰক্ৰিয়া।

পেটি বুৰ্জোৱাৰ স্বাৰ্থপৰ মনোভাৱৰ পৰাই উদাৰতাবাদে গজালি মেলে। ই ব্যক্তি স্বাৰ্থক আগত স্থান দি বিপ্লৱৰ স্বাৰ্থক পিছত স্থান দিয়ে। ইয়াৰ ফলতেই মতাদৰ্শগত, ৰাজনৈতিক আৰু সাংগঠনিক উদাৰতাবাদে জন্ম লাভ কৰে।

উদাৰপন্থীসকলৰ দৃষ্টিত মাৰ্ক্সবাদৰ নীতিসমূহ হ'ল--কায়াহীন গোড়া দৰ্শন। তেওঁ-লোকে মাৰ্ক্সবাদক মানি লয়, কিন্তু ইয়াক অনুশীলন কৰিবলৈ বা সম্পূৰ্ণভাৱে অনুশীলন কৰিবলৈ প্ৰস্তুত নহয়। তেওঁলোকে উদাৰতাবাদৰ সলনি মাৰ্ক্সবাদ গ্ৰহণ কৰিবলৈ অপ্ৰস্তুত। এনে বিধৰ মানুহবোৰৰ অন্তৰত যেনেকৈ মাৰ্ক্সবাদ আছে, ঠিক তেনেকৈয়ে উদাৰতাবাদো আছে। তেওঁলোকে মাৰ্ক্সবাদৰ কথা কয়, কিন্তু উদাৰতাবাদৰ অনুশীলনী কৰে। তেওঁলোকে লোকৰ ক্ষেত্ৰত মাৰ্ক্সবাদ ব্যৱহাৰ কৰে, কিন্তু নিজৰ ক্ষেত্ৰত ব্যৱহাৰ কৰে উদাৰতাবাদ। তেওঁলোকে দুয়ো বিধকেই সাঁচি থয় আৰু দুয়ো বিধৰেই ব্যৱহাৰ বিচাৰি পায়। ঠিক এনেকৈয়ে কিছুমান মানুহৰ মনে ক্ৰিয়া কৰে।

উদাৰতাবাদ হৈছে সুবিধাবাদৰ এক ধৰণৰ প্ৰকাশ আৰু ই মৌলিকভাৱে মাৰ্ক্সবাদ বিৰোধী। ই নেতিবাচক আৰু বস্তুগতভাৱে ই শত্ৰুকহে সহায় কৰে। সেয়েহে শত্ৰুৱেও আমাৰ মাজত ই জীয়াই থকাটোক স্বাগতম জনায়।

ইয়াৰ প্ৰকৃতি যিহেতু এনেকুৱা, সেয়েহে বিপ্লৱী কৰ্মীবৃন্দৰ মাজত ইয়াৰ কোনো স্থান থকা অনুচিত। আমি ইতিবাচক আদৰ্শসম্পন্ন মাৰ্ক্সবাদক ব্যৱহাৰ কৰি এই নেতিবাচক

( ৮৮ পৃষ্ঠাত চাওক )

# ন· প্ৰকাশ চিনাকি/

সমালোচনা নহয়, চিনাকিহে। এই শিতানত আমি নতুন কিতাপৰ এটি থুল-মূল পৰিচয় আগবঢ়াম। সাধাৰণতে দেখা যায় যে নতুন ভাল কিতাপ প্ৰকাশ হ'লে আমাৰ বহু পাঠকে গমকে নাপায়। আকৌ বহু সময়ত সমালোচকৰ পক্ষপাতিতামূলক সমালোচনাই পাঠকক বিভ্ৰান্ত কৰি ভাল কিতাপ এখন পঢ়াৰ পৰা বঞ্চিতো কৰে। সেয়ে নতুন কিতাপৰ সাধাৰণ পৰিচয় এটি আগবঢ়াই পাঠকক আমি কিছু খবৰ দিয়াৰ যত্ন কৰিম। প্ৰয়োজন বোধে এই কিতাপৰ সমালোচনা পৰৱৰ্তী সংখ্যাত প্ৰকাশ কৰিম।

---সম্পাদক

## অশান্ত প্ৰহৰ

লেখক ঃ কাঞ্চন বৰুৱা
প্ৰকাশক ঃ গুৱাহাটী বুক ষ্টল
মূল্য ঃ দহ টকা।

১৯৪২ চনৰ গণ আন্দোলনে ভাৰতীয় মানুহৰ জীৱনলৈ আনিছিল এক দুৰ্মম প্ৰত্যাহ্‌ৱান। গান্ধীৰ আহ্বানত এফালে ৰ্‌টিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চলা আপোচকামী সত্যাগ্ৰহৰ বিপৰীতে হাজাৰ হাজাৰ দেশপ্ৰেমী মানুহে বিশ্বাস কৰিছিল যে সশস্ত্ৰ সংগ্ৰামেই ৰ্‌টিছক খেদোৱাৰ একমাত্ৰ পথ। নায়ক জ্যোতি আৰু নায়িকা অহল্যাৰ প্ৰেমৰ কাহিনীৰ মাজেদি লেখকে ভাৰতবুৰঞ্জীৰ এক অবিস্মৰণীয় অধ্যায় "অশান্ত প্ৰহৰ" উপন্যাসত ধৰি ৰখাৰ যত্ন কৰিছে।

জ্যোতিৰ জীৱনৰ সমুখত এফালে আছিল গান্ধীৰ অসহযোগৰ পথ আনফালে বিক্ষুব্ধ যুৱদলে বাচি লোৱা সন্ত্ৰাসৰ পথ। আন বহুতৰ দৰেই তথাকথিত শান্তিৰ পথ বাচি ললেও সংগ্ৰামী যুবকসকলৰ প্ৰতি তেওঁৰ আকৰ্ষণ সমানেই আছিল। সেয়ে ঘটনাক্ৰমে তেওঁ এক সশস্ত্ৰ সংগ্ৰামৰ লগত জড়িত হৈ পৰিছিল। পুলিছৰ গুলিৰ আঘাতত ক্ষতবিক্ষত হৈ যেতিয়া মুমূৰ্ষু অবস্থাত অহল্যাৰ ঘৰত আশ্ৰয় প্ৰাৰ্থী হৈ গৈছিল তেতিয়াই আৰম্ভ হয় তেওঁৰ জীৱনৰ চূড়ান্ত ট্ৰেজেদী। ক্ষুদ্ৰ প্ৰেমৰ আকৰ্ষণেৰে জ্যোতিক মতাদৰ্শৰ পৰা আঁতৰাই আনিব নোৱাৰি অহল্যাই বিশ্বাসঘাটকতা কৰি জ্যোতিক পুলিছৰ হাতত ধৰাই দিয়ে। কিন্তু পিচ মুহূৰ্ততে অহল্যাৰ ভুল ভাঙে। কিন্তু তেতিয়া বহুত পলম হৈ গ'ল। সাম্ৰাজ্যবাদীৰ কাৰাগাৰত জ্যোতিৰ ডিঙিত কাল ফাঁচ লাগিল।

গতানুগতিক প্ৰেম কাহিনী হলেও 'অশান্ত প্ৰহৰ'ৰ মাজেদি লেখক কাঞ্চন বৰুৱাই এটা যুগৰ মৰ্মবেদনাক যিদৰে তুলি ধৰিছে সেয়েই উনপন্যাসখনৰ শ্ৰেষ্ঠ সম্পদ। +++

## প্ৰতিবাদৰ কণ্ঠ

প্ৰকাশক ঃ চিৰন্তন গোষ্ঠী
কবিতা প্ৰকাশন ।। গুৱাহাটী-৭৮১০০৪
মূল্য ঃ দুটকা পঞ্চাশ পইচা

প্ৰতিবাদৰ কণ্ঠ ভাৰতৰ বিভিন্ন জেলত বিনা বিচাৰে আৰু বিচাৰৰ প্ৰহসনত বন্দী হৈ থকা, অত্যাচাৰ আৰু নিৰ্যাতনত নিহত হোৱা বিভিন্ন ভাৰতীয় ভাষাৰ গণ-কবি আৰু



শিল্পীসকলৰ গীত-কবিতাৰ সংকলন। ইয়াৰ ভিতৰত অন্ধ্ৰৰ নিহত কবি সুব্বাৰাও পাণিগ্ৰাহী, বাংলা কবি অমিয় চট্টোপাধ্যায়, তুষাৰ চন্দ্ৰ আৰু দ্ৰোণাচাৰ্য ঘোষৰ কবিতা আৰু প্ৰবীৰ ৰায়চৌধুৰীৰ মা'লৈ চিঠি উল্লেখযোগ্য। হায়দৰাবাদ জেলত লেখা তেলেগু কবি চেৰাবান্দা ৰাজু, অন্ধ্ৰপ্ৰদেশ চৰকাৰে নিষিদ্ধ কৰা কবিতা পুথিৰ পৰা তেলেগু কবিতা 'আই', মেদিনীপুৰ জেলত ৰচা ৰাজবন্দী সকলৰ সমবেত 'গীত' বন্দী কমৰেডৰ মৃত্যুত গণ শিল্পী হেমাংগ বিশ্বাসৰ জনপ্ৰিয় গীতৰ উপৰিও নতুন দিল্লীৰ মানৱ অধিকাৰ আৰু গণতন্ত্ৰ ৰক্ষা সমিতিয়ে প্ৰকাশ কৰা ইংৰাজী কবিতাৰ সংকলন Disenting voice, পশ্চিম বংগৰ কবি বীৰেন্দ্ৰ চট্টোপাধ্যায়ে সম্পাদনা কৰা 'মানুষেৰ অধিকাৰ' আৰু পশ্চিম বংগৰ 'স্পন্দন সাহিত্য পত্ৰিকাগোষ্ঠীয়ে প্ৰকাশ কৰা 'কাৰাৰ ঐ বন্ধ কপাট', বন্দী মুক্তিৰ দাবীত প্ৰকাশ কৰা তিনিও খন সংকলনৰ পৰা কবিতা সংকলিত কৰিছে। ভাৰতীয় পৰিপ্ৰেক্ষিতৰ উপৰিও আন্তৰ্জাতিকভাৱে ৰাজনৈতিক বন্দীৰ প্ৰশ্নটো কিমান গুৰুত্বপূৰ্ণ সেইদিশ স্পষ্ট কৰাৰ কাৰণে ইয়াৰ লগতে হোচি-মিন, নাজিম হিকমত আৰু ৰোমা ৰঁলাৰ কবিতাই 'প্ৰতিবাদৰ কণ্ঠ' জোৰদাৰ কৰিছে। অসমত প্ৰথমবাৰৰ কাৰণে ৰাজপথত মিচিল কৰি বন্দীমুক্তিৰ দাবী জনোৱা শিল্পী-সাহিত্যিক সকলৰ কেইটামান কবিতা আৰু গীতো প্ৰতিবাদৰ কণ্ঠত সংকলিত হৈছে। এতিয়ালৈ প্ৰকাশিত অসমীয়া কবিতাপুথিৰ ভিতৰত 'প্ৰতিবাদৰ কণ্ঠ'ৰ প্ৰচ্ছদ আটাইতকৈ অৰ্থব্যঞ্জক। বেণু মিশ্ৰই প্ৰচ্ছদৰ পৰিকল্পিত ৰঙেৰেই প্ৰতিবাদ কৰিছে। প্ৰচ্ছদৰ কবিতাটিয়ে প্ৰতিবাদৰ কণ্ঠৰ কবিতাসমূহৰ মৰ্ম প্ৰতিফলিত কৰিছে।

অনুবাদক হিচাবে ৰবীন্দ্ৰ সৰকাৰ, অবনী চক্ৰবৰ্তী, ভূপেন বৰকটকীৰ নাম থাকিলেও সংকলনত অন্য অনুবাদকৰ কবিতাও ছপা হৈছে। প্ৰতিবাদৰ কণ্ঠ পঢ়িলে অসমৰ পঢ়ুৱৈয়ে অন্ততঃ ভাৰতৰ শিল্পী-কবি-বিপ্লৱী সকলৰ নিষ্ঠা আৰু দেশপ্ৰেমৰ আভাস পাব।

—অণু বৰা

## প্ৰতিবেশী সহোদৰ

প্ৰকাশক ঃ প্ৰাইমা পাব্লিকেশসন ।। কলিকতা ৭০০০০৯
অনুবাদ আৰু সম্পাদনা ঃ সনৎ বন্দোপাধ্যায়
মূল্য ঃ দহ টকা।

ইমান দিনে বিভিন্ন বাংলা ভাষাৰ আলোচনীৰ পাতত অ'ত ত'ত দুই এজন অসমীয়া কবিৰহে কবিতা অনূদিত হৈছিল। 'প্ৰতিবেশী সহোদৰ'ত কবি সনৎ বন্দোপাধ্যায়ে জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভাৰ পৰা আৰম্ভ কৰি ১৯৫০ চনলৈকে জন্ম গ্ৰহণ কৰা ৬৯ জন কবিৰ কবিতা সংকলন কৰি এক ঐতিহাসিক কাম কৰিলে বুলিব লাগিব। আটাইতকৈ উল্লেখযোগ্য, কথা, কাব্যগ্ৰন্থখনি অসমৰ প্ৰয়াত কবি জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, অমূল্য বৰুৱা আৰু পবিন্দ্ৰ বৰাৰ স্মৃতিৰ উদ্দেশ্যে উচ্ছৰ্গা কৰি মহৎ কাম কৰিছে। কুৰি শতিকাৰ অসমীয়া কবিতা আৰু 'নেচনেল বুক ট্ৰাষ্টে' প্ৰকাশ কৰা (নবকান্ত সম্পাদিত) সাম্প্ৰতিক কাব্য সংকলন দুখনিৰ দৰে প্ৰতিবেশী সহোদৰত গোষ্ঠীপ্ৰীতি দেখা পোৱা নাই। সম্পাদকৰ আক্ষেপ বহু কবিয়ে তেখেতক যোগাযোগ কালত আওকাণ কৰিছে। দুই এজনে প্ৰকাশৰ অনুমতিও নিদিলে। তথাপি যিমানখিনি তেখেতে সহযোগিতা পাইছে তাৰ ভিত্তিত 'প্ৰতিবেশী সহোদৰ' নিষ্ঠাৰে অনুবাদ কৰি প্ৰকাশ কৰিছে। কিতাপখনিৰ লগতে দিয়া অনুকথনটো পঢ়িলে সম্পাদক সনৎ বন্দোপাধ্যায়ৰ অসমীয়া ভাষাৰ প্ৰতি থকা গভীৰ ভাল পোৱাৰ কথা অনুভৱ কৰিব পাৰি। কিতাপখনি প্ৰকাশ হৈ ওলোৱাৰ পাছতেই কবি বন্দোপাধ্যায় অসমলৈ আমন্ত্ৰিত হয়। ইয়াতেই ধৰিব পাৰি যে প্ৰতিবেশীয়ে 'প্ৰতিবেশী সহোদৰ'ক ভাতৃত্বৰ ঘনিষ্ঠ পাশত আবদ্ধ কৰিছে। অন্য ভাষাত গ্ৰন্থ প্ৰণয়ন কৰিলে, ভাষা প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে বটাবাহনৰ ব্যবস্থা আছে। আমাৰ ভাষাত সেইবিলাকৰ একো উম ঘামেই নাই। আজিলৈকে এই সম্পৰ্কে এটা বাতৰিও হলে আমি পঢ়িবলৈ পোৱা নাই। অসমীয়া ভাষাত ইতিমধ্যে হেমাংগ বিশ্বাস, অমলেন্দু গুহ, ৰবীন্দ্ৰ সৰকাৰ, অমিত সৰকাৰ, সনন্ত তাঁতিয়ে কবি হিচাবে প্ৰতিষ্ঠিত হৈছে। কলিকতাৰ পৰা 'প্ৰতিবেশী সহোদৰ' উলিয়াই



OKD

কৰি সনৎ বন্দোপাধ্যায়ে আমাক আকৌ ঋণগ্ৰস্ত কৰিলে। ভাৰতৰ আটাইতকৈ বেছি সংখ্যক কিতাপ পঢ়া বাংলা পাঠকৰ লগত অসমীয়া কৱিতাক পৰিচিত কৰি দিয়াটো সহজ কথা নহয়। প্ৰতিবেশী অসম আৰু অসমীয়া ভাষাৰ প্ৰতি গভীৰ প্ৰীতি নাথাকিলে এনে কাম সহজ নহয়। অসমীয়া সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ কথা কৈ দাংকোপ মাৰি থকা সকলে নিজে কি কৰিছে হিচাব কৰিবৰ হ'ল।

অসমীয়া কবি আৰু কবিতাৰ পাঠকসকলে প্ৰতিবেশীয়ে কি কৰিছে চাওক—তাৰ মূল্যায়ন কৰক। +++

# জটায়ুৰ পাণ্ডুলিপি

ৰোহিণী কুমাৰ পাঠকৰ স্বনিৰ্বাচিত কবিতা সংকলন
প্ৰকাশক ঃ গাণ্ডীৱ সাংস্কৃতিকম, গুৱাহাটী-৭৮১০১৪
মূল্য—দুটকা।

'ষাঠি আৰু সত্তৰৰ দশকত অসমৰ বেছি সংখ্যক তৰুণ কবিয়ে প্ৰগতিশীল দৃষ্টি ভংগীৰে আত্ম প্ৰকাশ কৰিছে। আৰু লগতে জীৱন আৰু জগতক ভালদৰে হৃদয়ংগম কৰি ব্যক্তিগত দুখ-শোকক সামাজিক দুখ-শোকৰ লগত একত্ৰিত কৰি এক সাৰ্বজনীন সামূহিক ৰূপৰ অংশ হৈ কবিতা লিখিবলৈ প্ৰয়াস কৰা আমি দেখিবলৈ পাইছোঁ'—বুলি 'জটায়ুৰ পাণ্ডুলিপি'ৰ 'আমাৰ কথা'ত সম্পাদক ৰবীন শৰ্মাই কৈছে। ৰোহিণী কুমাৰ পাঠক এই দশকৰ কবি। জটায়ুৰ পাণ্ডুলিপিত পচিশটা সংকলিত কবিতাই ১৯৭৬-৭৭ চনত লেখা। ইয়াত বেছিভাগ কবিতাৰ বিষয়বস্তু সাম্প্ৰতিক সমাজ জীৱন। জৰুৰীকালীন অবস্থাৰ ভাৰতবৰ্ষ, বিশ্বৰ সৰ্বহাৰাৰ বৰেণ্য নেতা মাও-ছে তুঙৰ পৰা আৰম্ভ কৰি নক্সালবাৰীৰ চাৰু মজুমদাৰ, এতিয়াও বন্দী হৈ থকা ৰাজনৈতিক বন্দী সকলকে ধৰি বিভিন্ন কবিতাৰ মাজেদি কবিৰ সামাজিক দায়বদ্ধতাৰ স্বৰূপ 'জটায়ুৰ পাণ্ডুলিপি'ত প্ৰকাশ পাইছে। কিতাপখনিৰ প্ৰকাশক 'গাণ্ডীৱ সাংস্কৃতিমে' শোষক গোষ্ঠীৰ সমৰ্থনকাৰী তথাকথিত কবিসকলক প্ৰত্যাহ্বান জনাইছে। 'অগ্ৰজ কবি সকলৰ বহুতে প্ৰবৰ্তন কৰা অসুস্থ দৰ্শনৰ পৰা সকলো প্ৰকাৰে মুক্ত হৈ তৰুণ কবিসকলে শ্ৰেণী সংগ্ৰামত বিশ্বাস স্থাপন কৰি লিখা' কবিতা তথাকথিত বুদ্ধিজীৱীসকলে নিজেই উলংগ হোৱাৰ ভয়ত সমালোচনা কৰিবলৈ অপাৰগ' বুলিও সম্পাদক ৰবীন শৰ্মাই আগকথাত কৈছে। অসমত ষাঠি আৰু সত্তৰ দশকত যি নতুন আন্দোলন গঢ়ি উঠিছে ৰোহিনী কুমাৰ পাঠকৰ কবিতাৰ মাজতো সেই কথা স্পষ্ট হ'ব বুলি আমাৰ ধাৰণা। অসমত এতিয়া কেৱল কবিতাৰ কাগজেই বেছিকৈ ওলায়। কবিতাও বিক্ৰী হয় আগৰ তুলনাত বহুত বেছি। আমি গাণ্ডীৱ সাংস্কৃতিকমৰ এই উদ্যোগক আদৰণি জনাইছোঁ।

+++

—অগ্নী চক্ৰৱৰ্তী

(৮৫ পৃষ্ঠাৰ পিছৰ পৰা)

উদাৰতাবাদক অপসাৰিত কৰিব লাগিব। এজন কমিউনিষ্টৰ এটা বহল মন থকা উচিত। তেওঁ অতি দৃঢ় আৰু উদ্যোগী হোৱা উচিত। তেওঁ বিপ্লৱৰ স্বাৰ্থক নিজৰ প্ৰাণ বুলি বিবেচনা কৰিব লাগিব। তেওঁ সদায় সকলো ঠাইতে নীতি মানি চলিব লাগিব। সকলো ভুল ধাৰণা আৰু কামৰ বিৰুদ্ধে এক বিৰামহীন সংগ্ৰাম চলাব লাগিব, যাতে পাৰ্টিৰ যৌথ জীৱন অধিক সুসংহত হয়, লগতে পাৰ্টি আৰু জনগণৰ মাজৰ বান্ধোন যাতে আৰু শক্তিশালী হয়। তেওঁ কোনো ব্যক্তি বিশেষৰ প্ৰতি চিন্তা কৰাতকৈ পাৰ্টি আৰু জনগণৰ বিষয়েহে অধিক চিন্তা কৰিব লাগিব, আৰু তেওঁ নিজতকৈ আনৰ কথাহে বেছি ভাবিব লাগিব। মাথোন তেতিয়াহে তেওঁক এজন কমিউনিষ্ট বুলি গণ্য কৰিব পৰা যায়।

কিছু মানুহৰ মনত দেখা দিয়া এনে ধৰণৰ উদাৰপন্থী চিন্তা-চৰ্চাবোৰক বাধা দি তেওঁলোকক সঠিক পথলৈ আনিবলৈ অনুগত, সৰল, উদ্যোগী আৰু অকপট কমিউনিষ্ট সকল ঐক্যবদ্ধ হ'বই লাগিব। মতাদৰ্শগত দিশত আমাৰ কামবোৰৰ ইও এটা। ++



ভাৰতীয় সাংস্কৃতি
বিভিন্নতাৰে সমৃদ্ধ
অথচ অভিন্ন-এক।


এই এক অভিন্ন
ভাৰতীয় সংস্কৃতিত
ভাৰতীয় ৰেলে
আগবঢ়াইছে বিবিধ বাদ্যৰ ঐক্যতান।

মাঘৰ বিহুৰ মেজিৰ জ্যোতিয়ে
অধিক জ্যোতিষ্মান কৰক,
মোৰে ভাৰতৰে চিৰসুন্দৰ সংস্কৃতিক ॥

আপোনাৰ সেৱাত—
পূৰ্বোত্তৰ সীমান্ত ৰেলৱে ঃ
মালিগাওঁ : গুৱাহাটী—১১



SAMPRATIK SAMAYIKEE D. M. No. 5746
VOLUME II Collection V & VI Price Rs. 2.00
JANUARY, 1978



Published by M. Deuri on behalf of SAMPRATIK ...
and Printed at Hemkosh Printers, Silpukhuri, Gauhati